

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



দ্বাদশ বছৰ ■ সংখ্যা ২৯৪ ■ গুৱাহাটী ■ শুকুৰবাৰ, ৩ জুন, ২০২২, ১৯ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 294 Dainandin Barta ■ Guwahati, Friday ■ 3 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

**বিদেশী প্ৰতিনিধিক দুৰ্ব্যৱহাৰ**

## কামৰূপ মেট্ৰ'ৰ সহকাৰী আয়ুক্ত বাৰ্বি হাজৰিকাক নিলম্বন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** কামৰূপ মেট্ৰ'ৰ সহকাৰী আয়ুক্ত বাৰ্বি হাজৰিকাক চাকৰিৰ পৰা নিলম্বন কৰিছে ৰাজ্য চৰকাৰে। বাৰ্বি হাজৰিকা ছেকেণ্ডাৰী এডুকেশ্বনৰ অ'এছডি হিচাপে নিযুক্ত আছিল। এক্ট ইষ্ট পলিচীৰ ছিংগাপুৰৰ প্ৰতিনিধি আৰু এছিয়ানৰ প্ৰতিনিধিয়ে হাজৰিকাৰ বিৰুদ্ধে দুৰ্ব্যৱহাৰৰ অভিযোগ উত্থাপন ■ ৮ পৃষ্ঠাত

## নিশা ৰাজপথত মহিলাই দিছে পহৰা

**নগাঁৱত চুৰি-ডকাইতিৰ ঘটনা বৃদ্ধিয়ে শংকিত কৰি তুলিছে জনসাধাৰণক**



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** নগাঁও চহৰকে ধৰি বিভিন্ন অঞ্চলত সঘনে সংঘটিত হৈ অহা চুৰি, ডকাইতিৰ ঘটনাৰ বাবে নগাঁও ■ ৮ পৃষ্ঠাত

'দৈনন্দিন বাৰ্তা'ৰ বাতৰিৰ প্ৰভাৱ

**প্ৰতিবেদন ২**

বিহালী-বৰগাঁওৰ অঞ্জলি আইচ্ ক্ৰীম উদ্যোগত খাদ্য সুৰক্ষা বিষয়াৰ তদন্ত

## ১৪ দিনলৈ ছীল অঞ্জলি আইচ্ ক্ৰীম উদ্যোগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২ জুন ঃ** আজিও বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালীৰ বৰগাঁওৰ অঞ্জলি আইচ্ ক্ৰীম নামৰ উদ্যোগটোৱে প্ৰস্তুত কৰা বৰফৰ মাজত শামুক ওলোৱাক লৈ চাঞ্চল্য মাৰ যোৱা নাই। ২৬ মে'ত বৰগাঁওৰ অঞ্জলি আইচ্ ক্ৰীম উদ্যোগটোৰ পৰা এজন খুচুৰা বৰফ বিক্ৰেতাই বৰফ কিনি বিহালীৰ টেলেঙনীয়া গাঁৱত বিক্ৰী কৰিবলৈ নিয়াৰ সময়ত গ্ৰাহকে বৰফ ক্ৰয় কৰি সেৱন কৰাৰ সময়ত বৰফৰ মাজত শামুক ওলাইছিল। উল্লেখ্য যে, বিহালীৰ টেলেঙনীয়াত খুচুৰা বৰফ বিক্ৰেতাই বৰফ বিক্ৰী থকাৰ সময়তে বৰফৰ মাজত শামুক ওলোৱাৰ খবৰটো বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ সচেতন লোক বৰফ বিক্ৰেতা আৰু বৰগাংস্থিত অঞ্জলি ■ ৮ পৃষ্ঠাত



**বিহালীত শামুকযুক্ত বৰফ প্ৰস্তুত অঞ্জলি আইচ্ ক্ৰীম উদ্যোগৰ**

ডিব্ৰুগড়ত চৰকাৰী কৰ্মচাৰীৰ মাজত মুখগহ্বৰৰ কেন্সাৰৰ প্ৰাদুৰ্ভাৱ

## ১৬১ লোকৰ আশী শতাংশই মুখগহ্বৰৰ কৰ্কটৰ দুৱাৰ-ডলিত



**চিন্তনীয়**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২ জুন ঃ** কেঞ্চাৰৰ বিৰুদ্ধে সজাগতা অভিযানৰ লগতে উপশমী চিকিৎসা চলাই থকা ডিব্ৰুগড়ৰ অগ্ৰণী সংগঠন প্ৰতিশ্ৰুতি কেঞ্চাৰ এণ্ড ■ ৮ পৃষ্ঠাত

# 'কোনো মুছলমানে ৩গৰাকী মহিলাক বিয়া কৰাব নালাগে'

পৰামৰ্শ আগবঢ়াইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই



**'সম্পত্তিৰ ৫০ শতাংশ অংশ পত্নীক দিয়ক, চৰকাৰ আৰু সাধাৰণ মুছলমানসকলৰ মতামত একে'**

'অসম চৰকাৰৰ স্পষ্ট কথা, এজনৰ এগৰাকীয়ে পত্নী হ'ব লাগিব'

## তালাক নিদিব, আইনীভাৱে বিবাহ বিচ্ছেদ দিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কোনো মুছলমান পুৰুষে তিনিগৰাকী মহিলাক বিয়া কৰাব নালাগে। কিয়নো তেওঁ পত্নীৰো সম্পত্তিৰ সমান অংশ দাবী কৰাৰ অধিকাৰ থাকে। মুখ্যমন্ত্ৰীয়ে 'তালাক' দিয়াৰ পৰিৱৰ্তে সমাজত আইনী বিবাহ বিচ্ছেদৰো আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয়, 'অসম চৰকাৰে স্পষ্টকৈ ■ ৮ পৃষ্ঠাত



## সাংবাদিক গৌতম শৰ্মাক বিশ্ব সংবাদ কেন্দ্ৰৰ 'নাৰদ জয়ন্তী বঁটা' প্ৰদান

## তথ্যভিত্তিক প্ৰকৃত খবৰ-স্বদেশ জাগৰণৰ চিন্তাৰ নাম নাৰদ ঃ প্ৰফুল্ল কেটকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** 'জাতি নৃগোষ্ঠীয় সমন্বয়ৰে জাতিটোক সমৃদ্ধ কৰিবলৈ হ'লে ৰাজপথৰ আন্দোলন বাদ দি মনৰ আন্দোলন আৰম্ভ কৰাটো জৰুৰী। অসমীয়া ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে সকলো এক হোৱাৰ ■ ৮ পৃষ্ঠাত

**হিজাব বিতৰ্ক ছয় ছাত্ৰীক নিলম্বন**

## ১২ হিজাব পৰিহিত ছাত্ৰীক উপস্থিত থাকিবলৈ নিদিলে শ্ৰেণীত



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ জুন ঃ** কৰ্ণাটকত পুনৰ মূৰ দাঙি উঠিছে হিজাব বিতৰ্কই। আজি কৰ্ণাটকৰ দক্ষিণ কানাড়া জিলাৰ কৰ্তৃপক্ষই ৬ গৰাকী শিক্ষাৰ্থীক হিজাব পিন্ধাৰ বাবে নিলম্বন কৰে। শ্ৰেণীত হিজাব পিন্ধি নাহিবলৈ তেওঁলোকক কেইবাবাৰো সতৰ্কবাণী দিয়া হৈছিল। ■ ৮ পৃষ্ঠাত

## গুণোৎসৱত শিক্ষকৰ ৰূপত সাংসদ দিলীপ শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২ জুন ঃ** নলবাৰীত শিক্ষকৰ ৰূপত উপস্থিত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া। মাটিত বহি শিক্ষাৰ্থীৰ সৈতে একেলগে গ্ৰহণ কৰিলে মধ্যাহ্ন ভোজন। ঘগ্ৰাপাৰ হাইস্কুলত চলি থকা গুণোৎসৱত অংশ ■ ৮ পৃষ্ঠাত

## ৯ জুনত হ'ব নেকি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

**মুখ্যমন্ত্ৰীৰ ঘোষণাক লৈ ব্যাপক চাঞ্চল্য**

**আৰম্ভ লবীকেন্দ্ৰিক সমীকৰণ**



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২ জুন ঃ** অসম চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ পিছতে মন্ত্ৰীসভাৰ ৰদ-বদল আৰু সম্প্ৰসাৰণ আছিল বহু আকাংক্ষিত। কিন্তু ১০ মে' পাৰ হৈ যোৱাৰ পিছত বিষয়টো সেমেকিল। ইয়াৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে কৰা এটা ঘোষণাই এই বিষয়ত ■ ৮ পৃষ্ঠাত

## বাইহাটাত ১৭ কোটি টকা মূল্যৰ মৰফিনসহ আটক দুটা আন্তঃৰাজ্যিক ড্ৰাগ্‌ছ মাফিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি ড্ৰাগ্‌ছৰ বিৰুদ্ধে কঠোৰ অভিযান চলাই থকাৰ মাজতে আজি দুপৰীয়া কামৰূপ জিলা আৰক্ষী আৰু ■ ৮ পৃষ্ঠাত



## শীৰ্ষ বিষয়াক উৎকোচ দিবলৈ গৈ গ্ৰেপ্তাৰ নগাঁৱৰ সহকাৰী উপ-পৰিদৰ্শক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** এখন মনে বিচৰা ভাল থানালৈ বদলি বিচাৰি ১০ হাজাৰ টকা উৎকোচ দিবলৈ গৈ গ্ৰেপ্তাৰ হ'ল নগাঁৱৰ এগৰাকী সহকাৰী উপ-পৰিদৰ্শক। নগাঁও আৰক্ষী ছাউনীত কৰ্মৰত আব্দুল মোতালিব নামৰ সহকাৰী উপ-পৰিদৰ্শকগৰাকীয়ে নগাঁও সদৰ থানালৈ বদলি বিচাৰি নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক (সদৰ) ত্ৰিদিৱ কুম্বাঙক আজি আৰক্ষী অধীক্ষকৰ ■ ৮ পৃষ্ঠাত



## বিটিচিৰ পৰা বিজেপিক উৎখাত কৰিবলৈ দিল্লীত প্ৰমোদ বড়োৱে মোৰ সৈতে কথা পাতিছিল

**বাক্সাৰ শিমলাত প্ৰমোদ বড়োৰ বিৰুদ্ধে হাগ্ৰামাৰ পুনৰ বিস্ফোৰণ**



*সশস্ত্ৰ সীমা বলৰ সঞ্চালকপ্ৰধান হিচাবে নিযুক্ত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া ড° সুজয় লাল থাওচেন*

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২ জুন ঃ** 'বিজেপিক বিটিচিৰ পৰা উৎখাত কৰিবৰ বাবে প্ৰমোদ বড়োৱে দিল্লীত মোক মাতি নি কথা পাতিছিল। প্ৰমোদ বড়োৱে মোৰ সৈতে লগ লাগি বিটিচিৰ পৰা বিজেপিক আউট কৰাৰ বাবে আলোচনা কৰিছিল'। বাক্সাৰ শিমলাস্থিত বিপিএফ কাৰ্যালয়ত আজি ■ ৮ পৃষ্ঠাত

## সন্ধানহীন শিশুৰ সন্ধান উলিওৱাত সহায় কৰিব ইনষ্টাগ্ৰামৰ নতুন সুবিধাই

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ জুন ঃ** এতিয়া হেৰোৱা শিশু বিচাৰি উলিওৱাত সহায় কৰিব ইনষ্টাগ্ৰামে। ইনষ্টাগ্ৰামে এটা নতুন সুবিধা আৰম্ভ কৰিছে, যিয়ে কৰ্তৃপক্ষক সন্ধানহীন শিশুবিলাক বিচাৰি উলিওৱাত সহায় কৰিব। মেটা-মালিকানাধীন এপটোৱে ছ'চিয়েল নেটৱৰ্কিং প্লেটফৰ্মত অম্বৰ এলাৰ্টছ ■ ৮ পৃষ্ঠাত

## পিপিই কীট পিন্ধি ধৰ্ণা কংগ্ৰেছৰ

**চিবিআই-ইডিৰ দ্বাৰা তদন্ত কৰাওক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে**



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** 'পি পি ই কীট'কে ধৰি ক'ভিড-প্ৰতিৰোধী বিভিন্ন সামগ্ৰী যোগানৰ ঠিকা সকলো নীতি-নিয়ম জলাঞ্জলি দি তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ এটা আৰু মুখ্যমন্ত্ৰীৰ 'ব্যৱসায়ী বন্ধু' অশোক ধানুকাৰ পুত্ৰ ঘনশ্যাম দাস ধানুকাৰ দুটা প্ৰতিষ্ঠানক আৱণ্টন দিয়া কাৰ্যৰ তদন্ত চি বি আই আৰু এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰ (ই ডি)ৰ দ্বাৰা কৰাবলৈ দাবী তুলি আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এক ধৰ্ণা কাৰ্যসূচী ৰূপায়িত কৰে। তাৎপৰ্যপূৰ্ণভাৱে ৰাজীৱ ভৱনত অনুষ্ঠিত এই ধৰ্ণা কাৰ্যসূচীত কংগ্ৰেছৰ নেতাই 'পি পি ই কীট' পৰিধান কৰি এই ধৰ্ণাত অংশগ্ৰহণ কৰে। অসম প্ৰদেশ ■ ৮ পৃষ্ঠাত

# উৎফুল্ল গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ ৰাইজ

**যোগীজানৰ দীঘলজাৰ ৰাজ্যিক চিকিৎসালয়ত নতুন চিকিৎসকৰ যোগদান**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২ জুন ঃ** হোজাই জিলাৰ যোগীজান স্বাস্থ্য খণ্ডৰ অন্তৰ্গত দীঘলজাৰ ৰাজ্যিক চিকিৎসালয়ত আজি যোগদান কৰে ড° আশ্ৰাফুল আলম নামৰ এগৰাকী উদীয়মান চিকিৎসকে। তেওঁ নীলবাগানৰ তাৰকাটা এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল হান্নান আৰু ৰেজিয়া বেগমৰ সু-সন্তান। গ্ৰাম্য অঞ্চলৰ একমাত্ৰ চিকিৎসালয়খনত দীৰ্ঘদিন ধৰি এগৰাকী চিকিৎসকে চলাই আছিল। অৱশেষত আন এগৰাকী চিকিৎসক যোগদান কৰাত বৃহত্তৰ অঞ্চলটিৰ দৰিদ্ৰ লোক উৎফুল্ল হৈ পৰিছে। লগতে স্থানীয় দল-সংগঠনে শুভেচ্ছা প্ৰকাশ কৰে।

## পাভ নদীৰ বক্ষত সন্দেহজনক নাগৰিকৰ বেদখল

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২ জুন ঃ** লখিমপুৰ জিলাৰ নাওবৈচা ৰাজহ চক্ৰৰ অন্তৰ্গত পাভ নদীৰ বক্ষত সন্দেহজনক নাগৰিকে বসতি স্থাপন কৰিবলৈ লোৱাত ৰাজহ চক্ৰটোৰ প্ৰায় কুৰিখনৰো অধিক গাঁও বানৰ কবলত পৰিছে। নদীৰ বক্ষত তথা বালিচৰত বসতি ■ ৮ পৃষ্ঠাত

সভাপতিৰ চূড়ান্ত ব্যৰ্থতা, অমনোযোগিতা আৰু অনুপস্থিতিত যোৰহাটৰ গ্ৰাহক আদালত এতিয়া গ্ৰাহকৰ স্বাৰ্থত নহয়, গ্ৰাহকৰ বাবে বোজাস্বৰূপ হৈছে, স্থবিৰ আদালত

## মাহ ধৰি পিছুৱায় চূড়ান্ত ৰায়দান

**দৈনন্দিন বাৰ্তা সেৱা, যোৰহাট, ২ জুন ঃ** গ্ৰাহক ৰাইজৰ স্বাৰ্থত তথা গ্ৰাহকক নানা ব্যৱসায়ী প্ৰতিষ্ঠান, বিত্তীয়, বীমা, পৰিবহন ইত্যাদি সংস্থাসমূহে কৰি অহা প্ৰবঞ্চনা, প্ৰতাৰণা, নিম্নমানৰ সামগ্ৰীৰে গ্ৰাহকক ৰামঠগন দিয়া ইত্যাদিৰ বিৰুদ্ধে গ্ৰাহকে তেনে প্ৰতিষ্ঠানৰ বিৰুদ্ধে গ্ৰাহক আদালতত ন্যায্য প্ৰাপ্তি ও ক্ষতিপূৰণ বিচাৰি আবেদন কৰিব পাৰে আৰু গ্ৰাহক আদালতেও স্থাপন হোৱা গ্ৰাহক আদালতখনে কিন্তু এতিয়া গ্ৰাহকৰ ন্যায্য প্ৰাপ্তি, ক্ষতিপূৰণ প্ৰদান কৰাতো দূৰৈৰে কথা ভালুকৰ সাঙীত পৰিণত হোৱা যোৰহাটৰ গ্ৰাহক আদালতখন এতিয়া যোৰহাটবাসীৰ ■ ৮ পৃষ্ঠাত



## নাবালিকাক যৌন নিৰ্যাতনৰ অভিযোগত ২০ বছৰ সশ্ৰম কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২ জুন ঃ** লখিমপুৰৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ-বিশেষ আদালতে নাবালিকাক যৌন ■ ৮ পৃষ্ঠাত

## ৯৯ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰিলে চৰকাৰী গাঁওবুঢ়া গংগাৰাম বৰুৱাই



**আজি মোৰ বিদায় আৰু আপোনাসবেও মোক বিদায় দিব লাগে ঃ অৱসৰপ্ৰাপ্ত গাঁওবুঢ়া গংগাৰাম বৰুৱা**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ, ২ জুন ঃ** ভাবিব নোৱৰা এটা দিন পাৰ হৈ গ'ল ১ জুন তাৰিখটো। নজনা বহু কথা আপুনি-মই দেখা ছবি এক কাহিনী। ১৯৭৭ চনতে চৰকাৰী গাঁওবুঢ়া হিচাপে নিযুক্তি লাভ কৰা বিহালী বটিয়ামাৰী ৰৌমাৰীৰ গংগাৰাম বৰুৱা বৰ্তমান ৯৯ বছৰত ভৰি দিলে। যোৱা ৪৫ বছৰে চৰকাৰী গাঁওবুঢ়া হিচাপে সেৱা আগবঢ়োৱা গংগাৰাম বৰুৱাই মঙলবাৰে ৯৯ বছৰ বয়সত ■ ৮ পৃষ্ঠাত



**অৱসৰ গ্ৰহণ কৰা গংগাৰাম বৰুৱাই সাংবাদিক আগত পুৰণি স্মৃতি সুঁৱৰি আৱেগিক হৈ পৰিল ঃ কৈ গ'ল ১৯৪২ চনৰ আন্দোলনৰ ইতিহাস**



### দৰঙত হিতাধিকাৰীক প্ৰমাণ-পত্ৰ প্ৰদান কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ

# আমি দৰঙক উন্নত জিলা হিচাপে গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ জুন ঃ** আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন উপলক্ষে মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক কাৰ্যসূচীত আজি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ, পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বিভিন্ন বিভাগৰ অধীনত চৰকাৰী আঁচনিসমূহৰ দৰং জিলাৰ ৭৫০গৰাকী হিতাধিকাৰীক প্ৰমাণ-পত্ৰ আৰু অনুমোদন-পত্ৰ প্ৰদান কৰে। আজিৰ বৈঠকত মঙলদৈৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা নীলিমা দেৱী, দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাসহ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া আৰু বিভিন্ন বিভাগৰ জিলা মুৰব্বী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰি ৰামেশ্বৰ তেলীয়ে কয় যে দৰং জিলা আকাংক্ষিত জিলা আৰু এই জিলাখনক উন্নয়নৰ কেন্দ্ৰবিন্দু কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকৰ আয় দুগুণ কৰাৰ বাবে চেষ্টা কৰি আছে আৰু দৰঙত বায়'ইথানল প্লাণ্ট স্থাপন কৰিবলৈ পদক্ষেপ লোৱা হৈছে, য'ত বহু লোকে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিব। জিলাখনত এখন মিনি ফুড পাৰ্ক স্থাপন কৰি থকা হৈছে আৰু ইয়াতো কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হ'ব। মন্ত্ৰীগৰাকীয়ে তেওঁ খাদ্য সংসাধন দপ্তৰৰ দায়িত্বত থাকোতেই এই ফুড পাৰ্কখনৰ অনুমোদন কৰা হৈছিল বুলি অৱগত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটনৰ অপৰিসীম সম্ভাৱনা আছে বুলি উল্লেখ কৰি উদ্যানখনৰ বৃদ্ধি, আন্তঃগাঁথনি উন্নত কৰাৰ বাবে পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে জনায় যে দৰঙলৈ গেছ পাইপলাইন আনিবলৈ প্ৰচেষ্টা লোৱা হৈছে আৰু ইয়াৰ সুফল জনসাধাৰণে লাভ কৰিব। ভৱিষ্যতে দৰঙক দেশৰ ভিতৰতে অন্যতম উন্নত জিলা হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ লোৱা হ'ব বুলি কৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অমৃত সৰোবৰ আঁচনিৰ অধীনত প্ৰতিখন জিলাতে ৭৫টা পুখুৰী খন্দা হ'ব বুলি জানিবলৈ দিয়ে। ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে অনুষ্ঠানত ভাষণ প্ৰদান কৰি কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে নিপীড়িতসকলৰ উত্থানৰ বাবে অহোপুৰুষাৰ্থ কৰি আঁচনিসমূহ আন্তৰিকতাৰে ৰূপায়ণ কৰিছে। চৰকাৰৰ জনকল্যাণৰ উদ্দেশ্যক লৈ মানুহৰ মনত আশংকা নাই, কাৰণ সমাজৰ সকলো শ্ৰেণীয়ে চৰকাৰৰ আঁচনিসমূহৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ কাৰ্যসূচীত কে চি চি কাৰ্ড, পি এম এ ৱাই গ্ৰামীণৰ অনুমোদন-পত্ৰ, বিনামূলীয়া এল পি জি গেছ সংযোগ, ছইল হেল্‌থ কাৰ্ড, পি এম কিছান, ই শ্ৰম কাৰ্ড, ষ্ট্ৰীট ভেণ্ডৰ লোন, মাটিৰ পট্টা, বেংক ঋণৰ অনুমোদন-পত্ৰ আদি বিতৰণ কৰা হয় ।ছ্ৰ

# শ্বহীদ দ্বিজেন ভূঞা উচ্চ ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ২ জুন ঃ** ১ জুনত শোণিতপুৰ জিলা শিক্ষা বিভাগৰ অন্তৰ্গত বিদ্যালয়সমূহৰ তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ প্ৰথম দিন। শোণিতপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ বৃহত্তৰ আমতল ভেৰগাঁৱৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থল শ্বহীদ দ্বিজেন ভূঞা উচ্চ ইংৰাজী বিদ্যালয়তো গুণোৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰা হয়। পুৱাৰ প্ৰাতঃ সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল, শিক্ষক-কৰ্মচাৰীসকলৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল, অভিভাৱকসকল, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকল, স্থানীয় গাঁওবুঢ়া আৰু মাতৃগোটৰ সদস্যাসকল উপস্থিত থাকে। প্ৰাতঃ সভাৰ অন্তত পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিকু



কুমাৰ শৰ্মাই। ইয়াৰ পিছত শ্বহীদ দ্বিজেন ভূঞা আৰু শ্বহীদ বসন্ত কাকতিৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা গাঁওবুঢ়া হৰিলাল শৰ্মা আৰু অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক গজেন চন্দ্ৰ বৰুৱাই। বিদ্যালয়ৰ নডেল শিক্ষক হিতেশ্বৰ ভূঞাৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো শ্ৰেণীৰ স্ব মূল্যায়ন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক গোলোক চন্দ্ৰ বৰাদেৱে প্ৰাতঃসভা, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু পতাকা উত্তোলন অনুষ্ঠানটিৰ আঁত ধৰাৰ লগতে উপস্থিত আমন্ত্ৰিত অতিথিসকলক উদ্দেশ্যি কৃতজ্ঞতা আৰু ধন্যবাদসূচক মন্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে ৪ জুন তাৰিখে তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি পৰিব।

## বাক্সাত উপস্থিত কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২ জুন ঃ** ৮ জুনত অনুষ্ঠিত হ'বলগীয়া বিটিচিৰ তথা বাক্সা জিলাৰ অন্তৰ্গত ২২নং কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগৰ দ্বাৰা নিযুক্ত সাধাৰণ পৰ্যবেক্ষক আহি ইতিমধ্যে জিলাখনত উপস্থিত হৈছে। উল্লেখ্য, অসম প্ৰশাসনিক সেৱাৰ বিষয়া তথা কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'ক কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক হিচাপে নিৰ্বাচন আয়োগে নিযুক্তি দিছে। আগন্তুক কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত ৰাইজৰ কিবা অভিযোগ থাকিলে পুৱা ১০ বজাৰ পৰা আবেলি ৪ বজালৈ মুছলপুৰস্থিত আৱৰ্ত ভৱনৰ ১নং কক্ষত (পহুমৰা) পৰ্যবেক্ষকগৰাকীক সাক্ষাৎ কৰিব পাৰিব। লগতে সমষ্টিটোৰ ৰাইজে নিৰ্বাচন সম্পৰ্কীয় কিবা তথ্য জানিবলৈ বা অভিযোগ দাখিল কৰিবলৈ পৰ্যবেক্ষকগৰাকীক ৯৪৩৫১-৬৮৫২৩ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিবৃতিযোগে জনাইছে।

# ওৰাঙৰ আৰবিএছকেৰ উদ্যোগত বাহীপুখুৰী চাহ বাগিচাত স্বাস্থ্য পৰীক্ষা আৰু স্কেনিং

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ জুন ঃ** ধঁপাত সেৱনে এখন সমাজ তথা একোটা পৰিয়াললৈ ধ্বংসৰ বতৰা কঢ়িয়াই আনে। ধঁপাত গ্ৰহণৰ ফলত স্বাস্থ্যত পৰা বিৰূপ প্ৰভাৱসমূহৰ বিষয়ে ব্যাপক সজাগতা সৃষ্টিৰে এখন ধঁপাতমুক্ত পৃথিৱী গঢ়ি তোলাৰ বাবে আজি 'বিশ্ব ধঁপাতবিৰোধী দিৱস'ত আমি সকলোৰে বদ্ধপৰিকৰ হওঁ আহক, এই লক্ষ্যৰে ৩১ মে'ত ওদালগুৰি জিলাৰ ওৰাং মৌজাৰ অন্তৰ্গত বাহীপুখুৰী চাহ বাগিচাৰ দিৱসটিৰ লগত সংগতি ৰাখি এখনি স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হৈ যায়। দিৱস উপলক্ষে ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ ৰাষ্ট্ৰীয় বাল কাৰ্যক্ৰমৰ অন্তৰ্গত মোবাইল হেলথ টীমৰ উদ্যোগত বাহীপুখুৰী চাহ বাগিচাত শিশু, যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা আদিসকলকো স্বাস্থ্য পৰীক্ষা আৰু স্কেনিং কৰা হয়। ৩১ মে'ত এই কাৰ্যক্ৰমত ডাঃ সৌৰভ কুমাৰ বৰ্মন, ডাঃ দীপাঞ্জলি বৰা, ফাৰ্মাচিষ্ট তৈয়বুৰ ৰহমান, এ এন এম প্ৰণতি বসুমতাৰী, শিশুসকলৰ লগতে যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা আদিকো স্বাস্থ্য পৰীক্ষাৰ লগতে স্কেনিং কৰাৰ লগতে ঔষধপাতি প্ৰদান কৰা হয়। ৭০নং মাজবাট বিধানসভা সমষ্টি তথা বিটিআৰৰ পাঁচনৈ চেৰফাং সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাৰ ফাৰ্মাচিষ্ট কনক চন্দ্ৰ ব্ৰহ্ম, স্বাস্থ্য সহায়ক শিতেশ গোৱালা,




আশা ছুপাৰভাইজৰ ববী টিগ্গা, আশা কৰ্মী সন্ধ্যা তাঁতী, মমি গোড় পানিকা, বেদায়ণ্টি ৰজক আদিসকলে স্বাস্থ্য পৰীক্ষা শিবিৰটোত সক্ৰিয় সহায়-সহযোগিতা কৰে। বাহীপুখুৰী চাহ বাগিচা চিকিৎসালয়ৰ সহযোগত আয়োজিত এই শিবিৰটোত ধঁপাত সেৱনকাৰীসকলৰো স্বাস্থ্য পৰীক্ষা-নিৰীক্ষা কৰা হয়।

# সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ ৮১ সংখ্যক কেন্দ্ৰীয় অধিৱেশন সম্পন্ন

### লক্ষীকান্ত সূত্ৰধৰক সভাপতি আৰু বলোৰাম সূত্ৰধৰক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১জনীয়া নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২ জুন ঃ** সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ ৮১ সংখ্যক কেন্দ্ৰীয় অধিৱেশনখন দেওবাৰে বঙাইগাঁও পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। বঙাইগাঁও জিলা সূত্ৰধৰ ছাত্ৰ সন্থাৰ সহযোগত অনুষ্ঠিত অধিৱেশনত পতাকা উত্তোলন কৰে সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি টুপেন সূত্ৰধৰে। ইয়াৰ লগতে বিভিন্ন জিলা সমিতিৰ সভাপতিসকলে নিজ নিজ জিলাৰ পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ তথা মাল্যাৰ্পণ কৰে সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুখোধন সূত্ৰধৰ আৰু উপদেষ্টা নৃপেন সূত্ৰধৰে। ইয়াৰ পিছতে সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি টুপেন সূত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত হয় 'বিশেষ সম্বৰ্ধনা অনুষ্ঠান'। এই অনুষ্ঠানত সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক মাণিক সূত্ৰধৰ, সদৌ অসম সূত্ৰধৰ সন্মিলনীৰ বিশিষ্ট বিষয়ববীয়া তথা সমাজ সেৱক কমলেশ্বৰ সূত্ৰধৰ, সদৌ গোৱালপাৰা জিলা সূত্ৰধৰ সন্মিলনীৰ উপদেষ্টা উকিল সূত্ৰধৰ, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মনোনীত সদস্য চন্দন সূত্ৰধৰ, বিশিষ্ট সমাজ সেৱক প্ৰবীণ সূত্ৰধৰ আদি ব্যক্তি উপস্থিত থাকে। এই সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে প্ৰতিনিধি সভা আৰু পুৰণি সমিতি ভংগ কৰি নতুন সমিতি গঠনৰ বাবে অনুষ্ঠিত হয় বিষয় বাছনি সভা। সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ উপদেষ্টা নৃপেন্দ্ৰ সূত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত বিষয় বাছনি সভাত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে লক্ষীকান্ত সূত্ৰধৰক সভাপতি আৰু বলোৰাম সূত্ৰধৰক সাধাৰণ সম্পাদক হিচাপে লৈ সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ ৪১ জনীয়া নতুন সমিতি এখন গঠন কৰা হয়।

# ধুবুৰীৰ বংশীৰ চৰৰ পৰা বিএছএফে ৮৫ বস্তা চোৰাং ইউৰিয়া সাৰসহ ব্যৱসায়ীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২ জুন ঃ** ধুবুৰীৰ পৰা নদীপথেৰে সীমান্ত অঞ্চললৈ চোৰাংকৈ ইউৰিয়া সাৰ নিয়াৰ সময়তে বি এছ এফৰ এটা দলে তালাচী চলাই ৮৫ বস্তা চোৰাং ইউৰিয়া সাৰ জব্দ কৰে। ধুবুৰীৰ বংশীৰ চৰ এলেকাত থকা বি অ' পিত বি এছ এফে নিয়মীয়া তালাচীৰ পিছতেই জব্দ কৰে ৮৫ বস্তা ইউৰিয়া সাৰ। বি এছ এফে ৮৫ বস্তা চোৰাং সাৰৰ লগতে তিনিজন লোকক আটক কৰি ধুবুৰী সদৰ আৰক্ষী থানালৈ লৈ আনি আৰক্ষীক চমজাই দিয়ে। তিনিজন লোক ক্ৰমে সাহ আলম(৫০), আব্দুল ছালাম(৩০) আৰু চান উদ্দিন(২৭) বুলি ধুবুৰী সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পাৰ্থ প্ৰতিম গগৈয়ে জানিবলৈ দিয়ে। বৰ্তমানে চোৰাং ব্যৱসায়ী তিনিজনক ধুবুৰী সদৰ আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে।

## মৰাণৰ পথালিবামত বোৱাৰীৰ মৃত্যুক লৈ দুজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ পথালিবাম শলগুৰিৰ প্ৰাঞ্জল হাজৰিকাৰ পত্নী ভাৰতী চাংমাই হাজৰিকাই আত্মহত্যা কৰা ঘটনাক সহজভাৱে লোৱা নাই গাঁৱৰ ৰাইজ আৰু ভাৰতী চাংমাই হাজৰিকাৰ পিতৃ পৰিয়ালে। এই ঘটনাক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰিছে গাঁৱৰ ৰাইজৰ লগতে ভাৰতীৰ পিতৃৰ পৰিয়ালে। ঘটনা সন্দৰ্ভত ভাৰতীৰ পিতৃৰ পৰিয়ালে মৰাণ আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ পাছতে মৰাণ থানাৰ আৰক্ষীয়ে আটক কৰিছে মৃত ভাৰতীৰ স্বামী প্ৰাঞ্জল হাজৰিকা আৰু শহুৰ অজিত হাজৰিকা ওৰফে বগাক। ইতিমধ্যেই দুইজনকে আটক কৰি জেৰা অব্যাহত ৰাখিছে মৰাণ থানাৰ আৰক্ষীয়ে। উল্লেখ্য, এবছৰ পূৰ্বে পথালিবাম শলগুৰিৰ অজিত হাজৰিকাৰ (বগা) পুত্ৰ প্ৰাঞ্জল হাজৰিকাৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল পথালিবাম কমলদৈ গাঁৱৰ নিবাসী পোনা চাংমাইৰ কন্যা ভাৰতী চাংমাই। কিন্তু বুধবাৰে নিশা ভাৰতীৰ স্বাস্থ্য বেয়া বুলি পিতৃ পৰিয়ালক খবৰ দিছিল স্বামীৰ পৰিয়ালে। নিশাই পিতৃ আহি উপস্থিত হোৱাত নিজ কন্যাৰ মৃতদেহ দেখি ক্ষোভিত হৈ পৰে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

### ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগ

# বিশখুটি স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত বিশেষ প্ৰসৱপূৰ্বক পৰীক্ষা অভিযান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ জুন ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত আয়োজিত হ'ব বিশেষ প্ৰসৱপূৰ্বক পৰীক্ষা অভিযান। ওদালগুৰি জিলাতো ৩০ মে'ৰ পৰা ৫ জুনলৈ প্ৰতিটো স্বাস্থ্য কেন্দ্ৰতে আয়োজিত হৈ আছে 'শক্তি' শীৰ্ষক এই অভিযান। জিলাখনৰ ১১৭টা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ সহিতে মুঠ ১৮২খন চিকিৎসালয়ত চিকিৎসক আৰু সমূহীয়া স্বাস্থ্য বিষয়াৰ জৰিয়তে ইতিমধ্যে পৰীক্ষা কৰা হৈ আছে। ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বিশখুটি স্বাস্থ্য আৰু পৰিয়াল কেন্দ্ৰত ১ জুনত গৰ্ভৱতী মহিলাসকলৰ হিম'গ্লবিন, ৰক্তচাপ, ওজন পৰীক্ষা, মধুমেহ, পালছ আদিৰ লগতে আন কিবা জটিলতা আছে নেকি পৰীক্ষা কৰা হয়। লগতে গৰ্ভৱতী অৱস্থাত ল'বলগীয়া যতন আৰু শিশুৰ যতন আদিৰ বিষয়েও সজাগ কৰাৰ সম্পৰ্কত আলোচনা-পৰ্যালোচনা কৰা হয়। এই অনুষ্ঠানটোত সমূহীয়া স্বাস্থ্য বিষয়া মিছ চামিৰণ নেহা, আশা ছুপাৰভাইজৰ মেৰিনা শইকীয়া, এ এন এম ৰুণজুন আহমেদ, ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ ৰাজু ব্ৰহ্ম, বিপিএম পংকজ কুমাৰ সভাপণ্ডিত, বিডিএম ৰাজদীপ বৰুৱা, আশা কৰ্মী নাজবিনা খাতুন, আনোৱাৰা বেগম, কুলছুমা বেগম, ফৰিদা বেগম আৰু ফটাশিমলু স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ সমূহীয়া স্বাস্থ্য বিষয়া দেৱৰাজ হাজং আদিয়ে সহায়-সহযোগিতা কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

### লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এই মাহৰ অতিথি ৰূপম হাতীমূৰীয়া

# অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক আগুৱাই নিয়াৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীসকলৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ জুন ঃ** 'বিশ্বৰ দৰবাৰত অসমৰ সংস্কৃতিয়ে শেহতীয়াকৈ এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। অসমৰ সাংস্কৃতিক দিশটোৰ উত্তৰণত ছাত্ৰ-ছাত্ৰীয়ে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব লাগিব।' — লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এই মাহৰ অতিথি শীৰ্ষক অনুষ্ঠানত মাহটোৰ অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা বিহুৱা ৰূপম হাতীমূৰীয়াই এইদৰে মনৰ ভাব প্ৰকাশ কৰে। বিশিষ্ট যুৱ সাংস্কৃতিক কৰ্মীজনে লগতে কয় যে বিদ্যালয়সমূহত অসমীয়া থলুৱা বাদ্যসমূহৰ লগতে অসমৰ থলুৱা গীত-মাতসমূহৰো চৰ্চা হোৱাটো অতিকে আৱশ্যক। শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক এইক্ষেত্ৰত উৎসাহিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। দেৱজিত শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত উপস্থিত থাকি বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰমোদ খনিকৰে এই মাহৰ অতিথি শীৰ্ষক অনুষ্ঠানৰ আয়োজনেৰে প্ৰতিমাহে বিদ্যালয়খনলৈ একোজনকৈ বিভিন্ন দিশৰ পাৰদৰ্শী লোকক বিদ্যালয়লৈ আমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ সুবিধা কৰি দিয়াৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই লোৱা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানটোত বৰবৰুৱা মণ্ডল সমন্বয়ক বিনোদ গগৈ আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰসেনজিৎ বৰঠাকুৰেও নিজা বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ শিক্ষক দেৱজিত শৰ্মাৰ কবিতা আবৃত্তিয়ে উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখযোগ্য যে লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ে চলিত শিক্ষাবৰ্ষৰ পৰা প্ৰতিমাহে 'এই মাহৰ অতিথি' শীৰ্ষক এক অনুষ্ঠানৰ যোগেদি বিভিন্ন কৰ্মৰে সমাজ-জীৱনলৈ বৰঙনি আগবঢ়োৱা একোজনকৈ ব্যক্তিক বিদ্যালয়লৈ আমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ সুবিধা দি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰাৰ হেতু এক পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিদ্যালয়খনে গ্ৰহণ কৰা এই ব্যতিক্ৰমী পদক্ষেপক সচেতন মহলে প্ৰশংসা কৰিছে।

# অসম চৰকাৰে প্ৰদান কৰিব বিচৰা ধৰ্মীয় সংখ্যালঘুৰ প্ৰমাণপত্ৰ সম্পৰ্কে দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ বক্তব্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুন ঃ** অসম চৰকাৰৰ শেহতীয়া মন্ত্ৰী পৰিষদৰ বৈঠকত অসমত বসবাস কৰা ইছলামধৰ্মী, খ্ৰীষ্টানধৰ্মী, জৈনধৰ্মী, বৌদ্ধধৰ্মী, শিখ ধৰ্মাৱলম্বী আৰু পাৰ্চী ধৰ্মাৱলম্বী লোকসকলক ধৰ্মীয় সংখ্যালঘুৰ প্ৰমাণপত্ৰ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সম্পৰ্কে দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ সভাপতি শ্বেখ হেদায়েতুল্লাহ আৰু সাধাৰণ সম্পাদক সহিদুল ইছলাম স্বাক্ষৰিত এক প্ৰেছ বিবৃতিত কয় যে অসমীয়া শিখ ধৰ্মাৱলম্বী, বৌদ্ধ ধৰ্মাৱলম্বী, জৈন ধৰ্মাৱলম্বী, খ্ৰীষ্টান ধৰ্মাৱলম্বী আৰু পাৰ্চী ধৰ্মাৱলম্বী মানুহখিনিৰ বাবে নিসন্দেহে ই এটা ঐতিহাসিক সিদ্ধান্ত। ইছলামধৰ্মী দেশীসকলৰ বাবেও ই এটা ঐতিহাসিক সিদ্ধান্ত হ'লহেঁতেন, যদিহে অসমীয়া শিখ, জৈন, বৌদ্ধ, খ্ৰীষ্টান আৰু পাৰ্চী সমাজৰ দৰে দেশীসকলৰ সুকীয়া পৰিচয় আৰু সুকীয়া গণনা ইতিমধ্যে সম্পন্ন হৈ থাকিলহেঁতেন বা দেশীসকল অন্যান্য অতি পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ থাকিলহেঁতেন। অসমৰ বৃহত্তৰ ইছলামধৰ্মী সংখ্যালঘু জনসমষ্টিৰ লগত সাঙুৰি লৈ দেশীসকলক সংখ্যালঘুৰ প্ৰমাণপত্ৰ দিয়া কাৰ্য মানি লোৱা মানেই দেশীসকলৰ সুকীয়া পৰিচয় আৰু অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ কফিনত শেষটো গজাল মাৰি দিয়াৰ বাহিৰে আন একো নহয়। এজন খ্ৰীষ্টান বড়োৱে এতিয়া জনজাতিৰ উপৰি খ্ৰীষ্টান হিচাপে ধৰ্মীয় সংখ্যালঘুৰ প্ৰমাণপত্ৰ পাব, এজন বৌদ্ধ ধৰ্মাৱলম্বী আহোমে এতিয়া অ'বিচিৰ উপৰি ধৰ্মীয় সংখ্যালঘুৰ প্ৰমাণপত্ৰ পাব, কিন্তু থলগিৰি দেশীসকল সামগ্ৰিকভাৱে ইছলামধৰ্মী সংখ্যালঘুৰ অন্তৰ্ভুক্ত হৈ আগৰ দৰে চেপাত পৰি কক্‌বকাই থাকিব আৰু সুকীয়া পৰিচয় আৰু অস্তিত্ব হেৰুৱাই সকলো প্ৰকাৰৰ সা-সুবিধাৰ পৰা বঞ্চিত হ'ব। সেয়ে আমি দেশী জনগোষ্ঠীয় মঞ্চ, অসমে বিচাৰো যে দেশীসকলক আগতে অন্যান্য অতি পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হওক আৰু তাৰ পিছত ইছলামধৰ্মী সংখ্যালঘু ৰূপে প্ৰমাণপত্ৰ দিয়াৰ ব্যৱস্থা কৰা হওক।


## ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ২ জুন ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ নিৰ্দেশনা অনুসৰি ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়তো ৩০ মে'ৰ পৰা ৫ জুনলৈ সপ্তাহজোৰাকৈ অনুষ্ঠিত হৈছে বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা। প্ৰসূতিৰ স্বাস্থ্যৰ ওপৰত গুণগত মানৰ প্ৰতিশ্ৰুতিবদ্ধতাৰে অনুষ্ঠিত কৰি অহা হৈছে উক্ত বিশেষ কাৰ্যসূচী। চিকিৎসালয়খনৰ অভিজ্ঞ স্ত্ৰী আৰু প্ৰসূতি বিভাগৰ বিশেষজ্ঞৰ দ্বাৰা ৰঙিয়াৰ ভিন্ন প্ৰান্তৰ পৰা সমবেত গৰ্ভৱতী মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰসৱপূৰ্বক দিহা-পৰামৰ্শ আগবঢ়ায়। ইয়াৰ সমান্তৰালভাৱে চিকিৎসালয়খনত সন্তান প্ৰসৱ কৰা পৰিয়ালৰ লোকক অসম চৰকাৰে আগবঢ়োৱা সমাহাৰ আঁচনিৰ অধীনত পুষ্টিকৰ খাদ্য সামগ্ৰী বিতৰণ কৰা হয়।

# লাহৰীঘাট আঞ্চলিক দ্বীনি তালিম বোৰ্ডৰ নতুন কমিটীৰ প্ৰথম কাৰ্যকৰী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আঞ্চলিক দ্বীনি তালিম বোৰ্ডৰ যোৱা ২৩ মে'ত পৰৱৰ্তী ৩ বছৰৰ বাবে গঠন হোৱা নতুন কমিটীখনৰ প্ৰথম কাৰ্যকৰী সভা কালি বিয়লি কাৰ্যালয়ত সুকলমে অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে উপ-সভাপতি ক্বাৰী নুৰ মোহাম্মদে। সভাৰ মূল কাৰ্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে এটি কেৰাত পাঠ কৰে পুৰস্কাৰপ্ৰাপ্ত ক্বাৰী মাছুদুল হকে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী পৰ্বৰ আঁত ধৰে সাধাৰণ সম্পাদক অলি উল্লা খানে। ইয়াৰ পিছত কাৰ্যসূচী অনুযায়ী কমিটীৰ সকলো সদস্যই চিনাকি পৰ্বৰ লগতে সকলোকে এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতে বোৰ্ডৰ উন্নয়ন সম্পৰ্কে বৃহৎ আলোচনা কৰা হয়। উল্লেখ্য, সম্প্ৰতি আঞ্চলিক ভিত্তিত ৪৭খন ছোৱাহী মাদ্ৰাছাতে সময়ে সময়ে কেন্দ্ৰ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰি আঞ্চলিক দ্বীনি তালিমী বোৰ্ডৰ অধীনস্থ ছোৱাহী মাদ্ৰাছাত পাঠদান পৰিদৰ্শন কৰিবৰ বাবে দুজনকৈ অস্থায়ী পৰ্যবেক্ষক বাছনি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে ছোৱাহী মাদ্ৰাছাসমূহ সম্পূৰ্ণ ৰাইজৰ দান-বৰঙনিৰে চলোৱা হয়।

# শ্বহীদ দ্বিজেন ভূঞা উচ্চ ইংৰাজী বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ২ জুন ঃ** ৩০ মে'ত ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত আমতল ভেৰগাঁৱৰ শ্বহীদ দ্বিজেন ভূঞা উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল হোৱাৰ বাবে উৎসাহ যোগাৱাৰ উদ্দেশ্য আগত ৰাখি ২০১৮ চনৰে পৰাই বিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাৰ ব্যৱস্থা কৰা হৈছে বুলি পত্ৰিকাখনৰ তত্ত্বাৱধায়িকা শিক্ষয়িত্ৰী লীলা দেৱীয়ে উল্লেখ কৰে। পত্ৰিকাখন উন্মোচন কৰে ঢেকীয়াজুলি ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক বীৰেন শইকীয়াই। বিদ্যালয়ৰ প্ৰধান শিক্ষক গোলোক চন্দ্ৰ বৰাদেৱে আমন্ত্ৰিত বীৰেন শইকীয়াক এখন ফুলাম গামোচাৰে সম্বৰ্ধনাও জনায়। উল্লেখযোগ্য যে বিজ্ঞান শিক্ষয়িত্ৰী ৰুমা দত্তৰ তত্ত্বাৱধানত 'বিজ্ঞান জ্যোতি' নামেৰে আন এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলৰ স্ব-ৰচিত লেখা সম্বলিত পঞ্চম সংখ্যক উক্ত প্ৰাচীৰ পত্ৰিকাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট সমাদৰ লাভ কৰে। আনহাতে সহকাৰী শিক্ষক হিতেশ্বৰ ভূঞাই আঁত ধৰা অনুষ্ঠানটিত সহকাৰী শিক্ষক মাধৱ নাথৰ তত্ত্বাৱধানত 'গণিত জ্যোতি' নামৰ আন এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচিত হয়। সভাত ঢেকীয়াজুলি অঞ্চলৰ সমাজকৰ্মী অশোক দাসকো বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## ৰাশিফলত আজিৰ দিনটো

**১৯ জেঠ, শুকুৰবাৰ, ৩ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা চতুৰ্থী, নক্ষত্ৰ ঃ পুনৰ্বসু, জন্ম ৰাশি ঃ মিথুন**
**সূৰ্যোদয়- ৪-৩৫-৩৮ সূৰ্যাস্ত- ৬-৬-২**



■ **মেষ** ঃ সম্পদ লাভ ■ **বৃষ** ঃ বিদ্যাৰ্থীৰ শুভ ■ **মিথুন** ঃ সামাজিক ব্যস্ততা ■ **কৰ্কট** ঃ প্ৰেমত শুভ ■ **সিংহ** ঃ মনোকষ্ট ■ **কন্যা** ঃ সন্তানৰ পৰা আনন্দ ■ **তুলা** ঃ উত্তম দ্ৰব্য লাভ ■ **বৃশ্চিক** ঃ সম্পদ বৃদ্ধি ■ **ধনু** ঃ শুভ সংবাদ ■ **মকৰ** ঃ অভাৱ-অনাটন ■ **কুম্ভ** ঃ কৰ্মব্যস্ততা ■ **মীন** ঃ শুভ সংবাদ।

### মাণিকপুৰত শোকাৱহ পথ দুৰ্ঘটনা

# তীব্ৰবেগী বাইকৰ খুন্দাত নিহত পথচাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২ জুন ঃ** বঙাইগাঁও জিলাৰ বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত মাণিকপুৰৰ কীৰ্তনপাৰাত আবেলি এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত আবুল কায়ুম নামৰ এজন পথচাৰী নিহত হয়। জানিব পৰা মতে কীৰ্তনপাৰা বজাৰৰ সমীপৰ গড়কাপ্তানী পথত এ এছ-১৯এম-৮৫৪০ নম্বৰৰ তীব্ৰবেগী গ্লেমাৰ বাইকৰ খুন্দাত আবুল কায়ুম নামৰ যুৱকজন গুৰুতৰভাৱে আহত হয়। আহত ব্যক্তিজনক ততাতৈয়াকৈ বৰপেটা ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ লৈ যোৱা হয় যদিও ব্যক্তিজন ৰাস্তাতে নিহত হয়। ইফালে বাইক চালক তোফাজ্জুল আলী দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় আৰু বঙাইগাঁও চিকিৎসালয়ত ভৰ্তি কৰায়। নিহত কায়ুমৰ ঘৰত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে, লগতে অঞ্চলজুৰি শোকৰ ছাঁ পৰে।

নদুৱাৰত উখল-মাখল পৰিৱেশত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ

# নদুৱাৰৰ বিভিন্ন শিক্ষানুষ্ঠান পৰিদৰ্শন বিধায়ক পদ্ম হাজৰিকাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২ জুন ঃ** বিগত বছৰত ক'ভিড মহামাৰীৰ ফলত ৰাজ্যৰ জিলাসমূহৰ বিদ্যালয়ত বিদ্যায়তনিক উত্তৰণৰ লক্ষ্যৰে অনুষ্ঠিত কৰা গুণোৎসৱ অনুষ্ঠিত কৰিব নোৱাৰাৰ অন্তত এইবাৰ ব্যাপক প্ৰস্তুতিৰে অনুষ্ঠিত হৈছে শিক্ষানুষ্ঠানসমূহত গুণোৎসৱ। এই উদ্দেশ্যে শোণিতপুৰ জিলাৰ নদুৱাৰ অঞ্চলৰ শিক্ষানুষ্ঠানসমূহত কালিৰ পৰা আৰম্ভ হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। জিলাখনৰ নদুৱাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত জামুগুৰি, ধলাইবিল, টুপীয়া, ঢৌভঙা, ৰঙাচকুৱা হাটিঙা, গেলাহাটিঙা অঞ্চলৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকল কালিৰে পৰা অনুষ্ঠিত গুণোৎসৱত এশ শতাংশই উপস্থিত হোৱা দেখা গৈছে। ইপিনে ছাত্ৰ-ছত্ৰীৰ সমান্তৰালকৈ প্ৰত্যেক বিদ্যালয়ৰ এলেকাধীন ৰাইজ-অভিভাৱকসকলেও বিদ্যালয়সমূহৰ গুণোৎসৱত অংশ গ্ৰহণ কৰি অঞ্চলসমূহত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰিছে। অহা ৪ জুনলৈ অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱত বিভাগীয় কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰা বিদ্যালয়সমূহত প্ৰেৰণ কৰা বিভিন্ন চৰকাৰী বিষয়াক প্ৰেৰণ কৰা পৰ্যবেক্ষকে নতুন নতুন অঞ্চলৰ অভিজ্ঞতা লোৱাৰ দৰে আজি চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই নদুৱাৰ অঞ্চলৰ কেইবাখনো শিক্ষানুষ্ঠান পৰিদৰ্শন কৰি গুণোৎসৱত ভাগ লয়। বিধায়কগৰাকীৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা ৰাইজক উৎসাহিত কৰি তোলা দেখা যায়। উল্লেখ্য যে গুণোৎসৱৰ জৰিয়তে বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক শৈক্ষিক বাতাৱৰণ গঢ়ি তুলিব বুলি শিক্ষক আৰু অভিভাৱকসকলে আশা প্ৰকাশ কৰিছে।

# বাক্সাৰ বিদ্যালয়ত গুণোৎসৱৰ মূল্যায়ন পৰীক্ষাত প্ৰশ্নকাকতৰ নাটনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২ জুন ঃ** বাক্সা জিলাৰ মুঠ ১,৭৩৬ খন বিদ্যালয়ক সামৰি আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ আজি দ্বিতীয় দিনাৰ মূল্যায়ন পৰীক্ষাত জিলাখনৰ অদালবাৰীস্থিত কলাগুৰু বিষ্ণু ৰাভা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ মূল্যায়ন কৰে জিলা উপায়ুক্ত আয়ুস গাৰ্গে । উপায়ুক্তগৰাকীয়ে বাস্কা শিক্ষাখণ্ডৰ অন্তৰ্গত কলাগুৰু বিষ্ণু ৰাভা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুণোৎসৱ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ সামগ্ৰিক শৈক্ষিক দিশ পৰ্যবেক্ষণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ শৈক্ষিক উত্তৰণৰ বুজ লয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি উপায়ুক্তগৰাকীয়ে ব্যক্ত কৰে যে বিদ্যালয়খনৰ সুন্দৰ তথা পৰিপাটি পৰিৱেশে তেওঁক আপ্লুত কৰিছে। এই পৰিৱেশ সদায়ে অক্ষুণ্ণ ৰাখি গুণগত শিক্ষাৰ উৎকৰ্ষ সাধনত ব্ৰতী হোৱাৰ বাবে তেওঁ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰি ভৱিষ্যৎ জীৱন সফল হোৱাৰ পৰামৰ্শ আগবঢ়ায় উপায়ুক্ত গাৰ্গে ।বৰ্তমানৰ যুগটোক প্ৰতিযোগিতাৰ যুগ বুলি উল্লেখ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সকলোকে সমান সুবিধা প্ৰদানৰ পথ প্ৰশস্ত কৰিছে বুলিও তেওঁ উল্লেখ কৰে। গুণোৎসৱে অসমৰ শিক্ষাখণ্ডৰ উত্তৰণত অনবদ্য ভূমিকা পালন কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। আনহাতে আজি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন পৰীক্ষাত অষ্টম আৰু ষষ্ঠ শ্ৰেণীৰ তেইশগৰাকী ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নাছিল প্ৰশ্নকাকত । বহু সময়ৰ পিছত বিদ্যালয় কৰ্তৃপক্ষই ফটোষ্টেট কৰি যোগান ধৰে প্ৰশ্নকাকত ।প্ৰশ্নকাকত নাটনি হোৱা বিষয়টোৰ তদন্ত কৰা হ'ব বুলি মন্তব্য কৰে জিলা উপায়ুক্ত আয়ুস গাৰ্গে। আজি উপায়ুক্তগৰাকীৰ লগতে জিলাখনৰ অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰো বিদ্যালয়খনৰ এই গুণোৎসৱ কাৰ্যসূচীত উপস্থিত থাকে।

প্ৰচণ্ড বৰষুণৰ মাজেৰে ধুবুৰীত গুণোৎসৱ আৰম্ভ

## আজিৰে পৰা বিদ্যালয়ত আৰম্ভ বহিঃমূলায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২ জুন ঃ** ধুবুৰীত আজি পুৱাৰ পৰা কিনকিনিয়া বৰষুণৰ মাজেৰে আৰম্ভ হৈছে গুণোৎসৱ। ধুবুৰী চহৰৰ



মাজমজিয়াত থকা ধুবুৰী গাৰ্লছ একাডেমী স্কুলত পুৱা ৯ বজাত ৰঙা ফিতা কাটি বঙাইগাঁৱৰ পৰা অহা সহকাৰী অভিযন্তা সৰবেশ আলী আহমেদ আৰু লগতে উপস্থিত থাকে আগমনীৰ প্ৰগতি কলেজৰ অধ্যাপক মজাহাৰ আলী। ইয়াৰ পিছত স্কুলৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা কমিটীৰ সভাপতি-উপসভাপতিৰ উপস্থিতিত প্ৰাতঃসভা অনুষ্ঠিত হয়। আনহাতে বিদ্যালয় পৰিচালনা কমিটীৰ সহযোগিতাত এক্সটাৰ্নেল সৰবেশ আলী আহমেদ আৰু অধ্যাপক মজাহাৰ আলীক ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত প্ৰধান শিক্ষক হেমেন্দ্ৰ ৰায়, সহ:প্ৰধান শিক্ষয়িত্ৰী চুলতানা সেলিমা, জ্যেষ্ঠ শিক্ষয়িত্ৰী সীমা গোস্বামী, তিলোত্তমা ৰাভা, পৰিচালনা কমিটীৰ সভাপতি অশোক শীল প্ৰমুখ্যে ভাষণ দিয়ে। ইয়াৰ উপৰি ধুবুৰী চৰকাৰী ল'ৰাৰ উচ্চ মাধ্যমিক স্কুল, শিশু পাঠশালা, হাই ছেকেণ্ডাৰী স্কুল, ধুবুৰী মিউনিসিপ্যাল হাইস্কুল, গ্ৰীন নাৰ্ছাৰীসহ বিভিন্ন স্কুলত উৎসাহ-উদ্দীপনাৰে গুণোৎসৱ পালন কৰা হয়। আনহাতে জিলাখনত গুণোৎসৱে সামৰি ল'বলগীয়া মুঠ শিক্ষাৰ্থী ২,৮৯,৩১৭গৰাকী। বহিঃমূল্যায়নৰ বাবে বিদ্যালয়সমূহক তিনিভাগত ভাগ কৰা হৈছে। জিলাখনৰ ৬৭৫খন বিদ্যালয়ত, ৩ জুনত ৬৭২খন বিদ্যালয়ত আৰু ৪ জুনত ৬৬৩ খন বিদ্যালয়ত বহিঃমূল্যায়কৰ জৰিয়তে মূল্যায়ন কৰা হ'ব। বহিঃমূল্যায়নৰ বাবে মুঠ ১,১৪৪ গৰাকী বহিঃমূল্যায়ক নিযুক্তি দিয়া হৈছে।

## নলবাৰী বিজেপি কাৰ্যালয়ত ভাৰতীয় জনতা পাৰ্টী নলবাৰী জিলা সমিতিৰ সংবাদ মেল

'অন্ত্যোদয়' মূলমন্ত্ৰৰ বিষয়ে জনাবলৈ সংবাদমেল সম্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় বিজেপি চৰকাৰৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে বিজেপিৰ ৰাজ্যিক সমিতিয়ে গ্ৰহণ কৰা ১৫ দিনীয়া কাৰ্যসূচী অনুযায়ী ২ জুন বৃহস্পতিবাৰে নলবাৰী বিজেপি কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰা হয় । উক্ত সংবাদমেলখন সম্বোধন কৰে মঙ্গলদৈ সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই। লগতে উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টী নলবাৰী জিলা সমিতিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ আৰু নলবাৰী পৌৰসভাৰ ৱাৰ্ড আয়ুক্ত জয়ন্ত বুজৰবৰুৱা । উক্ত সংবাদমেলৰ জৰিয়তে সাংসদ দিলীপ শইকীয়াই উল্লেখ কৰে-- ভাৰতবৰ্ষৰ জনসাধাৰণৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে কেন্দ্ৰীয় তথা ৰাজ্যিক বিজেপিয়ে কেইবাটাও উন্নয়নমূলক কাৰ্যসূচী হাতত লৈছে । লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতৃত্বত লোৱা অন্ত্যোদয় মূলমন্ত্ৰৰ বিষয়েও অৱগত কৰায় সাংসদগৰাকীয়ে।



# কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকাল উপলক্ষে পোন্ধৰদিনীয়া কাৰ্যসূচী

## বিভিন্ন অভিলাষী আঁচনি সন্দৰ্ভত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে সেৱা, সুশাসন আৰু গৰীব কল্যাণ আঁচনিসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে ১ জুনৰ পৰা ১৫ জুনলৈ দক্ষিণ কামৰূপ জিলা বিজেপিয়ে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উপলক্ষে আজি বাটৰহাটস্থিত দক্ষিণ কামৰূপ জিলা বিজেপিৰ কাৰ্যালয়ত এক সংবাদ মেল যোগে জিলা সভাপতি ধনেশ্বৰ তালুকদাৰে পোন্ধৰদিনীয়া কাৰ্যসূচীৰ বিৱৰণ দাঙি ধৰে। সংবাদ মেলত কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকালৰ সময়ছোৱাত 'অন্ত্যোদয়'-মূলমন্ত্ৰ, জীৱন থাকিলেহে জগত থাকিব, স্বাৱলম্বী কৃষক-সমৃদ্ধ ভাৰত, যুৱ নেতৃত্বৰ বিকাশ, নতুন ভাৰতৰ নাৰী শক্তি, শক্তিশালী আন্ত:গাঁথনি-সবল বিকাশ, অৰ্থনৈতিক সংস্কাৰ, তথ্য-প্ৰযুক্তিত সমৃদ্ধ ভাৰত, উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ সূৰ্যোদয়, মই দেশক হেয় হ'বলৈ নিদিওঁ, ঐতিহাসিক আৰু নিৰ্ণায়ক পদক্ষেপ, পৰম্পৰাগত গৌৰৱৰ সংৰক্ষণ আৰু সন্মান আদি বিভিন্ন আঁচনি ৰূপায়ণ কৰা বিষয়ক লৈ এখন পত্ৰিকা প্ৰকাশ কৰে। লগতে আঠ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে দক্ষিণ কামৰূপ জিলা বিজেপিয়ে পোন্ধৰদিনীয়া কাৰ্যসূচী অনুসৰি মণ্ডল পৰ্যায়ৰ প্ৰতিটো বুথ সশক্তিকৰণ, বুথ পৰ্যায়ত বিভিন্ন আঁচনিৰ হিতাধিকাৰীৰ সৈতে চৌপাল বৈঠক আদি অনুষ্ঠিত কৰিব বুলি সংবাদ মেলত উল্লেখ কৰে জিলা সভাপতি তালুকদাৰে। এই কাৰ্যসূচীত দক্ষিণ কামৰূপ জিলা বিজেপিৰ লগতে বিভিন্ন মৰ্চা ক্ৰমে কিষাণ, যুৱ, মহিলা, এছ.চি, এছ.টি, সংখ্যালঘু আৰু অ'.বি.চি মৰ্চাই আজিৰ পৰা ১৫ জুনলৈ বিশ্ব পৰিৱেশ দিৱস, কৃষকসকলৰ লগত চৌপাল বৈঠক, প্ৰধানমন্ত্ৰী কিষাণ নিধি হিতাধিকাৰীৰ লগত বৈঠক, গছপুলি আৰু গামলা বিতৰণ, যুৱ সমাজক লৈ চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ চৌপাল বৈঠক, আত্মসহায়ক গোট সমূহক লৈ বৈঠক, বিৰচা মুণ্ডা ৰেলী, এছ.চি. এলেকাত চৰকাৰী আঁচনি, দাদা চাহেব বিশ্বাস ৰেলী, এছ.টি এলেকাত মেলা, সজাগতামূলক সভা, সংখ্যালঘু অঞ্চলত উন্নয়ন সন্দৰ্ভত সজাগতা ও বৈঠক, টিকাকৰণ অভিযান, স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা, অ'.বি.চি. সম্প্ৰদায়ৰ অঞ্চলত চৌপাল বৈঠক আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ হ'ব বুলি সংবাদ মেলত উল্লেখ কৰে জিলা সভাপতিগৰাকীয়ে। সংবাদ মেলত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সম্পাদক পৰমানন্দ দাস, দীপক তালুকদাৰ, কমল ঠাকুৰীয়া, আই.টি. কনভেনাৰ মাধৱ দাস, মিডিয়া কনভেনাৰ অতুল দাস আদি উপস্থিত থাকে।

## নগাঁৱত চোৰৰ তাণ্ডৱ অব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** আজি কিছুদিন ধৰি নগাঁও চহৰকে ধৰি ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত চোৰৰ তাণ্ডৱ অব্যাহত আছে। চোৰৰ উপদ্ৰৱৰ বাবেই নাগৰিকৰ নিদ্ৰা হৰিছে। এতিয়া নিশাৰ কথাতো বাদেই, দিনৰ ভাগতো চোৰৰ টিঘিলঘিলনি বৃদ্ধি পাবলৈ ধৰিছে। আজিও নগাঁও চহৰত দিন-দুপৰতে চুৰি কাৰ্য সংঘটিত হয়। চহৰখনৰ মাৰোৱাৰীপট্টিৰ আদিত্য ষ্টোৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত আজি দুপৰীয়া গ্ৰাহকৰ বেশত যোৱা এজন যুৱকে চুৰি কৰিবলৈ লওঁতেই প্ৰতিষ্ঠানখনৰ কৰ্মচাৰীয়ে হাতে-লোটে যুৱকজনক কৰায়ত্ত কৰে। পিছত আৰক্ষীক খবৰ দিয়াত আৰক্ষী আহি যুৱকজনক কৰায়ত্ত কৰি নগাঁও সদৰ আৰক্ষী থানালৈ নি জেৰা অব্যাহত ৰাখিছে। চুৰি কাৰ্যৰ লগত জড়িত যুৱকজনৰ নাম জিণ্টু লিগিৰা বুলি জানিব পৰা গৈছে।

## পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া ডিম্পী বৰাৰ নেতৃত্বত মৌ পালন প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুন ঃ** দক্ষতা বিকাশ কেন্দ্ৰ অথবা অন্যান্য আৰ্থ-সামাজিক কাৰ্যৰেও নিজকে স্বাৱলম্বী হ'ব পাৰে। তেনে এক লাভজনক কাৰ্য হৈছে মৌ পালন। উল্লেখ্য যে কামৰূপ জিলাৰ বামুণীগাঁৱত পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া ডিম্পী বৰাৰ নেতৃত্বত আয়োজন কৰা হৈছে সাতদিনীয়াকৈ মৌ পালন প্ৰশিক্ষণ কেন্দ্ৰ। অলপতে আনুষ্ঠানিকভাৱে মৌ পালন কেন্দ্ৰ মুকলি কৰে বন বিষয়াগৰাকীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক গণেশ শৰ্মা, গগনদ্বীপ সিং কোহলী; NEDFEDৰ ক্ষেত্ৰ পৰিদৰ্শক সদানন্দ; লোহাৰঘাটৰ ৰেঞ্জাৰ, কুলশীৰ ৰেঞ্জাৰকে ধৰি বহুকেইজন বিশিষ্ট অতিথি। বন বিভাগৰ বিষয়াগৰাকীয়ে জনোৱা মতে এই প্ৰশিক্ষণৰ দ্বাৰা স্থানীয় কৃষক তথা মৌ পালকসকল উপকৃত হ'ব বুলি আশাবাদী।

# হোজাইৰ বানবিধ্বস্ত অঞ্চলসমূহত ৰামকৃষ্ণ সেৱাশ্ৰমে চলাই গৈছে সাহায্য

হোজাইৰ পৰা ৰাইকটালৈ যোৱা মূল পথৰ যাতায়াত এতিয়াও ব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ২ জুন ঃ** হোজাইত বান কমিছে যদিও বানাক্ৰান্ত অঞ্চলবাসী ৰাইজৰ দুখ-দুৰ্দশাই লগ নেৰা হৈছে। বানবিধ্বস্ত বিভিন্ন অঞ্চলৰ বাট-পথ ছিগা, পুখুৰীসদৃশ গাঁত হৈ পৰা, ঘৰ উটাই লৈ যোৱা, ঘৰৰ ভেটিৰ মাটি খহাই লৈ যোৱা, ঘৰত একাঁঠু পলস পৰা, বাৰীৰ ফচল বিনষ্ট হোৱা ইত্যাদি বিভিন্ন সমস্যাৰে যুঁজিব লগা হৈছে। হোজাইৰ এনে বিভিন্ন বানাক্ৰান্ত অঞ্চলসমূহত ৰামকৃষ্ণ সেৱাশ্ৰমৰ ভক্তবৃন্দই চলাই থকা সাহায্য সেৱাই স্থানীয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সেৱাশ্ৰমৰ কৰ্মকৰ্তাসকলে বানৰ সময়ত যদি খাদ্য বিলাইছে, বানৰ পিছতো প্ৰয়োজনীয় সামগ্ৰী যেনে- ফেনাইল, ব্লিচিং পাউদাৰ, মহ খেদা কয়ল, গাখীৰ, অ' আৰ এছ ইত্যাদি প্ৰয়োজনীয় সামগ্ৰীৰ টোপোলা বিলাইছিল। ইফালে দক্ষিণ কোমোৰাকটাৰ জাইঠেউৰা গাঁৱত তৃতীয়বাৰৰ বাবে সাহায্য সামগ্ৰী লৈ উপস্থিত হয় দলটি। উল্লেখ্য যে ৰামকৃষ্ণ সেৱাশ্ৰম, হোজাই আৰু ৰামকৃষ্ণ মিছন বেলুৰ মঠ, গুৱাহাটীৰ দলটিয়ে অতিকৈ ক্ষতিগ্ৰস্ত উক্ত স্থানত পুনৰ পাৰ্যমানে সাহায্য সামগ্ৰী বিতৰণ কৰা হ'ব বুলি কথা দিছিল। সেই অনুসৰি গুৱাহাটীৰ ৰামকৃষ্ণ মিছনৰ স্বামী আত্মাশুদ্ধানন্দ তথা ৰামকৃষ্ণ




সেৱাশ্ৰম, হোজাইৰ উপ-সভাপতি বিজয় বিশ্বাসৰ তত্ত্বাৱধানত আঁঠুৱা, শাড়ী-চাদৰ আৰু ঘৰ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱাসকলক এক বান টিন, চৰু, কেৰাহী, আঁঠুৱা ইত্যাদি সামগ্ৰী আগবঢ়ায়। ইয়াৰ উপৰি একেদিনাই মিছনৰ দলটিয়ে কানাবালি টুপ, ৰাইকটা নদীৰ পাৰ, পূব শোলমাৰীজান, ডঙ্কি পথাৰ ইত্যাদি বিভিন্ন স্থানত প্ৰায় ৪০০ গৰাকী লোকক আঁঠুৱা-কাপোৰ, মেট ইত্যাদি সামগ্ৰী বিতৰণ কৰে। ইফালে ৰাইকাটা কছাৰী গাঁৱত হোজাই-ৰাইকটা সংযোগী মুখ্য পকী পথৰ কেবাটাও ঠাইত পুখুৰীসদৃশ গাঁত হৈ পৰাত হোজাই চহৰৰ লগত কোমোৰাকাটা গাঁও পঞ্চায়তৰ অধীনস্থ বৃহত্তৰ ৰাইকাটা ইছলামপুৰ, বিশ্বাসপাৰা, দাসপাৰা আদি অঞ্চলত গাড়ীৰ চলাচল আজিও ব্যাহত হৈ আছে। বানৰ পিছত উদ্ভৱ হ'ব পৰা যিকোনো বেমাৰ উক্ত অঞ্চলসমূহত হ'লে চহৰলৈ আহি উন্নত চিকিৎসাৰ বাবে উক্ত পথেৰেই আহিব লগা হ'ব। গতিকে স্থানীয় ৰাইজে যাতায়াতৰ দুখ-দুৰ্দশা উপলব্ধি কৰি হোজাইৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগক উক্ত মুখ্য পথটো শীঘ্ৰে মেৰামতি কৰি দিবলৈ আহ্বান জনায়।

No. SE (N)Bldg/Circle/3/2022-23/

CANCELLATION NOTICE

It is for general information to all concerned that the Press Notice inviting tender for the work-**Construction of One Stop Centre (RCC Building G+l storied provision) at Barpeta,** vide this office memo no. SE(N)Bldg/Circle/3/2022-23/509 dated 29-04-2022, which were published earlier vide Janasonyog No. Janasanyog/C/1613/22 dtd.05-05-2022 in Assamese News Paper "Niyamiya Barta" & Janasonyog No. Janasanyog/C/1611/22 dtd.05-05-2022 in English News paper "The Sentinel", may be treated as cancelled due to dropping of single Bid.

/

**Superintending Engineer, P.W.D.**
**Nalbari Building Circle, Nalbari**

Janasanyog /C/3632/22

**Form No. 3**
**[See Regulation-15 (1)(a)] / 16(3)**

**DEBTS RECOVERY TRIBUNAL GUWAHATI**
Suwarna Bhawan, House No. 12, New Town Path,
Near Hanuman Mandir, G.S. Road, Ulubari, Guwahati- 781007 (Assam)

**Case No.: OA / 272 / 2021**

**Summons under sub-section (4) of section 19 of the Act, read with sub-rule (2A) of rule 5 of the Debt Recovery Tribunal (Procedure) Rules, 1993.**

**Exh. No. 1831**

**BANK OF BARODA**
*- VS -*
**M/S. APM ACADEMY**

To,

**(1) M/S. APM ACADEMY**
A Partnership Firm, Kakoti Pukhuri Tarajan, A.T. Road, P.O. and P.S.- Jorhat Represented by Mr. Arbind Kr. Baruah and Mr. Polash Pratim Goswami, Jorhat, ASSAM -785001.

**(2) MR. ARBIND KUMAR BARUAH**
Son of Jitendra Kumar Baruah, Resident of Katoki Pukhuri Tarajan, A.T. Road, P.O. and P.S.- Jorhat-785001 (Assam).

**(3) MR. POLASH PRATIM GOSWAMI**
Son of Hiren Chandra Goswami, Resident of Katoki Pukhuri Tarajan, A.T. Road, P.O. and P.S.- Jorhat- 785001 (Assam).

**(4) MR. HIRAN CHANDRA GOSWAMI**
Son of Mahesh Chandra Goswami, Resident of Katoki Pukhuri Tarajan, A.T. Road, P.O. and P.S.- Jorhat- 785001 (Assam).

**(5) MR. MANASH PRATIM GOSWAMI**
Resident of Katoki Pukhuri Tarajan, A.T. Road, P.O. and P.S. - Jorhat- 785001 (Assam).

**SUMMONS**

WHEREAS, OA/272/2021 was listed before Hon'ble Presiding Officer / Registrar on **23.05.2022.**

WHEREAS this Hon'ble Tribunal is pleased to issue summons/notice on the said Application under section 19(4) of the Act, (OA) filed against you for recovery of debts of **Rs. 22,75,015.06/-** (application along with copies of documents etc. annexed).

In accordance with sub-section (4) of section 19 of the Act, you, the defendants are directed as under :-

(i) to show cause within thirty days of the service of summons as to why relief prayed for should not be granted;

(ii) to disclose particulars of properties or assets other than properties and assets specified by the applicant under serial number 3A of the original application;

(iii) you are restrained from dealing with or disposing of secured assets or such other assets and properties disclosed under serial number 3A of the original application, pending hearing and disposal of the application for attachment of properties;

(iv) you shall not transfer by way of sale, lease or otherwise, except in the ordinary course of his business any of the assets over which security interest is created and/or other assets and properties specified or disclosed under serial number 3A of the original application without the prior approval of the Tribunal;

(v) you shall be liable to account for the sale proceeds realised by sale of secured assets or other assets and properties in the ordinary course of business and deposit such sale proceeds in the account maintained with the bank or financial institutions holding security interest over such assets.

You are also directed to file the written statement with a copy thereof furnished to the applicant and to appear before **Registrar** on **05.07.2022** at **10:30 A.M.** failing which the application shall be heard and decided in your absence.

**Given under my hand and the seal of this Tribunal on this date: 24.05.2022.**


Signature of the Officer Authorised to issue summons

# কামৰূপৰ বিদ্যালয়ে বিদ্যালয়ে প্ৰশাসনৰ আকস্মিক পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২ জুন ঃ** কামৰূপ জিলাত গুণোৎসৱ-২২ৰ সফল সমাপ্তিৰ পিছত বিদ্যালয়সমূহৰ সামগ্ৰিক শৈক্ষিক পৰিৱেশ পৰ্যবেক্ষণ কৰাৰ বাবে আজি জিলা উপায়ুক্তকে ধৰি প্ৰশাসনৰ অন্যান্য বিষয়াসকলে জিলাখনৰ কিছুসংখ্যক বিদ্যালয় আকস্মিক পৰিদৰ্শন কৰি বহুসংখ্যক বিদ্যালয়ত শিক্ষকৰ অনুপস্থিতি, উপস্থিতিৰ বিলম্বতাকে ধৰি কিছুসংখ্যক বিসংগতি ধৰা পেলায়। উল্লেখ্য যে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ কাম-কাজৰ পৰ্যবেক্ষণ ব্যৱস্থাটো শক্তিশালী কৰাৰ লগতে বিদ্যালয়সমূহৰ অসুবিধাসমূহ নিৰাময়ৰ বাবে জিলা উপায়ুক্তই ইতিমধ্যে জিলা পৰ্যায়ৰ ৯টা গোট গঠন কৰি দিছে। উপায়ুক্ত তথা অতিৰিক্তি উপায়ুক্তসকলৰ নেতৃত্বত গঠিত এই গোটসমূহে বিদ্যালয়সমূহৰ আকস্মিক পৰিদৰ্শনেৰে বিদ্যালয়খনৰ শৈক্ষিক বাতাৱৰণ, শিক্ষক আৰু কৰ্মচাৰীৰ উপস্থিতি, স্বাস্থ্যসন্মত শৌচাগাৰ (ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক পৃথক), জলজীৱন অভিযান তথা বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা, বিদ্যুৎ ব্যৱস্থা তথা এল ই ডি চাকিৰ উপলব্ধতা আৰু মানসম্পন্ন মধ্যাহ্ন ভোজনৰ ব্যৱস্থা ইত্যাদি দিশসমূহৰ চৰজমিন পৰীক্ষণৰ জৰিয়তে প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনত উল্লেখিত বিষয়সমূহৰ ওপৰত ভিত্তি কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লোৱা হ'ব। শিক্ষক বা কৰ্মচাৰীৰ অনুপস্থিতি, উপস্থিতিৰ বিলম্বতা তথা অন্যান্য গাফিলতি ধৰা পৰিলে বিহিত ব্যৱস্থা লোৱা হ'ব। আজি ইয়াৰ অংশ হিচাপে কামৰূপ জিলাৰ উপায়ুক্তকে ধৰি অতিৰিক্ত উপায়ুক্ত, সহকাৰী আয়ুক্ত, চক্ৰ বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দ্বাৰা গঠিত গোটসমূহে সৰ্বমুঠ ২২খন হাইস্কুল, এল পি স্কুল আকস্মিক পৰিদৰ্শন কৰি বিদ্যালয়ত শিক্ষকৰ অনুপস্থিতিকে ধৰি উপস্থিতিৰ বিলম্বতা, পঠন সমস্যাকে ধৰি অন্যান্য বিসংগতি প্ৰত্যক্ষ কৰে। গোটসমূহে ইতিমধ্যে এই আকস্মিক পৰিদৰ্শনত পোৱা ইতিবাচক তথা নেতিবাচক দিশসমূহৰ অৱলোকনেৰে প্ৰতিবেদন উপায়ুক্তক দাখিল কৰিব আৰু ইয়াৰ ওপৰত ভিত্তি কৰি কাৰণ দৰ্শোৱা জাননী, অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ ইত্যাদিৰ দৰে পদক্ষেপ লোৱা হ'ব। তদুপৰি আন্তঃগাঁথনিৰ দিশৰ সমস্যাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ লোৱা হ'ব। পৰৱৰ্তী সময়ত জিলাখনৰ আন আন বিদ্যালয়তো এনেধৰণৰ আকস্মিক পৰিদৰ্শন অব্যাহত থাকিব। আজি জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনে শৰাইঘাট হাইস্কুল পৰিদৰ্শন কৰে।



GNRC Quality•Value•Trust
স্বাস্থ্য-বাৰ্তা
প্ৰকাশ পালে জুন সংখ্যা
জিএনআৰচি স্বাস্থ্য




ওচৰৰ বিপণীৰ পৰা আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৩ জুন ■ ২০২২ ■ ১৯ জেঠ ■ গুৱাহাটী

## ইউপিএছচিত সাফল্য আৰু অসমৰ ফলাফল হতাশজনক

কেন্দ্ৰীয় লোক সেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত এইবাৰ অসমৰ প্ৰাৰ্থীৰ তালিকা প্ৰদৰ্শন আৰু প্ৰকাশ পাইছে যোৱা দুদিনৰ আগত। ঘোষিত ফলাফল অনুসৰি ৬৮৫গৰাকী পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত যোগ্যতা অৰ্জন কৰে। কিন্তু অসমৰ প্ৰাৰ্থীৰ প্ৰদৰ্শন সন্তোষজনক হোৱা নাই। এইবাৰৰ আবেদনকাৰীৰ সংখ্যা আছিল ১১ লাখ। তাৰ ভিতৰত পাঁচ লাখ প্ৰাৰ্থীয়ে প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে নিৰ্বাচিত হৈছিল যদিও কেৱল চূড়ান্ত পৰীক্ষাৰ বাবে ১৫,০০০গৰাকী নিৰ্বাচিত হৈছিল। শেষত মূল পৰীক্ষাৰ লিখিত আৰু সাক্ষাৎকাৰৰ পিছত ৬৮৫গৰাকী প্ৰাৰ্থী প্ৰশাসনিক সেৱাৰ বাবে নিৰ্বাচিত হৈছে। শীৰ্ষ দহগৰাকী প্ৰাৰ্থীৰ চাৰিগৰাকী ছোৱালী আৰু ছজন ল'ৰা। কিন্তু তাৰে প্ৰথম তিনিটা স্থান দখল কৰে ছোৱালীয়ে। ই আশাপ্ৰদ আৰু উৎসাহজনক। নিঃসন্দেহে এয়া ছাত্ৰী নাইবা যুৱতীসকলে সফলতা লাভ কৰাটো উৎসাহ আৰু প্ৰেৰণাদায়ক। মন কৰিবলগীয়া কথাটো হৈছে প্ৰথম স্থান লাভ কৰা দিল্লীৰ শ্ৰুতি শৰ্মাই মহিলা সবলীকৰণ, শিক্ষা আৰু স্বাস্থ্য খণ্ডত গুৰুত্ব দিব আৰু কাম কৰিব বুলি মন্তব্য কৰিছে। দেশৰ শীৰ্ষ প্ৰশাসনিক সেৱাসমূহত মহিলাৰ অংশগ্ৰহণ বাঢ়িবলৈ ধৰিছে আৰু আই এছ, আই পি এছ আৰু আই এফ এছ এই তিনিওটা বিভাগতে মহিলাসকলৰ অংশগ্ৰহণ তথা সেৱা প্ৰতি বছৰে বৃদ্ধি পাইছে। আনকি উচ্চ শিক্ষাতেই ছাত্ৰীৰ সংখ্যা বৃদ্ধি, আনকি মহাবিদ্যালয়-বিশ্ববিদ্যালয়বোৰত ছাত্ৰীৰ সংখ্যা ৫০ শতাংশৰো অধিক হৈছে বুলি প্ৰকাশ পাইছে। ইয়াৰ পৰিৱৰ্তে ইঞ্জিনিয়াৰিং, চিকিৎসা আদি ক্ষেত্ৰত ছাত্ৰীৰ সংখ্যা এতিয়াও উৎসাহজনক নহয় যদিও এই ব্যৱধানৰ সোনকালেই অৱসান ঘটিব বুলি আশা কৰিব পাৰি। শেহতীয়াকৈ দেশৰ প্ৰশাসনিক সেৱাত ৪০ শতাংশ পদ বৃদ্ধি কৰা হৈছে আৰু ভৱিষ্যতেও বৃদ্ধিৰ প্ৰয়োজন নিশ্চয় হ'ব। এনে ক্ষেত্ৰত দেশ সেৱাৰ বাবে মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে সুযোগ লাভ কৰাৰ পথ প্ৰশস্ত হৈছে। জনগণৰ আশা যে নৱ-প্ৰজন্মৰ প্ৰশাসনিক বিষয়াসকলৰ কাম-কাজ অধিক নিকা, স্বচ্ছ, দক্ষতাপূৰ্ণ তথা জনমুখী হ'ব, লগতে সকলো কামৰ ধৰণো সুকীয়া হ'ব বুলিয়েই আশা। দুৰ্ভাগ্যৰ কথা হ'ল সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত অসমৰ সাফল্যৰ সোণসেৰীয়া যাত্ৰা যেন ৰুদ্ধ হৈ পৰিছে। মেধাৰ অভাৱ নাই বাবেই বহু ক্ষেত্ৰত একক প্ৰচেষ্টাৰে স্ব-মহিমাৰে উজলি উঠি মাতৃভূমিলৈ সুনাম কঢ়িয়াই আনিছে বহু অসমীয়াই। এনে বহু সাফল্যৰ মাজতে কিন্তু ইউপিএছচিকে ধৰি অন্যান্য সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত অসমে নিৰাশজনক ফলাফলহে দেখুৱাবলৈ সক্ষম হৈছে। প্ৰতি বছৰেই সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ কমি আহিছে। যিটো সময়ত চৰকাৰে অসমক দেশৰ পাঁচখন ৰাজ্যৰ মাজলৈ লৈ যোৱাৰ সপোন দেখিছে। তেনে ক্ষেত্ৰত শিক্ষাৰ্থীৰ পুতৌজনক অৱস্থা স্বাভাৱিকতে উদ্বেগজনক। কিন্তু ২০১৫, ১৬, ১৭ বৰ্ষলৈ ইউপিএছচিৰ দৰে পৰীক্ষাত ১৩, ১৪গৰাকীয়ে আশ্চৰ্যজনকভাৱে সাফল্য লাভ কৰি নাম ৰাখিছিল যদিও পিছলৈ নিম্নগামী হয়। ইয়াৰ বিপৰীতে অন্যান্য ৰাজ্যৰ শিক্ষাৰ্থীয়ে উল্লেখনীয় ফল দেখুৱাইছে। যি কি নহওক এইবাৰ অসমৰ তিনিগৰাকী সফল হোৱাৰ বাতৰিত প্ৰকাশ পাইছে। ইয়াৰে দুগৰাকী ছাত্ৰী আৰু এগৰাকী ছাত্ৰ। এওঁলোকৰ নিৰ্বাচিতসকলৰ স্থান যথেষ্ট তলত। উত্তৰ-পূবৰ প্ৰাৰ্থীৰ ভিতৰত মেঘালয়ৰ প্ৰাৰ্থীয়ে ৫২সংখ্যক স্থান পাইছে। কিন্তু অসমৰ বহুতো দিল্লী আৰু অসমত কোচিং কৰি প্ৰস্তুতি চলায়ো উৎসাহজনক হোৱা নাই। এইক্ষেত্ৰত বিশ্ববিদ্যালয় তথা শিক্ষানুষ্ঠানসমূহে আৰু চৰকাৰে গুৰুত্ব দিয়া উচিত। বিদ্যায়তানিক পৰিৱেশ এটা ওভতাই আনিব লাগিব। শিক্ষক, অভিভাৱক সমাজ, ছাত্ৰ-ছাত্ৰীয়ে এইক্ষেত্ৰত চকু দিব লাগিব যাতে সফলতা ঘূৰি আহিব অন্যথা উদ্বেগজনক পৰিস্থিতিত ফলাফল হতাশজনক হৈয়ে থাকিব বুলি ধাৰণা কৰিব লাগিব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### কুতুবমিনাৰ বিতৰ্ক

ভাৰতবৰ্ষত শেহতীয়াকৈ ঐতিহাসিক স্থান, ধৰ্মীয় উপাসনাস্থল আদিক লৈ বিতৰ্ক তুংগত উঠিছে। তাজমহলক লৈ বিতৰ্ক হোৱাৰ পিছত এইবাৰ ঐতিহাসিক কুতুবমিনাৰ বিতৰ্কৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। ইতিহাসৰ তথ্য অনুসৰি কুতুবমিনাৰ কুতুবুদ্দিন আইবাকে নিৰ্মাণ কৰিছিল। কিন্তু শেহতীয়াকৈ একাংশ লোকে দাবী কৰিছে যে কুতুবুদ্দিন আইবাকে নহয়, ৰজা বিক্ৰমাদিত্যইহে নিৰ্মাণ কৰিছিল কুতুবমিনাৰ। ধৰমবীৰ শৰ্মা নামৰ ভাৰতীয় পুৰাতাত্ত্বিক জৰীপৰ এজন প্ৰাক্তন বিষয়াই এই বিশেষ দাবী কৰিছে। তেওঁ দাবী কৰা মতে কুতুবুদ্দিন আইবাকে নহয়, ৰজা বিক্ৰমাদিত্যইহে কুতুবমিনাৰ নিৰ্মাণ কৰিছিল। সূৰ্যৰ দিশ অধ্যয়ন কৰিবলৈ কুতুবমিনাৰ নিৰ্মাণ কৰা হৈছিল। ধৰমবীৰ শৰ্মাৰ দাবী অনুসৰি পঞ্চম শতিকাত ৰজা বিক্ৰমাদিত্যই এই টাৱাৰ নিৰ্মাণ কৰিছিল। আনকি এই সন্দৰ্ভত তেওঁৰ ওচৰত পৰ্যাপ্ত প্ৰমাণ আছে বুলিও তেওঁ দাবী কৰে। তেওঁ কয়, 'কুতুবমিনাৰ টাৱাৰটো ২৫ ইঞ্চি হেলনীয়া। ইয়াৰ কাৰণ হৈছে সূৰ্য পৰ্যবেক্ষণ কৰিবলৈ এই টাৱাৰটো প্ৰস্তুত কৰা হৈছিল আৰু সেয়েহে ২১ জুনত এটা বিশেষ ক্ষণত সূৰ্যৰ ছাঁটো কমেও আধা ঘণ্টাৰ বাবে সেই স্থানত নপৰে। এয়া বিজ্ঞান আৰু পুৰাতাত্ত্বিক সত্য। কুতুবমিনাৰ বুলি নামকৰণ কৰা এই টাৱাৰটো এক স্বতন্ত্ৰ গাঁথনি। এই টাৱাৰটো ইয়াৰ কাষৰ মছজিদৰ সৈতে কোনো প্ৰকাৰে সম্পৰ্কিত নহয়।' শৰ্মাই লগতে কয়, 'কুতুবমিনাৰৰ দুৱাৰখনো উত্তৰ দিশে মুখ কৰি আছে। ৰাতিৰ আকাশত ধ্ৰুৱতৰা চাবলৈয়ে এইদৰে এই টাৱাৰটো নিৰ্মাণ কৰা হৈছে।' অৱশ্যে কুতুবমিনাৰ সন্দৰ্ভত ইয়াৰ পূৰ্বেও বহু সময়ত বিতৰ্ক হৈছে। চলিত বৰ্ষৰ এপ্ৰিলত বিশ্ব হিন্দু পৰিষদৰ এজন মুখপাত্ৰই কুতুবমিনাৰ প্ৰকৃততে 'বিষ্ণু স্তম্ভ' আছিল বুলি দাবী কৰিছিল।

মূল সমস্যাৰ পৰা দৃষ্টি ঘূৰাবলৈ তেওঁলোকে মোগল স্থাপত্য কীৰ্তি আৰু মছজিদক নিচানা কৰিছে। দেশত দৰিদ্ৰ, বেকাৰত্ব, মুদ্ৰাস্ফীতিৰ দৰে সমস্যাৰ পৰা মুখ ঘূৰাবলৈ এই অপপ্ৰচাৰ। কেতিয়াবা টাৰ্গেট কৰে কাশী-মথুৰাৰ মছজিদবিলাক, কেতিয়াবা কুতুবমিনাৰ-তাজমহলক লৈ। যিভাৱে ষড়যন্ত্ৰ ৰচিত হৈছে সেয়া ভাৰতৰ বাবে উদ্বেগজনক। ধৰ্মীয় উপাসনাস্থল, মছজিদবিলাকক নিচানা কৰি দেশৰ সৰ্বনাশ কৰিছে। ইয়াত দুৰ্বল হৈছে ভাৰত, এই কথা কৈছে বহুজন সমাজ পাৰ্টীৰ মায়াৱতীয়ে।

ভাৰতৰ মুছলিম স্মৃতিবিজড়িত স্থানবিলাকৰ নাম পৰিৱৰ্তনৰ বিৰুদ্ধেও অনেকেই সৰৱ। এটি নিৰ্দিষ্ট ধৰ্মৰ লগত সম্পৰ্কযুক্ত স্থানবিলাকৰ নাম পৰিৱৰ্তনে ঘৃণা-বিদ্বেষৰ সৃষ্টি কৰিছে। এয়া শান্তি, সম্প্ৰীতি, ভ্ৰাতৃত্বৰ পথ নহয়। পাৰস্পৰিক ঘৃণা বিয়পোৱাৰ বাহিৰে ইয়াৰ কোনো উপযোগিতা নাই। দেশ আৰু দেশৰ সাধাৰণ মানুহৰ বাবে এনে নাম পৰিৱৰ্তনে কোনো উপকাৰ সাধন নকৰে। বৰং ইয়াৰ মাধ্যমত সমাজ যেন দ্বিধাবিভক্ত নহয় তাৰ বাবে ভাৰতবাসী সচেতন হৈ থাকিব লাগিব।

আকৌ শুনিছো, সম্ৰাট আলমগীৰ আওৰঙ্গজেৱৰ সমাধি ধ্বংস কৰি দিয়া হ'ব পাৰে। এই আশংকাত মহাৰাষ্ট্ৰত অৱস্থিত আওৰঙ্গজেৱৰ সমাধিস্থলটিৰ নিৰাপত্তা উদ্ধৱ ঠাকৰেৰ চৰকাৰে কটকটীয়া কৰিছে। তাত ছজন পুলিচ কৰ্মীক মোতায়েন কৰা হৈছে। ৰাজ ঠাকৰেৰ দল এমএনএছ তথা মহাৰাষ্ট্ৰ নৱ-নিৰ্মাণ সেনাৰ তৰফৰ পৰা এনে হুমকি দিয়া হৈছে। কেৱল বিতৰ্ক আৰু বিতৰ্ক সৃষ্টি কৰা। এই সকলো বিতৰ্ক যিসকলে কৰে তেওঁলোকৰ কোনো কাম নাই? ভৱিষ্যতৰ দিনত এইবোৰে ভাৰতক কোন দিশে লৈ যাব?

■ **মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

*ফোন : ৯৯৫৭৩১০৪৩৬*

# সাহিত্য সভাই চাহ বাগিচাত স্থাপন কৰা পুথিভঁৰালসমূহৰ অস্তিত্ব আছেনে?

## ■ গীতি কবিৰ প্ৰতিমূৰ্তি স্থাপনক লৈ সন্দিহান চৰাইদেউবাসী ■

**মৃদুল কুমাৰ চাহু**

অসম সাহিত্য সভা অসমীয়া জতিৰ বাবে এক বৃহৎ জাতীয় অনুষ্ঠানৰূপে পৰিগণিত হৈছে। জাতিটোৰ স্বাভিমান ধৰি ৰখাৰ ক্ষেত্ৰত সাহিত্যৰ অনুষ্ঠান সাহিত্য সভাই অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰাৰ উপৰি সাহিত্য-সংস্কৃতিৰ এক বাতাবৰণ সৃষ্টি কৰাৰ বাবে যৎপৰোনাস্তি পদক্ষেপ গ্ৰহণ কৰা সাহিত্যৰ মঞ্চত অংশীদাৰিত্ব হ'বলৈ সাহিত্যানুৰাগীৰ সোঁত বৈছে। সাহিত্যৰ জাতীয় অনুষ্ঠানৰ লগত জড়িত হোৱা সকলোবোৰ সাহিত্যানুৰাগীক সাহিত্যিক বুলি পৰিচয় দিয়াৰ এক পৰম্পৰা সাহিত্য সভাৰ মজিয়াত আৰম্ভ হৈছে। সাহিত্য সভাৰ লগত জড়িত হোৱা মানেই ব্যক্তিগৰাকীক সাহিত্যিক বুলি পৰিচয় দিয়াৰ যুক্তি ক'ত? সাহিত্যিক আৰু সাহিত্যানুৰাগী দুয়োটা বিষয়ক একাকাৰ কৰাৰ ফলত জনসাধাৰণৰ মাজত সাহিত্যিকৰ মৰ্যাদা হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। সদস্যৰ সংখ্যা বৃদ্ধিৰ স্বাৰ্থত বাতৰি কাকত এখন নপঢ়া ব্যক্তিক জড়িত কৰি সাহিত্যানুৰাগীৰ সংখ্যা বৃদ্ধিয়ে সাহিত্যৰ মান-মৰ্যাদা ধৰি ৰখাত সাহিত্য সভা যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সাহিত্যৰ নামত সাহিত্য সভাত সৃষ্টি হোৱা লবীকেন্দ্ৰিক ব্যৱস্থাই প্ৰকৃত সাহিত্যিকক সভাত অংশগ্ৰহণৰ পথত বাধাৰ সৃষ্টি কৰিছে। সাহিত্য সভাৰ লগত জড়িত হ'লেই যে সাহিত্যিক নহয় সেই কথা সাহিত্য সভাই স্থান-কাল ভেদে স্পষ্ট কৰি সাধাৰণ জনতাৰ মাজত থকা ভুল ধাৰণাক দূৰ কৰি সাহিত্যৰ কঠীয়াতলী সাহিত্য সভাৰ সু-নিৰ্দিষ্ট ৰূপত সংখ্যাক বুজাই দিব লাগে। কিন্তু তেনে নকৰি একাংশ সাহিত্য সংগঠকে সাহিত্য সভাৰ মজিয়াত থিয় হৈ আত্মপ্ৰচাৰৰ নিমিত্তে এটা লবী সৃষ্টি কৰাত মাত্ৰাধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। সদস্য সংখ্যা বৃদ্ধি কৰিলেই সাহিত্যৰ অস্তিত্ব ধৰি ৰখাটো সম্ভৱনে? সাহিত্য শব্দটো সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ আহিছে যাক ইংৰাজীত কোৱা Literature বুলি। তেনেদৰে কাব্য শব্দটোত একে সংস্কৃত শব্দৰ পৰাই উদ্ভূত। সাহিত্য সৃষ্টি কৰ্মৰ লগত এগৰাকী সাহিত্যিকৰ দুটা ব্যক্তিত্ব প্ৰতিফলিত হয়। লৌকিক ব্যক্তিত্ব আৰু কলাকাৰৰ ব্যক্তিত্ব। লৌকিক ব্যক্তিত্বৰ অধিকাৰীসকলে সাধাৰণ মানুহৰ দৰে সুখত আনন্দ পায় আৰু দুখত বেদনাৰে অভিভূত হোৱা দেখা যায়। আনফালে কলাকাৰ ব্যক্তিত্বৰ সৃজন শক্তিৰ সমল যোগায়। সাহিত্য উদ্ভৱ হয় হৃদয়ৰ পৰা। অনুভূতি সমষ্টি কোণৰ পৰা বোধগম্য আৰু ভাবগম্য নহয়। সাহিত্যিকৰ অনুভূতি যিমানেই গভীৰ হয় সিমানেই ৰচনাৰ আদৰ বাঢ়ে। আৰু ৰচনাৰ নৈপুণ্যৰো আৱশ্যক হয় এগৰাকী সাহিত্যিকৰ বাবে।

সাহিত্যৰ কৰ্মক্ষেত্ৰ হৈছে সমাজ। সমাজৰ বাস্তৱ চিত্ৰই সাহিত্যিকৰ আধ্যাত্মিক সত্তাৰ লগত মিলিত হৈ সাহিত্যক নতুন ৰূপ দিয়ে। সাহিত্য আৰু সমাজৰ ওপৰত পৰস্পৰে প্ৰভাৱ বিদ্যমান। সাহিত্যৰ মূল্যবোধ সমাজৰ পৰাই আহৰণ কৰা হয়। প্ৰতিভাশালী স্ৰষ্টাই সংস্কাৰমুখী দৃষ্টিভংগীৰে ৰচনা কৰা সাহিত্যৰ দ্বাৰা সমাজ বহু ক্ষেত্ৰত প্ৰভাৱিত হয়। সাহিত্যৰ ক্ষেত্ৰত থকা পুৰণা আদৰ্শক নতুন চিন্তাই স্পৰ্শ কৰি সাহিত্যত পৰিৱৰ্তন আহিছে। লাহে লাহে সাহিত্যলৈ আদৰ্শগত পৰিৱৰ্তনৰ প্ৰভাৱ পৰাৰ ফলত সাহিত্যত সাধাৰণীকৃত ভাব-চিন্তাৰ চিত্ৰই প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত সাহিত্যৰ ক্ষেত্ৰখনত ভিন ভিন চিন্তাধাৰাৰ আদৰ্শৰ লেখক-লেখিকাৰ আদৰ্শই এক নতুনত্ব আনিছে। অৱশ্যে সময় পৰিৱৰ্তনৰ প্ৰভাৱে কেতিয়াবা সাহিত্য সমাজ অনিষ্টকৰ হৈ উঠাৰ সম্ভাৱনা নথকা নহয়। তেনে এক অনিষ্টকৰ প্ৰভাৱ সাহিত্যৰ সমাজত পৰিছে নেকি? সাহিত্য সমাজখনত সংঘটিত কিছুমান ঘটনাই তাৰেই ইংগিত বহন কৰা যেন লাগে। সাহিত্যক সমাজৰ দাপোণ বুলি গণ্য কৰি অহা হৈছে। যদি দাপোণখন লেতেৰা হয় তেতিয়া সুস্থ স্বাস্থ্যৰ ব্যক্তিৰ ছবিখনো কুৎচিত দেখা যাব। সাহিত্যৰ দাপোণখন পৰিষ্কাৰ কৰি ৰখাটো প্ৰয়োজন। যাতে দাপোণখনৰ যোগেদি ব্যক্তিত্ব, উদ্দীপনাপুষ্ট বৈশিষ্ট্যৰ ছবিবোৰ প্ৰতিফলিত হয়।

অসম সাহিত্য সভাই কিছু বছৰ পূৰ্বে বাগিচাসমূহত পুথিভঁৰাল স্থাপন কৰি বাগিচাৰ উঠি অহা প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নত মনোনিৱেশ কৰাৰ লক্ষ্যৰে কৰ্মপ্ৰণালীৰ প্ৰস্তুতি চলাইছিল। সাহিত্য সভাৰ উপ-সমিতি চাহ জনগোষ্ঠীৰ মাজত গঠন কৰি সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ গুৰুত্ব দি স্থাপন কৰা পুথিভঁৰালসমূহৰ অস্তিত্বক জীয়াই ৰখাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বৰ্তমান তিলমাত্ৰও গুৰুত্ব প্ৰদান কৰা দৃষ্টিগোচৰ হোৱা নাই। মৰাণ চাহ বাগিচাত প্ৰথমে পুথিভঁৰাল স্থাপন কৰি সাহিত্য সভাই চাহ সমাজখনত সাহিত্যৰ জাগৰণ আনিবলৈ যি প্ৰয়াস কৰিছিল তাৰ এখন বিপৰীত ছবি প্ৰতিফলন ঘটিছে সাহিত্য সভাত। সাহিত্যানুৰাগীৰ সংখ্যা বৃদ্ধিত মাত্ৰাধিক গুৰুত্ব দিয়া সাহিত্য সভাৰ সংগঠকসকলে বাগিচাসমূহত স্থাপন কৰা পুথিভঁৰালসমূহৰ অৱস্থিতি সম্পৰ্কত কিমান গুৰুত্ব প্ৰদান কৰিছে। চাহ বাগিচাৰ পুথিভঁৰালসমূহ কি অৱস্থাত আছে পৰ্যবেক্ষণ কৰিছে। কেৱল নিজৰ অস্তিত্ব জাহিৰ কৰাৰ স্বাৰ্থত শাখা বৃদ্ধিত মনোনিৱেশ কৰা সাহিত্যৰ সংগঠকসকলে বাগিচাৰ শ্ৰমিকক লৈ উপ-সমিতি গঠন কৰিয়েই দায়িত্ব সামৰিছে। এনেদৰে বৈষম্যমূলক চিন্তাধাৰাৰে প্ৰভাৱিত সাহিত্য সভাই প্ৰকৃত সাহিত্য সৃষ্টিত নতুন প্ৰজন্মক কেনেকৈ উৎসাহিত কৰিব। নিজৰ বৰ্ণনাৰে পৰিপূৰ্ণ সাহিত্যৰ ৰূপ দি কোৱা কথাবোৰ সাহিত্যৰ অংশ হ'ব পাৰেনে? গ্ৰন্থীৰ কথাত হৃদয়ৰ সুৰ প্ৰতিধ্বনিত হয় জানো?

অসমৰ সংগীত জগতত পৰিচিত নাম গীতি কবি পাৰ্বতিপ্ৰসাদ বৰুৱা। চৰাইদেউ জিলাৰ সোণাৰিৰ লগত আত্মীক সম্পৰ্ক থকা গীতি কবিগৰাকীৰ কৰ্মৰাজিৰ স্বীকৃতিতো বাদেই তেওঁৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে চৰকাৰে আগবঢ়োৱা ধনখিনিও ব্যৱহাৰ কৰিব নোৱাৰিলে তেওঁক ভালপোৱাসকলে। চৰকাৰে গীতি কবিগৰাকীৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপনৰ নিমিত্তে আগবঢ়োৱা ধনৰাশি ব্যয় কৰিবলৈ এটুকুৰা ভূমি বিচাৰি উলিয়াব নোৱৰাসকলৰ হাততেই গীতি কবিৰ স্মৃতি জীয়াই ৰখাৰ দায়িত্ব। গীতি কবিৰ সৃষ্টিত যিসকলৰ হৃদয়ত আৱেগৰ জোৱাৰ সৃষ্টি নকৰে তেনে ব্যক্তিৰ দ্বাৰা শিল্পী-সাহিত্যিকৰ শাশ্বত সত্যক প্ৰতিষ্ঠা কৰাত কিমান সফল হ'ব? গীতি কবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ পৰিয়ালে সমগ্ৰ চৰাইদেউ জিলাতে উচ্চ শিক্ষা অনুষ্ঠান-প্ৰতিষ্ঠা কৰাৰ নিমিত্তে বহু পৰিমাণৰ ভূমি দান দিয়াৰ পিছতো সোণাৰি নগৰত গীতি কবিগৰাকীৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে কোনেও একঠা ভূমি দান নকৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। চৰকাৰে গীতি কবিগৰাকীৰ প্ৰতিমূৰ্তিৰ বাবে আগবঢ়োৱা ধনৰাশিকে ধৰি ৰাখিব নোৱাৰিলে সাহিত্য সভাকে ধৰি অনুষ্ঠান-প্ৰতিষ্ঠানে। গীতি কবিগৰাকীক ভাল পোৱা, শ্ৰদ্ধা কৰা সংস্কৃতি প্ৰেমীসকলে প্ৰতিমূৰ্তি স্থাপনক লৈ সন্দিহান হৈ পৰিছে। কাৰ ভুলৰ বাবে গীতি কবিৰ প্ৰতিমূৰ্তি স্থাপন নহ'ল চৰাইদেউত। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত সুকীয়া স্থান লাভ কৰা গীতি কবিগৰাকীয়ে সমাজত সত্য আৰু সুন্দৰক প্ৰতিষ্ঠা কৰিবলৈ যি সৃষ্টি কৰি গ'ল সেই সৃষ্টিৰাজিক জীয়াই ৰাখিবৰ বাবে মৃত্যু দিৱস অথবা জন্ম দিৱস উদ্‌যাপনেই যথেষ্ট নহয়। ৰস আৰু সৌন্দৰ্য সৃষ্টিকে কলাৰ একমাত্ৰ লক্ষ্যৰূপে গ্ৰহণ কৰি সাহিত্য-সংস্কৃতিৰ মাধ্যমেৰে সাহিত্য-সংস্কৃতিক জনমানসৰ মাজত প্ৰতিষ্ঠা কৰিব বিচৰা গীতি কবিগৰাকীৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি চৰাইদেউত স্থাপন হ'বগৈ নে?

# এণ্টাৰ্কটিকাৰ 'ডুমছডে' গ্লেচিয়াৰ



■ **পংকজ কুমাৰ নেওগ**

পশ্চিম এণ্টাৰ্কটিকাত থকা 'থোৱাইটছ' হিমবাহত (Thwaites Glacier) এক বৃহৎ পৰিমাণৰ বৰফ স্তূপীকৃত হৈ আছে। এই হিমবাহ যদি সম্পূৰ্ণৰূপে গলি যায়, পৃথিৱীৰ জলৰাশি অৰ্থাৎ সমুদ্ৰপৃষ্ঠবোৰৰ উচ্চতা ৬৫ চেঃমিঃ বৃদ্ধি পাব। অতি চিন্তাৰ বিষয় যে বৰ্তমান চলি থকা গৱেষণাবোৰে এই সম্ভাৱনা নুই কৰা নাই। থোৱাইটছ হিমবাহৰ ক্ৰমবৰ্ধমান বৰফ গলা ঘটনাই এই হিমবাহৰ সুস্থিৰতাৰ বিষয়ে বিজ্ঞানীসকলক সন্দিহান কৰি তুলিছে। বৈশ্বিক সমুদ্ৰপৃষ্ঠৰ ৬৫ চেঃমিঃ উচ্চতা বৃদ্ধিয়ে উপকূল ৰেখালৈ এক বিশাল পৰিৱৰ্তন আনিব। ১৯০০ চনৰ পৰা এতিয়ালৈকে সমুদ্ৰপৃষ্ঠৰ উচ্চতা প্ৰায় ২০ চেঃমিঃ বৃদ্ধি পাইছে আৰু এই ঘটনাই উপকুলীয় সম্প্ৰদায়সমূহক ঘৰ-বাৰী এৰিবলৈ বাধ্য কৰাইছে। ইয়াৰ উপৰি বানপানী, লুণীয়া পানীৰ প্ৰদূষণ আৰু বাসস্থান ক্ষতিৰ দৰে পৰিৱেশগত সমস্যাবোৰো অভাৱনীয়ৰূপে বৃদ্ধি পায়।

থোৱাইটছ হিমবাহৰ অইন এটা নাম 'ডুমছডে' গ্লেচিয়াৰ আৰু এই হিমবাহটোৱে এণ্টাৰ্কটিকা অঞ্চলত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই হিমবাহ যদি মহাসাগৰত পৰেগৈ ই এটা আঞ্চলিক 'চেইন' প্ৰতিক্ৰিয়া সৃষ্টি কৰিব আৰু নিকটৱৰ্তী সকলোবোৰ হিমবাহক নিজৰ ফালে টানি নিব। ইয়াৰ ফলত সমুদ্ৰপৃষ্ঠ কেইবা মিটাৰো বৃদ্ধি পোৱাৰ আশংকা আছে। পশ্চিম এণ্টাৰ্কটিকাৰ সকলোবোৰ হিমবাহ 'এমআইচিআই' বা 'মেৰিন আইচ ক্লিফ ইনষ্টেবিলিটী' নামৰ প্ৰক্ৰিয়া এটাত আক্ৰান্ত হ'ব পাৰে। এই প্ৰক্ৰিয়াৰ ফলস্বৰূপে অতি দীঘল আৰু অস্থিৰ বৰফৰ চূড়াবোৰ সাগৰৰ বুকুত খহি পৰে। সাগৰপৃষ্ঠ কেইমিটাৰমান বৃদ্ধি পালে চাংহাই, নিউইয়ৰ্ক, মায়ামি, ট'কিঅ', বেংকক, হংকং, মুম্বাইৰ সৈতে বিশ্বৰ বহুকেইখন ডাঙৰ চহৰ প্লাৱিত হ'ব। ই উপকুলীয় অঞ্চলৰ বিশাল ভূমি খণ্ডও সাঙুৰি ল'ব আৰু কিৰিবাতি, টুভালু আৰু মালদ্বীপৰ দৰে তৰাং দ্বীপ দেশসমূহক গ্ৰাস কৰিব। সেয়েহে এই হিমবাহক 'ডুমছডে' বা 'মহাপ্ৰলয় হিমবাহ'ৰূপে জনা যায়। থোৱাইটছ হ'ল আনুমানিক গ্ৰেট ব্ৰিটেইন বা আমেৰিকাৰ ফ্ল'ৰিডাৰ আকাৰৰ বৰফেৰে গোট মৰা এখন নদী। এই হিমবাহে বিশ্বব্যাপী সমুদ্ৰপৃষ্ঠৰ উচ্চতা বৃদ্ধিত প্ৰায় ৪ শতাংশ অৰিহণা যোগাইছে। ২০০০ চনৰ পৰা এতিয়ালৈকে এই হিমবাহৰ পৰা গলা বৰফৰ পৰিমাণ ১০০০ বিলিয়ন টনৰো বেছি আৰু ই যোৱা তিনি দশকত ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই ত্ৰিশ বছৰত প্ৰবাহৰ গতিবেগ দুগুণে বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত ৯০ দশকৰ তুলনাত সমুদ্ৰত দুগুণ বৰফ পতিত হৈছে। থোৱাইটছ হিমবাহ পৃথিৱীৰ বৃহত্তম হিমবাহ আৰু ই বহলে ৮০ মাইল। এখন ওপঙি থকা আইচ-শ্বেল্‌ফ (Ice-shelf) বা প্লেটফৰ্মে হিমবাহটোক বাধা প্ৰদান কৰি ইয়াৰ গতিবেগ ন্যূনতম কৰি ৰাখিছে। বিজ্ঞানীসকলৰ মতে সম্প্ৰতি এই আইচ-শ্বেলফ বা প্লেটফৰ্মখন নিজে দুৰ্বল হৈ পৰিছে। অৰিগন ষ্টেট ইউনিভাৰ্ছিটীৰ হিমবিজ্ঞানী এৰিন পেটিটৰ মতে আইচ-শ্বেল্‌ফৰ পূব দিশৰ পৃষ্ঠদেশত কিছুমান ফাঁট মেলা দেখা গৈছে আৰু দহবছৰমানৰ পিছত ই সম্পূৰ্ণভাৱে ভাগি পৰিব পাৰে। ২০২০ চনত প্ৰকাশিত অইন এটা গৱেষণাৰ ফলাফলে হিম বিজ্ঞানীজনৰ কথা সমৰ্থন কৰে। এই গৱেষণা-পত্ৰখনেও থোৱাইটছ আইচ-শ্বেলফত ফাঁট আৰু গহ্বৰ পৰিলক্ষিত হোৱাৰ কথা উল্লেখ কৰিছে। এই গৱেষণাবোৰে আইচ-শ্বেলফৰ আন্তঃগাঁথনি দুৰ্বল হৈ পৰাৰ প্ৰমাণ দিয়ে। বৰফৰ ওপৰত পৰিলক্ষিত ফাঁট আৰু গহ্বৰবোৰে কালক্ৰমত আইচ-শ্বেলফক সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলাব। থোৱাইটছৰ আইচ-শ্বেলফ ভাগি পৰাৰ অৰ্থ হ'ল সমগ্ৰ হিমবাহটোৰ অকাল মৃত্যু। আইচ-শ্বেলফৰ অবৰ্তমানত থোৱাইটছ হিমবাহে সকলোবোৰ বৰফ এটা দশকৰ পৰা এটা শতাব্দীৰ ভিতৰত সমুদ্ৰত নিঃসৰণ কৰিব। আইচ-শ্বেলফক থোৱাইটছ হিমবাহৰ এটা ওপঙি থকা সম্প্ৰসাৰণ বুলিব পাৰি। পশ্চিম এণ্টাৰ্কটিকাৰ আমুণ্ডছেন সমুদ্ৰ অৱবাহিকাত থোৱাইটছ আৰু অন্যান্য হিমবাহৰ আইচ-শ্বেলফবোৰৰ প্ৰতি বিজ্ঞানীসকলে সতৰ্ক দৃষ্টি ৰাখিছে। থোৱাইটছ আৰু ইয়াৰ চুবুৰীয়া পাইন আইলেণ্ড তথা অন্যান্য হিমবাহবোৰৰ গতি নিয়ন্ত্ৰণ কৰা আইচ-শ্বেলফবোৰ সমুদ্ৰৰ তাপমাত্ৰা বৃদ্ধিৰ বাবে ক্ষয়প্ৰাপ্ত হৈছে। সমুদ্ৰৰ উষ্ণ পানীয়ে ওপঙি থকা আইচ-শ্বেলফবোৰ তলৰ পৰা গলাই আনিব পাৰে। ই বৰফৰ স্তৰ পাতল কৰি ইয়াক দুৰ্বল কৰে আৰু ফলত ওপৰৰ ফাঁট আৰু গহ্বৰবোৰৰ গভীৰ সম্প্ৰসাৰণ ঘটে। সমুদ্ৰৰ উত্তাপে আইচ-শ্বেলফৰ তলিত বৰফ গলোৱা কাৰ্যই বৰফ আৰু সমুদ্ৰ তলিৰ মাজত থকা এংকৰিং পইণ্ট (Anchoring Point) বা লংগৰ কেন্দ্ৰক স্থানচ্যুত কৰে। আমুণ্ডছেন সাগৰত সাগৰতলি ক্ৰমান্বয়ে তললৈ ঢাল খাইছে আৰু সেই বাবে এই কাৰ্যৰ দ্বাৰা পাদদেশ হেৰুৱাই হিমবাহবোৰ সমুদ্ৰতলিৰ পৰা বিচ্ছিন্ন হৈ পৰে। এইদৰে আইচ-শ্বেলফবোৰ ক্ৰমান্বয়ে গলিবলৈ ধৰা বাবে (Retreating) পশ্চিম এণ্টাৰ্কটিকাৰ হিমবাহবোৰক ধৰি ৰখা শক্তি হ্ৰাস পাইছে। ফলস্বৰূপে হিমবাহবোৰে সমুদ্ৰৰ দিশে গতি কৰি সমুদ্ৰপৃষ্ঠবোৰৰ উচ্চতা বৃদ্ধি কৰে। বিজ্ঞানীসকল 'এমআইচিআই' পৰিঘটনা বিতংকৈ আয়ত্ত কৰিবলৈ এতিয়াও প্ৰচেষ্টাৰত কিন্তু পশ্চিম এণ্টাৰ্কটিক হিমবাহবোৰৰ ভৱিষ্যতে কি হ'ব সিহে অধিক চিন্তনীয় বিষয়। থোৱাইটছৰ পতন বা মৃত্যুৱে সমগ্ৰ বিশ্বলৈ কাল অমানিশা নমাব। অৱশ্যে অনেক লোকে ভাবে যে এনে কোনো দুৰ্ঘটনা ভৱিষ্যতে কেতিয়াও নঘটে। কিছুসংখ্যক গৱেষকৰ মতে থোৱাইটছ আইচ-শ্বেল্‌ফ আৰু হিমবাহৰ অস্থিৰতাই মানুহে শংকা কৰা মতে বিপৰ্যয়ৰ সৃষ্টি নকৰে। ভাঙি পৰা আইচ-শ্বেল্‌ফ আৰু হিমবাহৰ পৰা বিচ্ছিন্ন হৈ আঁতৰি যোৱা সামুদ্ৰিক বৰফ আৰু বৰফৰ টুকুৰাবোৰে অক্ষত আইচ-শ্বেলৰ দৰেই প্ৰতিৰোধক প্ৰভাৱ পেলাব পাৰে। এনে প্ৰতিৰোধক প্ৰভাৱে আৰম্ভণিৰে পৰাই 'চেইন' প্ৰতিক্ৰিয়া বন্ধ কৰি সমগ্ৰ পশ্চিম এণ্টাৰ্কটিক বৰফৰ আচ্ছাদনখনক ভাঙি পৰাৰ পৰা ৰক্ষা কৰিব। অৱশ্যে এই কথা ঠিক যে পশ্চিম এণ্টাৰ্কটিকাত ভৱিষ্যতে কি ঘটিব অনুমান কৰা অতি কঠিন আৰু এই সম্বন্ধে এটা ডাঙৰ অনিশ্চয়তা আছে। মাত্ৰ এটা কথা ধুৰুপ যে গলন উন্মুখ থোৱাইটছ হিমবাহে আগন্তুক বহু বছৰ ধৰি বিশ্বব্যাপী সমুদ্ৰৰ উচ্চতা বঢ়োৱাত অৰিহণা যোগাব। পশ্চিম এণ্টাৰ্কটিকাৰ থোৱাইটছ হিমবাহৰ পৰা সমুদ্ৰপৃষ্ঠৰ উচ্চতা বৃদ্ধিৰ ভৱিষ্যৎ আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে গৱেষণা কৰিবলৈ আন্তৰ্জাতিক থোৱাইটছ হিমবাহ সহযোগিতা (International Thwaites Glacier Collaboration) এখন গঠিত হৈছে। ব্ৰিটেইন আৰু আমেৰিকা ইয়াৰ সদস্য। নেচনেল ছাইন্স ফাউণ্ডেচনৰ গ্লেচিঅ'লজি বিভাগৰ প্ৰ'গ্ৰাম ডাইৰেক্টৰ পল কাটলাৰৰ মতে আইটিজিচি তেওঁলোকৰ বৈজ্ঞানিক সম্প্ৰদায়ৰ সৈতে বৰ্তমান ৮টা ডাঙৰ প্ৰকল্পত কাৰ্যৰত। এই প্ৰকল্পকেইটাৰ সহায়েৰে সমুদ্ৰপৃষ্ঠৰ উচ্চতা বৃদ্ধিত থোৱাইটছ হিমবাহৰ সম্ভাব্য অৱদানৰ বিষয়ে পূৰ্বাভাস দাঙি ধৰা হ'ব।

(মাস্কাট, চুলতানেট অৱ ওমান)


*ফোন : +৯৬৮-৯৯৬৭২৭৮১*

# ঢেঁকীয়াখোৱা বৰনামঘৰ আৰু পৰ্যটনৰ সম্ভাৱনা

■ **চন্দন কুমাৰ নেওগ**







ঢেঁকীয়াখোৱা বৰনামঘৰ অতি পুৰণি নামঘৰ। বৰপেটা-বৰদোৱা থানৰ দৰে পুৰণি যদিও পলমকৈহে সমগ্ৰ অসমৰ মাজত পৰিচিতি লাভ কৰে। বিশেষকৈ সামাজিক মাধ্যমৰ জনপ্ৰিয়তাৰ লগে লগে নামঘৰটো দৰ্শনৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ বৃদ্ধি পায়। প্ৰায় তেৰ বিঘা মাটি কালিৰে সামৰা দৃষ্টিনন্দন এক পৰিৱেশত নামঘৰটো অৱস্থিত। সেয়ে সেই স্থানক পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ অলেখ সম্ভাৱনা আছে। মহাপুৰুষ মাধৱদেৱে ১৫২৮ চনত নামঘৰটো প্ৰতিষ্ঠা কৰিছিল। নামঘৰটো 'ঢেঁকীয়াখোৱা বৰনামঘৰ'ৰূপে পৰিচিত হোৱাৰ আঁৰত এটি সুন্দৰ কাহিনী প্ৰচলিত আছে। মহাপুৰুষজনাই একশৰণ নামধৰ্ম প্ৰচাৰৰ অৰ্থে সেই স্থানলৈ আহি এঘৰ বয়োজ্যেষ্ঠ লোকৰ ঘৰত আশ্ৰয় গ্ৰহণ কৰিছিল। তেওঁলোকৰ ঘৰতে আহাৰো গ্ৰহণ কৰিছিল। অভাৱী বৃদ্ধাই ভাতৰ সৈতে সহজতে পোৱা ঢেঁকীয়া শাক ৰান্ধি খাবলৈ যোগাৰ দিছিল। কালক্ৰমত সেই বাবে ঢেঁকীয়াখোৱা নামেৰে জনাজাত হৈ পৰিল। ইফালে নামঘৰটো আকাৰত আন নামঘৰতকৈ ডাঙৰ, সেয়ে পাছৰ কালত 'বৰনামঘৰ' হ'ল।

মহাপুৰুষগৰাকীয়ে নামঘৰ প্ৰতিষ্ঠা কৰি এগছি বন্তি জ্বলাইছিল। তেওঁ সেই ঠাই ত্যাগ কৰাৰ পাছত বৃদ্ধাই সেই বন্তি জ্বলাই আছিল। তাৰ পাছৰ সময়ত একাদিক্ৰমে সেই বন্তি আজিও জ্বলি আছে। আমি নামঘৰটো চাবলৈ গৈ এৰাতি কটাই আহিলোঁ। সেই ৰাতিৰ অভিজ্ঞতাৰে আমি অনেক কথা জানিব পাৰিলোঁ। নামঘৰটো পৰিচালনাৰ বাবে এখন পৰিচালনা সমিতি আছে। কিন্তু পৰিচালনা সমিতিৰ আৰু অনেক কৰণীয় আছে। বিশেষকৈ চাফ-চিকুণতাৰ দিশটোত চকু ৰখা প্ৰয়োজন। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অনেক লোকে নামঘৰটো দৰ্শনৰ বাবে আহে। বহুজনে এৰাতি কটাই এসাঁজ খোৱাৰ মানস কৰে। কিন্তু নামঘৰৰ কাষত গা-পা ধোৱাৰ ব্যৱস্থা ভাল নহয়। চাফ-চিকুণতাৰ অভাৱ। দৰ্শনাৰ্থীসকলে ৰান্ধি খাবলৈ ৰন্ধনশালাৰ সু-ব্যৱস্থা নাই। ফলত এক অস্বাস্থ্যকৰ পৰিৱেশতে ৰন্ধন কৰি খাব লাগে। নামঘৰৰ কাষত গা কৰি উঠা দোকান-হোটেলসমূহো পৰিপূৰ্ণ নহয়। ফলত দৰ্শনাৰ্থীসকলৰ কষ্ট হয়। নামঘৰটোৰ কাষত দুটা অতিথিশালা নিৰ্মাণ কৰা হৈছে। এটাৰ বাবে ন্যূনতম বৰঙণি দিব লাগে। তিনিমহলীয়া আনটো বিনামূলীয়া যদিও তাত সা-সুবিধাৰ অভাৱ। প্ৰস্ৰাৱ কৰা, গা ধোৱা আৰু খোৱাপানীৰ কোনো ব্যৱস্থা নাই। নামঘৰটোলৈ দৈনিক অনেক দৰ্শনাৰ্থী আহে যদিও বিশেষ কেইটামান দিনত লোকে লোকাৰণ্য হৈ পৰে। বিশেষকৈ শংকৰদেৱ-মাধৱদেৱৰ জন্মোৎসৱ আৰু ভাদ মাহত পালনাম শুনিবলৈ, ভাওনা চাবলৈ অহা বিভিন্নজনেৰে ভৰি পৰে নামঘৰ চৌহদ। সেই সময় সমাগত। গতিকে পৰিচালনা সমিতিয়ে এই কথা মনত ৰাখি দৰ্শনাৰ্থীসকলক সেৱাৰ মনোভাবেৰে কাম কৰিলে নিশ্চয়কৈ এক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ হিচাপে পৰিচিত হৈ পৰিব। দেখা পালো নামঘৰৰ চাৰিও দিশে পকী দেৱাল নিৰ্মাণ কৰি আছে। ই সুখৰ বতৰা। তাৰ লগে লগে দৰ্শনাৰ্থীসকলৰ সুবিধাৰ বাবে প্ৰয়োজনীয় গা-ধোৱা ঘৰ আৰু ৰন্ধনশালাও নিৰ্মাণ কৰি তুলিলে সকলোৰে সুবিধা হ'ব। এটা কথা সত্য যে কেৱল পৰিচালনা সমিতিয়ে নহয় দৰ্শনাৰ্থীয়েও সহযোগিতা আগবঢ়ালেহে এটা ৰাজহুৱা অনুষ্ঠানে পূৰ্ণতা পায়। স্থানীয় প্ৰশাসনে এনে দিশত দৃষ্টি দিলে ঢেঁকীয়াখোৱা বৰনামঘৰ এক সুন্দৰ পৰ্যটন ক্ষেত্ৰ হিচাপে জিলিকি উঠিব।

(আলোকচিত্ৰ-অস্বাস্থ্যকৰ পৰিৱেশত ৰন্ধন, গা-ধোৱা ঘৰ-নামঘৰৰ দৃশ্য, অপৰিষ্কাৰ অতিথিশালা)

*ফোন : ৬০০১৬-৮৪১১৮*

# শোণিতপুৰৰ ১১৬৮ খন বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ আৰম্ভ

## ■ ১,৪৩,১০৮ গৰাকী শিক্ষাৰ্থীক স্ব-মূল্যায়ন সম্পন্ন বিদ্যালয় কৰ্তৃপক্ষৰ
## ■ তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা পুৱাই উপস্থিত বিদ্যালয়ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২ জুন ঃ** নিজ নিজ বিদ্যালয়ৰ স্ব- মূল্যায়নেৰে কালিৰে পৰা ৪ জুনলৈকে অনুষ্ঠিত হ'ব লগা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ দিনটোতে শোণিতপুৰ জিলাৰ বিভিন্ন বিদ্যালয়ত এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে, কালি জিলাখনৰ প্ৰত্যেকখন বিদ্যালয়ে স্ব-মূল্যায়নেৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ কৰাৰ পিছত মঙলবাৰৰ পৰা ৪ জুনলৈকে নিৰ্দিষ্ট সূচী অনুসৰি বিদ্যালয়সমূহত চৰকাৰে নিয়োজিত কৰা বহী মূল্যায়ক অৰ্থাৎ নিৰীক্ষকৰ উপস্থিতিত গুণোৎসৱ সম্পন্ন হ'ব। তেজপুৰ চহৰৰ পল'ফিল্ডৰ হিন্দী মাধ্যমৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ গুণোৎসৱৰ প্ৰথম দিনটোত প্ৰাৰ্থনা সভাৰ পৰিৱেশে যেনেদৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে একেদৰে তেজপুৰৰ ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়, তেজপুৰ একাডেমী, তেজপুৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়, তেজপুৰ চৰকাৰী বহুমুখী কন্যা বিদ্যালয়, কেতেকীবাৰী মধ্য ইংৰাজী বিদ্যালয়কে ধৰি তেজপুৰ চহৰৰ প্ৰায়সমূহ বিদ্যালয়তে এক দৃষ্টিনন্দন পৰিৱেশৰ সৃষ্টি হয়। তেজপুৰৰ একাংশ বিশিষ্ট ব্যক্তিৰ উপস্থিতিত কালিৰ প্ৰথম দিনটোৰ আৰম্ভণিতে বিদ্যালয়সমূহৰ প্ৰধান আৰু অধ্যক্ষসকলে সকলো শিক্ষাৰ্থীক শুভেচ্ছা জ্ঞাপন কৰি দুদিনীয়া গুণোৎসৱৰ বাবে সকলো দিশ অৱগত কৰাৰ পিছত প্ৰাৰ্থনা সভাত বাতৰি কাকত পঢ়া, শপত বাক্য পাঠ, শাৰীৰিক অনুশীলন, মহৎ লোকৰ বাণী, নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণৰ লগতে জাতীয় সংগীতেৰে সমাপ্ত কৰে প্ৰাতঃ সভাৰ কাৰ্যসূচী। উল্লেখ্য যে, শোণিতপুৰ জিলাৰ বালিপৰা, ঢেকীয়াজুলি, গাভৰু আৰু ন-দুৱাৰ শিক্ষা খণ্ডৰ অধীনস্থ ১,১৬৮খন বিদ্যালয়ত বিশ্বনাথ চাৰিআলি, ওদালগুৰি আৰু নগাঁও জিলাৰ পৰা নিয়োজিত বিশেষ দায়িত্ববাহী ৩৯৭গৰাকী এক্সটাৰ্ণেল ইভালুৱেটৰে এই গুণোৎসৱত শিক্ষাৰ্থীসকলৰ বিগত লকডাউনৰ বৰ্ষৰ পাৰদৰ্শিতাৰ মূল্যায়ন কৰিব। এই তৃতীয় পৰ্যায়ৰ গুণোৎসৱত শোণিতপুৰ জিলাৰ চাৰিটা শিক্ষা খণ্ডৰ সৰ্বমুঠ ১,৪৩,১০৮ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। আনহাতে, এই গুণোৎসৱত বিশেষ নিৰীক্ষক হিচাপে জিলাখনত কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ ৬গৰাকীকৈ শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰি বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ গুণগত মান নিৰূপণ কৰিব। তেজপুৰ চহৰৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ত অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ৰবিশংকৰ প্ৰসাদে নিৰীক্ষক হিচাপে উপস্থিত থকাৰ লগতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত ঐনাম শৰণ কুমাৰ সিং, আই এফ এছ বিষয়া ডঃ সত্যেন্দ্ৰ সিং, আই পি এছ বিষয়া দিগন্ত বৰা, আই এ এছ বিষয়া আকাশদীপ আৰু আন এগৰাকী অতিৰিক্ত মুখ্য সচিব তথা আই এ এছ বিষয়া পৱন কুমাৰ বৰঠাকুৰ তেজপুৰৰ কেইবাখনো বিদ্যালয়ৰ বিশেষ নিৰীক্ষক হিচাপে উপস্থিত থাকিব। তেজপুৰৰ মাজ দেউৰী গাঁও প্ৰাথমিক বিদ্যালয়, কেতেকীবাৰী এম ই আৰু কেতেকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে তেজপুৰ চহৰৰ চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত এই ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকল নিৰীক্ষক হিচাপে উপস্থিত থাকিব। আনহাতে, কালি বিদ্যালয়সমূহৰ স্ব-মূল্যায়নৰ দিনটোতেই ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুৰেশ চিৰোহীয়া, উপ-সভাপতি দুৰ্গাময়ী বৰা, সদস্য জ্ঞান শৰ্মাৰ উপস্থিতিত শিক্ষক-শিক্ষয়িত্ৰীসকলে পঠনেৰে স্ব-মূল্যায়ন কৰাৰ দৰে আন বিদ্যালয়সমূহতো একেদৰে ছাত্ৰ-ছাত্ৰীসকলক পঠনেৰে স্ব - মূল্যায়ন কৰে। আনহাতে, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিধায়ক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পৃথ্বিৰাজ ৰাভা কালি প্ৰাতঃ সভাত উপস্থিত থাকি বিদ্যালয়ৰ পতাকা উত্তোলন কৰে। তেওঁ শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণত কয় যে, সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাকে ধৰি অসমৰ তথা ভাৰতৰ সমাজ জীৱনলৈ অনবদ্য বৰঙণি আগবঢ়োৱা পুৰোধা ব্যক্তিসকলে এই বিদ্যালয়তে অধ্যয়ন কৰিছিল। এই বিদ্যালয়ৰ পৰা চিকিৎসক-অভিযন্তা-প্ৰশাসনিক বিষয়া কিমানে সুখ্যাতিৰে অধ্যয়ন কৰি গৈছে তাৰ লেখ-জোখ নাই। গতিকে বৰ্তমানৰ শিক্ষাৰ্থীসকলেও বিদ্যালয়খনৰ এই গৰিমা অক্ষুণ্ণ ৰাখিব লাগিব। আনহাতে, তেজপুৰৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ গুণোৎসৱৰ প্ৰথম দিনটোতে উপস্থিত হৈ বিধায়গৰাকীয়ে বিদ্যালয়খনৰ সকলো দিশ পৰ্যবেক্ষণ কৰি শিক্ষাৰ্থীৰ লগত মতবিনিময় কৰি মধ্যাহ্ন ভোজনতো অংশগ্ৰহণ কৰে।



# ঘগ্ৰাপাৰ হাইস্কুলৰ গুণোৎসৱত শিক্ষকৰ ৰূপত সাংসদ দিলীপ শইকীয়া

## ছাত্ৰ-ছাত্ৰীৰ সৈতে দুপৰীয়া আহাৰ গ্ৰহণ সাংসদ শইকীয়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২ জুন ঃ** সম্প্ৰতি ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত চলি থকা গুণোৎসৱৰ সময়তে আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ঐতিহ্যমণ্ডিত ঘগ্ৰাপাৰ হাইস্কুলৰ অনুষ্ঠিত গুণোৎসৱত সাংসদ দিলীপ শইকীয়া উপস্থিত হৈ বিদ্যালয়খনৰ বিভিন্ন দিশ পৰিদৰ্শন কৰাৰ লগতে সাংসদগৰাকীক শিক্ষকৰ ৰূপত দেখা পৰিলক্ষিত হয়। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ মান নিৰ্ধাৰণৰ বাবে অসম চৰকাৰে হাতত লোৱা গুণোৎসৱত আজি সাংসদগৰাকীয়ে উক্ত শিক্ষানুষ্ঠানখনত উপস্থিত হৈ প্ৰধান শিক্ষক নাথুৰাম তালুকদাৰ লগতে অভিভাৱকৰ সৈতে বৈঠকত মিলিত হয়। সাংসদগৰাকীয়ে শিক্ষানুষ্ঠানৰ অভাৱ-অভিযোগৰ বুজ লোৱাৰ লগতে কিছু আন্তঃগাঁথনি দূৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে সাংসদগৰাকীয়ে বিদ্যালয়খনৰ শৈক্ষিক দিশ উন্নয়নত গুৰুত্ব দিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে¼ ইফালে সাংসদগৰাকীয়ে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। ইফালে সাংসদগৰাকীক সংগ দিয়ে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা, বনভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, নলবাৰী জিলা বিজেপিৰ সম্পাদক দ্বিপেন কলিতা আদিয়ে।

# নিৰ্বাচন উপলক্ষে ৮ জুনত চৰকাৰী বন্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বিটিচিৰ অন্তৰ্গত ২২নং ককলাবাৰী সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত ৮ জুনত চৰকাৰী বন্ধৰ দিন ঘোষণা কৰা হৈছে। সাধাৰণ প্ৰশাসন বিভাগৰ পৰা জাৰি কৰা এক অধিসূচনাৰ জৰিয়তে উক্ত দিনা এই অঞ্চলৰ অন্তৰ্গত সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান তথা বেংক, চাহ বাগিচা আৰু উদ্যোগকে আদি কৰি সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থাকিব বুলি নিৰ্দেশনা জাৰি কৰা হৈছে।

# দেউৰী ভাষা শিক্ষাৰ প্ৰশিক্ষণৰ বাবে আৱেদনৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২ জুন ঃ** গুৱাহাটী মহানগৰ (জিলা) দেউৰী সাহিত্য সভাৰ উদ্যোগত গণেশগুৰিস্থিত গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দেউৰী ভাষা প্ৰশিক্ষণৰ ছমহীয়া এক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। এই ভাষা শিকিবলৈ ইচ্ছুক প্ৰাৰ্থীয়ে গুৱাহাটী মহানগৰ জিলা দেউৰী সাহিত্য সভাৰ পৰা আৱেদন-পত্ৰ সংগ্ৰহ কৰি এই পত্ৰ পূৰণ কৰাৰ পিছত জমা দিব পাৰিব। প্ৰ-পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ১৬ জুন। যোগাযোগৰ ঠিকনা ঃ কমল দেউৰী, সাংগঠনিক সম্পাদক, গুৱাহাটী মহানগৰ জিলা দেউৰী সাহিত্য সভা, ফোন- ৯১০১৬-৯৫৫০৪। উল্লেখ্য যে প্ৰশিক্ষণ গ্ৰহণ কৰাসকলক প্ৰশিক্ষণৰ অন্তত প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব বুলি এক প্ৰেছ বাৰ্তাৰ জৰিয়তে জানিবলৈ দিছে জিলা সভাপতি অনুপ দেউৰী, সম্পাদক জয়ন কুমাৰ দেউৰী আৰু প্ৰচাৰ সম্পাদক এল এন দেউৰীয়ে।

# বিশ্ব চাইকেল দিৱস উপলক্ষে তামুলপুৰত চাইকেল ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২ জুন ঃ** বিশ্ব চাইকেল দিৱস উপলক্ষে বড়োলেণ্ড সাংবাদিক সন্থাৰ উদ্যোগত আৰু বিটিআৰ পৰ্যটন বিভাগ আৰু তামুলপুৰ প্ৰেছ ক্লাবৰ সহযোগত আজি তামুলপুৰত এটি চাইকেল ৰেলী অনুষ্ঠিত হ'ব। সু-স্বাস্থ্য, ইন্ধন ৰাহি কৰা, প্ৰদূষণমুক্ত পৰিৱেশ গঢ়ি তোলা আৰু প্ৰকৃতি ৰক্ষাৰ শ্ল'গানেৰে যাতায়াতৰ ক্ষেত্ৰত চাইকেল ব্যৱহাৰ কৰিবলৈ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা চাইকেল ৰেলী পুৱা ৫ বজাত উদ্বোধন কৰিব বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসে। তামুলপুৰ প্ৰেছ ক্লাবৰ পৰা কুমাৰীকাটা বজাৰ হৈ ঘূৰি আহিব লগা চাইকেল ৰেলীত যিসকলে অংশগ্ৰহণ কৰিব বিচাৰে তেওঁ লোকক বড়োলেণ্ড সাংবাদিক সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰমেন দাসৰ স'তে আগতীয়াকৈ যোগাযোগ কৰিবলৈ কোৱা হৈছে।

*ভেৰগাঁও উঃ বিদ্যাপীঠত হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীতকৰণ*

# শুভ উদ্বোধন বিশ্বজিৎ দৈমাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২ জুন ঃ** ১৯৫৪ চনতে স্থাপিত হোৱা ওদালগুৰি জিলাৰ ভেৰগাঁওস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ভেৰগাঁও উচ্চ বিদ্যাপীঠক ইতিমধ্যে অঞ্চলটোৰ শৈক্ষিক হাৰৰ প্ৰতি লক্ষ্য ৰাখি বিভাগীয়ভাৱে হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীতকৰণ কৰা হৈছে। সেয়েহে ১ জুনত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ দ্বাৰা আনুষ্ঠানিকভাৱে ভেৰগাঁও উচ্চ বিদ্যাপীঠক হায়াৰ ছেকেণ্ডাৰীৰূপে উদ্বোধন কৰে। পুৱা ৯ বজাৰে পৰা আৰম্ভ কৰা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আৰু উদ্বোধনী অনুষ্ঠানৰ পিছতে মুকলি সভাৰ উদ্বোধনী ভাষণ দিয়ে বিটিচিৰ কাৰ্যবাহী সদস্য দাউৰাইছা বড়োয়ে। আনহাতে, ওদালগুৰি জিলাৰ বিদ্যালয় পৰিদৰ্শক জয়পাল ব্ৰহ্মাই আদৰণী ভাষণ দিয়া মুকলি সভাত মুখ্য অতিথি হিচাপে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো উপস্থিত থাকে। লগতে ভেৰগাঁও জিলা ইউপিপিএলৰ সভাপতি নিৰ্মল বড়ো, বিজেপি জিলা সম্পাদক জুশ্ৰাং বড়ো, সমাজসেৱক মনমোহন বড়োৰ লগতে ভেৰগাঁও আঞ্চলিক আৰছু, এবছু, আছাৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতাসহ অঞ্চলটোৰ বুদ্ধিজীৱীসকলে উক্ত বিদ্যালয় উন্নীতকৰণ আৰু উদ্বোধনী অনুষ্ঠানত উপস্থিতিৰে সহায়-সহযোগিতা আগবঢ়ায়। উদ্বোধনী অনুষ্ঠান সম্পন্ন কৰি অধ্যক্ষ দৈমাৰীয়ে ভেৰগাঁও উচ্চ বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰীৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ৩ কোটি টকাৰ পুঁজি অগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। আনহাতে, মুখ্য অতিথি প্ৰমোদ বড়োয়ে বিটিচিত টেট নিযুক্তিসমূহ শীঘ্ৰেই কাৰ্যকৰী হ'ব বুলি সাংবাদিকৰ আগত মন্তব্য আগবঢ়ায়।






*গুৱাহাটী প্ৰেছ ক্লাবত কৃত্ৰিম হাত 'এল এন-৪' সংৰোপণ অনুষ্ঠানৰ অহা ২৬ জুনৰ কাৰ্যসূচী ব্যাখ্যা কৰিছে জে চি আইৰ সভাপতি ছোনিয়া সাৰদাই, আজি বৃহস্পতিবাৰে*

# ছিপাঝাৰত বেদখল কৰা মাটিত চৰকাৰী ঘৰ আৱণ্টন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২ জুন ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত নিৰণচুবা গাঁৱত এজন লোকে বেদখল কৰা মাটিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ বান্ধিবলৈ লোৱাৰ প্ৰস্তুতিয়ে সকলোৰে চকু কপালত তুলিছে। আনকি ইয়াকে লৈ পাথৰিঘাট ৰাজহ চক্ৰৰ নিৰণচুবা গাঁৱৰ লাট মণ্ডল উদয় শৰ্মাৰ ৰহস্যজনক ভূমিকাক লৈয়ো ক্ষোভিত হৈ পৰিছে ভুক্তভোগী পৰিয়ালটো। ঘটনাৰ বিৱৰণী অনুসৰি পাথৰিঘাট ৰাজহ চক্ৰৰ ৰইনাকুছি মৌজাৰ ১৩৯৫ দাগ নম্বৰৰ তিনি কঠা ম্যাদী মাটি (পট্টা নং ১৩৩) প্ৰয়াত মফিজুদ্দিন আহমেদে চাহমত আলীৰ পৰা ক্ৰয় কৰিছিল। কিন্তু মফিজুদ্দিন আহমেদৰ মৃত্যুৰ পিছত চাহমত আলীৰ নাতিয়েকে মাটিখিনি বেদখল কৰে। এই লৈ পাথৰিঘাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মাটিখিনিৰ উত্তৰাধিকাৰীয়ে একাধিকবাৰ অভিযোগ দিছিল যদিও গা নলৰিল কাৰ্যালয়টোৰ কোনো বিষয়া-কৰ্মচাৰীৰ। তেনে পৰিপ্ৰেক্ষিতত আকৌ চলিত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰীত মোজাক্কিৰ হুছেইন নামৰ লোকজনে পুনৰ বেদখল উচ্ছেদৰ বাবে চক্ৰ বিষয়াৰ কাৰ্যালয়ত আৱেদন জনোৱাৰ পিছতে চক্ৰ বিষয়াগৰাকীয়ে লাট মণ্ডল উদয় শৰ্মাক চৰজমিন তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে যদিও চাৰি মাহে গা লৰা নাই। মোজাক্কিৰ হুছেইনে প্ৰায় প্ৰতি দিনে কাৰ্যালয়টোলৈ চাৰি মাহ ধৰি তাঁত-বাটি কাঢ়ি জয়দেউ কাকুতি কৰি আহিছে যদিও ইটো-সিটো নানা অজুহাত দেখুৱাই মণ্ডলগৰাকীক চৰজমিন তদন্তৰ বাবে মাত্ৰ দুই কিলোমিটাৰ দূৰত্বত থকা মাটিখিনিৰ ওচৰলৈ নিবলৈ সক্ষম হোৱা নাই। ইপিনে ভূতৰ ওপৰত দানহৰ দৰে তুৰাই গাঁও পঞ্চায়তৰ তৰফৰ পৰা আৱণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ এটি উক্ত বেদখলকৃত ভূমিত বান্ধিবলৈ যো-জা চলোৱাৰ খবৰ পোৱাৰ পিছতে মোজাক্কিৰ হুছেইনে উক্ত নিৰ্মাণ কাৰ্য কাৰ্যকৰী নকৰিবলৈ আৱেদন জনাইছিল যদিও পঞ্চায়তখনৰ পৰা পোৱা নাই কোনো ইতিবাচক উত্তৰ। তেনে পৰিপ্ৰেক্ষিতত ভুক্তভোগী মোজাক্কিৰ হুছেইনে বিষয়টোত হস্তক্ষেপ কৰাৰ লগতে উপযুক্ত ন্যায় পোৱাৰ আশাত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক এখন আৱেদনযোগে জনাইছে যদিও এই ক্ষেত্ৰত বিধায়কগৰাকীয়ে দৰিদ্ৰ মোজাক্কিৰ হুছেইনক কিদৰে সকাহ দিয়ে সেয়া লক্ষণীয় হ'ব। প্ৰণিধানযোগ্য যে, এখন ব্ৰইলাৰ মাংসৰ দোকান দি পাঁচজনীয়া পৰিয়ালটো কোনোমতে পোহপাল দি অহা মোজাক্কিৰ হুছেইনে ঘোচ দিবলৈ সক্ষম নোহোৱাৰ বাবেই অফিচৰ দুৱাৰে দুৱাৰে মাহৰ পিছত মাহ অহা-যোৱা কৰিও বিষয়া-কৰ্মচাৰীৰ গা লৰাব পৰা নাই বুলি ক্ষোভ প্ৰকাশ কৰে 'দৈনন্দিন বাৰ্তা'ৰ এই প্ৰতিবেদকৰ আগত।

# জ্যেষ্ঠ নাগৰিকৰ তালিকাৰ বাবে আলোচনা ডিব্ৰুগড় জিলা উপায়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰীয়ে চিঠি, ই-মেইল আৰু টেলিফোনযোগে অসমৰ বিভিন্ন জিলাৰ জ্যেষ্ঠ নাগৰিকৰ সৈতে যোগাযোগ কৰাৰ প্ৰথা আৰম্ভ কৰিছে। এই সন্দৰ্ভত প্ৰতিজন উপায়ুক্তৰ পৰা সমাজৰ প্ৰতি অৱদান থকা নাগৰিকৰ তালিকা বিচৰা হৈছে আৰু উক্ত বিষয়ত সংগতি ৰাখি ১৯ জুনত ডিব্ৰুগড় জিলাত এখন সমিতি গঠন কৰা হয়। কালি নাগৰিকৰ তালিকাৰ ওপৰত ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। জিলা উন্নয়ন বিষয়া সঞ্জয় দত্ত, বিদ্যালয় পৰিদৰ্শিকা দীপিকা চৌধুৰী, উকীল পৰিষদৰ প্ৰতিনিধি স্বয়ামল শীল, জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি কল্পনা খাউণ্ড সভাত উপস্থিত থাকে। উপায়ুক্ত লগতে কল্পনা খাউণ্ড আৰু স্বয়ামল শীলে এইক্ষেত্ৰত বিভিন্ন ব্যক্তিৰ বিষয়ে তথ্য আগবঢ়ায় আৰু লগতে নিজৰ মূল্যৱান মন্তব্য প্ৰদান কৰে। উপায়ুক্তই জিলাখনৰ এহাজাৰ ব্যক্তি, যিকোনো ক্ষেত্ৰত সমাজলৈ যথেষ্ট অৱদান থকা নাগৰিকৰ তালিকা আৰু তেওঁলোকৰ ফোন নম্বৰ আৰু ই-মেইল আইডিৰ সৈতে তেওঁলোকৰ ঠিকনাৰ বিৱৰণ অৰ্থাৎ তেখেতসকলৰ সবিশেষ তথ্য প্ৰদান কৰিবলৈ অনুৰোধ জনায় আৰু লগতে আৰ্হিৰ প্ৰতিলিপি উপস্থিত বিষয়া-প্ৰতিনিধিসকলক প্ৰদান কৰে। এইক্ষেত্ৰত চক্ৰ বিষয়াসকলকো উক্ত কাৰ্যসূচীৰ ওপৰত অৱগত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে।

# প্ৰধানমন্ত্ৰী আৱাস যোজনা-অন্যান্য আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মতবিনিময় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও জিলা পৰিষদৰ সহযোগত মঙলবাৰে মৰিগাঁও জিলাৰ জাগীভকত গাঁওস্থিত বিষ্ণু ৰাভা বিহুতলী প্ৰাঙ্গণত, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু অন্যান্য আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পোনপটীয়া ভাব-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সভাত অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে মৰিগাঁও জিলাই প্ৰায় ৪০ হাজাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰাত সন্তুষ্টি প্ৰকাশ কৰে। উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই আদৰণী ভাষণ প্ৰদান কৰা কালিৰ সভাত তিৱা স্বায়ত্ত পৰিষদ, জিলা পৰিষদ, পৌৰ সভা আৰু পঞ্চায়তৰ সদস্য-সদস্যা, জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, কৰ্মচাৰী, হিতাধিকাৰী আৰু ৰাইজ উপস্থিত থাকে।

# ৰবীন্দ্ৰ ভৱনত মঞ্চায়ন নাট্যপ্ৰাণ মুনীন ভূঞাৰ 'হাতী আৰু ফান্দী'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** গুৱাহাটীৰ 'নাট কথা', স্বেচ্ছাসেৱী সংগঠন 'মুক্তি' আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ যৌথ উদ্যোগত ২ আৰু ৩ জুন তাৰিখে সন্ধিয়া ৭ বজাৰ পৰা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত নাট্যপ্ৰাণ মুনীন ভূঞাৰ কালজয়ী নাট 'হাতী আৰু ফান্দী' মঞ্চায়ন কৰা হয়। মাণিক আহমেদৰ নাট পৰিচালনাৰে মঞ্চায়ন কৰা নাটকখনৰ সংগীত সংৰচনা প্ৰতাপ শৰ্মাৰ, কলা নিৰ্দেশনা যশস্বী শিল্পী নুৰুদ্দিন আহমেদৰ আৰু ৰূপসজ্জা তীব্ৰজ্যোতি বৈৰাগীৰ। দুদিনীয়াকৈ মঞ্চায়ন হ'ব লগা নাটকখনত অভিনয় কৰিব ক্ৰমে— গুণাকৰ দেৱগোস্বামী, বৰষাৰাণী বিষয়া, ড° মুনীন দাস, ৰূপম চেতিয়া, অমিতাভ ৰাজখোৱা, প্ৰতাপ শৰ্মা, লক্ষ্যজিৎ তামুলী, মুন শইকীয়া, ধ্ৰুৱজ্যোতি গগৈ, চন্দন মিশ্ৰ, নৃপেন দাস আৰু শিশু শিল্পী লহৰে।

# সদৌ কুলি-কমান অপৃন কেবাঙক কেন্দ্ৰ কৰি কমান অপৃণ কেবাঙৰ তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ২ জুন ঃ** কুলি-কমান অপৃণ কেবাঙক কেন্দ্ৰ কৰি মিছিং সমাজৰ লগতে তাকাম কমান অপৃণ কেবাঙৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কমান অপৃণ কেবাঙে কুলি-কমান অপৃণ কেবাঙক ভুৱা আৰু কমান অপৃণ কেবাং বিৰোধী আখ্যা দিছে। আজি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত কমান অপৃণ কেবাঙৰ কেন্দ্ৰীয় সভাপতি নন্দেশ্বৰ কমান আৰু সম্পাদক চিদানন্দ কমানে কয় যে, ধেমাজি জিলাৰ চিলাপথাৰৰ বৰমুকলিত কুলি-কমান অপৃণ অনুষ্ঠিত হোৱাটো সম্পূৰ্ণৰূপে কমান অপৃণবিৰোধী আৰু বে-আইনী। চিলাপথাৰৰ বৰমুকলিত কুলি-কমান অপৃণ কেবাঙৰ কোনো অধিৱেশন অনুষ্ঠিত হোৱা নাই। বৰমুকলিৰ জননেতা ৰমেশ মোহন কুলী ক্ষেত্ৰত কুলী অপৃনৰহে অধিৱেশন অনুষ্ঠিত হৈছিল। উক্ত অধিৱেশনত কালিৰাম কুলী সভাপতি আৰু কলেশ্বৰ কুলীক সম্পাদক হিচাপে লৈ কুলী অপৃনৰ নতুন সমিতি গঠন কৰা হয়। কমান বা কামান অপৃন কেবাঙৰ গোত্ৰ বেলেগ আৰু কুলী অপৃন কেবাঙৰ গোত্ৰ বেলেগ। কুলী অপৃন কেবাং বহু পুৰণি সংগঠন কিন্তু কমান অপৃন কেবাং ২০১২ চনত জন্মলাভ কৰা এটা কমান গোত্ৰীয় সংগঠন। সদৌ কমান অপৃন কেবাঙৰ নিজস্ব বৈশিষ্ট্য আৰু নিজস্ব সংবিধান আছে। ২০১৪ চনত গোগামুখৰ মইনাপাৰাত কমান অপৃণৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয় আৰু ২০১৮ চনত মাজুলী জিলাৰ চিতাদাৰচুকত দ্বিতীয় অধিৱেশন অনুষ্ঠিত হয়। অতি দুখৰ বিষয় যে, বিগত ২৮ আৰু ২৯ মে'ত কুলী কমান নামৰ তথাকথিত ভুৱা সংগঠন জন্ম দিয়াত কমান অপৃন কেবাঙে তীব্ৰ বিৰোধিতা কৰাৰ লগতে সংগঠনটো বিধিগত নহয় বুলি প্ৰকাশ কৰিছে। ১৯৭৮ চনত সদৌ অসম কুলী-কমান অপৃণ কেবাঙৰ জন্ম হয় বুলি মিথ্যাচাৰৰ আশ্ৰয় লৈছে। তথাকথিত লেখক কনক কুলীয়ে ৰমেশ মোহন কুলীৰ জীৱন দৰ্শন নামৰ গ্ৰন্থৰ ৭নং পৃষ্ঠাত কমান উপাধি কুলীৰ উপ-গোত্ৰ বুলি লিখি কমান বংশৰ স্বাভিমানত আঘাত হানিছে। ১৮৮১, ১৮৯১, ১৯০১, ১৯১১, ১৯২১ চনত অসমত ব্ৰিটিছ চৰকাৰে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ ওপৰত জৰীপ আৰু পিয়ল কৰি ১৯৬১ চনত ভাৰত চৰকাৰে প্ৰকাশ কৰা তালিকাত প্ৰায় ২৬টা মিছিং উপাধি উল্লেখ আছে। সেই তালিকাত কমান উপাধি সোণালী আখৰেৰে জিলিকি আছে। ভাৰত চৰকাৰে প্ৰকাশ কৰা তালিকাত 'কুলী' উপাধি সন্নিৱিষ্ট নাই। কুলী অপৃনলৈ কমান অপৃন কেবাঙৰ প্ৰশ্ন- সেই সময়ত কুলী বংশধৰসকল অসম বা অৰুণাচল প্ৰদেশত নাছিল নেকি? তেওঁলোকে সদৌ কুলী অপৃনক অবৈধ আখ্যা দি আহিছে আৰু ভৱিষ্যতেও দি যাব। প্ৰয়োজনত আদালতৰ কাষ চাপিবলৈ বাধ্য হ'ব। ১৯৫১ চনৰ লিগেছি ডাটাৰ জৰিয়তে কমানক কুলী নিলিখিবলৈ আহ্বান জনাইছে সদৌ কমান অপৃন কেবাঙে।



*শিলচৰৰ আই এছ বি টিৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ*

## ■ হেমন্ত কুমাৰ বৰুৱাৰ সোঁৱৰণত অসম ভিত্তিত সংগীত প্ৰতিযোগিতা ■

# শোণিতপুৰ শিল্পী সমাজৰ বাণ থিয়েটাৰত বৰ্ণাঢ্য আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২ জুন ঃ** তেজপুৰৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান শোণিতপুৰ শিল্পী সমাজে বিগত বৰ্ষবোৰত আয়োজন কৰা অসম ভিত্তিত সংগীত প্ৰতিযোগিতা চলিত বৰ্ষৰ পৰা হেমন্ত কুমাৰ বৰুৱাৰৰ সোঁৱৰণত অনুষ্ঠিত হ'ব। উল্লেখ্য যে, বহুমুখী প্ৰতিভাসম্পন্ন হেমন্ত কুমাৰ বৰুৱাই যোৱা ২৯ অক্টোবৰত অজস্ৰ লোকক কন্দুৱাই ইহলীলা সম্বৰণ কৰিছিল। এই সৰবৰহী ব্যক্তিগৰাকীৰ আত্মাৰ অনুষ্ঠান আছিল শোণিতপুৰ শিল্পী সমাজ। সেয়েহে তেওঁৰ সোঁৱৰণত শোণিতপুৰ শিল্পী সমাজৰ উদ্যোগত ২১সংখ্যক সাংস্কৃতিক প্ৰতিযোগিতালানি অহা ৯ আৰু ১০ জুলাইত তেজপুৰ বাণ থিয়েটাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। হেমন্ত কুমাৰ বৰুৱাৰ সোঁৱৰণত উৎসৰ্গিত প্ৰতিযোগিতাৰ ৯ জুলাইত পুৱা ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ক্ৰমে মঞ্জু গোস্বামী, বেদানন্দ শৰ্মা আৰু প্ৰতাপ ডেকা সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ৫০০০, ৪০০০, ৩০০০ টকা প্ৰদান কৰা হ'ব। বনগীত প্ৰতিযোগিতাৰ বঁটাসমূহ ক্ৰমে চবিন কলিতা, জীৱেশ্বৰ কাকতি, হৰেকৃষ্ণ গোহাঞি বৰুৱা সোঁৱৰণী বঁটাৰ লগতে নগদ ক্ৰমে ৫০০০, ৪০০০ আৰু ৩০০০ টকাৰ মাননি আগবঢ়োৱা হ'ব। দুয়োটা শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগীগৰাকীক সুভাষ চন্দ্ৰ বৰা সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ৫০০০ টকাৰ বঁটা আগবঢ়োৱা হ'ব। এই সংগীত প্ৰতিযোগিতাত উচ্চতৰ মাধ্যমিক পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি থাকিব। প্ৰতিযোগীসকলে দুয়োটা গীত একেটা প্ৰৱেশতে পৰিৱেশন কৰিব লাগিব। বাদ্যযন্ত্ৰ সংগতকাৰীৰ সংখ্যা চাৰিজনৰ অধিক হ'ব নোৱাৰিব। এই সংগতকাৰীসকলে মঞ্চত প্ৰতিযোগীৰ পিছফালে অৱস্থান কৰিব লাগিব আৰু কোনো বৈদ্যুতিক বাদ্য ব্যৱহাৰ কৰিব নোৱাৰিব। প্ৰতিযোগীয়ে কোনো বাদ্য-যন্ত্ৰ বজাব নোৱাৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ মাচুল প্ৰতিটো গীতৰ বাবে এশ টকাকৈ। সংগীত আৰু আবৃত্তি প্ৰতিযোগিতাত প্ৰতিযোগীসকলে কিতাপ বা বহী চাই অংশগ্ৰহণ কৰিব নোৱাৰিব। প্ৰতিযোগিতাত যোগদানৰ অন্তিম তাৰিখ ৮ জুলাই বিয়লি ৬ বজাৰ ভিতৰত জমা দিব লাগিব। ১০ জুলাই দেওবাৰে পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা। প্ৰতিযোগিতাত মাণিক বৰুৱা, মাধৱ লহকৰ, ৰীণা হাজৰিকা বৰা আৰু নীল গোস্বামী সোঁৱৰণী বঁটাৰ লগতে নগদ ২০০০, ১৫০০, ১০০০, ৭০০ টকাৰ মাননি আগবঢ়োৱা হ'ব। ১১ বজাৰ পৰা আবৃত্তি প্ৰতিযোগিতাত প্ৰাঞ্জল প্ৰতীম নেওগ সোঁৱৰণী বঁটাৰ লগতে নগদ ২০০০, ১৫০০, ১০০০ টকাৰ মাননি আগবঢ়োৱা হ'ব। দুয়োটা শাখাতে দশম শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি থাকিব। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ৫০ টকা। আবৃত্তি প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলে যিকোনো প্ৰতিষ্ঠিত কবিৰ উপযোগী কবিতাৰ তিনি মিনিটৰ ভিতৰত আবৃত্তি কৰিব লাগিব। তদুপৰি কেউটা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ শৃংখলাবদ্ধ প্ৰতিযোগীক অতনু বৰুৱা সোঁৱৰণী চলন্ত বঁটা আৰু এহাজাৰ টকাৰ মাননি আগবঢ়োৱা হ'ব।

# মহামায়া খণ্ড উন্নয়ন কাৰ্যালয়ত তথ্য জনাৰ অধিকাৰ আইন ধোঁৱা চাঙত

## কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়ত তথ্য দিয়াৰ পৰা বিৰত পঞ্চায়ত সচিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২ জুন ঃ** ৰাজ্যৰ শাসকীয় বিজেপি মিত্ৰজোঁট চৰকাৰৰ দিনত চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে আইন-কানুনলৈ ভ্ৰূক্ষেপ নকৰা ঘটনাই বাৰুকৈ শংকিত কৰি তুলিছে সচেতন মহলক। তদানীন্তন ইউ পি এ চৰকাৰে দেশৰ জনগণক চৰকাৰী আঁচনিৰ বিষয়ে সবিশেষ জানিবলৈ ২০০5 চনত তথ্য জনাৰ অধিকাৰ আইন নামৰ এখন আইন প্ৰণয়ন কৰিছে যদিও উক্ত আইনখনক এচাম চৰকাৰী বিষয়া-আমোলাই ভৰিৰে মোহাৰি পেলোৱাৰ উপক্ৰম কৰা পৰিলক্ষিত হৈছে। ঘটনাৰ বিৱৰণী মতে, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা বামুণীগাঁও আঞ্চলিকৰ সভাপতি ফুল কুমাৰ বৰ্মন আৰু সম্পাদক অৰূপ অধিকাৰীয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ত মহামায়া খণ্ড উন্নয়ন কাৰ্যালয়ৰ এলেকাধীন তুষপাৰা গাঁও পঞ্চায়তত ২০১৮ চনৰ পৰা ২০২১ চনলৈকে চতুৰ্থ বিত্তীয় আয়োগ অৰ্থাৎ ফৰ্টিন ফাইনেন্স আঁচনিৰ অধীনত ১২খন কামৰ তথ্য বিচাৰি আৱেদন জনায়। উক্ত আৱেদনৰ ভিত্তিত মহামায়া খণ্ড উন্নয়ন কাৰ্যালয়ৰ চিঠি নং এম এম ডি বি-৮/আৰ টি আই/পিটি-৪/২০১৯-২০/২১৩৬ মৰ্মে তথ্য যোগান ধৰিবলৈ তুষপাৰা গাঁও পঞ্চায়তৰ সচিবলৈ চিঠি প্ৰেৰণ কৰে ১৪ মাৰ্চত। যদিও প্ৰায় তিনি মাহ উকলি যোৱাৰ পাছতো তথ্য যোগান ধৰাৰ পৰা বিৰত আছে পঞ্চায়ত সচিবজনে। উল্লেখ্য যে, কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়ত তথ্য যোগান ধৰা নাই বুলি অভিযোগ উত্থাপিত হৈছে। স্মৰ্তব্য যে, এছ পি আই অ' বিষয়াজন এলেপেচা বিষয়া নহয়। এখেত হৈছে বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতি (প্ৰশাসনিক) বিষয়া। এই জন বিষয়াৰ চিঠিলৈ তিলমাত্ৰ ভ্ৰূক্ষেপ নকৰে তুষপাৰা গাঁও পঞ্চায়তৰ সচিবজনে। কাৰ বলত তুষপাৰা গাঁও পঞ্চায়তৰ সচিবজনে তথ্য যোগান নিদি টিঘিলঘিলাই আছে বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে।



*গুৱাহাটীত বুধবাৰে সংবাদ মেল সম্বোধন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই*

## টীয়ক-কাকজানত ডিজিটেল ইণ্ডিয়া গঢ়াৰ সপোন ফ্লপ শ্ব'ত পৰিণত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২ জুন ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত কাকজান, মুদৈজান, মেলেং, টীয়ক, বলমা আদি বেংকবিলাকত ৰাইজে বুজি উঠিছে ডিজিটেলাইজৰ প্ৰকৃত স্বৰূপ। কিন্তু চৰকাৰে সকলো ক্ষেত্ৰতে ক্ৰমান্বয়ে ডিজিটেলাইজ কৰি আহিছে যদিও বিশেষকৈ ধন লেন-দেনৰ ক্ষেত্ৰত ডেজিটেলাইজেচন কৰিবলৈ বিশেষ তৎপৰ হোৱা পৰিলক্ষিত হোৱা নাই । কিন্তু কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে ডিজিটেল ইণ্ডিয়াৰ গঢ়ি তুলিবলৈ যিমানেই ঢাক-ঢোল নবজাওক কিয় কিন্তু প্ৰকৃততে কিদৰে এই ডিজিটেল সেৱাই সাধাৰণ ৰাইজ উপকৃত কৰিছে সেয়া বুজিলে সহজে অনুমান কৰিব পাৰিব। টীয়ক সমষ্টিৰ মুদৈজান অঞ্চলত অসম গ্ৰামীণ বিকাশ বেংকত বিগত কেইবা দিন ধৰি ডিজিটেল ইণ্ডিয়াৰ প্ৰকৃত স্বৰূপ বুজি পাইছে স্থানীয় ৰাইজে। উল্লেখ যে শ শ পুৰুষ-মহিলাই এই কেন্দ্ৰটোত বাহিৰত শাৰী পাতি থাকে বিগত বহু দিন ধৰি, কোনোবাই বৃদ্ধ পেন্সন, কোনোবাই অৰুণোদয় আঁচনিৰ ধন, কোনোবাই জবকাৰ্ডৰ ধনকে ধৰি চৰকাৰে সাধাৰণ ৰাইজৰ বাবে মুকলি কৰা বিভিন্ন আঁচনিৰ ধন উলিয়াবলৈ ৰ'দে-বতাহে থিয় হৈ থাকে, কাৰণ বেংকত লিংক নাই। উল্লেখ্য, এয়া আজিৰ সমস্যা নহয়, বিগত বহু দিন ধৰি এইদৰে উক্ত বেংকটোকে ধৰি বহুকেইটা বেংকত লিংকৰ অভাৱত গ্ৰাহকে হাৰাশাস্তি খাবলগীয়া হৈছে। এই ক্ষেত্ৰত নিতৌ নিজৰ প্ৰাপ্য ধন বিচাৰি ঘৰুৱা সকলো কাম-কাজ এৰি পুৱাই আহি আহি ভোকে লঘোনে এইসকল গ্ৰাহক অতিষ্ঠ হৈ পৰিছে। মাজে-সময়ে বেংক কৰ্তৃপক্ষৰ সৈতে মতানৈক্যও হৈছে। কিন্তু উপায়হীন দুয়োপক্ষ কাৰণ লিংক নাই। এইদৰে পুৱাৰ পৰা বিয়লিলৈকে সকলো আশাৰে বাট চাই থাকে লগতে এইক্ষেত্ৰত ঊৰ্দ্ধতন কৰ্তৃপক্ষক অনতি পলমে ইয়াৰ এক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।

## নগাঁৱৰ বান পৰিস্থিতি ক্ৰমশঃ স্বাভাৱিক হৈছে

### কলং-কপিলীৰ জলপৃষ্ঠ হ্ৰাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** জেঠমহীয়া বানত নগাঁও জিলাৰ বিস্তৃত অঞ্চল বানপানীৰ কৱলত পৰে। ফলত হাজাৰ হাজাৰ লোক বানত ক্ষতিগ্ৰস্ত হয়। অৱশ্যে শেহতীয়াভাৱে জিলাখনৰ বান পৰিস্থিতিৰ যথেষ্ট উন্নত হৈছে যদিও সমস্যা দূৰ হোৱা নাই। আজি নগাঁও জিলা প্ৰশাসনে দিয়া তথ্য অনুসৰি জিলাখনৰ ৪৫খন গাঁও আজিও বানৰ কৱলত আছে । এইবাৰৰ বানত দুই শতাধিক গাঁও বানৰ কৱলত পৰিছিল। আজিৰ দিনটোত মাত্ৰ ৪৫খন গাঁওহে বানৰ কৱলত আছে । ইয়াৰ ভিতৰত কামপুৰ ৰাজহ চক্ৰৰ ১৪খন গাঁও, নগাঁও ৰাজহ চক্ৰত ৫খন আৰু ৰহা ৰাজহ চক্ৰত ২৬খন গাঁও বানৰ কৱলত আছে। বানপানীৰ ফলত এইবাৰ কেইবা হাজাৰ মানুহ আশ্ৰয় শিবিৰত আছিল যদিওঁ বান পৰিস্থিতি উন্নত হোৱাৰ লগে লগে সৰহসংখ্যক লোক আশ্ৰয় শিবিৰৰ পৰা নিজ গৃহলৈ গৈছে। আজিৰ দিনটোত মাত্ৰ ৩টা আশ্ৰয় শিবিৰহে সক্ৰিয় হৈ আছে। এই ৩টা আশ্ৰয় শিবিৰত ১,৮৫৫ গৰাকী লোক আজিৰ দিনটোত আশ্ৰয় লৈ আছে। আজিৰ দিনটোত ৪৭,২৭৮গৰাকী লোক বানপানীত আক্ৰান্ত হৈ আছে। আজিৰ দিনটোত ২৩৫২.৭৮ হেক্টৰ কৃষিভূমি বানত ক্ষতিগ্ৰস্ত হৈ আছে। এই বাৰ বানত জিলাখনত ১৭ হাজাৰতকৈ অধিক হেক্টৰ কৃষিভূমি বানত ক্ষতিগ্ৰস্ত হয়। ফলত জিলাখনৰ ৰহা, কামপুৰ আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ কেইবা হাজাৰ কৃষি ভূমিৰ ক্ষতিসাধন হয়। বড়োধান, কুঁহিয়াৰ, বিভিন্ন শাক-পাচলিৰ খেতিৰ ব্যাপক ক্ষতিসাধন হয়। ফলত কৃষকসকল আৰ্থিকভাৱে দুৰ্বল হৈ পৰিছে। বানপানীৰ ফলত শাক-পাচলি বজাৰত জুই-চাই দাম হৈছে। ইপিনে জিলাখনত কপিলী, নিশাৰী, কলং, হাৰিয়া আদিৰ জলপৃষ্ঠ যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। নগাঁও জলসম্পদ বিভাগে জনোৱা তথ্য অনুসৰি আজি পুৱাৰ ভাগত কলং নৈ নগাঁও চহৰত বিপদসীমাৰ ২.০৭ মিটাৰ তলেৰে বৈ আছে, ৰহাত কলং বিপদসীমাৰ ৭৩ ছেণ্টিমিটাৰ তলেৰে বৈ আছে, কামপুৰত কপিলী নৈ বিপদসীমাৰ ২.৭৩ মিটাৰ তলেৰে বৈ আছে। ইপিনে জিলাখনৰ শিলঘাটত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ২.৬৯ মিটাৰ তলেৰে বৈ আছে।

## কমলপুৰত এইচ ডি এফ চিৰ এ টি এম সেৱা মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২ জুন ঃ** কমলপুৰত কালি আনুষ্ঠানিকভাৱে এইচ ডি এফ চিৰ এ টি এম সেৱা মুকলি কৰা হয়। উক্ত এ টি এম সেৱা মুকলি হোৱাৰ ফলত বৃহত্তৰ অঞ্চলবাসী ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ এটি পূৰণ হ'ল। কমলপুৰত ইয়াৰ পূৰ্বে এছ বি আইৰ এটি এ টি এম আছিল যদিও সেয়া পৰ্যাপ্ত নাছিল। বিভিন্ন কাৰিকৰী অসুবিধা আৰু এ টি এমত নগদ ধন নথকাৰ বাবে ৰাইজ বিমুখ হৈ উভতি যাবলগীয়া হৈছিল। এতিয়া আৰু সেই সমস্যাৰ সন্মুখীন হ'বলগীয়া নহয় সৰ্বসাধাৰণ ৰাইজ। কমলপুৰত পূৰ্বৰ তুলনাত ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে নানান উদ্যোগ গঢ়ি উঠাৰ ফলত বহিঃৰাজ্যৰ অসংখ্য মানুহেৰে ভৰি পৰিছে অঞ্চলটো। বিভিন্ন ঠাইৰ পৰা উদ্যোগত কৰ্মৰত সৰহসংখ্যক শ্ৰমিক তথা কৰ্মচাৰীয়ে কমলপুৰতে ব্যৱসায়িক লেন-দেন কৰে। কমলপুৰত বৰ্তমান দুটাকৈ এ টি এম স্থাপন হোৱাত ৰাইজ কিছু পৰিমাণে হ'লেও লাভৱান্বিত হ'ব। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে কমলপুৰ বিজেপি মণ্ডলৰ সভাপতি কুমুদ কাকতি, কমলপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন বৰুৱা আৰু এইচ ডি এফ চি বেংক, ৰঙিয়া শাখাৰ শাখা প্ৰবন্ধক দীপজ্যোতি বেজবৰুৱা তথা বেংকৰ কৰ্মচাৰীবৃন্দৰ লগতে ভালেসংখ্যক লোক।

## টীয়কৰ দ কটিকুছিয়াত সম্প্ৰসাৰণ-সমাজ কল্যাণমূলক কাৰ্যসূচী সম্পন্ন

### অংকুৰ পুথিভঁৰাললৈ সমাজতত্ত্ব বিভাগ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ গ্ৰন্থ আৰু বুক ছেল্‌ফ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২ জুন ঃ** পূব যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান কাকজান মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সমাজতত্ত্বীয় অধ্যয়ন কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি তথা আভ্যন্তৰীণ গুণগত নিশ্চিতকৰণ কোষৰ উদ্যোগত তথা গাঁওখনৰ সেউজ ধৰণী কৃষক সংগ্ৰাম সমিতিৰ সহযোগত দ কটিকুছিয়া গাঁৱৰ নামঘৰ প্ৰাংগণত এখন সভা অনুষ্ঠিত কৰা হয়। অংকুৰ পুথিভঁৰালৰ সম্পাদক ৰণ্টু ভূএগ্ৰাই আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক কনক চন্দ্ৰ নেওগে। সভাত কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ, কাকজান মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা দীপ্তি তামুলী, সহকাৰী অধ্যাপিকা মীনাক্ষী মিলি, বৰ্ষাৰাণী বৰা, প্ৰবীণ দাস, উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° ববিতা ফুকন বৰকটকী, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰগ্ৰেম অফিচাৰ জয়ন্ত দুৱৰা, বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে। উল্লেখ্য যে কাকজান মহাবিদ্যালয়ে আদৰ্শ গাঁও হিচাপে লোৱা এই গাঁওখনৰ অংকুৰ পুথিভঁৰাললৈ গ্ৰন্থ অধ্যয়নৰ ধাউতি বৃদ্ধি পাবলৈ এই সভাতে সমাজতত্ত্ব বিভাগ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত এটি বুক ছেল্‌ফ আৰু অৰ্ধশতাধিক গ্ৰন্থৰ টোপোলা আগবঢ়ায়। তদুপৰি সমাজতত্ত্ব বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে গাঁওখনত এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন অনুষ্ঠিত কৰে। সভাত সেউজ ধৰণী সংগ্ৰাম সমিতিৰ বিষয়-ববীয়াসকল, টীয়ক জুনিয়ৰ কলেজৰ অধ্যক্ষ অনিমা ওজা, নামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰমোদ শইকীয়া, শতবৰ্ষ উদ্‌যাপন সমিতিৰ কোষাধ্যক্ষ অজিত ভূএগ্ৰা, অংকুৰ পুথিভঁৰালৰ সভাপতি ব্ৰজেন ওজা, কাকজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি স্বপ্ননীল বৰুৱা, অংকুৰ মইনা পাৰিজাত, অংকুৰ শিল্পী সমাজৰ বিষয়ববীয়া, গাঁৱৰ শতাধিক ৰাইজ তথা মহাবিদ্যালয়ৰ সমাজতত্ত্ব ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়খনৰ সমাজজতত্ত্ব বিভাগ তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এই পদক্ষেপক ৰাইজে ধন্যবাদ তথা কৃতজ্ঞতা জনাইছে।

## ঘগ্ৰাপাৰৰ থানুৰাম প্ৰাথমিক বিদ্যালয়ত উদ্‌যাপন গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২ জুন ঃ** ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত চলি আছে গুণোৎসৱ। শিক্ষানুষ্ঠানসমূহৰ মান নিৰ্ধাৰণৰ বাবে অসম চৰকাৰে হাতত লোৱা গুণোৎসৱৰ কাৰ্যসূচীৰ অংশৰূপে চৰকাৰী মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান নলবাৰী জিলা ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত থানুৰাম প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক দিশৰে উদ্‌যাপন কৰা গুণোৎসৱ কাৰ্যসূচীৰ আজি সামৰণি পৰে। বিদ্যালয়খনত গুণোৎসৱৰ প্ৰতিটো দিনৰ প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ চলাই নিয়া বুলি উল্লেখ কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মেছেৰ আলীয়ে। গুণোৎসৱ কাৰ্যসূচীত তৃতীয় পৰ্যায়ৰ দ্বিতীয় দিনা বহিঃ নিৰীক্ষক হিচাপে বকো হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অকণ চন্দ্ৰ কলিতা, সহ বহিঃ নিৰীক্ষক মধুস্মিতা শৰণীয়া, সমল ব্যক্তি কনক বেজবৰুৱা উপস্থিত থাকি বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, তথা ৰাইজৰ সৈতে মত বিনিময় কৰি শৈক্ষিক, আভ্যন্তৰীণ দিশৰ বুজ লয়। বিশেষকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ফলাফলসমূহ বিশ্লেষণ কৰি শৈক্ষিক দিশত থকা সমস্যাসমূহ চিহ্নিত কৰি যথোচিত প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদানেই গুণোৎসৱ কাৰ্যসূচীৰ মূল লক্ষ্য বুলি মন্তব্য কৰে বহিঃ নিৰীক্ষক অকণ চন্দ্ৰ কলিতাই। উল্লেখ্য যে উক্ত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে আজি পুৱাৰ ভাগত প্ৰাৰ্থনা, ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰাৰ লগতে শপত গ্ৰহণ, শাৰীৰিক ব্যায়াম আদি প্ৰদৰ্শন কৰা প্ৰত্যক্ষ কৰি বহিঃ নিৰীক্ষগৰাকী আপ্লুত হৈ পৰে।



*ভাৰতীয় জনতা যুৱ মৰ্চাৰ বিশেষ সাংগঠনিক সভাত বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক দিপুৰঞ্জন শৰ্মা*

## লাহৰীঘাট আঞ্চলিক দ্বিনী তালিম ব'ৰ্ডৰ কাৰ্যকৰী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আঞ্চলিক দ্বিনী তালিম ব'ৰ্ডৰ ২৩ মে'ত পৰৱৰ্তী ৩ বছৰৰ বাবে গঠন হোৱা নতুন কমিটীখনৰ প্ৰথম কাৰ্যকৰী সভা আজি সন্ধিয়া নিজা কাৰ্যালয়ত সুকলমে অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে উপ-সভাপতি ক্বাৰী নুৰ মোহাম্মদে। সভাৰ মূল কাৰ্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে এটি কেৰাত পাঠ কৰে পুৰস্কাৰপ্ৰাপ্ত ক্বাৰী মাছুদুল হকে।সভাৰ উদ্দেশ্য বাখ্যা আৰু আদৰণি পৰ্বৰ আঁত ধৰে সাধাৰণ সম্পাদক অলি উল্লা খাঁনে। ইয়াৰ পিছত কাৰ্যসূচী অনুযায়ী কমিটীৰ সকলো সদস্যই চিনাকি পৰ্বৰ লগতে সকলোকে এখন কৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতে ব'ৰ্ডৰ উন্নয়ন সম্পৰ্কে বৃহৎ আলোচনা কৰা হয়।

## লাহৰীঘাটত পথৰ দাঁতিত ম'হৰ মাংস বিক্ৰেতাক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বোৱালগুৰিত লাহৰীঘাট, দেৱাগুৰি হৈ মৰিগাঁৱলৈ যোৱা মূল গড়কাপ্তানী পথৰ দাঁতিত অবৈধভাৱে ম'হৰ মাংস বিক্ৰী কৰি থকা অৱস্থাত ৩১ মে'ত লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিমউদ্দিন আহমেদৰ নেতৃত্বত আজিজুল ইছলাম (৬০) নামৰ এজন ব্যক্তিক আটক কৰাৰ লগতে ধৃত আজিজুল ইছলামৰ পৰা গো মাংস, দা, ছুৰী আৰু দগা পাল্লা আদি জব্দ কৰে। ধৃত অবৈধ ম'হৰ মাংসৰ ব্যৱসায়ীজনৰ বিৰুদ্ধে 242/22, US 379/429û13[1] CAP IPC Act ৰ অধীনত গোচৰ পঞ্জীয়ন কৰা হৈছে বুলি আৰক্ষীয়ে জনাইছে।

## ৮ জুনত মটক যুৱ-ছাত্ৰ সন্মিলনৰ অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২ জুন ঃ** মটক জনগোষ্ঠীৰ জন্মলগ্নৰ দাবী মটক জনগোষ্ঠীক জনজাতিকৰণৰ তালিকাত অন্তৰ্ভুক্তিকৰণকে আদি কৰি অসমৰ জ্বলন্ত সমস্যা আলফা সমস্যাৰ স্থায়ী ৰাজনৈতিক সমাধান, সদ্যগঠিত মটক স্বায়ত্তশাসিত পৰিষদক পুঁজি আবণ্টন, চৰকাৰৰ দ্বাৰা ঘোষিত, ১২৫ কোটিৰ অৱশিষ্ট ধনৰাশি অতিশীঘ্ৰে মোকলাই দিয়া আৰু গুৱাহাটী মহানগৰত মটৰ জনগোষ্ঠীৰ অতিথিশালা নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টনকে আদি কৰি অন্যান্য দাবীত ৮ জুন, বুধবাৰে ডিব্ৰুগড়ৰ চৌকিডিঙী চাৰিআলিত পুৱা ১১ বজাৰ পৰা ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ আহ্বান কৰা হৈছে। গতিকে সমূহ সংগ্ৰামী ৰাইজৰ উপস্থিতি কামনা কৰিছে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ বিষয়ববীয়াই।

## তেজপুৰত ভয়ানক পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২ জুন ঃ** তেজপুৰ গাভৰু শিৰমন্দিৰৰ সমীপত আজি পুৱা ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ঢেকীয়াজুলিৰ পৰা তেজপুৰ অভিমুখে আহি থকা এ এছ-১৩ এ চি-৩২৯১ নম্বৰৰ মডিনা নামৰ এখন তীব্ৰবেগী আলট্ৰা বাছে প্ৰথমে এ এছ-২৫ এন-৯২১১ নম্বৰৰ এখন জাইল' গাড়ীত খুন্দা মাৰে আৰু নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা বিদ্যুতৰ খুঁটাত খুন্দা মাৰে। ইফালে বাছখনৰ চালকে জাইল' গাড়ীখনক খুন্দা মৰাৰ পিছতেই চালকৰ আসনৰ পৰা জঁপিয়াই পলায়ন কৰে আৰু বাছখন চালকবিহীনভাৱেই গৈ কিছু দূৰত থকা বিদ্যুতৰ খুঁটাত খুন্দা মৰাত বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি পথৰ ওপৰতে পৰে। কাকতালীয়ভাৱে দুৰ্ঘটনা সংঘটিত হোৱাত বাছখনৰ যাত্ৰীসকলৰ মাজত হুৱা-দুৱা লাগে আৰু বাছৰ পৰা যিয়েই যেনেকৈপাৰে জঁপিয়াই ৰক্ষা পাবলৈ চেষ্টা চলায়। উক্ত সময়তে বাছৰ পৰা জাঁপ দিয়া এগৰাকী মহিলা আৰু এজন যুৱক বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰতেই পৰি যোৱাত অগ্নিদগ্ধ হৈ গুৰুতৰভাৱে আহত হয়। আহত অগ্নিদগ্ধ মহিলাগৰাকী হ'ল তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নাৰ্ছ ৰুমা দেৱী আৰু যুৱকজন জুনাছ ওৱাং। দুয়োকে ততাতৈয়াকে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হয়। উক্ত দুৰ্ঘটনাত কম-বেছি পৰিমাণে আন ১২গৰাকী বাছৰ যাত্ৰী আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনা সংঘটিত কৰা বাছখন তেজপুৰ আৰক্ষীয়ে জব্দ কৰিছে।

## দৈনন্দিন বাৰ্তাত প্ৰকাশিত বাতৰিক লৈ চেঙেলীয়াঝাৰত তীব্ৰ প্ৰতিক্ৰিয়া

### তালিকাত নাম নথকা যুৱকৰ নাম কি যাদুত তালিকাভুক্ত হ'ল

### অনিয়মেৰে গৃহ আবণ্টন হ'লেই বিভাগত অভিযোগ দিয়াৰ বাবে সাজু সচেতন মহল

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২ জুন ঃ** বিগত কংগ্ৰেছ আমোলৰ ইন্দিৰা আৱাস যোজনা আঁচনিৰ পৰা বিজেপি আমোলৰ প্ৰধানমন্ত্ৰী আৱাস যোজনালৈ অনিয়ম, অনীতি, কেলেংকাৰিৰে পাহাৰ সৃষ্টি হোৱা দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত শেহতীয়াকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ হিতাধিকাৰীৰ তালিকাক লৈ সচেতন লোকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। দৈনন্দিন বাৰ্তাত আজিৰ সংখ্যা কাকতৰ পৃষ্ঠাত এনে এক তথ্য সমৃদ্ধ বাতৰি এটি প্ৰকাশিত হোৱাত পুৱাতেই পঞ্চায়তখনৰ সচেতন লোকসকলৰ মাজত ভাইৰেল হৈ পৰে। যাৰ পিছত ইয়াৰ এক উচিত তদন্তৰ দাবী তুলিছে এইসকল সমাজ সচেতন লোকে। উল্লেখ্য যে, বিগত বৰ্ষত পি এম গৃহৰ বহুকেইগৰাকী হিতাধিকাৰী অযোগ্য বুলি পঞ্চায়ত কৰ্মচাৰী, প্ৰতিনিধিয়ে হিতাধিকাৰীৰ গৃহৰ ধন আবণ্টন বন্ধ কৰিছিল। কিন্তু আশ্চৰ্যজনক কথা যে, কেইটামান দিনৰ মূৰত তেনে ঘৰ সমূহৰ আবণ্টিত বন্ধ কৰা ধনসমূহ ৰহস্যজনকভাৱে গোপনে মুকলি দিছিল। যি পন্থা এইবাৰ হ'লে কোনে ৰঙাঘৰৰ ভাত খাব লাগে তাৰ ঠিক নাই বুলি সচেতন মহলে স্পষ্ট কৰি দিয়া বুলি প্ৰকাশ। অভিযোগ অনুসৰি পঞ্চায়তখনত ২০১১ত কৰা ছাৰ্ভেৰ ভিত্তিত কিছুসংখ্যক হিতাধিকাৰীৰ নাম তালিকাভুক্ত কৰি বিগত সময়ত দিয়া হৈছিল কিছুসংখ্যক গৃহ। উক্ত তালিকাখন অসম্পূৰ্ণ হৈ থকাত বাদ পৰি যোৱা হিতাধিকাৰীসকলক সম্প্ৰতি গৃহ আবণ্টনৰ বাবে বিভাগে পঞ্চায়তসমূহলৈ তালিকাত থকা যোগ্য হিতাধিকাৰীসকলক গৃহ আবণ্টনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। কিন্তু আশ্চৰ্যজনক কথা যে তেনে তালিকাত নাম থকা হিতাধিকাৰীয়ে চৰকাৰী গৃহ লাভ কৰাৰ পিছত কৌশলগতভাৱে পৰিয়ালৰ কোনো এজনৰ নাম তালিকাত লিপিবদ্ধ কৰি ৰহস্যজনকভাৱে গৃহ আবণ্টন দিবলৈ উঠি-পৰি লাগি পৰাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, তালিকাত ৩০-৪০ শতাংশ পকীঘৰ থকা লোকৰ নামো অন্তৰ্ভুক্ত হোৱাত সকলোবোৰকে ৰহস্যজনকভাৱে গৃহ আবণ্টন দিয়াৰ বাবে পঞ্চায়ত কৰ্মচাৰী উঠিপৰি লাগি পৰা বুলি অভিযোগ উঠিছে। আনহাতে, মৰণামৰা তন্ত্ৰ থকা ধনৱন্ত লোকো আঁচনিৰ তালিকাত থকা বুলি অভিযোগ উত্থাপন হৈছে। অৱশ্যে পঞ্চায়তখনৰ জিপিচিগৰাকীয়ে অভিযোগ উত্থাপন হোৱা কোনো কোনো লোকৰ গৃহ আবণ্টনৰ ক্ষেত্ৰত থমকি ৰ'বলগীয়া হোৱা বুলি প্ৰকাশ। আশ্চৰ্যজনক কথা যে, জি অ'টেক কৰোতে পকীঘৰ দেখিও জিপিচিয়ে কিয় জি অ'টেক কৰিলে ই এক নুবুজা সাঁথৰ ৰাইজৰ বাবে। একাংশ সচেতন লোকে পি এম গৃহত এইবাৰ অনিয়মৰ হাতোৰা চলিলে 'খেলা হবে' বুলি স্পষ্ট কৰি দিয়াত কি কৌশলেৰে অযোগ্য লোকসকলক গৃহ আবণ্টন দিয়ে তাক লৈ জিপিচি-সচিবৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে। একাংশ লোকে অনিয়ম প্ৰমাণ হ'লেই বিধায়ক, উপায়ুক্তক অভিযোগ দিবলৈ সাজু হৈ থকা বুলি প্ৰকাশ। প্ৰয়োজনত মুখ্যমন্ত্ৰীলৈ অনলাইন অভিযোগো দিয়াৰ প্ৰস্তুত বুলি প্ৰকাশ।

## পদপথত জোনাক আলোচনীৰ অণুগল্প সংখ্যা উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২ জুন ঃ** প্ৰতি ইংৰাজী মাহৰ ১লা তাৰিখত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সন্মুখত পদপথত আবেলিৰ কবিতা অনুষ্ঠানত স্বৰচিত কবিতা পাঠ, গীত-মাত অনুষ্ঠানৰ বৰ্ণাঢ্য আয়োজন হৈ আহিছে। যোৱা ১ জুন মঙলবাৰে এই অনুষ্ঠানৰ উদ্যোগত বিয়লি ৩ বজাত জোনাকৰ জুন সংখ্যা 'বিশেষ অণুগল্প' সংখ্যাটো শুভ উন্মোচন কৰে সাহিত্যিক পেন্সনাৰ, বিশিষ্ট সাহিত্যিক কিশোৰী মোহন পাঠক আৰু পদ্মশ্ৰী সন্মান প্ৰাপক ডঃ ৰোমান শৰ্মাদেৱে। 'জোনাক'ৰ মুখ্য সম্পাদক পুলকেশ ৰায় বৰুৱাৰ ঘোষণাৰে আয়োজিত অনুষ্ঠানটিত দুয়োজনা উন্মোচকে মাত্ৰ পাঁচ টকাত সুদীৰ্ঘ যোল্ল বছৰে জোনাকখন নিয়মীয়াকৈ পঢ়ুৱৈৰ হাতত তুলি দিয়াত জোনাক পৰিয়ালবৰ্গৰ ভূয়সী প্ৰশংসা কৰে। সামাজিকভাৱে দায়বদ্ধ আলোচনীখনে অনেক সমাজ হিতকৰ কাম কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত সুখী হৈ ৫২টা অণুগল্প সংকলিত সংখ্যাটো শুভ উন্মোচন হোৱা বুলি দুয়োজনে ঘোষণা কৰে। অনিমা মেধিৰ কথা আৰু সুৰ সম্বলিত সমবেত গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত কবি সন্মিলনখন উদ্বোধন কৰে উদ্যমী মহিলা হিৰণ্যময়ী বৰুৱাই। আহ্বায়ক কিৰণ বৰাই আদৰণী ভাষণ দিয়া অনুষ্ঠানটোত অনিমা মেধি, মমা গুপ্তা, ৰীতা চৌধুৰী, ৰত্না ভট্টাচাৰ্য্য, সুকুমাৰ দত্ত, জ্যোতি মাধৱ, ৰণেন্দ্ৰ কুমাৰ বুঢ়াগোহাঁই আৰু গিৰীশ কটকীয়ে গীত পৰিবেশন কৰে। সুন্দৰ সমাহিত পৰিৱেশত অনুষ্ঠিত হোৱা পদপথত আবেলিৰ কবিতা অনুষ্ঠানৰ সম্পাদক কমলা কান্ত ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা আৰু সহকাৰী সম্পাদক কাবেৰী দাসে প্ৰতিবেদন পাঠ কৰা অনুষ্ঠানটোত জোনাকৰ সহঃ সম্পাদকদ্বয় ৰাজ কমল কলিতা আৰু নৱ ডেকা, দেৱৰাজ কলিতা, ৰঞ্জুশ্ৰী বৰ্মন, কিৰণ বৰা, বনশ্ৰী বৰুৱা পাঠক, মদন চন্দ্ৰ মেধি, অৰুণা তালুকদাৰকে ধৰি প্ৰায় ৫৩গৰাকী কবিয়ে কবিতা পাঠ কৰি জীপাল কৰি তোলে অনুষ্ঠানটি।



## গড়গাঁও মহাবিদ্যালয়ত 'অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল আহৰণ আৰু ব্যৱহাৰ' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুন ঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত ১ জুন তাৰিখে 'অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল ঃ আহৰণ আৰু ব্যৱহাৰ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত বিষয়টোৰ গুৰুত্ব তথা প্ৰাসংগিকতা ব্যাখ্যাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তই কৰ্মশালাখনৰ শুভ উদ্বোধন কৰি কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যক নতুন আয়তন প্ৰদানত সহায় কৰিব।তদুপৰি মুক্ত শৈক্ষিক সমল নিৰ্বাচনৰ ক্ষেত্ৰত শুদ্ধতা, নিৰ্ভৰযোগ্যতা ইত্যাদি দিশৰ প্ৰতিও গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি তেখেতে মত প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ শিকন কেন্দ্ৰৰ সহকাৰী প্ৰাধ্যাপক ড০ স্বপ্না বৰাই অংশগ্ৰহণকাৰীসকলক মুক্ত শৈক্ষিক সমলৰ ধাৰণা, বিভিন্ন উৎস, ব্যৱহাৰ তথা কপিৰাইট, প্লেজাৰিজিম ইত্যাদি দিশ সামৰি বিস্তৃত ৰূপত আলোচনা কৰে।পুৰণি অসমীয়া কিতাপ, আলোচনী, পত্ৰিকা ইত্যাদি উপলব্ধ ৱেবছাইটসমূহৰ বিষয়ে অৱগত কৰি সমল ব্যক্তিগৰাকীয়ে কয় যে মুক্ত শৈক্ষিক সমলৰ সঠিক সন্ধান আৰু উপযুক্ত ব্যৱহাৰে শিক্ষাৰ্থীসকলক নিশ্চিতভাৱে উপকৃত কৰিব। বক্তব্যৰ অন্তত সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰী সকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইৰ দুই শতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই সমল ব্যক্তি ড° স্বপ্না বৰাৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়। তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ৰুণজুন হাজৰিকা আৰু দেৱযানী বকলীয়ালৰ লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায়। তথ্য সমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে।

# কোচ-ৰাজবংশী কলা-সংস্কৃতিৰ চৰ্চা আৰু জ্যোতি মোশ্যন ফিল্মছৰ সংগ্ৰাম




■ কনক চন্দ্ৰ ৰায়

অসম তথা পশ্চিমবংগৰ যিবিলাক অনুষ্ঠান-প্ৰতিষ্ঠানে কোচ-ৰাজবংশী কলা-সংস্কৃতিৰ চৰ্চা, বিকাশ, প্ৰচাৰ তথা প্ৰসাৰৰ বাবে কাম কৰি আছে তাৰ ভিতৰত 'জ্যোতি মোশ্যন ফিল্মছ' অন্যতম। অসমৰ কোচ-ৰাজবংশী অধ্যুষিত জিলা বঙাইগাঁৱত ২০০৩ চনত জন্ম হৈছিল 'জ্যোতি মোশ্যন ফিল্মছ' বোলা এই অনুষ্ঠানটোৰ। বৰপাৰাস্থিত জ্যোতি সংঘৰ মজিয়াত সুব্ৰত দাস, শংকৰ সৰকাৰ, কল্যাণ ৰায়, ঘনশ্যাম ৰায়, অজিত দাস ঁপাপু শৰ্মাকে আদি কৰি কেইবাজনো উদ্যমী যুৱকৰ প্ৰচেষ্টাত গঢ় লোৱা এই অনুষ্ঠানটোৱে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আহি আজি প্ৰায় দুটা দশক সম্পূৰ্ণ কৰিলে। শংকৰ সৰকাৰৰ প্ৰস্তাৱিত নামকৰণেৰে গ্ৰহণ হোৱা অনুষ্ঠানটোৰ উদ্দেশ্যই আছিল কম পৰিসৰ আৰু কম খৰচত স্থানীয় সংস্কৃতিক স্থানীয় নতুন প্ৰতিভাৰে তুলি ধৰা। স্বাভাৱিকতে দেখা যায় যে কলা-সংস্কৃতি সম্পৰ্কীয় কাম-কাজসমূহক আগুৱাই নিওঁতে খৰচ হোৱা পৰিমাণৰ অৰ্থৰ বিপৰীতে ইয়াৰ পৰা ঘূৰাই পোৱাৰ পৰিমাণ তেনেই তাকৰ। আকৌ ইয়াক কেন্দ্ৰ কৰিয়ে এই সৃষ্টিশীল সংগঠনসমূহৰ ভাঙোন অহা দেখা যায়। ইয়াৰ ব্যতিক্ৰম নাছিল 'জ্যোতি মোশ্যন ফিল্মছ'। এটা সময়ত ই প্ৰায় নিঃশেষ হৈ পৰিছিল। তেনে এটা সময়ত ইয়াক জী ৰখাৰ প্ৰচেষ্টাৰে হাত উজান দিয়া উদ্যমী যুৱকজনে আছিল ডিম্পল মেধি। ক'বলৈ গ'লে আৰম্ভণিৰে পৰা জ্যেষ্ঠসকলৰ লগত ইয়াৰ কাম-কাজত সক্ৰিয়ভাৱে লাগি থাকি অনুষ্ঠানটোৰ অন্যতম অংশ হৈ পৰা ডিম্পলে পৰৱৰ্তী পৰ্যায়ত ইয়াৰ মুখ্য মানুহজন হৈ পৰিল। ২০০৩ চনত মুক্তি দিয়া 'দোমাসী' শীৰ্ষক অডিঅ' কেছেটটি আছিল জ্যোতি মোশ্যন ফিল্মছে নতুন গতি লোৱাৰ প্ৰথমটো খোজ। হিমসাগৰৰ গীতৰ কথাৰে নিৰ্মিত কেছেটটিত কণ্ঠদান কৰিছিল অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ আৰু নিৰ্মালি দাসে। পৰৱৰ্তী পৰ্যায়ত নতুনকৈ প্ৰাণ পাই উঠা অনুষ্ঠানটোত সংযোজন হ'ল একে নামেৰে এটা ইউটিউব চেনেল। চেনেলটোৰ আৰম্ভণিতে 'দোমাসী' কেছেটৰ পৰা 'তিনটা বাজাত ডাকেয়া দিলে' শীৰ্ষক গীতটিৰ এটা ভিডিঅ' এলবাম আপল'ড কৰি ইয়াৰ শুভাৰম্ভ হয় ২০১২ চনত। জুবিন গাৰ্গ আৰু নিৰ্মালি দাসে কণ্ঠদান কৰা গীতটিৰ সংগীত পৰিচালনা কৰিছিল কোকিল সিংহই। ২০০৪ চনত নিৰ্মাণ হৈছিল 'ষ্টাৰ্টিং টুম'ৰ" শীৰ্ষক চিনেমা এখনৰ- য'ত অসমৰ জনপ্ৰিয় অভিনেতা আকাশদীপ আৰু ডিম্পী খাটনিয়াৰে মুখ্য চৰিত্ৰত অভিনয় কৰিছিল। 'জ্যোতি মোশ্যন'ৰ অন্যতম প্ৰতিষ্ঠাপক সুব্ৰত দাসে পৰিচালনা কৰা চিনেমাখনৰ প্ৰযোজনা কৰিছিল সুৰেশ ৰায়ে। ২০০৪ চনতে 'এলাতে দাদি কি কৰোং' নামেৰে আন এখন কোচ-ৰাজবংশী চিনেমা'ৰ নিৰ্মাণ হয় 'জ্যোতি মোশ্যন ফিল্মছ'ৰ বেনাৰত। একেই বেনাৰত ২০০৭ চনত ডিম্পল মেধিয়ে প্ৰযোজনা কৰে 'মনে মানে না' শীৰ্ষক এখন বঙালী ভিডিঅ' এলবামৰ। 'দোমাসী'ৰ অন্যতম জনপ্ৰিয় গীত 'শালী চাবি বিহানেৰ' এটা সুন্দৰ ভিডিঅ' এলবাম প্ৰস্তুত কৰি উলিয়ায় ২০১৭ চনত। জুবিন গাৰ্গে কণ্ঠদান কৰা গীতটিৰ ইতিমধ্যে লক্ষাধিক দৰ্শন হৈছে। ইয়াৰ উপৰি 'আতা গাঠি লাগছে', 'ঘগু দেখছো ফান দেখা নাই', 'বাটেৰ কচু ঢেকিয়া', 'লিংলিঙিয়া বাটতে', 'পাহাৰেৰ চুবা খুটাত' আদি সহস্ৰাধিক দৰ্শনপ্ৰাপ্ত ভিডিঅ' এলবাম 'জ্যোতি মোশ্যন ফিল্মছ'ৰ বেনাৰত নিৰ্মাণ হৈ ওলাইছে।




কোচ-ৰাজবংশীৰ ইতিহাস জড়িত 'মা কামতা' ভিডিঅ' এলবাম ডিম্পল মেধিয়ে প্ৰযোজনা কৰা এটা উল্লেখযোগ্য কৰ্ম। ইয়াৰ গীতত কণ্ঠদান কৰিছিল জুবিন গাৰ্গে। একেদৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত কোচ-ৰাজবংশী কলা-সংস্কৃতি প্ৰদৰ্শনৰ বাবে কলা-কুশলীক সংগঠিত কৰাৰ দায়িত্বও 'জ্যোতি মোশ্যন ফিল্মছে' গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈছে। চিৰাঙত লক্ষ লক্ষ মানুহ সমৱেত হোৱা আৰু বলীউডৰ তাৰকা শিল্পীয়ে অংশ লোৱা ডেইজিং উৎসৱত কলা-কুশলীক সংগঠিত কৰি কোচ-ৰাজবংশী কলা-কৃষ্টিৰ প্ৰদৰ্শন এটা অন্যতম উদাহৰণ। বহুত প্ৰতিভাৱান কলা-কুশলী তথা শিল্পী, বিশেষকৈ বৃহত্তৰ অঞ্চলটোৰ চুকে-কোণে থকা প্ৰতিভাক পোহৰ দেখুওৱা এক মঞ্চ হিচাপে পৰিগণিত হৈছে 'জ্যোতি মোশ্যন ফিল্মছ' বোলা এই অনুষ্ঠানটো। কোচ-ৰাজবংশী পৰম্পৰাগত লোকগীত যোগ পুৰাণৰ আধাৰত অসমৰ এগৰাকী বিশিষ্ট সংগীত নিৰ্মাতা কোকিল সিংহই নিৰ্মাণ কৰা 'আতা অ' আবু অ" শীৰ্ষক গীতৰ ভিডিঅ' এলবামটি নিৰ্মাণ হৈছে 'জ্যোতি মোশ্যন'ৰ অন্যতম ডিম্পল মেধিৰ পৰিচালনাত। এনেদৰে নতুন নতুন কামেৰে 'জ্যোতি মোশ্যন ফিল্মছে' বিশেষকৈ একে নামৰ ইউটিউব চেনেলটোৰে দৰ্শক-শ্ৰোতাৰ আদৰ বুটলিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ কোচ-ৰাজবংশী ভাষাত কিছুমান সুৰীয়া আধুনিক গীতৰ ভিডিঅ' প্ৰস্তুতিৰ কামত 'জ্যোতি মোশ্যন ফিল্মছে' মনোনিৱেশ কৰা দেখা গৈছে। ই মূলতঃ জনগোষ্ঠীটোৰ যুৱ প্ৰজন্মৰ আৱেগ-অনুভূতিক তুলি ধৰিছে। চলিত বৰ্ষত নিৰ্মাণ কৰা 'কাটা হাতেৰ আখৰ দিয়া' শীৰ্ষক এলবামটিৰ নাম ল'ব পাৰি এই ক্ষেত্ৰত। মন্টু ৰায়ে সুৰ কৰা গীতৰ সংগীত পৰিচালনা 'আৰ্মছ মিউজিক' ষ্টুডিঅ'ৰ বিজু সৰকাৰৰ। গীতটি গাইছে উদীয়মান শিল্পী কমল ৰায়ে। সুৰ-সংগীত আৰু গায়কীৰ সুন্দৰ সমন্বয়ে কম দিনতে প্ৰায় লক্ষ দৰ্শন প্ৰাপ্ত হৈছে। ইয়াৰ দুমাহ পাছতে নিৰ্মাণ হোৱা আন এটি সুন্দৰ গীতৰ ভিডিঅ' এলবাম 'অ' ৰে চেংৰী'য়ে এটা সপ্তাহৰ ভিতৰতে ডেৰ লক্ষাধিক দৰ্শন লাভ কৰিবলৈ সক্ষম হোৱাটো প্ৰযোজকৰ বাবে এক উৎসাহৰ কাৰণ হ'বই পাৰে। মুক্তিৰ এটা সপ্তাহৰ ভিতৰত ডেৰ লক্ষাধিকৰ দৰ্শন জনপ্ৰিয়তাৰ শীৰ্ষস্থানীয় শিল্পীৰ বাহিৰে অন্যান্যৰ গীতৰ ক্ষেত্ৰত সম্ভৱপৰ হৈ উঠাটো বিৰল। 'জ্যোতি মোশ্যন ফিল্মছ'ৰ বাবেতো ই অভিলেখ। এই ভিডিঅ' এলবামটিৰো সংগীত পৰিচালনা কৰিছে বিজু সৰকাৰে। মন্টু ৰায়ে সুৰেৰে সজোৱা গীতটিত কণ্ঠদান কৰি শ্ৰোতাৰ আদৰৰ কৰি তুলিছে কমল ৰায়ে। ইয়াত নৱাগত চিৰঞ্জিত ৰায় আৰু পূজা শৰ্মাৰ অভিনয়কো দৰ্শকে আদৰি লোৱা দেখা গৈছে। ২০২১ বৰ্ষৰ শেষৰ ফালে ১৩ ডিচেম্বৰত 'চ আপি মাছকে মাৰিবা জাং' শীৰ্ষক সুন্দৰ ভিডিঅ' এলবামটিৰ মুকলিৰ সমান্তৰালকৈ মন্টু ৰায়ৰ কথা আৰু সুৰেৰে সজোৱা 'দিনে দিনে মনটা কান্দে ৰে' শীৰ্ষক আন এটি সুমধুৰ স্থানীয় ভাষাৰ গীতৰ মুকলিয়ে দৰ্শক-শ্ৰোতাক আশাবাদী কৰি তুলিছে। ২০২২ৰ আৰম্ভণিতো এই যাত্ৰা অব্যাহত ৰাখি 'জয় কমতাপুৰেৰ জয়'ৰ প্ৰযোজনা আৰু প্ৰয়াত প্ৰখ্যাত গীটাৰবাদক ত্ৰিদীপ চৌধুৰীৰ শ্ৰদ্ধাঞ্জলিত নিৰ্মিত 'স্মৃতি' শীৰ্ষক গীতৰ আপল'ডে আশাৰ বতৰাকে বহন কৰিছে। জানিব পৰা মতে 'জ্যোতি মোশ্যন ফিল্মছ'ৰ বেনাৰত মুক্তি পাবলগীয়া কেইবাটাও সুমধুৰ গীতৰ বাণীবন্ধনৰ কাম সম্পূৰ্ণ হৈছে। তাৰ ভিতৰত 'আদৰ আদৰ লাগা', 'চকুতে তোৰ কি মায়া' আদিৰ প্ৰমোচন দেখা গৈছে।

তথ্য-প্ৰযুক্তি তথা এই ডিজিটেল যুগত ছবিয়ে হওক, গান বা ভিডিঅ' এলবামে হওক নিৰ্মাণ কৰা যিমান সহজ, ইয়াৰ প্ৰযোজক হিচাপে তিষ্ঠি থকা সিমানে কঠিন। গীত এটা ওলোৱাৰ লগে লগে মোবাইলে মোবাইলে কপি-পেষ্ট হৈ বিয়পি যায়। ছ'চিয়েল মিডিয়াৰ দ্ৰুত সম্প্ৰসাৰণে আৰু এখোপ আগুৱাই গৈ প্ৰযোজক এজনৰ শ্ৰম আৰু বিনিয়োগক অৰ্থহীন কৰি তোলে। এনে এক কঠিন সময়ত জাতীয় কলা-সংস্কৃতিক তুলি ধৰিবলৈ ইয়াৰ ডিজিটেল নিৰ্মাণ তথা প্ৰযোজনা এক বৃহৎ প্ৰত্যাহ্বান। তাৰ মাজতে 'জ্যোতি মোশ্যন ফিল্মছ'ৰ দৰে অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে গ্ৰহণ কৰা প্ৰত্যাহ্বান সমাজখনৰ বাবেই এক ইতিবাচক খবৰ।

## বিশ্বজিৎ বৰা সম্পাদিত



# বোম্বা ৰাইডৰ সাফল্যত দেৰগাঁৱত উল্লাস

অসমীয়া ছবিৰ প্ৰায় দুৰ্যোগপূৰ্ণ সময়ত মিছিং ভাষাৰ 'বোম্বা ৰাইড' নামৰ ছবিখনৰ ধাৰাবাহিক সফলতাই আশাৰ বতৰা কঢ়িয়াই আনিছে। যশস্যী পৰিচালক বিশ্বজিৎ বৰাৰ পৰিচালনাত দেৰগাঁৱৰ ভিতৰুৱা বকুলী চাপৰি, বৰমুকলি আদি গ্ৰামাঞ্চলত প্ৰায় নব্বৈ শতাংশ দৃশ্য গ্ৰহণ কৰা ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে দেৰগাঁৱৰ ভিতৰুৱা বৰমুকলি অঞ্চলৰ শিশু অভিনেতা ইন্দ্ৰজিৎ পেগুৱে। বিশ্বৰ কেবাখনো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ সমাদৃত হোৱাৰ উপৰি শেহতীয়াকৈ কাঁ চলচ্চিত্ৰ মহোৎসৱতো প্ৰদৰ্শিত ছবিখনৰ শিশু অভিনেতা ইন্দ্ৰজিৎ পেগুৱে নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ শিশু অভিনেতাৰ মনোনয়ন লাভ কৰিবলৈ সক্ষম হয়। সমগ্ৰ দেশ তথা ৰাজ্য আৰু বিশেষভাৱে দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই অনা ছবিখনৰ চিত্ৰনাট্য, পৰিচালনা, সম্পাদনা বিশ্বজিৎ বৰাৰ। লুইত কুমাৰ বৰ্মন, বিশ্বজিৎ বৰা, কৌশিক হাজৰিকা আৰু বিনোদ লাল দাসৰ প্ৰযোজনাৰে নিৰ্মিত ছবিখনৰ কাৰ্যবাহী প্ৰযোজক অসীম শইকীয়া আৰু প্ৰডাকচন কণ্ট্ৰ'লাৰৰ দায়িত্বত আছে দেৰগাঁৱৰ সাংবাদিক, অভিনেতা কুমুদ বৰা। নয়নমণি বৰ্মনৰ সংগীত পৰিচালনা, লোপামুদ্ৰা গগৈ বৰাৰ সাজসজ্জা আৰু জিতেন বড়ো, অতুল স্বৰ্গীয়াৰীয়ে কেমেৰাত দৃশ্য গ্ৰহণ কৰা ছবিখনত ইন্দ্ৰজিৎ পেগু, নাটাচা পেগু, সদাগৰ দাও, হিৰণ্য পেগু, দীপালী পেগু, বিনোদ লাল দাস আদিৰ লগতে দেৰগাঁৱৰ বহুকেইজন অভিনেতা-অভিনেত্ৰী আৰু কলা-কুশলীৰ সমাৱেশ ঘটিছে। ছবিখনৰ বিশেষ সফলতাত চলচ্চিত্ৰ প্ৰেমীসকলে ছবিখনৰ পৰিচালক, অভিনেতা-অভিনেত্ৰী তথা কলা-কুশলীসকললৈ অভিনন্দন জনাইছে। উল্লেখ্য যে ছবিখন ইতিপূৰ্বে ৫২ সংখ্যক (ভাৰত) আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২৬ সংখ্যক ফিল্ম ফেষ্টিভেল, কেৰালা, ২৭ সংখ্যক কলকাতা আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২০ সংখ্যক ঢাকা আন্ত:ৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২০ সংখ্যক পুণে আন্ত:ৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল আদিত প্ৰদৰ্শিত হৈ সমাদৃত হৈছে।

# গায়িকা জুবলী বৰুৱা চিকিৎসাধীন



অসমৰ জনপ্ৰিয় গায়িকা জুবলী বৰুৱা গুৱাহাটীৰ হেল্থ চিটী হস্পিটেলত চিকিৎসাধীন হৈ আছে। ক'ভিডৰ পিছত হোৱা কিছু জটিলতা আৰু ভাইৰেল নিউমোনিয়াত আক্ৰান্ত হোৱাৰ বাবে জুবলী কিছুদিনৰ আগতে হেল্থ চিটী হস্পিটেলত এডমিট হৈছিল। তেওঁৰ অৱস্থা এতিয়া স্থিৰ হৈ আছে। লক্ষণীয়ভাৱে গায়িকা জুবলী বৰুৱা এপ্ৰিলত ক'ভিডত আক্ৰান্ত হৈছিল। বাতৰিটো তেওঁ নিজেই এটা ফেচবুক প'ষ্টৰ জৰিয়তে প্ৰদান কৰিছে।



# আশ্ৰম-৩

## মুক্তিৰ প্ৰাক্‌ক্ষণত ■

# আপুনি BTSৰ গান শুনেনে?

## অথবা কোৰিয়ান পপ মিউজিকৰ বিষয়ে জানেনে?



আপুনি বিটিএছ (BTS)ৰ গান শুনেনে? অথবা কোৰিয়ান পপ মিউজিকৰ বিষয়ে জানেনে? বিশ্বব্যাপী কোৰিয়ান পপ মিউজিকৰ জনপ্ৰিয়তা আছে। অনুৰাগীসকলে এই সংগীতক চমুকৈ কে-পপ বুলি কয়। ভাৰততো কে-পপৰ ভীষণ গুণমুগ্ধ আছে। সমান্তৰালভাৱে চলিছে ইয়াৰ চৰ্চা। শেহতীয়াকৈ উৰিষ্যাৰ এগৰাকী অষ্টাদশী যুৱতীয়ে কে-পপ পৰিৱেশন কৰি শিৰোনাম দখল কৰিছে। নাম তেওঁৰ শ্ৰিয়া লেংকা। সংগীতবিধৰ প্ৰতি শ্ৰিয়াৰ আগ্ৰহলৈ লক্ষ্য কৰি তেওঁক সহযোগিতা কৰিবলৈ আগবাঢ়ি আহিছে কোৰিয়াৰ কে-পপ বেণ্ড ব্লেকশ্বান (Blackswan) আৰু ব্ৰাজিলৰ গেব্ৰিয়েলা ডালচিনে (Gabriela Dalcin)। বেণ্ডটোৱে ইনষ্টাগ্ৰাম যোগে জনাইছে যে শ্ৰিয়াক তেওঁলোকে বেণ্ডটোৰ এগৰাকী অংশগ্ৰহণকাৰী হিচাপে নিৰ্বাচিত কৰিছে। উল্লেখযোগ্য যে ২০২০ চনত কে-পপৰ জগতত ভুমুকি মৰা এই ছজনীয়া বেণ্ডটোৱে তীব্ৰ জনপ্ৰিয়তা লাভ কৰিছে। আনহাতে, শ্ৰিয়াই কেৱল কে-পপেই নহয়, তেওঁ হিন্দুস্তানী ধ্ৰুপদী সংগীত আৰু ওডিচিকে ধৰি কেইবাটাও নৃত্যশৈলীতো পাৰ্গত। কিন্তু কে-পপৰ চৰ্চাত সফল হোৱা বাবেই কোৰিয়াৰ ৰাজধানী ছিউলৰ বেণ্ডটোৱে এটা অডিছনৰ যোগেৰে তেওঁক নিৰ্বাচিত কৰিছে। অতি সোনকালে ভাৰতৰ প্ৰথমগৰাকী কে-পপ সংগীতশিল্পী হিচাপে জিলিকি উঠিব শ্ৰিয়া লেংকা।

# হেৰাই গ'ল এক যাদুকৰী কণ্ঠ

## বাল্যকালৰ প্ৰেম কাহিনী এতিয়া অনুৰাগীৰ মুখে মুখে...



*জনপ্ৰিয় কণ্ঠশিল্পী কে কেৰ অন্তিম যাত্ৰাত অংশগ্ৰহণ পাপনৰ*

হেৰাই গ'ল এক যাদুকৰী কণ্ঠ। ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে জনপ্ৰিয় কণ্ঠশিল্পী কে কেৰ আকস্মিক মৃত্যু। মঙলবাৰে নিশা কলকাতাত এক সংগীতানুষ্ঠান পৰিৱেশন কৰি থকাৰ সময়তে অসুস্থ হৈ পৰা বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী কে কেৰ আকস্মিক মৃত্যু হয়। অসুস্থ হৈ পৰাত তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। হাস্পতালত চিকিৎসকে কণ্ঠশিল্পীগৰাকীক মৃত ঘোষণা কৰে। শাৰীৰিক অসুস্থতা নে অন্য কাৰণত মৃত্যু হৈছে সেয়া তদন্ত কৰি আছে আৰক্ষীয়ে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পিছত জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ কাৰণ কি আছিল ঠিক সেই কথা বুজিব পৰা যাব। কেকেৰ ওঁঠ আৰু মূৰত ক'লা দাগ পোৱাৰ বিষয়টো আৰক্ষীয়ে বিশেষভাৱে অনুসন্ধান কৰিব বুলি জানিব পৰা গৈছে। বিগত দুদিন কলকাতাৰ নজৰুল মঞ্চত আছিল তেওঁৰ অনুষ্ঠান। মঙলবাৰেও হাঁহিমুখীয়া আৰু সজীৱ শিল্পীগৰাকীয়ে মঞ্চত ইটোৰ পিছত সিটো গীত গাইছিল। মাজে-সময়ে তেওঁক ঘাম মচি থকা দেখা গৈছে। লগতে টেবুলৰ তলত ৰখা পানীৰ বটলৰ পৰা পানী খোৱা দেখা গৈছে শিল্পীগৰাকীক। তীব্ৰ গৰমত তেওঁ যে অস্বস্তি বোধ কৰিছিল, সেয়া স্পষ্টকৈ বুজা গৈছে। প্ৰচণ্ড গৰম বুলি কোৱাও শুনা যায় তেওঁক। ইংগিতেৰে মঞ্চৰ ওপৰৰ লাইটবোৰ দেখুৱাই কৈছিল-- 'নুমাই দিয়ক।' জনপ্ৰিয় শিল্পীগৰাকীৰ এনে মৃত্যুক মুঠেও সহজভাৱে ল'ব পৰা নাই তেওঁৰ অনুৰাগীসকলে। শিল্পীগৰাকীৰ ওঁঠ আৰু মূৰত ক'লা দাগ পোৱাৰ কথাই তেওঁৰ মৃত্যুক অধিক সন্দেহৰ মাজলৈ ঠেলি দিছে। এইগৰাকী যাদুকৰী কণ্ঠৰ গায়কৰ এই আকস্মিক মৃত্যুত এতিয়া দেশৰ লাখ লাখ অনুৰাগী শোকত ম্ৰিয়মাণ হৈ পৰিছে।



# এষা আৰু ত্ৰিধা চৌধুৰীৰ সাহসী ফটো শ্বেয়াৰ



সকলোৱে আশ্ৰম-৩ৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে। শৃংখলাটোৰ তৃতীয় ছিজনত ববী দেউলৰ সৈতে ত্ৰিধা চৌধুৰী আৰু এষা গুপ্তাক দেখা যাব। দুয়োগৰাকী অভিনেত্ৰীয়ে শৃংখলাটো মুক্তি পোৱাৰ আগতেই সাহসী ফটো শ্বেয়াৰ কৰিছে। প্ৰকাশ ঝাৰ ৱেব ছিৰিজ আশ্ৰম-৩ৰ বাবে মানুহে আগ্ৰহেৰে অপেক্ষা কৰি আছে। ৩ জুনত, বাবা নিৰালাই আকৌ এবাৰ এমএক্স প্লেয়াৰত জাপানত প্ৰদৰ্শন কৰিব আৰু তেওঁৰ ভক্তসকলে তেওঁক উৎসাহিত কৰিব। শৃংখলাটোৰ তৃতীয় ছিজনত বহুতো নতুন মুখ দেখা যাব, যাৰ ভিতৰত এগৰাকী হ'ব অভিনেত্ৰী এষা গুপ্তা। আশ্ৰম-৩ত, এষা গুপ্তাক ছোনিয়াৰ চৰিত্ৰত অভিনয় কৰা দেখা যাব, যিয়ে বাবা নিৰালাক তেওঁৰ অভিনয়ত ফান্দত পেলাবলৈ চেষ্টা কৰিব। এষা গুপ্তাৰ উপৰি শৃংখলাটোত ত্ৰিধা চৌধুৰীও থাকিব। ত্ৰিধাই যোৱা দুটা ছিজনত ববিতাৰ চৰিত্ৰত অভিনয় কৰিছে, যি বাবা নিৰালাৰ বিশেষ দাসী হয়। আনকি ৱেব শৃংখলা আশ্ৰম-৩ মুক্তি পোৱাৰ আগতে দুয়োগৰাকী অভিনেত্ৰীয়ে তেওঁলোকৰ সাহসী শৈলীৰে অনুৰাগীসকলক আঘাত কৰিছে। অভিনেত্ৰীগৰাকীয়ে তাইৰ ফটোবোৰ ইনষ্টাগ্ৰামত পোষ্ট কৰিছিল। এষা গুপ্তাই সদায় তাইৰ সাহসিকতাৰে সকলোকে আচৰিত কৰে, কিন্তু আজি তাই সেউজীয়া শাড়ী এখনত এখন ফটো শ্বেয়াৰ কৰিছে। এষা গুপ্তাই গভীৰ ডিঙিৰ ফুলৰ ব্লাউজ পিন্ধি আছে আৰু সাগৰীয় সেউজীয়া ৰঙৰ শাড়ী এখন লৈ আছে। অভিনেত্ৰীগৰাকীয়ে তাইৰ চুলি খোলা ৰাখিছে। একে সময়তে, তেওঁক কপালত টিকাকৰণ কৰা দেখা যায়। এষাই ছবিখন পোষ্ট কৰিছিল আৰু শিৰোনামটোত লিখিছিল, 'হৰি শাড়ী'।

## উজনি বংকোৱালত

# মতি ৰূপকথা - এক যুঁজাৰু যাত্ৰা আৰু ডালিমী - মৰা সুঁতি, জীয়া নৈ মঞ্চস্থ

■ অজন্তা তালুকদাৰ

বোকাখাতৰ উজনি বংকোৱাল ৰংগমঞ্চত যোৱা ২১ মে'ত 'প্ৰজন্ম'ৰ উদ্যোগত আৰু 'নৈ-পৰীয়া সুৰ বাহিনী'ৰ সহযোগত এমাহ বিশদিনীয়া প্ৰযোজনা ভিত্তিক নাট কৰ্মশালাৰ সামৰণিৰ নাট্য সন্ধ্যা অনুষ্ঠিত হৈ যায়। এই উদ্দেশ্যে শিক্ষাবিদ, সমাজ সংগঠক, অধ্যাপক প্ৰয়াত গোবিন দলেৰ সোঁৱৰণত অনুষ্ঠিত নাট্য সন্ধ্যাটিত মঞ্চস্থ হৈ যায় দুখনকৈ পূৰ্ণাংগ নাট ঃ যুৱ নাট পৰিচালক তথা এন এছ ডিয়ান (ছিকিম) টিকেন্দ্ৰজিৎ দাসৰ পৰিচালনাত কিশোৰী গল্পকাৰ-লেখিকা মৌমায়া চাণ্ডিল্যৰ মূল ইংৰাজী 'মতি' গল্পৰ আধাৰত বিশিষ্ট নাট্যকাৰ পবিত্ৰ ৰাজখোৱাই দিয়া নাট্যৰূপ (শিশু) 'মতি ৰূপকথা - এক যুঁজাৰু যাত্ৰা' আৰু যুৱ নাট পৰিচালক তথা এন এছ ডিয়ান (ছিকিম) অবিনাশ শৰ্মাৰ পৰিচালনাত বোকাখাতৰ বংকোৱাল অঞ্চলৰ জীৱন্ত কিম্বদন্তিনাৰী ডালিমী লইঙৰ জীৱনৰ আধাৰত বিশিষ্ট নাট্যকাৰ-অভিনেতা পলাশ লইঙৰ ৰচনাৰে 'ডালিমী - মৰা সুঁতি, জীয়া নৈ'।

২ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা এইনাট কৰ্মশালাৰ মুখ্য নাট প্ৰশিক্ষক আছিল বিশিষ্ট কবি-নাট্যকাৰ-পৰিচালক ৰফিকুল হোছেইন। নিয়মীয়া নাট প্ৰশিক্ষকসকল আছিল ক্ৰমে যুৱ নাট পৰিচালকদ্বয় অবিনাশ শৰ্মা আৰু তৰুণ তীৰ্থ শইকীয়া, নাট্যকৰ্মী তথা নৃত্য শিল্পী নীলাক্ষী হাজৰিকা, কবি-যুৱ নাট্যকৰ্মী প্ৰিয়াংশু প্ৰাঞ্জল আদি। অংশকালীন নাট প্ৰশিক্ষক সকল আছিল ক্ৰমে বিশিষ্ট নাট পৰিচালক-গল্পকাৰ সপোনজ্যোতি ঠাকুৰ, বিশিষ্ট কবি-নাট্যকাৰ-সাংবাদিক অমৰ শৰ্মা, বিশিষ্ট নাট্যকৰ্মী-সাংবাদিক অমল দাৰ, বিশিষ্ট নাট্যকাৰ পবিত্ৰ ৰাজখোৱা, ক্ৰিয়েটিভ ফটোগ্ৰাফাৰ শোভিত ৰঞ্জন আদি। কৰ্মশালাত ৬ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰৰ শিশুসকলৰ লগতে জ্যেষ্ঠ প্ৰশিক্ষাৰ্থীকো প্ৰশিক্ষণ দিয়া হৈছিল। কৰ্মশালাৰ প্ৰশিক্ষণকালীন প্ৰতি দেওবাৰে অসমৰ বহু বিশিষ্ট আমন্ত্ৰিত ব্যক্তিয়ে অংশ গ্ৰহণ কৰা 'সৃজন কলাত জীৱন' শীৰ্ষক এক ব্যতিক্ৰমী সৃজনশীল আড্ডা অনুষ্ঠিত হৈছিল।

শিশু নাট 'মতি ৰূপকথা - এক যুঁজাৰু যাত্ৰা'ত অভিনয় কৰিলে কৰ্মশালাৰ শিশু আৰু কিশোৰ-কিশোৰী প্ৰশিক্ষাৰ্থীসকলে। নাটখনিৰ সামগ্ৰিক কাৰিকৰী শিল্প উপদেষ্টা আছিল ৰফিকুল হোছেইন, প্ৰযোজনা উপদেষ্টা ক্ৰমে পলাশ লইং আৰু ইভান লইং, পৰিচালনা সহযোগী, কৰিঅ'গ্ৰাফাৰ, সাজসজ্জাৰ পৰিকল্পনাত আছিল নীলাক্ষী হাজৰিকা, মঞ্চসজ্জা প্ৰিয়াংশু প্ৰাঞ্জলৰ, আৱহ সংগীত শোভিত ৰঞ্জনৰ, সহকাৰী পৰিচালক তৰুণ তীৰ্থ শইকীয়াৰ, পোহৰত ৰাতুল বৰা, ৰূপসজ্জাত ক্ৰমে অমৰ শৰ্মা আৰু বিশিষ্ট অভিনেতা-ৰূপসজ্জাকাৰ নিৰজমণি বৰা, ব্যৱস্থাপনা সহযোগী আছিল ক্ৰমে অমল দাৰ, জয়ন্ত মাধৱ মৰাং, হেমন্ত লইং, বাবুকান্ত দাৰ আৰু বাবুল লইং। নাট সন্ধ্যাৰ দ্বিতীয় নাট আছিল 'ডালিমী - মৰা সুঁতি, জীয়া নৈ'। উল্লেখ্য যে দৰ্শকৰ শাৰীত বহি মঞ্চত নিজৰ জীৱন কথাৰ নাট উপভোগ কৰা, বাৰ্দ্ধক্য সাবটি লোৱা 'ডালিমী বাই' নাট্য সন্ধ্যাটিত হৈ উঠিছিল দৰ্শকৰ আকৰ্ষণৰ মধ্যমণি। এইগৰাকী কিম্বদন্তি নাৰীৰ জীৱন কথা সমস্তক জুমুঠি কৰি সৃষ্টি হোৱা নাট 'ডালিমী - মৰা সুঁতি, জীয়া নৈ'ৰ সামগ্ৰিক পৰিকল্পনা আৰু পৰিচালনা উপদেষ্টা আছিল ৰফিকুল হোছেইন, আৱহ সংগীত অভিজিত ভূঞা (পাপু)ৰ, পোহৰত ৰাতুল বৰা, দৃশ্যসজ্জাত পৰাণ বৰা, ৰূপসজ্জাত ক্ৰমে ধ্ৰুৱ কটকী আৰু যুতিকা শইকীয়া, শব্দত সঞ্জয় ধৰ, ব্যৱস্থাপনা সহযোগী আছিল ক্ৰমে বোধেশ্বৰ লইং, ৰিণ্টু দুৱৰা, সাগৰ জ্যোতি হাজৰিকা আৰু প'ষ্টাৰ ৰূপাংকণত আছিল শ্বিলঙৰ ব্ৰাইন ডি ৰাহলং।

বিশিষ্ট কবি জয়ন্ত মাধৱ মৰাঙে আঁত ধৰা নাট্য সন্ধ্যাটি উদ্বোধন কৰে কমাৰগাঁও মহাবিদ্যালয়ৰ অধ্যাপক অমৰজ্যোতি বৰদলৈয়ে। নাট্য সন্ধ্যাৰ প্ৰাকমুহূৰ্তত শিক্ষাবিদ, সমাজ সংগঠক, অধ্যাপক গোবিন দলেৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শিক্ষাবিদগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় ক্ৰমে অজিত মৰাং আৰু কনক ধন বড়িয়ে। অনুষ্ঠানত স্মাৰক বক্তা হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় 'প্ৰয়াস অধ্যয়ন চক্ৰ'ৰ মুখ্য সম্পাদক তথা কৃষক নেতা সোণেশ্বৰ নৰহ আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেশ লইঙে। আৰম্ভণী অনুষ্ঠানত আৰু সম্বৰ্দ্ধনা জনোৱা হয় বিশিষ্ট সমাজকৰ্মী-কবি মিনতি দলে, বিশিষ্ট সমাজকৰ্মী মালিৰাম দলে, কবি ফ্ৰীডম বংকোৱাল, সমাজকৰ্মী প্ৰেম কুমাৰ দলে, শিক্ষক-সমাজকৰ্মী নিৰেন বৰা, যুৱ সমাজকৰ্মী ডিম্পল ঢেকীয়াল ফুকন, কমাৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰবীন কলিতা আৰু উপ আৰক্ষী পৰিদৰ্শক উদ্ধৱজিৎ শইকীয়া, প্ৰধান শিক্ষক অপূৰ্ব হাজৰিকা, যুৱ সমাজকৰ্মী লাচিত কাকতি, কবি-নাট্যকৰ্মী অজন্তা তালুকদাৰ, কবি-সাংবাদিক পল্লৱ হাজৰিকা, সাংবাদিক উত্তম শৰ্মা আদিক। উল্লেখ্য যে দুয়োখন নাটকৰ মধ্যভাগত ডালিমী লইঙলৈ উদ্যোক্তা সমিতি আৰু উপস্থিত দৰ্শকৰ তৰফৰ পৰা বৰ্ণাঢ্য সম্বৰ্দ্ধনা জনোৱা হয়।





## প্ৰথম পৃষ্ঠাৰ পৰা—

## ‘কোনো মুছলমানে ৩গৰাকী

কৈছে যে কোনো মুছলমান পুৰুষে তিনিগৰাকী মহিলাক বিয়া কৰাব নালাগে। তালাক নিদিব, আইনীভাৱে বিবাহ বিচ্ছেদ দিব। সম্পত্তিৰ সমান অংশ পুত্ৰৰ দৰে কন্যাসকলক দিব লাগে। সম্পত্তিৰ ৫০ শতাংশ অংশ পত্নীক দিয়ক। চৰকাৰ আৰু সাধাৰণ মুছলমানসকলৰ মতামত একে’। বুধবাৰে হেঙেৰাবাৰীৰ বাজপেয়ী ভৱনত এক সংবাদ মেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয়। সংবাদ মেলত প্ৰধানমন্ত্ৰী মোদীৰ ৮ বছৰীয়া কাৰ্যকালৰ খতিয়ান দাঙি ধৰে মুখ্যমন্ত্ৰীয়ে। কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ-পূৱত কৰা কামৰ খতিয়ান তুলি ধৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, ‘এই ৮ বছৰ আমাৰ বাবে প্ৰাপ্তিৰ বছৰ। আমাৰ দেশত পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ অন্ত পৰিল। উত্তৰ-পূৱত বিজেপিৰ বিজয় নিশ্চিত হৈছে কেৱল নৰেন্দ্ৰ মোদীৰ বাবে।’ কাৰ্বি আংলং নিৰ্বাচনতো বিজেপিৰ বৃহৎ জয় অব্যাহত থাকিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, অসমত এতিয়া আন্দোলন কৰিম বুলি ভবাৰ আগতেই কামবোৰ হৈ যায়। যোৱা ৪৫ দিনত কেন্দ্ৰৰ নেতৃত্ব অসম ভ্ৰমণলৈ আহিছে, সেয়া আমাৰ বাবে ভাল খবৰ। অসমৰ মুখ্যমন্ত্ৰীয়ে দিল্লীত কাৰোবাক লগ কৰিম বুলি যাব নালাগে, দিল্লীৰ মানুহ এতিয়া ইয়ালৈ আহি যায়। ২০২৪ৰ নিৰ্বাচনত কংগ্ৰেছে ৩০-৩৫খন আসন পাব বুলি ভৱিষ্যদ্বাণী কৰে মুখ্যমন্ত্ৰীয়ে। ইফালে, বদৰুদ্দিন আজমলক উভতি ধৰি পুনৰ মাদ্ৰাছা প্ৰসংগ উত্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। মাদ্ৰাছাত পঢ়ি ডাক্তৰ-ইঞ্জিনিয়াৰ হ’ব নোৱাৰে বুলি মন্তব্য কৰে হিমন্ত বিশ্ব শৰ্মাই। ড° শৰ্মাই কয়, ‘অসম চৰকাৰৰ স্পষ্ট কথা, এজনৰ এগৰাকীয়ে পত্নী হ’ব লাগিব।’ উত্তৰ-পূৱৰ শিক্ষাৰ্থীসকলৰ বিৰুদ্ধে বৈষম্যৰ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে যোৱা কেইবছৰমানত প্ৰধানমন্ত্ৰীৰ প্ৰচেষ্টাত এই বৈষম্য বহুখিনি দূৰ হৈছে। অঞ্চলটোলৈ প্ৰচাৰ কৰাৰ ফলত এই অগ্ৰগতি ঘটিছে।

## তথ্যভিত্তিক প্ৰকৃত খবৰ

এই উপযুক্ত সময়। শংকৰদেৱ শিশু নিকেতনৰ ৰূপত আৰ এছ এছে অসমীয়া মাধ্যমৰ উন্নতিৰ বাবে যি কাম নীৰৱে কৰিছে, সেই প্ৰক্ৰিয়াৰ ভগ্নীৰৎ ব্যৱস্থা জাতীয় বিদ্যালয়।’ এই মন্তব্য বিশিষ্ট সাংবাদিক গৌতম শৰ্মাৰ। বৃহস্পতিবাৰে গুৱাহাটীৰ সুদৰ্শনালয়ত বিশ্ব সংবাদ কেন্দ্ৰ অসমৰ উদ্যোগত আয়োজিত হয় আদি সাংবাদিক নাৰদ জয়ন্তী। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় কাকত অৰ্গেনাইজাৰৰ সম্পাদক, প্ৰসিদ্ধ সাংবাদিক প্ৰফুল্ল কেটকৰ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। অপপ্ৰচাৰেৰে সমাজত বিভাজন আনিব বিচৰা ভাৰতীয় সাংবাদিকতাৰ বৰ্তমানৰ ফেশ্বনক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি কেটকৰে কয়— ফেক হ’লে নিউজ নহয়, নিউজ হ’লে ফেক হ’ব নোৱাৰে। ১৮১৭ৰ পূৰ্বে কোনো তথ্যতে ভাৰত গাঁৱৰ দেশ বুলি উল্লেখ নাই আৰু ১৯৫৫ৰ পূৰ্বে দেশত ভাষাৰ ভিত্তিত সংঘৰ্ষ হোৱা নাছিল বুলি প্ৰফুল্ল কেটকৰে মন্তব্য কৰে। এইবাৰৰ দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা আগবঢ়োৱা হয় ‘আমাৰ অসম’ কাকতৰ ডেপুটী এডিটৰ গৌতম শৰ্মাক। এই বঁটাত আছে অংগবস্ত্ৰ, দেশমাতৃৰ প্ৰতিচ্ছবি। উল্লেখ্য যে বঁটাৰ সৈতে দিয়া ৫০ হাজাৰ টকা গৌতম শৰ্মাই সেৱা ভাৰতীৰ ছাত্ৰাবাসৰ বাবে দান কৰে। অনুষ্ঠানত নিউজ লাইভৰ প্ৰাঞ্জল বৰুৱা, অসমীয়া খবৰৰ অৰুণিমা কলিতা আৰু অসমীয়া প্ৰতিদিনৰ হেমেন বৰ্মনক সম্বৰ্ধনা জনোৱা হয়। বিশ্ব সংবাদ কেন্দ্ৰ অসমৰ সভাপতি ড° গৌৰাংগ কুমাৰ শৰ্মা আৰু উপ-সভাপতি গুৰুপ্ৰসাদ মেধি, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাসহ বহু বিশিষ্ট লোকসকল উপস্থিত থাকে। বিশ্ব সংবাদ কেন্দ্ৰৰ সম্পাদক কিশোৰ শিৰমে প্ৰাস্তাৱিক ভাষণ দিয়া অনুষ্ঠানটোৰ আঁত ধৰে নৱ বুজৰবৰুৱাই। কাৰ্যসূচীৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰা হয় আৰু বৰপেটা সত্ৰৰ প্ৰসংগত সততে শুনিবলৈ পোৱা মালিতা পৰিৱেশন কৰা হয়।

## পিপিই কীট পিন্ধি ধৰ্ণা

কংগ্ৰেছৰ এক প্ৰেছ বিজ্ঞপ্তিত আজি কোৱা হয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্নীতিৰ ক্ষেত্ৰত ‘শূন্য সহনশীলতা’ নীতি গ্ৰহণ কৰা বুলি কথাই কথাই দেশৰ ৰাইজক আঁভুৱা ভৰা শ্ল’গানেৰে মোহাচ্ছন্ন কৰিবলৈ অহৰহ চেষ্টা কৰি থকা সময়তে স্বয়ং অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ পত্নী ৰিণিকি ভূঞা শৰ্মা আৰু পুত্ৰ নন্দিল বিশ্ব শৰ্মা জড়িত হৈ থকা ঘনশ্যাম দাস ধানুকাৰ প্ৰতিষ্ঠানক চৰা দামত ক’ভিড-প্ৰতিৰোধী বিভিন্ন সামগ্ৰী যোগানৰ ঠিকা দি কোটি কোটি টকাৰ কেলেংকাৰী সংঘটিত কৰা ঘটনাৰ তদন্ত এতিয়া চি বি আই আৰু এনফ’ৰ্চমেণ্ট ডাইৰেক্টৰ (ই ডি)ৰ দ্বাৰা কৰোওৱাৰ সাহস প্ৰধানমন্ত্ৰীগৰাকীৰ হ’বনে নহয় সেইটো এতিয়া অসমৰ ৰাইজে প্ৰত্যক্ষ কৰিব। অন্যথা এই কথা স্পষ্ট হৈ পৰিব যে মুখ্যমন্ত্ৰীৰ সেই লুণ্ঠনৰ ভাগ পাইছিল স্বয়ং প্ৰধানমন্ত্ৰীয়েও। কঠিন আৰু দুৰ্যোগপূৰ্ণ মুহূৰ্তত অসমৰ জনসাধাৰণৰ অসহায় অৱস্থাৰ সুযোগ লৈ মুখ্যমন্ত্ৰীজনে দুহাতেৰে ৰাজহুৱা ধন আত্মসাৎ কৰিবলৈ নিজৰ পত্নী আৰু পুত্ৰক আগবঢ়াই দি কেনে জঘন্য অপৰাধ কৰিলে, সেয়া অসমৰ ৰাইজে এতিয়া বুজিবলৈ আৰম্ভ কৰিছে। প্ৰথমতে মুখ্যমন্ত্ৰীজনৰ ভূমি কেলেংকাৰী আৰু এতিয়া ক’ভিড-প্ৰতিৰোধী সা-সামগ্ৰী যোগানৰ কেলেংকাৰীৰে হিমন্ত বিশ্ব শৰ্মাই অসমৰ পূৰ্বৰ মুখ্যমন্ত্ৰীসকলে কৰিব নোৱৰা কাম কৰি সকলো ‘ৰেকৰ্ড’ ভংগ কৰিলে বুলি অসম প্ৰদেশ কংগ্ৰেছৰ বিজ্ঞপ্তিখনত তীব্ৰ কটাক্ষ কৰা হয়। প্ৰেছ বিজ্ঞপ্তিখনত আৰু কোৱা হয় যে ‘পি পি ই কীট’কে ধৰি ক’ভিড-প্ৰতিৰোধী সামগ্ৰী যোগানৰ নামত স্বয়ং মুখ্যমন্ত্ৰীয়ে সংঘটিত কৰা এই বৃহৎ কেলেংকাৰীৰ তদন্ত হ’বই লাগিব আৰু যেতিয়ালৈকে ইয়াৰ এটা উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত নহ’ব, তেতিয়ালৈকে কংগ্ৰেছে এই বিষয়টোক লৈ সকলো পৰ্যায়তে সংগ্ৰামী কাৰ্যসূচী গ্ৰহণ কৰি যাব। আজিৰ ধৰ্ণা কাৰ্যসূচীত শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ কংগ্ৰেছ নেতা দ্বিজেন শৰ্মা, বলিন কুলী, আব্দুল হামিদ, জ্যেষ্ঠ বিধায়ক আব্দুল বাতিন খণ্ডকাৰ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী, প্ৰদেশ কংগ্ৰেছৰ সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষ মনজিৎ মহন্ত, উপ-সভানেত্ৰীদ্বয় বালিকা পেগু আৰু ৰূপা দেউৰী, সেৱা দলৰ ৰাজ্যিক সভাপতি দীপ বায়ন, জ্যেষ্ঠ মুখপাত্ৰ মেহদী আলম বৰা, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি স্বপন দাস, মহানগৰ মহিলা কংগ্ৰেছৰ সভানেত্ৰী গীতালি দাসৰ উপৰি প্ৰদেশ কংগ্ৰেছৰ বহু সংখ্যক কৰ্মকৰ্তা, যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছ, এন এছ ইউ আই আৰু সেৱা দলৰ কৰ্মীয়ে এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীত ভাগ লৈ হিমন্ত বিশ্ব শৰ্মা-পৰিয়ালৰ কেলেংকাৰীৰ তদন্ত দাবী কৰে।

## ১২ হিজাব পৰিহিত ছাত্ৰীক

আনহাতে, শ্ৰেণীলৈ হিজাব পিন্ধি অহাৰ বাবেই আজি ৰাজ্যখনৰ এখন শিক্ষানুষ্ঠানত ১২গৰাকী শিক্ষাৰ্থীক ঘৰলৈ ঘূৰাই পঠোৱা হৈছিল। উপপিনাঙ্গাদী চৰকাৰী প্ৰাক মহাবিদ্যালয়ত ঘটিছে এই ঘটনা। মহাবিদ্যালয়খনৰ অধ্যক্ষই মহাবিদ্যালয়ৰ প্ৰৱক্তাসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰাৰ পিছত শিক্ষাৰ্থীসকলক নিলম্বন কৰাৰ সিদ্ধান্ত লোৱা হয়। কিছুদিন পূৰ্বেও ১২ গৰাকী হিজাব পৰিহিত ছাত্ৰীক শ্ৰেণীত উপস্থিত থাকিবলৈ নিদিয়াৰ বিষয়টোক লৈ এতিয়া পুনৰ কৰ্ণাটকত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কৰ্ণাটকৰ শিক্ষামন্ত্ৰী বি চি নাগেশে শ্ৰেণীকোঠাৰ ভিতৰত কেৱল ইউনিফৰ্ম পিন্ধিহে প্ৰৱেশ কৰিব পাৰিব বুলি ঘোষণা কৰাৰ পিছত শনিবাৰে দক্ষিণ কানাড়া জিলাৰ এখন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই হিজাব পৰিহিত ছাত্ৰীসকলক ঘৰলৈ ঘূৰাই পঠিয়াইছিল। ঘটনাটো মাংগালুৰুৰ এখন মহাবিদ্যালয়ত সংঘটিত হৈছে। মহাবিদ্যালয়খনে পৰিচালনা সমিতিৰ সিদ্ধান্ত অনুসৰি হিজাব পিন্ধা নিষিদ্ধ কৰিছিল। বেছি ভাগ মুছলমান শিক্ষাৰ্থীয়ে শনিবাৰে হিজাব অবিহনে শ্ৰেণীত উপস্থিত হৈছিল যদিও ১২গৰাকী শিক্ষাৰ্থীয়ে হিজাব পিন্ধি আহিছিল। তেওঁলোকে শ্ৰেণীত উপস্থিত থাকিবলৈ অনুমতি দিবলৈ কৰ্তৃপক্ষক জোৰ দিছিল। অৱশ্যে মহাবিদ্যালয়খনৰ অধ্যক্ষই তেওঁলোকক শ্ৰেণীত উপস্থিত থকাত বাধা দিছিল আৰু পুথিভঁৰাললৈ যোৱাৰ অনুমতিও অস্বীকাৰ কৰিছিল। ইয়াৰ পিছতে শিক্ষাৰ্থী কেইগৰাকীয়ে ঘৰলৈ উভতি গৈছিল। হিজাবক লৈ প্ৰতিক্ৰিয়া সৃষ্টি হৈ থকাৰ মাজতে কৰ্ণাটক চৰকাৰে এই নিজৰ স্থিতি স্পষ্ট কৰিছিল। শিক্ষানুষ্ঠানত হিজাব নিষিদ্ধ কৰাৰ স্থিতিতে অটল থকা কৰ্ণাটত চৰকাৰে কৰ্ণাটক উচ্চ ন্যায়ালয়ত এই বুলি কৈছিল যে হিজাব ইছলামৰ অপৰিহাৰ্য অংগ নহয়। সেয়ে শিক্ষানুষ্ঠানত হিজাব পিন্ধা নিষিদ্ধ কৰিলেও এয়া কোনো ধৰ্মীয় অধিকাৰবিৰোধী কথা নহয়। কৰ্ণাটক চৰকাৰে কৰ্ণাটক উচ্চ ন্যায়ালয়ত এই বুলি কৈছিল যে হিজাব ইছলামৰ এক অপৰিহাৰ্য ধৰ্মীয় প্ৰথা নহয় আৰু ইয়াৰ ব্যৱহাৰ বন্ধ কৰিলেও এনে কাৰ্যই ভাৰতীয় সংবিধানৰ ২৫নং অনুচ্ছেদ উলংঘা কৰাটো নুবুজায়। ভাৰতীয় সংবিধানৰ ২৫ নং অনুচ্ছেদে ধৰ্মীয় স্বাধীনতাৰ কথা কৈছে আৰু উক্ত অনুচ্ছেদৰ দোহাই দিয়েই একাংশ লোকে হিজাব নিষিদ্ধ কৰাৰ বিৰোধিতা কৰি আহিছে। কৰ্ণাটক চৰকাৰৰ হৈ আদালতত যুক্তি দিছিল এড্‌ভোকেট জেনেৰেল প্ৰভুলিং নাভাদগীয়ে। এড্‌ভোকেট জেনেৰেলগৰাকীয়ে ন্যায়াধীশ ৰিতুৰাজ অৱস্থী, ন্যায়াধীশ জে এম খাজী আৰু ন্যায়াধীশ কৃষ্ণ এম দীক্ষিতক লৈ গঠিত উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠক জনাইছিল যে একাংশ লোকে সাংবিধানিক অধিকাৰৰ দোহাই দি বিষয়টোক ভিন্ন ৰূপত প্ৰতিষ্ঠা কৰিব বিচাৰিছে। উল্লেখ্য কৰ্ণাটকৰ একাংশ ছাত্ৰীয়ে যোৱা ৫ ফেব্ৰুৱাৰীত কৰ্ণাটক চৰকাৰৰ শিক্ষানুষ্ঠানত হিজাব নিষিদ্ধকৰণৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই আদালতত আবেদন জনাইছিল। ইপিনে একাংশ ছাত্ৰীয়ে সপ্তাহৰ শুকুৰবাৰৰ দিনটো আৰু পবিত্ৰ ৰমজান মাহত ছাত্ৰীসকলক হিজাব পৰিধানৰ অনুমতি দিব লাগে বুলি আদালতত আৱেদন জনাইছিল।

## নিশা ৰাজপথত মহিলাই দিছে

আৰক্ষীৰ ওপৰত জনসাধাৰণে আস্থা হেৰুৱাই পেলাইছে। সেয়ে এতিয়া নগাঁও চহৰবাসীয়ে নিজৰ সুৰক্ষাৰ দায়িত্ব নিজেই ল’বলৈ আগবাঢ়ি আহিছে। উল্লেখ্য যে, বিগত প্ৰায় তিনি মাহ ধৰি নগাঁও চহৰত ব্যাপক হাৰত চুৰি আৰু ডকাইতিৰ ঘটনা বৃদ্ধি পাইছে। বিশেষকৈ ঘৰত গৃহস্থ নথকাৰ সুযোগ লৈ দিন-দুপৰতে চোৰে লুটপাট চলাই বহু পৰিয়ালক সৰ্বস্বান্ত কৰা ঘটনা সংঘটিত হৈ আহিছে। ইপিনে নিশা চোৰে বহু লোকৰ ঘৰৰ দুৱাৰ ভাঙি প্ৰৱেশৰ চেষ্টা চলোৱাৰ সমান্তৰালকৈ বিভিন্ন সময়ত নগাঁও চহৰকে ধৰি উপকণ্ঠ অঞ্চলত সংঘটিত হৈ আহিছে ডকাইতিৰ ঘটনা। যাৰ ফলত নগাঁৱৰ বাসিন্দাসকল শংকিত হৈ পৰিছে। সেয়ে উপায়ান্তৰ হৈ নগাঁও চহৰৰ ৰামকৃষ্ণ পথ, বেংগলপট্টী, তিলক ডেকা পথ, কেলটেক্স, এ টি ৰোড আদিত নিশা মহিলাই ৰাজপথত পহৰা দিবলৈ বাধ্য হৈ পৰিছে। নিশা ঘৰুৱা কাম সামৰি এতিয়া চহৰখনৰ মহিলাই নিজৰ ঘৰখনক সুৰক্ষা দিয়াৰ স্বাৰ্থত হাতত টৰ্চ লাইট আৰু লাঠী লৈ পহৰা দিবলৈ ওলাই আহে। নিশা ১২ বজাৰ পৰা পুৱা ৪ বজালৈকে উজাগৰে থাকি নিজৰ অঞ্চলত পহৰা দিবলৈ বাধ্য হোৱা এইসকল মহিলাক কালি নিশা নগাঁও আৰক্ষীয়ে সুৰক্ষা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে যদিও মহিলাসকলে আৰক্ষীৰ বুজনি নামানি পহৰা দিয়াত ব্যস্ত হৈ পৰে। আনহাতে, নগাঁও আৰক্ষীৰ এগৰাকী উপ-আৰক্ষী অধীক্ষকে পহৰাত ব্যস্ত থকা মহিলাসকলক বুজনি দিবলৈ নিশা নতুন বজাৰত উপস্থিত হয় যদিও সাংবাদিকৰ কেমেৰা দেখি আৰক্ষী বিষয়াগৰাকী উক্ত স্থানৰ পৰা আঁতৰি যায়। উল্লেখ্য যে বিগত কেইমাহ মানত নগাঁৱত উদ্বেগজনকভাৱে অপৰাধজনিত কাৰ্যকলাপ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আনকি বিগত সপ্তাহত তিনিটাকৈ মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে সংঘটিত হৈছে দুটাকৈ হত্যাকাণ্ড। সেয়ে বৰ্তমান নিজৰ সুৰক্ষাৰ দায়িত্ব নিজেই লোৱাত ব্যস্ত হৈ পৰিছে একাংশ লোক।

## ১৪ দিনলৈ ছীল অঞ্জলি আইচ্

আইচ্ ক্ৰীম উদ্যোগৰ বিৰুদ্ধে গৰজি উঠিছিল। ঠিক তেনে সময়তে অঞ্জলি আইচ্ ক্ৰীম উদ্যোগৰ স্বত্বাধিকাৰী সম্ভু পাৰমনী অঞ্চলটোলৈ গৈ সমস্ত ঘটনা গাপ দিবলৈ উঠিপৰি লাগিছিল যদিও ঘটনা গাপ দিবলৈ সক্ষম নহ’ল। তাৎপৰ্যপূৰ্ণ বিষয়টো হ’ল- শামুকযুক্ত বৰফ বিক্ৰীৰ ঘটনাটো গাপ দিবলৈ চেষ্টা চলোৱা ঘটনাৰ স’তে নাম সাঙোৰ খাই পৰিছে বিহালী সমষ্টিৰ এজন গাঁওৰক্ষী বাহিনীৰ সম্পাদক। ইফালে, বৰফৰ মাজত শামুক ওলোৱাৰ দৰে জঘন্য ঘটনা সংঘটিত হোৱাৰ বাতৰিটো সবিস্তাৰে দৈনন্দিন বাৰ্তা কাকতত প্ৰকাশ পোৱাৰ পিছত আজি নিদ্ৰাভংগ হ’ল বিশ্বনাথ জিলা প্ৰশাসন যন্ত্ৰ। তাৰ মাজতে, আজি শোণিতপুৰ জিলা খাদ্য সুৰক্ষা-স্বাস্থ্য বিষয়া চুহেল জামালনে আৰু বিহালী খণ্ড উন্নয়ন বিষয়া যুটীয়া চৰজমিন তদন্ত কৰিবলৈ উপস্থিত হয় বিহালীৰ বৰগাংস্থিত অঞ্জলি আইচ্ ক্ৰীম নামৰ বৰফ উদ্যোগটোত। উদ্যোগটোত বিষয়াগৰাকী উপস্থিত হৈ সমগ্ৰ উদ্যোগটো পৰিদৰ্শন কৰি উদ্যোগটো সাময়িকভাৱে ১৪ দিনলৈ ছীল কৰে। তাৎপৰ্যপূৰ্ণ বিষয়টো হ’ল- ভাৰত চৰকাৰৰ খাদ্য নিৰাপত্তা আৰু মান আইন-২০০৬ অনুসৰি শোণিতপুৰ জিলা খাদ্য সুৰক্ষা আৰু স্বাস্থ্য বিষয়াই অঞ্জলি আইচ্ ক্ৰীম উদ্যোগটো ১৪ দিনৰ বাবে ছীল কৰিছে যদিও সন্তুষ্ট নহয় বিহালীৰ সচেতন সমাজ। বিহালীৰ সচেতন সমাজ তথা দল-সংগঠনৰ দাবী যে, শোণিতপুৰ জিলা খাদ্য সুৰক্ষা আৰু স্বাস্থ্য বিভাগ তথা বিশ্বনাথ জিলা প্ৰশাসনে ভাৰত চৰকাৰৰ খাদ্য নিৰাপত্তা আৰু মান আইন-২০০৬ৰ অনুসৰি গোচৰ ৰুজ কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰক। কিন্তু আজিকোপতি বিশ্বনাথ জিলা প্ৰশাসনে ভাৰত চৰকাৰৰ খাদ্য নিৰাপত্তা আৰু মান আইন-২০০৬ অনুসৰি কোনো গোচৰ পঞ্জীয়ন নকৰাত সচেতন মহলে আশ্চৰ্য প্ৰকাশ কৰিছে। এইখিনিতে প্ৰশ্ন হয়, অঞ্জলি আইচ্ ক্ৰীম নামৰ উদ্যোগটোৱে অস্বাস্থ্যকৰ পৰিৱেশ আৰু জনস্বাস্থ্য বিপন্ন কৰি অহাৰ উপৰি খাদ্য সুৰক্ষা আইন ভৰিৰে মোহাৰি অহাৰ পিছতো উদ্যোগটোৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে দৃষ্টান্তমূলক আইনী ব্যৱস্থা গ্ৰহণ নকৰি কিহৰ বাবে ইমান দৰদ প্ৰদৰ্শন কৰিছে? আনহাতে, শোণিতপুৰ জিলা খাদ্য সুৰক্ষা বিভাগৰ বিষয়াই ১৪ দিনৰ বাবে বৰফ প্ৰস্তুতকাৰী উদ্যোগটো ছীল কৰি পুনৰ মুকলি কৰাৰ অনুমতি প্ৰদান কৰিব নেকি বুলিও প্ৰশ্ন উদয় হৈছে সচেতন মহলৰ মাজত। অৱশ্যে ড° হিমন্ত বিশ্ব শৰ্মাৰ শূন্য সহনশীল দুৰ্নীতিৰ নীতি তথা অভিযান অব্যাহত থকাৰ সময়ত বৰফৰ নামত বৰবিহ খুৱাই অহা বিহালীৰ বৰগাংস্থিত অঞ্জলি আইচ্ ক্ৰীম উদ্যোগটোত তলা লগাবলৈ সক্ষম হ’বনে নে নহয় সেয়া সময়তহে স্পষ্ট হ’ব।

## ৯৯ বছৰ বয়সত অৱসৰ গ্ৰহণ

অৱসৰ গ্ৰহণ কৰিলে। ১৯৭৭ চনতে অসম চৰকাৰে বিহালী সমষ্টিৰ বটিয়ামাৰী গাঁৱৰ গাঁওবুঢ়া হিচাপে নিযুক্তি দিয়া গংগাৰাম বৰুৱাই ভৰি দিলে ৯৯ বছৰ বয়সত। সুদীৰ্ঘ কাল গাঁওবুঢ়া হিচাপে সেৱা আগবঢ়োৱা ১৯৪২ চনৰ সেনানী গংগাৰাম বৰুৱাক জীৱনৰ বিয়লি বেলাত অৱসৰ প্ৰদান কৰিলে বিশ্বনাথ জিলা প্ৰশাসনে। ৪৫ বছৰ ধৰি গাঁওবুঢ়া হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা গংগাৰাম বৰুৱাই সাংবাদিকৰ সন্মুখত পুৰণি স্মৃতি সুঁৱৰি আৱেগিক হৈ পৰিল। কৈ গ’ল ১৯৪২ আন্দোলনৰ, শান্তি সেনা মৃত্যু বাহিনী, লগতে সেই সময়ৰ গোপীনাথ বৰদলৈ চৰকাৰৰ কথাও ১৯৫০ চনৰ ভূমিকম্পৰ ফলত ক্ষয়-ক্ষতি হোৱা কথা প্ৰকাশ কৰি কয় এই ভূমিকম্প ফলত ব্ৰহ্মপুত্ৰ নদীৰ ৬ মাহ বন্ধ হৈ গৈছিল বহু মাছ মৰি গৈছিল বুলিও উল্লেখ কৰে অসম চৰকাৰে গাঁওবুঢ়া হিচাপে নিযুক্তি দিয়া বহু কথা। শেষত তেওঁ সকলোৰে পৰা বিদায় বিচাৰি কয় আজি মোৰ বিদায়ৰ দিন, আপোনাসবেও মোক বিদায় দিয়ক বুলি আৱেগিক মনেৰে গংগাৰাম বৰুৱাই কৈ সকলোকে চকুত চকুলো কৰি তুলিলে। উল্লেখ্য যে শেহতীয়াকৈ অসম চৰকাৰে ৬৫ বছৰ বয়সত গাঁও বুঢ়াসকলক অৱসৰ দিয়াৰ নিৰ্দেশনা জাৰি কৰাৰ পিছতেই জিলাই জিলাই গাঁওবুঢ়াসকলক অৱসৰ দিয়াৰ ব্যৱস্থা কৰিছে প্ৰশাসনে। লগতে অসম চৰকাৰে অৱসৰপ্ৰাপ্ত প্ৰতিগৰাকী গাঁও প্ৰধানক ২ লাখ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছে।

## নাবালিকাক যৌন নিৰ্যাতনৰ

নিৰ্যাতন চলোৱাৰ অভিযোগত পকছ’ আইনৰ ভিত্তিত লালুক হাৰিবৰৰ নাইমন ধান নামৰ অপৰাধীজনক আজি ২০ বছৰ সশ্ৰম কাৰাদণ্ড বিহাৰ লগতে ৫০০০ টকা জৰিমনা অন্যথা তিনি মাহ অতিৰিক্ত কাৰাদণ্ড বিহাৰ ৰায়দান দিয়ে। লখিমপুৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ-বিশেষ আদালতৰ বিশেষ ন্যায়াধীশ ৰশ্মিতা দাসে দিয়া ৰায়দানটোত চৰকাৰী পক্ষৰ হৈ ওকালতি কৰে মাধৱ গগৈয়ে।

## মাহ ধৰি পিছুৱায় চূড়ান্ত

ভূক্তভোগী গ্ৰাহকৰ বাবে বোজা স্বৰূপ হৈ পৰিছে। ইয়াৰ মূলতেই ইয়াৰ সভাপতিজনৰ অমনোযোগিতা আৰু প্ৰায়ে আদালতখনত উপস্থিত নথকা আদি। দুজন সদস্য আৰু এজন সভাপতিৰে গঠিত গ্ৰাহক আদালতৰ কোৰাম ঠিকেই গঠন হ’ল যদিও এইজন সভাপতি কামত যোগদান কৰাৰ পাছৰে পৰা আদালতখনৰ ন্যায় প্ৰক্ৰিয়াৰ কামকাজবোৰ আজিলৈকে সুচাৰুৰূপে নচলিল। আদালতখনৰ বিচাৰৰ আইনী প্ৰক্ৰিয়াবোৰ এতিয়া কেৱল ফাইলৰ মাজতেই স্তব্ধ হৈ পৰিছে। শ শ বিভিন্ন বিত্তীয় বেংক, বীমা, পথ পৰিবহন, নাৰ্ছিমহোম, বিমান পৰিবহন, বিদ্যুৎ পৰিষদ, মটৰ পৰিবহন, জীৱন বীমা ইত্যাদি বিভিন্ন প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে প্ৰতাৰণাৰ বলি হোৱা গ্ৰাহকৰ গোচৰৰ ফাইল এতিয়া দ’ম বান্ধিছে। সভাপতিজনৰ অত্যন্ত লেহেমীয়া কাম-কাজৰ বাবে ২০১৫ চনৰ পৰা ২০২২ চনৰ জানুৱাৰীলৈকে পঞ্জীয়ন হোৱা গোচৰসমূহ আজিলৈকে মীমাংসাই কৰিব নোৱাৰিলে এইজন সভাপতিয়ে। মাহটোৰ অধিকাংশ সময়েই অনুপস্থিত সভাপতিৰ লগতে নিয়মীয়া নহয় সদস্যৰো উপস্থিতি। অৱশ্যে মহিলা সদস্যা গৰাকীয়ে সময়ে সময়ে উপস্থিত থাকিলেও সভাপতি আৰু আনজন সদস্যৰো অনুপস্থিতিৰ বাবেই আদালতৰ কাম-কাজবোৰ মাহ, বছৰ ধৰি পিছুৱাই গৈ আছে। একেদৰে আদালতখনত আন কৰ্মচাৰীৰ নিযুক্তিও আজি পৰ্য্যন্ত নেহোৱাত প্ৰায় স্তব্ধ হৈ পৰিছে। প্ৰাপ্ত এক তথ্য অনুসৰি গোচৰ নং CPA No. 5/19 নম্বৰ গোচৰটোৰ ২২/২/২০২২ তাৰিখৰ পৰা দিন পিছুৱাই নি নি আজি পৰ্য্যন্ত চূড়ান্ত ৰায়দান প্ৰদান কৰিব নোৱাৰিলে এইজন সভাপতিয়ে। একেদৰে গোচৰ নং CPA No. 5/ 2018, 10/15 আদি অন্তিম তথা চূড়ান্ত ৰায়দানত থকা বিভিন্ন গোচৰসমূহৰ মীমাংসা নানা অজুহাতত দিন পিছুৱাই ৰায়দানৰ পৰা বিৰত আছে এইজন সভাপতিয়ে। এইয়া কেইটামান উদাহৰণহে। এনে অলেখ পঞ্জীয়ন হোৱা গ্ৰাহকৰ গোচৰৰ মীমাংসা আজি পৰ্য্যন্ত সম্পূৰ্ণ হৈ নুঠিল এইজন সভাপতিৰ কাৰ্য্যকালত। সভাপতিক এই প্ৰতিবেদকে যোগাযোগ কৰাত সভাপতিৰ অদ্ভুত যুক্তি হ’ল চৰকাৰে কলম, ন’ট ছীট, ফাইল ইত্যাদি যোগান নধৰিলে ৰায়দান কিদৰে কৰিব বুলিয়ে মন্তব্য কৰে। প্ৰশ্ন হ’ল যদিহে সময়মতে ন্যায় প্ৰদান কৰিবই নোৱাৰে, যদিহে তেওঁৰ কৰাম চলাবলৈ অসুবিধা তেতিয়া স্ব-ইচ্ছাই পদত্যাগ কৰা উচিত বুলি কয় ভুক্তভোগী গ্ৰাহকে। কাৰণ আদালতখনলৈ আহি আহি ভাগৰি পৰিছে ভুক্তভোগী গ্ৰাহকসকল। উল্লেখ্য যে ইয়াৰ পূৰ্বতে গ্ৰাহক আদালতখনৰ সভাপতি মাজেদ আলিৰ কাৰ্য্যকালত যোৰহাটৰ গ্ৰাহক আদালতখনত ক্ষীপ্ৰ গতিত আইনী বিচাৰ প্ৰক্ৰিয়াসমূহ চলি আদালতখনে গোচৰৰ মীমাংসা তথা ৰায়দান দিয়াৰ লগতে আদালতখনেও সবলভাৱে কাৰ্য্যক্ষম হৈ পৰিছিল এইজন সভাপতিৰ কাৰ্য্যকালত। কিন্তু পৰৱৰ্তী পৰ্য্যায়ত যোৰহাটৰ এই গ্ৰাহক আদালতখনে এটা বছৰ ‘ক’ভিড’ মহামাৰীৰ বাবে বিচাৰ প্ৰক্ৰিয়া স্তিমিত হৈ পৰিছিল। এইগৰাকী সভাপতিৰ নিযুক্তিৰ পাছত কিন্তু আদালতখনে গ্ৰাহক ৰাইজক সময়মতে আইনী ন্যায় প্ৰদানৰ লগতে গোচৰৰ মিমাংসা কৰাত চূড়ান্তভাৱে বিফল হৈছে। চৰকাৰে অতি সোনকালে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি আদালতৰ ন্যায় ব্যৱস্থা ক্ষীপ্ৰতৰ কৰাৰ বাবে আহ্বান জনাইছে যোৰহাটবাসীৰ ভূক্তভোগী গ্ৰাহকে।

## বিটিচিৰ পৰা বিজেপিক

সাংবাদিকৰ আগত বিটিআৰপ্ৰধান প্ৰমোদ বড়োৰ বিৰুদ্ধে এই মন্তব্য কৰে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে। অকল এয়াই নহয়, হাগ্ৰামা মহিলাৰীয়ে প্ৰমোদ বড়োক প্ৰত্যাহবান জনাই পুনৰ কয় এই কথা যদি মিছা কৈছো বা প্ৰমোদ বড়োৱে যদি এই কথা মিছা বুলি কয় মোবাইল ফোনৰ ৰেকৰ্ডিং বজাই দিব পাৰো মই। তদুপৰি এই কথা অস্বীকাৰ কৰিলে প্ৰমোদ বড়োক কামাখ্যা মন্দিৰত আহি গীতা-ভাগৱতত ধৰি শপত খাবলৈকো প্ৰত্যাহবান জনায় হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে বিটিআৰৰ ককলাবাৰী সমষ্টিত ৮ জুনত অনুষ্ঠিত হ’বলগীয়া উপ-নিৰ্বাচনক লৈ নিৰ্বাচনী প্ৰচাৰ চলি থকাৰ মাজতে বিগত কিছুদিন ধৰি তুংগত উঠিছে হাগ্ৰামা মহিলাৰী-প্ৰমোদ বড়োৰ বাকযুদ্ধ। তাৰ মাজতেই আজি শিমলাৰ বিপিএফ কাৰ্যালয়ত উপস্থিত হৈ এই মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে । আনহাতে, এই উপ-নিৰ্বাচনত বিপিএফ আৰু ইউপিপিএলৰ মাজতে যুঁজ হোৱাৰ বিপৰীতে নিৰ্বাচনত বিপিএফ দলেই জয়লাভ কৰিব বুলি দাবী কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে আমি বিগত পাঁচ-ছয় দিন সমষ্টিৰ ৰাইজৰ মাজত ঘূৰি যি দেখা পাইছোঁ সেয়া পজিটিভেই, যদি ভগৱানে দয়া কৰে আমিয়েই জিকিম, কিন্তু আৰু কষ্ট কৰিব লাগিব । আনহাতে, সমষ্টিত বড়ো ভোটাৰৰ পাৰ্ছেণ্টেজো বিপিএফেই অধিকাংশ লাভ কৰিব বুলি প্ৰকাশ কৰে। উল্লেখ্য যে ককলাবাৰী সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়া নিৰুদ্দিষ্ট হোৱা সন্দৰ্ভতো মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। তেওঁ কয় যে ভাল হওক বেয়া হওক বা নিৰ্দলীয় হ’লেও তেওঁ এজন নিৰ্বাচনৰ প্ৰাৰ্থী, তেওঁক ‘গাইব’ কৰাটো বে-আইনী । এইক্ষেত্ৰত ‘ডেমক্ৰেচী’ কি হ’ল বুলি প্ৰশ্ন উত্থাপন কৰি ইয়াৰ ওপৰত আৰক্ষীয়ে ব্যৱস্থা ল’ব লাগে বুলি মন্তব্য কৰে তেওঁ। আজি হাগ্ৰামা মহিলাৰীয়ে সমষ্টিটোৰ বিপিএফ দলৰ প্ৰাৰ্থী শংকৰ বসুমতাৰীৰ হৈ জাবাবাৰী, জলাগাঁও আদি বিভিন্ন গাঁৱত অনুষ্ঠিত নিৰ্বাচনী সভাত নিৰ্বাচনী প্ৰচাৰ চলায়।

## পাভ নদীৰ বক্ষত সন্দেহজনক

স্থাপন কৰা এইসকল লোকক শীঘ্ৰে উচ্ছেদৰ দাবীত কালি নাওবৈচাত একাংশ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে নদীখনত চলা বেদখলৰ বাবেই নদীৰ জলৰাশিয়ে পশ্চিম নাওবৈচাবাসীৰ জীৱন-জীৱিকা যোৱা পাঁচ-ছটা বছৰে বিপদগ্ৰস্ত কৰি আহিছে। বাৰিষা প্ৰায় ছমাহকাল নদীখনে সংহাৰী ৰূপ ধাৰণ কৰে। পাভ নদীৰ ধাৰাবাহিক বানত পশ্চিম নাওবৈচাৰ বলাম, বিষ্ণুপুৰ, কুটুকাই, ৰাজআলিকে ধৰি প্ৰায় কুৰিখনতকৈ অধিক গাঁৱৰ সহস্ৰাধিক লোকৰ জীৱন জীৱিকা, সা-সম্পত্তি বানে থানবান কৰি আহিছে। আকৌ ভূতৰ ওপৰত দানহ পৰাদি পাভ নদীৰ মূল প্ৰৱহমান সুঁতিত ( বালিচৰত) একাংশ সন্দেহজনক লোকে বেদখল কৰি ঘৰবাৰী, পুখুৰী স্থাপন কৰাত দিনক দিনে বান সমস্যাটো জটিলৰ পৰা জটিল হৈ আহিছে। উল্লেখ্য যে বিগত মাহত পাভ নদীৰ সংহাৰী বানে যি জলপ্ৰলয়ৰ সূচনা কৰিলে সেই প্ৰলয়ৰ মূল উৎস আছিল নদীখনৰ মূলসুঁতিত চলা বেদখল কাৰ্য। শেহতীয়াকৈ মূলসুঁতিত বেদখল কৰা সন্দেহজনক লোকসকলে পাভ নদীত জলসম্পদৰ বিভাগৰ মথাউৰি থকাৰ পিছতো পুনৰ এটা ছাইড বান্ধ মাৰি দিয়াত নদীখন নামনিলৈ বৈ যাব নোৱৰাত নদীখনৰ বাঁওপাৰৰ উল্লিখিত কুৰিখন গাঁও শেহতীয়াকৈ সংহাৰী বানৰ কবলত পৰিছে । এই অবৈধ বেদখলৰ সন্দৰ্ভত স্থানীয় অঞ্চলটোৰ ৰাইজে জিলা প্ৰশাসনক বাৰম্বাৰ অভিযোগ দিয়াৰ পিছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ বাবে বুধবাৰে দুপৰীয়া বানত ককবকাই থকা শতাধিক পুৰুষ-মহিলা ওলাই আহি বেদখল উচ্ছেদৰ দাবী তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ৰাইজে সন্দেহজনক নাগৰিকক উচ্ছেদ কৰক, পাভ নদীৰ মূলসুঁতি ঘূৰাই দিয়ক, অবৈধ ছাইড বান্ধ ভাঙি দিয়ক আদি শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

## কামৰূপ মেট্ৰ’ৰ সহকাৰী

কৰাৰ পিছতে তেওঁক চাকৰিৰ পৰা নিলম্বন কৰা হয়। ২০১৯ বৰ্ষৰ এচিএছ বিষয়া বাৰ্বি হাজৰিকা ২০১৯ বেটছৰ ৬নং ৰেংকপ্ৰাপ্ত বিষয়া আছিল। এছিয়ান আৰু ছিংগাৰপুৰ প্ৰতিনিধিক বেয়া ব্যৱহাৰ কৰাৰ বাবেই বিদেশত ভাৰতৰ ভাবমূৰ্তি ম্লান হ’ব পাৰে বুলি এগৰাকী চৰকাৰী বিষয়াই প্ৰকাশ কৰিছে।

## ১৬১ লোকৰ আশী শতাংশই

পেলিয়েটিভ ট্ৰাষ্ট চমুকৈ ‘প্ৰতিশ্ৰুতি’য়ে ডিব্ৰুগড় আৰক্ষী প্ৰশাসন আৰু ইণ্ডিয়ান মেডিকেল এছ’চিয়েচন (আইএমএ)ৰ ডিব্ৰুগড়ৰ যৌথ উদ্যোগত বিশ্ব ধপাতবিহীন দিৱস উপলক্ষ্যত ডিব্ৰুগড়ত ৩০ আৰু ৩১ মে’ত আয়োজন কৰা মুখগহ্বৰৰ কেঞ্চাৰৰ বিনামূলীয়া শিবিৰত বিশেষকৈ চৰকাৰী কৰ্মচাৰীৰ দেহত কেন্সাৰৰ প্ৰাৰ্দুভাৱ ঘটাৰ তথ্য লাভৰ ঘটাই সকলোকে চিন্তিত কৰি তুলিছে। ‘প্ৰতিশ্ৰুতি’ৰ হৈ নিজা বাসভৱন আৰু চেম্বাৰত আয়োজন কৰা উক্ত শিবিৰত চিকিৎসক হিচাপে অংশগ্ৰহণ কৰা ডিব্ৰুগড়ৰ বিশিষ্ট চকু-নাক-কান বিশেষজ্ঞ ডাঃ ফৌজিয়া এছ হাকিমে জনোৱামতে দুয়োদিনৰ শিবিৰ আৰু সমান্তৰালভাৱে ডামানিজ নাৰ্চিং হোমতো আয়োজন কৰা আনটি শিবিৰত ডাঃ অপূৰ্ব কুমাৰ শৰ্মাৰ ওচৰত মুঠ ১৬১ গৰাকী লোকে নিজৰ মুখগহ্বৰৰ পৰীক্ষা কৰে। উক্ত দুয়োটা শিবিৰত অংশগ্ৰহণ কৰা লোক সকলৰ ভিতৰত আশী শতাংশই কেঞ্চাৰ ৰোগৰ দুৱাৰডলিত আহি উপনীত হৈছে। আনহাতে ইতিমধ্যে এই ৰোগটোৱে অত্যন্ত বিপদজনকভাৱে বাহ লৈছে পাঁচ শতাংশ লোকৰ শৰীৰত। তেওঁলোকক প্ৰত্যেক মাহতে চিকিৎসকৰ ওচৰলৈ গৈ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছে। মুখৰ ভিতৰত হোৱা ঘাঁ টো কিবা পৰিৱৰ্তন হৈছে নেকি সেয়া লক্ষ্য কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ডাঃ হাকিমৰ মতে কৰ্মৰত অৱস্থাত বহু চৰকাৰী কৰ্মচাৰীয়ে নিতৌ ধপাত সেৱনৰ ফলত তেওঁলোকৰ মুখগহ্বৰত কেঞ্চাৰে থিতাপি ল’বলৈ আৰম্ভ কৰিছে। একাংশই গধূলিৰ সময়ত মাদক দ্ৰব্য সেৱনৰ ফলশ্ৰুতিত মুখগহ্বৰ কেঞ্চাৰ অধিক হাৰত বৃদ্ধি পাইছে। শিবিৰত অংশ লোৱা আন একাংশৰ শৰীৰত গুটখা, তামোল পাণৰ লগত ধপাত সেৱনৰ ফলতো এই ৰোগে শৰীৰত বাহ ল’বলৈ আৰম্ভ কৰিছে বুলি অৱগত কৰি ডাঃ হাকিমে এই সকলৰ মাজত সজাগতা শিবিৰ অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনাইছে। দুয়োদিনাৰ শিবিৰত ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, আইএমএৰ ডিব্ৰুগড়ৰ সম্পাদক ডাঃ বেদান্ত ভূঞা, ‘প্ৰতিশ্ৰুতি’ৰ সঞ্চালক তথা এএমচিএইচৰ পেথ’লজি বিভাগৰ সহযোগী অধ্যাপক ডাঃ গায়ত্ৰী গগৈ, উপসভানেত্ৰী দিপালী শইকীয়া, সম্পাদিকা পান্না ভৰালী, যুটীয়া সম্পাদক ৰতন হাজৰিকা, ৰাজিৰ বিন কুটুব, সদস্যা অস্মিতা কলিতা, মৌচুমী গগৈ, মৌচুমী ফুকন, সীমান্ত গগৈকে ধৰি ‘প্ৰতিশ্ৰুতি’ৰ বিষয়ববীয়া, সদস্য-সদস্যা আৰু স্বেচ্ছাসেৱক সকল উপস্থিত থাকে।

## বাইহাটাত ১৭ কোটি টকা

নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰৰ যুটীয়া এটি বৃহৎ দলে জিলাখনৰ বাইহাটা চাৰিআলিত এক অভাৱনীয় সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। অভিযানকাৰী দলটোৱে আজি ইয়াত কেতবোৰ স্থানত অৱস্থান গ্ৰহণ কৰি দুটা আন্তঃৰাজ্যিক ড্ৰাগ্‌ছ মাফিয়াক এখন বাহন আৰু প্ৰায় ১৭ কোটি টকা মূল্যৰ নিচাজাতীয় দ্ৰব্যসহ জব্দ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষী সূত্ৰে লাভ কৰা তথ্যানুসৰি প্ৰতিৱেশী ৰাজ্য নাগালেণ্ডৰ ডিমাপুৰৰ পৰা তেজপুৰেৰে ৰাজধানী চহৰ গুৱাহাটীলৈ বৃহৎ পৰিমাণৰ নিচাজাতীয় দ্ৰব্য অনাৰ বিষয়ে লাভ কৰা গোপন সূত্ৰৰ খবৰৰ ভিত্তিত আজি জিলাখনৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত ক্ষুদ্ৰ পলহাৰ মদন কামদেৱ দেৱালয়ৰ প্ৰধান প্ৰৱেশ পথৰ নাতি দূৰৈত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবা স্থানৰ দাঁতিত জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয় আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক আছিফ আহমেদ নেতৃত্বাধীন আৰক্ষীৰ এটা বাহিনী আৰু নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰৰ আন এটি বাহিনীয়ে যুটীয়াভাৱে অভিযানত নামি পৰে। আৰক্ষী আৰু নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰৰ এই যৌথ অভিযানৰ সময়তে অন্য কেতবোৰ বাহনৰ লগতে প্ৰত্যাশা অনুসৰিয়েই গুৱাহাটী অভিমুখী এ এছ-০১ এফ এ-৪৬১৭ নম্বৰৰ মাৰুতী জিপছীখনৰো আগমন ঘটে। লগে লগে অভিযানকাৰী দলটোৱে জিপছীখন ৰখাই ইয়াত তালাচী চলায়। এই তালাচীত বাহনখনত সন্দেহজনকভাৱে পলিথিনেৰে মেৰিয়াই অনা ৩২টা টোপোলা উদ্ধাৰ হয়। ইয়াৰ পিছতে যৌথ অভিযানকাৰী দলটোৱে এই বাহনখনৰ লগতে টোপোলাকেইটা জব্দ কৰি আৰু বাহনখন লৈ অহা দুয়োটা ড্ৰাগ্‌ছ ব্যৱসায়ীক আটক কৰি থানালৈ লৈ যায়। আনহাতে, যাৱতীয় পৰীক্ষা-নিৰীক্ষা, ওজন, সোধা-পোছাৰ অন্তত আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ে সংবাদ মাধ্যমক ঘটনাৰ সবিশেষ বৰ্ণনা কৰি জনোৱা অনুসৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীৰ ডি জি পি ভাস্কৰজ্যোতি মহন্তৰ নিৰ্দেশনা অনুসৰি কামৰূপ জিলা আৰক্ষী ড্ৰাগ্‌ছৰ বিৰুদ্ধে নিৰৱচ্ছিন্নভাৱে প্ৰতিনিয়ত সক্ৰিয় হৈ থকাৰ পৰিপ্ৰেক্ষিততে তেওঁলোকে আজিৰ এই বিশাল পৰিমাণৰ ড্ৰাগ্‌ছ সৰবৰাহৰ খবৰ লাভ কৰিবলৈ সক্ষম হয়। জিপছীখনত মেৰিয়াই চোৰাংকৈ কঢ়িয়াই অনা এই ৩২টা টোপোলাৰ আটাইখিনি দ্ৰব্যই হৈছে বিষাক্ত মৰফিন। ইয়াৰ ওজন প্ৰায় ১৬.৭৭৭ কিলোগ্ৰাম আৰু বজাৰ মূল্য (চোৰাং বজাৰ) হৈছে প্ৰায় ১৬.৭৭ কোটি টকা। ধৃত ড্ৰাগ্‌ছ মাফিয়া দুটা হৈছে বিহাৰৰ সমষ্টিপুৰ জিলাৰ পাটানী থানাৰ অন্তৰ্গত ডুমুনীগাঁৱৰ লক্ষ্মণ ৰায়ৰ পুত্ৰ অনন্তজিৎ ৰায় (৪০) আৰু বৰপেটা জিলাৰ তাৰাবৰী থানাৰ চুন্নতাৰা গাঁৱৰ ইছলাম আলীৰ পুত্ৰ নুৰ মহম্মদ আলী (৩০)। লগতে আৰক্ষী বিষয়া ৰয়ে ধৃত মাফিয়া দুটাৰ পৰা আৰু অধিক গুৰুত্বপূৰ্ণ তথ্য লাভ কৰাৰ সম্ভাৱনাও ব্যক্ত কৰে।

## অসমৰ কোনো সত্ৰৰ সন্মুখত বহুমহলীয়া ভৱন নাই ঃ বশিষ্ঠ দেৱ শৰ্মা

### মধুপুৰ সত্ৰত সত্ৰীয়াবিৰোধী নিৰ্মাণ কাৰ্য বন্ধৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২ জুন ঃ** অসমৰ এনে এখন সত্ৰ বা নামঘৰ নাই, যাৰ সন্মুখ ভাগত বহুমহলীয়া ভৱন নিৰ্মাণ কৰি সত্ৰীয়া পৰম্পৰা আৰু ৰীতি-নীতি ভংগ কৰা হৈছে। এনে কাৰ্য অতি নিন্দনীয় আৰু গৰিহণাৰ যোগ্য। বৰ্তমানে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ স্থান কোচবিহাৰৰ মধুপুৰ সত্ৰ চৌহদত দুগৰাকী আতাপুৰুষ হৰিহৰ আতা আৰু শ্ৰীৰাম আতাৰ ঐতিহাসিক ভেটিক উছন কৰি এক তিনিমহলীয়া ভৱন নিৰ্মাণ কৰা কাৰ্যক বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ, শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজয়ী বশিষ্ঠ দেৱ শৰ্মাই তীব্ৰ গৰিহণা দিয়াৰ লগতে ইয়াৰ লগত জড়িত সকলো পক্ষকে এনে সত্ৰ-সংকৃতিবিৰোধী কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এক বিবৃতিৰ জৰিয়তে সদৰী কৰা মতে আজি ২ জুন তাৰিখে সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, সম্পাদক হৰিদেৱ দাস আৰু পুলিন পাঠকে মধুপুৰ সত্ৰ সমিতিৰ উপদেষ্টা বশিষ্ঠ দেৱ শৰ্মাৰ সুন্দৰীদিয়া বাসভৱনত সাক্ষাৎ কৰি শৰ্মাৰ সাম্প্ৰতিক স্বাস্থ্যৰ বুজ লোৱাৰ লগতে মধুপুৰ সত্ৰৰ অতিসম্প্ৰতি বিৰাজ কৰা সত্ৰীয়া পৰম্পৰাবিৰোধী কাৰ্যকলাপ সন্দৰ্ভত বিশেষ আলোচনা কৰাৰ সময়ত বিশিষ্ট সত্ৰীয়া গৱেষকগৰাকীয়ে সত্ৰখনত উদ্ভৱ হোৱা বিশৃংখল পৰিস্থিতিত উদ্বেগ প্ৰকাশ কৰাৰ লগতে এই মৰ্মে মত প্ৰকাশ কৰে। বুঢ়া সত্ৰাধিকাৰগৰাকীয়ে লগতে এনে কাৰ্যক মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰগৰাকীয়ে পৃষ্ঠপোষকতা কৰা কাৰ্যত আশ্চৰ্য প্ৰকাশ কৰে। শৰ্মাই লগতে এনে ধৰণৰ সত্ৰীয়া পৰম্পৰাবিৰোধী বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল’বলৈ মুখ্যমন্ত্ৰীগৰাকীক আহ্বান জনায়। সত্ৰাধিকাৰগৰাকীয়ে এই বিষয়ৰ তাৎপৰ্যত বিজ্ঞ লোকসকলক আগবাঢ়ি আহি মধুপুৰ সত্ৰক অপশক্তিৰ কবলৰ পৰা মুক্ত কৰিবলৈ আহ্বান জনায়। সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদকে আৰু জনোৱা মতে, বৰ্তমানে ব্যয়-বহুল চিকিৎসাৰ মাজত জীৱন কটোৱা সত্ৰাধিকাৰগৰাকীৰ চিকিৎসাৰ বাবে মধুপুৰ সত্ৰ সমিতিৰ পৰা এক আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ’ব।



## শীৰ্ষ বিষয়াক উৎকোচ দিবলৈ

কাৰ্যালয়ত ১০ হাজাৰ টকা উৎকোচ দিবলৈ বিচাৰে। কিন্তু উপ-আৰক্ষী অধীক্ষকগৰাকীয়ে এই বিষয়ে লগে লগে নগাঁও আৰক্ষী অধীক্ষক লীনা দলেক অৱগত কৰাত তেওঁ আব্দুল মোতালিবক আটক কৰে। ইতিমধ্যে আব্দুল মতলিবৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে উপ-আৰক্ষী অধীক্ষক ত্ৰিদিব কুম্বাঙে। এই সংক্ৰান্তত নগাঁও আৰক্ষী অধীক্ষক লীনা দলেয়ে নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত এক সংবাদ মেলৰ আয়োজন কৰি আব্দুল মোতালিবৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ’ব বুলি ঘোষণা কৰে। উল্লেখ্য যে, থানালৈ বদলিৰ বাবে শীৰ্ষ বিষয়াক উৎকোচ দিয়া কাৰ্যই থানাসমূহত চলা দুৰ্নীতিৰ কথাকে প্ৰতীয়মান কৰিছে বুলি একাংশই মন্তব্য কৰিছে।ন

## গুণোৎসৱত শিক্ষকৰ ৰূপত

লৈ শিক্ষকৰ ৰূপত অৱতীৰ্ণ হোৱা দেখা গ’ল সাংসদগৰাকীক। ৮৭০গৰাকী শিক্ষাৰ্থীৰে পৰিৱেষ্টিত বিদ্যালয়খনৰ শ্ৰেণী কোঠাত সোমাই শিক্ষাৰ্থীৰে তেওঁ মতবিনিময় কৰাৰ লগতে শিক্ষাৰ্থীক সাধাৰণ জ্ঞান বিষয়ক ভিন্ন প্ৰশ্ন সোধে। শিক্ষাৰ্থীসকলেও প্ৰতিটো প্ৰশ্নৰে উত্তৰ দিয়ে। শিক্ষাৰ্থীৰে মতবিনিময় কৰাৰ উপৰি তেওঁ বিদ্যালয়খনৰ সমস্যা সন্দৰ্ভত বুজ লয়। তেওঁ বিদ্যালয়খনত সাংসদ পুঁজিৰে এটি চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰি দিয়া হ’ব বুলি আশ্বাস প্ৰদান কৰাৰ লগতে নিদা আঁচনিৰ অধীনত বিদ্যালয়খনৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে তিনি কোটি টকা ধাৰ্য কৰা বুলি ঘোষণা কৰে। আনহাতে, তেওঁ বিদ্যালয়খনৰ দুৰ্বল শিক্ষাৰ্থীসকলক বিশেষভাৱে পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো আহ্বান জনায়। সাংসদগৰাকীয়ে আগন্তুক কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন সন্দৰ্ভতো মন্তব্য প্ৰকাশ কৰি ২৬খন আসনৰ ২৬খনতেই বিজেপি প্ৰাৰ্থীৰ বিজয়েৰে কাৰ্বি আংলং স্বায়ত্ত পৰিষদ গঠন কৰিব বুলি কয়।

## সন্ধানহীন শিশুৰ সন্ধান

নামৰ এটা সুবিধা প্ৰৱৰ্তন কৰিছে। ইনষ্টাগ্ৰামে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেচনেল চেণ্টাৰ ফৰ মিছিং এণ্ড এমপ্লয়টেড চিল্ড্ৰেন (এনচিএমইচি), ইণ্টাৰনেচনেল চেণ্টাৰ ফৰ মিছিং এণ্ড এমপ্লয়টেড চিল্ড্ৰেন, ব্ৰিটেইনৰ ৰাষ্ট্ৰীয় অপৰাধ সংস্থা, মেক্সিকোৰ এটৰ্নি জেনেৰেলৰ কাৰ্যালয়, অষ্ট্ৰেলিয়ান ফেডাৰেল পুলিচ আদি সংগঠনৰ সহযোগত এই সুবিধাটো আৰম্ভ কৰিছে। ইয়াৰ বাবে ইনষ্টাগ্ৰামত এক বিশেষ প্ৰযুক্তি ব্যৱহাৰ কৰা হ’ব। যদি আৰক্ষী বা আন কোনো আইন প্ৰৱৰ্তনকাৰীৰ দ্বাৰা অম্বৰ এলাৰ্ট সক্ৰিয় কৰা হয় তেন্তে আপুনি সন্ধানহীন শিশুৰ তথ্য লাভ কৰিবলৈ সক্ষম হ’ব। শিশু এটা সন্ধানহীন হোৱা স্থান, ফটো, শিশুটিৰ বিৱৰণ, অপহৰণ অথবা সন্ধানহীন হোৱাৰ সঠিক স্থান আৰু আন যিকোনো উপলব্ধ তথ্য এই এপত পোৱা যাব। এনেবোৰ তথ্য লাভ কৰাৰ পিছত আন মানুহে কথাটো অধিক প্ৰচাৰ কৰিবলৈ সক্ষম হ’ব আৰু সন্ধানহীন শিশুটিৰ সন্ধান লাভত সুবিধা হ’ব। ইনষ্টাগ্ৰামে দাবী কৰিছে যে অম্বৰ এলাৰ্ট এটা নিৰ্দিষ্ট সন্ধান ক্ষেত্ৰৰ বাবে নিৰ্দিষ্ট কৰি ৰখা হ’ব। এক অফিচিয়েল পোষ্টত, ছ’চিয়েল নেটৱৰ্কিং প্লেটফৰ্মটোৱে কৈছে, ‘এই সতৰ্কবাণীবোৰ কাৰ বাবে সেয়া নিৰ্দিষ্ট কৰিবলৈ আমি বিভিন্ন সংকেত ব্যৱহাৰ কৰোঁ, যাৰ ভিতৰত আছে আপুনি আপোনাৰ প্ৰ’ফাইলত তালিকাভুক্ত কৰা চহৰ, আপোনাৰ আইপি ঠিকনা আৰু অৱস্থান আদি । ইনষ্টাগ্ৰামে ইতিমধ্যে অম্বৰ এলাৰ্ট আৰম্ভ কৰিছে আৰু এতিয়াৰ বাবে এই সেৱা আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, বেলজিয়াম, বুলগেৰিয়া, কানাডা, ইকুৱেডৰ, গ্ৰীচ, গুয়াটেমালা, আয়াৰলেণ্ড, জামাইকা, কোৰিয়া, লিথুৱানিয়া, লাক্সেমবাৰ্গ, মাল্টা, মেক্সিকো, নেডাৰলেণ্ড, নিউজিলেণ্ড, ৰোমানিয়া, দক্ষিণ আফ্ৰিকা, টাইৱান, ইউক্ৰেইন, ব্ৰিটেইন, সংযুক্ত আৰব গণৰাজ্য আৰু আমেৰিকাত উপলব্ধ হ’ব। ইনষ্টাগ্ৰামে এই সুবিধা শীঘ্ৰেই আন দেশলৈ সম্প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰিছে। কোম্পানীটোৱে ২০১৫ চনত প্ৰথমবাৰৰ বাবে ফেচবুকত অম্বৰ এলাৰ্টৰ সুবিধা মুকলি কৰিছিল।


## ৯ জুনত হ’ব নেকি মন্ত্ৰীসভাৰ

নতুনকৈ চিন্তা-চৰ্চা আৰম্ভ হৈছে। উল্লেখ্য যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীয়ে বৃহস্পতিবাৰে হঠাতে ঘোষণা কৰে যে অহা ৯ জুন তাৰিখে পাহাৰীয়া ৰাইজে এজন মন্ত্ৰী লাভ কৰিব। মুখ্যমন্ত্ৰীৰ এই নিৰ্বাচনী প্ৰতিশ্ৰুতি সাধাৰণ দৃষ্টিত নিতান্তই গতানুগতিক। কিন্তু ৰাজনৈতিক দিশত গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে কেৱল পাহাৰৰ পৰা এজনে মন্ত্ৰী পাব বুলিহে ইংগিত দিছে। গোটেই মন্ত্ৰীসভাখনৰ ৰদবদল বা সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতি দিয়া হোৱা নাই। চিৰাচৰিতভাৱে অসম মন্ত্ৰীসভাত পাহাৰীয়া জিলা দুখনৰ পৰা কমেও এজনে পূৰ্বৰে পৰা কেবিনেটত প্ৰতিনিধিত্ব কৰি আহিছে। কেতিয়াবা এই পৰিসংখ্যা বৃদ্ধি হোৱাৰ নজিৰ আছে। অসম নতুন চৰকাৰে বিগত এবছৰে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ পৰা মন্ত্ৰীসভাত প্ৰতিনিধিত্ব নিদিয়াৰ বাবে অসন্তুষ্টিৰ সূত্ৰপাত ঘটিছিল। এই অসন্তুষ্টিৰ উমান মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰত হয়তো সঠিকভাৱে উপলব্ধি কৰিছে। কাৰণ কাৰ্বি প্ৰতিনিধিৰ দিছপুৰত শূন্য হৈ থকা বাবে স্বায়ত্ত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰত সেৰেঙা উপস্থিতি পৰিলক্ষিত হৈছে কেতবোৰ সভাত। গতিকে সঁচা বা মিছা এই বিষয়টো ৯ জুন তাৰিখৰ পিছতহে প্ৰতীয়মান হ’ব। কিন্তু ৮ জুন তাৰিখে হ’ব লগা কাৰ্বি পৰিষদৰ ভোটগ্ৰহণত মুখ্যমন্ত্ৰীৰ এই ঘোষণাই ব্যাপক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। লগে লগে দিছপুৰত মন্ত্ৰী হ’বলৈ খাপ পিটি থকাসকলে নতুন নতুন সমীকৰণ সৃষ্টি কৰি মন্ত্ৰীৰ চকী দখল কৰিবলৈ অব্যাহত ৰাখিছে নিতৌ নতুন কৌশল।

### আপ চাফাই অভিযানক লৈ শংকিত কেজৰিৱাল


# আম আদমিৰ সকলো বিধায়কক একেলগে গ্ৰেপ্তাৰৰ আহ্বান মোদীলৈ

**নতুন দিল্লী, ২ জুন ঃ** পঞ্জাৱ আৰু দিল্লীত চৰকাৰ গঠন কৰা আপ অৰ্থাৎ আম আদমী পাৰ্টীৰ দুয়োখন চৰকাৰৰ দুয়োজন স্বাস্থ্যমন্ত্ৰী সম্প্ৰতি কাৰাগাৰৰ অতিথি হৈ আছে। পঞ্জাৱৰ স্বাস্থ্যমন্ত্ৰীয়ে ঠিকাদাৰৰ পৰা এক শতাংশ কমিছন দাবী কৰাৰ অভিযোগত স্বয়ং মুখ্যমন্ত্ৰী ভগৱন্ত মনে তেওঁক মন্ত্ৰীসভাৰ পৰা বৰ্খাস্ত কৰাৰ লগতে গোচৰ ৰুজু কৰি লগে লগে গ্ৰেপ্তাৰ কৰিছিল। এই কাৰ্যই দেশজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়া আৰু আম আদমীৰ প্ৰতি কিছু লোক প্ৰশংসিত হৈ পৰাৰ সময়তে এনফোৰ্চমেণ্ট বিভাগে দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দৰ জৈনক যোৱা ৩০ মে' তাৰিখে গ্ৰেপ্তাৰ কৰিছে। দিল্লীৰ স্বাস্থ্যমন্ত্ৰীজনে হাৱালাৰ জৰিয়তে ৪.৮ কোটি টকা লেনদেন তথা আত্মসাৎ কৰা বুলি অভিযোগ উঠিছে। কেৱল স্বাস্থ্য বিভাগৰে নহয়, দিল্লীৰ মন্ত্ৰীজন গৃহ আৰু শক্তি বিভাগৰো দায়িত্বত আছিল। সমান্তৰালভাৱে দিল্লীৰ উপ-মুখ্যমন্ত্ৰী তথা শিক্ষা বিভাগৰ দায়িত্বত থকা মনিষ ছিছোৰিয়া অচিৰেই আৰক্ষীৰ জালত পৰিব বুলি ব্যাপক প্ৰচাৰ চলিছে। আগন্তুক গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ বাবে ৰাজ্যখনত কংগ্ৰেছৰ পতনমুখী যাত্ৰাৰ বিপৰীতে আম আদমীয়ে শক্তিশালী ৰূপত আত্মপ্ৰকাশ



কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মনিষ ছিছোৰিয়াই অকলেই দায়িত্ব লৈ গুজৰাটত আম আদমীৰ সাংগঠনিক কাম-কাজ পৰিচালিত কৰি আছে। সেয়েহে দিল্লীৰ উপ মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰ কৰি আম আদমীৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে চলাই থকা চাফাই অভিযান এক নিৰ্ণায়ক পৰ্যায়লৈ উন্নীত কৰিবলৈ ৰাজনৈতিকভাৱে প্ৰস্তুতি চলোৱা বিষয়টো চৰ্চিত হৈছে। ফলত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল নিঃসংগ হৈ পৰাৰ লগতে দেশবাসীয়ে তেওঁৰ দুৰ্নীতি বিৰোধী স্থিতি আৰু কৰ্মপটুটা সম্পৰ্কত সন্দেহ কৰিবলৈ পৰিৱেশ ৰচিত হ'ব। এই বিষয়ত সংকিত হৈ পৰা অৰবিন্দ কেজৰিৱালে বৃহস্পতিবাৰে সেয়েহে আগতীয়াকৈ সংবাদ মাধ্যমৰ জৰিয়তে সৰৱ হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে। তেওঁ কয় যে কিছু মাহৰ পূৰ্বেই এই বিষয়ে অনুমান প্ৰকাশ কৰিছিল ৰাজহুৱাভাৱে। স্বাস্থ্যমন্ত্ৰী সত্যেন্দৰ জৈন ভুৱা গোচৰত গ্ৰেপ্তাৰ হ'ব বুলি কেজৰিৱালে পূৰ্বানুমান কৰা বুলি আজি সংবাদম াধ্যমৰ আগত অৱগত কৰিছে। সমান্তৰালভাৱে একে ধৰণৰ ভুৱা গোচৰত দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছোৰিয়া কাৰাগাৰৰ অতিথি হ'ব বুলিও আশংকা বৃদ্ধি পাইছে। গতিকে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী কেজৰিৱালে কয় যে কেন্দ্ৰৰ বিজেপি চৰকাৰে আম আদমী পাৰ্টীক নিঃশেষ কৰিবৰ বাবে এজন এজনকৈ মন্ত্ৰী বা বিধায়কক গ্ৰেপ্তাৰ কৰাৰ প্ৰয়োজন নাই। কেন্দ্ৰই আম আদমীৰ সকলো মন্ত্ৰী-বিধায়কক একেদিনাই গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিব লাগে। এনেকৈয়ে দেশৰ প্ৰধানমন্ত্ৰীৰ প্ৰতি আহ্বান জনাইছে অৰবিন্দ কেজৰিৱালে। উল্লেখ্য যে কেন্দ্ৰৰ লক্ষ্য দিল্লীৰ উপ-মুখ্যমন্ত্ৰী বুলি অভিহিত কৰিছে আৰু কেজৰিৱালৰ মতে স্বাধীন ভাৰতৰ সকলোবোৰ ৰাজ্যৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ আৰু সফল শিক্ষামন্ত্ৰী হ'ল মনিষ ছিছোদিয়া। এই কথা কেৱল দিল্লীবাসীৰ বাবেই নহয় দেশৰ কোনো লোকে অস্বীকাৰ কৰাৰ থল নাই। ফলত হীনমন্যতাত ভুগিছে কেন্দ্ৰীয় চৰকাৰৰ। আনকি দিল্লীৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকৰ প্ৰতি আহ্বান জনাইছে মুখ্যমন্ত্ৰী কেজৰিৱালে। তেওঁ কয় যে অভিভাৱকসকলে নিজে আহি সন্তানৰ বিদ্যালয়সমূহ পৰ্যবেক্ষণ কৰিব লাগে। শিক্ষা দানৰ গুণগত মান আৰু বিদ্যালয়ৰ আন্তঃগাথনি পৰ্যবেক্ষণ কৰিব লাগে। যদিহে ক'ৰবাত দুৰ্নীতি ধৰা পৰে তেনেহ'লে ৰাজহুৱাকৈ অভিভাৱকসকলে ব্যক্ত কৰক। ইয়াৰ বিপৰীতে কেন্দ্ৰই ভুৱা গোচৰ জাপি দি, উন্নয়নৰ প্ৰক্ৰিয়া স্তব্ধ কৰি, নিজৰ হীন মন্যতাৰ বাবে ৰাজনৈতিক প্ৰতিশোধ ল'বলৈ গৈ শিক্ষাৰ্থীসকলক বঞ্চিত কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱা বুলিও কেজৰিৱালে অভিযোগ কৰিছে। ফলত এজন এজনকৈ গ্ৰেপ্তাৰ কৰি ৰাজনৈতিক প্ৰতিশোধ লোৱাৰ পৰিৱৰ্তে আম আদমীৰ সকলো মন্ত্ৰী-বিধায়কক একেলগে গ্ৰেপ্তাৰ কৰিবলৈ দেশৰ প্ৰধানমন্ত্ৰীৰ প্ৰতি কেজৰিৱালে প্ৰত্যাহ্বান জনাইছে।






*হিন্দী বোলছবিৰ প্ৰয়াত অভিনেতা ওম পুৰীৰ পূৰ্বৰ পত্নী নন্দিতা পুৰীয়ে গায়ক কে কেৰ আকস্মিক মৃত্যুত ক্ষোভ প্ৰকাশ কৰিছে আৰু এই ঘটনাৰ চিবিআই তদন্ত দাবী কৰিছে। অন্যথা বলীউডৰ শিল্পীয়ে পশ্চিমবংগত কাৰ্যসূচী পৰিৱেশন বৰ্জন কৰিব লাগে বুলিও আহ্বান জনাইছে*

# কংগ্ৰেছত হাহাকাৰ, এনফ'ৰ্চমেণ্টৰ তলবৰ পিছতে ক'ভিডত আক্ৰান্ত হ'ল ছোনিয়া গান্ধী

**নতুন দিল্লী, ২ জুন ঃ** দেশৰ বিভিন্ন নিৰ্বাচনত পৰাজয়বৰণ কৰাৰ পিছত এইবাৰ কংগ্ৰেছ দলৰ শীৰ্ষ নেতৃত্ব বিভিন্ন প্ৰকাৰৰ সংকটত পৰিছে। এদিনৰ পূৰ্বে এনফোৰ্চমেণ্ট সঞ্চালকালয়ে দশক পুৰণি নেচনেল হেৰাল্ড গোষ্ঠীৰ সম্পত্তিৰ বিষয়ত সোধাপোছা কৰিবলৈ ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক তলব কৰিছিল। কিন্তু বৃহস্পতিবাৰে পুৱাই কংগ্ৰেছৰ সৰ্বভাৰতীয় মুখ্য মুখপাত্ৰ ৰণদীপ সূৰ্যৱালাই কয় যে দলৰ অধ্যক্ষ ছোনিয়া গান্ধী ক'ভিড ১৯ৰ দ্বাৰা আক্ৰান্ত হৈছে। শৰীৰত ক'ভিডৰ মৃদু লক্ষণ ফুটি উঠিছে আৰু জ্বল আৰু অন্যান্য পাৰ্শ্বক্ৰিয়াত ভুগিছে। তেওঁক চিকিৎসা প্ৰদান কৰি থকা হৈছে। এনেকৈয়ে অহা ৮ জুন তাৰিখে এনফোৰ্চমেণ্টৰ কাৰ্যালয়ত হাজিৰ হ'ব লাগিব বুলি নিৰ্দেশনা প্ৰাপ্তিয়ে দলটোৰ শীৰ্ষ মহলত শংকা বিয়পাই দিয়াৰ সময়তে দলৰ মুৰব্বীৰ স্বাস্থ্যজনিত জটিল সমস্যাই অধিক বিচলিত কৰিছে নেতা আৰু কৰ্মীসকলক। উল্লেখ্য যে দুই জুন তাৰিখেই ৰাহুল গান্ধীক এনফোৰ্চমেণ্টৰ কাৰ্যালয়ত সাজু হ'বলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু ৰাহুল গান্ধীৰ অধিবক্তাই অৱগত কৰে যে বৰ্তমান দিল্লীৰ বাহিৰত আছে কংগ্ৰেছৰ সাংসদ তথা প্ৰাক্তন সভাপতিজন। গতিকে পাঁচ জুনৰ পিছত তালিখ নিৰ্ধাৰণ কৰিবলৈ কোৱা হৈছে। ইফালে প্ৰচাৰিত তথ্য অনুসৰি কেৱল দিল্লী নহয় দেশৰ বাহিৰতে আছে ৰাহুল গান্ধী। সেয়েহে দেশলৈ উভতি অহাৰ পিছতহে এনফোৰ্চমেণ্টৰ জাননীৰ সহাৰি দিব বুলি প্ৰকাশ কৰিছে। ইফালে কংগ্ৰেছৰ কাৰ্যালয়ে টুইটাৰৰ জৰিয়তে ব্যক্ত কৰিছে যে চৰকাৰৰ ষড়যন্ত্ৰ আৰু বিৰোধীৰ মুখ বন্ধ কৰিবলৈ আইনী প্ৰক্ৰিয়া জাপি দিয়াৰ বিৰুদ্ধে দলটোৱে যুঁজ দি যাব। তেওঁলোকে কেতিয়াও শিৰ নত নকৰে বুলি স্পষ্ট কৰি দিছে। এই সম্পৰ্কত মুখপাত্ৰ অভিষেক মনোসিংঘিয়ে সংবাদ মাধ্যমৰ আগত কয় যে মোদী চৰকাৰে পৰ্যায়ক্ৰমে বিৰোধীক নিঃশেষ কৰিবলৈ ষড়যন্ত্ৰত নামিছে। নেচনেল হেৰাল্ড কাকতখন প্ৰকাশিত হৈছিল এছ'চিয়েটেড জাৰ্নেল লিমিটেডৰ সহযোগত। এই কোম্পানীটোৱে দেশৰ উপৰিও বিদেশতো বিভিন্ন ব্যৱসায়ত জড়িত হৈ আহিছে। আনকি ইয়ং ইণ্ডিয়া কোম্পানীৰ জৰিয়তে ভাৰতত নেচনেল হেৰাল্ড কাকত প্ৰকাশৰ সৈতে এছ'চিয়েটেড জাৰ্নেল জড়িত হৈছে। এই প্ৰতিষ্ঠানৰ পৰা অবৈধ প্ৰক্ৰিয়াৰে ধনৰ লেনদেন হোৱা নাই। তেনেস্থলত বিজেপি চৰকাৰে কেৱল বিভ্ৰান্তি



বিয়পাবৰ বাবে আৰু ৰাইজক বিপথে পৰিচালত কৰিবৰ বাবে বিৰোধী ৰাজনৈতিক দলৰ প্ৰতি এনেধৰণৰ ষড়যন্ত্ৰ অব্যাহত ৰাখিছে বুলি সংবাদ মাধ্যমৰ আগত অভিযোগ উত্থাপন কৰিছে।

# ত্ৰি-খণ্ডিত হ'ব পাকিস্তান

## চৰকাৰ আৰু প্ৰশাসনৰ ভুল নীতিয়ে পাকিস্তানৰ পতন ঘটাব বুলি ইমৰাণ খানৰ বক্তব্য



**নতুন দিল্লী, ২ জুন ঃ** এটা বা দুটা ভাগত নহয়, কমেও তিনিটা ভাগত খণ্ডিত হ'ব ভাৰতৰ চুবুৰীয়া ইছলামিক ৰাষ্ট্ৰ পাকিস্তান। এই আশংকা প্ৰকাশ কৰিছে সদ্যপ্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানে। অনাস্থা ভোটৰ জৰিয়তে সংসদত সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শনত ব্যৰ্থ হোৱাৰ বাবে প্ৰধানমন্ত্ৰীৰ পদ এৰি দিব লগা হৈছিল প্ৰাক্তন বিশ্ব ক্ৰিকেটাৰ ইমৰাণে। কিন্তু ক্ষমতা হেৰুওৱাৰ পিছতে ইটোৰ পিছতে সিটো ভাবুকিমুল বক্তব্য প্ৰদান কৰি আহিছে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে। দেশখনৰ এটা ব্যক্তিগত খণ্ডৰ টিভি চেনেলৰ সৈতে হোৱা সাক্ষাৎকাৰত এই মন্তব্য প্ৰকাশ কৰিছে। কোৱা হৈছে যে বেনজিৰ ভুট্টোৰ দৰে ইমৰাণ খানকো চৰকাৰী পক্ষই নিঃশেষ কৰিব নেকি। ইয়াৰ উত্তৰত তেওঁ কয় যে পাকিস্তানৰ প্ৰশাসন আৰু দেশখনৰ একাংশ সংগঠনৰ কাম-কাজ সমৰ্থনৰ বাহিৰত। তেওঁলোকে সঠিক সিদ্ধান্ত গ্ৰহণত ব্যৰ্থ হৈ আহিছে। এনে ব্যৰ্থতাৰ বাবে এসময়ত পাকিস্তানৰ পতন তথা বিলুপ্তি হ'লেও আচৰিত হ'ব লগা নাথাকিব। তেওঁলোকে মূলতঃ পাকিস্তান ধ্বংস কৰিবৰ বাবে উঠি পৰি লাগিছে। গতিকে কমেও তিনিটা খণ্ডত পাকিস্তান খণ্ডিত হোৱাৰ সম্ভাৱনা আছে। যিহেতু দেশখনৰ অৰ্থনীতি বৰ্তমান বিধ্বস্ত হৈ পৰিছে গতিকে দেশবাসীৰ মাজত অবিশ্বাস আৰু সংঘাতৰ বাতাবৰণ গঢ়ি উঠিছে। যিসকলে এনে কাৰ্যত জড়িত হৈছে তেওঁলোকৰ ভাব ভংগী ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে সাদৃশ্য আছে বুলিও আঙুলিয়াই দিছে। ইফালে পাকিস্তান পিপুলছ পাৰ্টীয়ে ইমৰাণ খানৰ এই বক্তব্যৰ তীব্ৰ বিৰোধিতা কৰিছে। এই পি পি পি দলটো হ'ল পাকিস্তান মুছলীম লীগ-নৱাজৰ একে মৰ্চাৰ অংশীদাৰ। সেয়েহে ক্ষমতা হেৰুওৱাৰ পিছত ইমৰাণ খানে আবুল তাবুল বকিছে বুলিও ব্যক্ত কৰিছে। পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে দেশৰ অখণ্ডতা ৰক্ষাৰ বিৰোধী মন্তব্য কৰা ইমৰাণ খানৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা উচিত বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে ইমৰাণ খানে যোৱা ২৫ মে' তাৰিখে আজাদী মাৰ্চ শীৰ্ষক এক দলীয় শোভাযাত্ৰাৰ কাৰ্যসূচী আহ্বান কৰিছিল। বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফৰ চৰকাৰে দুৰ্নীতি আৰু অনিয়মত লিপ্ত হোৱা বুলি অভিযোগ আনি এনেদৰে দেশবাসীক জাগ্ৰত কৰিব বিচাৰিছিল। কিন্তু ইমৰাণ খানৰ এই কাৰ্যসূচী বিফল হ'ল— কিয়নো সাধাৰণ জনতাই এই কাৰ্যসূচী বৰ্জন কৰা দেখা গ'ল। তেতিয়াই হতাশ হৈ পৰা ইমৰাণ খানে সেয়েহে চৰকাৰক অন্য প্ৰক্ৰিয়াৰে ব্যতিব্যস্ত কৰি ৰাখিবলৈ বিতৰ্কিত মন্তব্য প্ৰদান কৰি অহা বুলিব পাৰি।



*ভাৰতত মজুত থকা ৰাফেল যুদ্ধ বিমান— বিশ্বৰ যিকোনো দেশৰ যুদ্ধাস্ত্ৰৰ সৈতে ফেৰ মাৰিব পৰাকৈ অত্যাধুনিক এই বিমানৰ প্ৰথম ৩৬খন ক্ৰয় চুক্তিৰ আধাৰত পাঁচখন আহি পাইছিল ২৯ জুলাই ২০২০ত আৰু দ্বিতীয় পৰ্যায়ত আহিছিল ৩ নৱেম্বৰত*

# কুলগামত ৰাজস্থানৰ বেংক কৰ্মীক গুলীয়াই হত্যা সন্ত্ৰাসবাদীৰ

## কাশ্মীৰী পণ্ডিতৰ বংশাৱলীৰ দৰেই বহিঃৰাজ্যৰ চাকৰিয়াল নিধন পৰ্ব অব্যাহত, চৌদিশে আতংক



**শ্ৰীনগৰ, ২ জুন ঃ** জম্মু-কাশ্মীৰৰ কুলগাম জিলাত বৃহস্পতিবাৰে দিনৰ ভাগতে এটা বেংকৰ মেনেজাৰক গুলীয়াই হত্যা কৰা হৈছে। কাৰ্যালয় চলি থকাৰ সময়তে বিজয় কুমাৰ নামৰ মেনেজাৰজনক সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰিছে। ইলাকাহি দেহাতি বেংকৰ কুলগাম শাখাৰ মেনেজাৰ হিচাপে কৰ্মৰত বিজয় কুমাৰ ৰাজস্থানৰ বাসিন্দা। এনেকৈয়ে চলিত বৰ্ষত ১৬ টা হত্যাৰ প্ৰচেষ্টা চলোৱা ঘটনা সংঘটিত হৈছে আৰু কুলগাম জিলাত যোৱা ৬০ ঘণ্টাৰ ভিতৰত দ্বিতীয়টো হত্যাকাণ্ড সংঘটিত হ'ল। উল্লেখ্য যে যোৱা ১২ মে' তাৰিখে ৰাজহ বিভাগৰ কৰ্মী তথা কাশ্মিৰী পণ্ডিতৰ বংশাৱলীৰ ব্যক্তি ৰাহুল ভাটক গুলীয়াই হত্যা কৰা হৈছিল নিজৰ কাৰ্যালয়ত। ইয়াৰ পিছত টিভি চিৰিয়েলৰ এগৰাকী অভিনেত্ৰীক নিজৰ ঘৰতে গুলীয়াই হত্যা কৰিছিল। তিনিদিনৰ পূৰ্বে কুলগামত এগৰাকী শিক্ষয়িত্ৰীক হত্যা কৰাৰ পিছত আজি একেখন জিলাতে দ্বিতীয়টো হত্যাকাণ্ড সংঘটিত হৈছে। সম্প্ৰতি ৰাষ্ট্ৰপতি শাসনৰ অধীনত থকা স্বত্বেও জম্মু-কাশ্মীৰত নিৰীহ মানুহৰ সুৰক্ষাত প্ৰশাসন ব্যৰ্থ হোৱা দেখা গৈছে। সঘনে বলি হৈছে সাধাৰণ জনতা। বহিঃ ৰাজ্যৰ পৰা যোৱা শ্ৰমিক, কৰ্মচাৰী, ফল-মূলৰ ব্যৱসায়ী, ক্ষুদ্ৰ ব্যৱসায়ী আদিক লক্ষ্য কৰি ইছলামিক উগ্ৰবাদীয়ে নিৰন্তৰ আক্ৰমণ অব্যাহত ৰাখিছে। ২০১৯ চনৰ পাঁচ আগষ্ট তাৰিখে সংসদত গ্ৰহণ কৰা নতুন বিধেয়কৰ জৰিয়তে জম্মু-কাশ্মীৰ ৰাজ্যৰ পুনৰ গঠন কৰা হৈছিল। পূৰ্ণাংগ ৰাজ্যৰ পৰিৱৰ্তে কেন্দ্ৰীয় শাসিত ৰাজ্যলৈ পৰিৱৰ্তন ঘটোৱা হৈছিল। তেতিয়াৰ পৰাই ৰাষ্ট্ৰপতি শাসনৰ অধীনত আছে আৰু ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰাৰ বাবে সমষ্টি পুনৰ গঠন প্ৰক্ৰিয়া অলপতে সম্পূৰ্ণ কৰা হৈছে। কিন্তু ইয়াৰ মাজতে পাকিস্তান সমৰ্থিত উগ্ৰবাদীয়ে বিভিন্ন কুটাঘাত সংঘটিত কৰি আহিছে। গতিকে পদে পদে শান্তি বিঘ্নিত হৈ পৰিছে। যোৱা ৩১ মে' তাৰিখে কুলগামৰ গোপালপুৰা গাঁৱত অৱস্থিত বিদ্যালয়ত এগৰকী হিন্দু শিক্ষয়িত্ৰীক গুলীয়াই হত্যা কৰা হৈছিল। ৰ'জনী বাল্লা নামৰ শিক্ষয়িত্ৰীগৰাকীক ইছলামিক উগ্ৰবাদীয়ে হত্যা কৰাৰ পিছত টি আৰ এফ নামৰ মৌলবাদী সংগঠনটোৱে দায়িত্ব স্বীকাৰ কৰিছিল। আজিও একেটা সংগঠনে হত্যাৰ দায়িত্ব স্বীকাৰ কৰা বুলি প্ৰকাশ পাইছে। ইফালে নেচনেল কনফাৰেন্সৰ উপাধ্যক্ষ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই বেংক মেনেজাৰ বিজয় কুমাৰক হত্যাৰ গৰিহণা দিছে লগতে সাধাৰণ ৰাইজক নিৰাপত্তা প্ৰদানত প্ৰশাসন ব্যৰ্থ হোৱা বুলিও সমালোচনা কৰিছে। ৰাজ্যখনত এতিয়া এনেধৰণৰ নিৰীহ লোকক লক্ষ্য কৰি সন্ত্ৰাসবাদীয়ে হত্যাকাণ্ড সংঘটিত কৰা কাৰ্য প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰত্যাহবানৰ সন্মুখীন হৈছে আৰক্ষী আৰু নিৰাপত্তাবাহিনীৰ লোকসলক। কিয়নো ৰাজ্যখনৰ বিভিন্ন ঠাইত সিচৰতি হৈ থকা বহিঃৰাজ্যৰ পৰা যোৱা কৰ্মচাৰী, ব্যৱসায়ী আৰু কাশ্মিৰী পণ্ডিতৰ বংশাৱলীক এনেদৰে আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ পিছত এতিয়া তীব্ৰ আতংকত ভুগিছে ৰাজ্যখনত কৰ্মৰত বহিঃৰাজ্যৰ লোকসকল।

# বিজেপিত যোগ দিলে হাৰ্ডিক পেটেলে

## গান্ধী নগৰত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীক প্ৰশংসা

**নতুন দিল্লী, ২ জুন ঃ** গুজৰাটৰ পাটিদাৰ সম্প্ৰদায়ৰ জনপ্ৰিয় নেতা তথা ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি হাৰ্ডিক পেটেলে বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। গুজৰাটৰ গান্ধীনগৰত অৱস্থিত



ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে গেৰুৱা বসন পৰিধান কৰে। প্ৰাক্তন কংগ্ৰেছী নেতাজনক আদৰণি জনাবলৈ কাৰ্যালয়ৰ বাহিৰত বেনাৰ-পোষ্টাৰ আদিৰে ভৰাই পেলোৱা পৰিলক্ষিত হৈছিল। ইফালে যোগদান কৰাৰ পিছতে এসময়ত কঠোৰ ভাষাৰে সমালোচনা কৰা হাৰ্ডিক পেটেল হৈ পৰিল প্ৰধানমন্ত্ৰী মোদীৰ প্ৰশংসক। তেওঁ কয় যে দেশখনো একত্ৰিত কৰি আগুৱাই নিয়াৰ ক্ষেত্ৰত মোদীয়ে অহৰহ নিঃস্বাৰ্থভাৱে চলোৱা প্ৰচেষ্টাই এক অগ্ৰগতি দৃশ্যমান হৈ উঠিছে। উল্লেখ্য যে বিজেপিত যোগদানৰ পূৰ্বে আহমেদাবাদত অৱস্থিত নিজৰ বাসগৃহত আয়োজন কৰা এক পূজা-অৰ্চনা অনুষ্ঠান ভাগ লৈছিল পেটেলে। ইয়াৰ পিছতে বিজেপিৰ কাৰ্যালয়লৈ ৰাওনা হৈছে। দলটোৰ এজন সামান্য সৈনিক বুলি উল্লেখ কৰিছে যোগদানৰ পিছতে। ৰাষ্ট্ৰীয় একতাৰ অনুভৱেৰে আৰু ৰাজ্যৰ উন্নয়নৰ কাৰণে, সাধাৰণ ৰাইজৰ বিকাশৰ উদ্দেশ্যেৰে, সমাজখনক আগুৱাই নিবলৈ দেশৰ প্ৰধানমন্ত্ৰীৰ পিছে পিছে তেওঁ অগ্ৰসৰ হ'ব বুলিও প্ৰতিশ্ৰুতি দিছে। উল্লেখ্য যে ২০১৫ চনতে পাটিদাৰ সম্প্ৰদায়ৰ বাবে আসন সংৰক্ষণৰ দাবীত ৰাজ্যজুৰি তীব্ৰ আন্দোলন গঢ়ি তুলিছিল। এই আন্দোলন নিয়ন্ত্ৰণৰ বাবে চৰকাৰে আনকি হাৰ্ডিক পেটেলক গ্ৰেপ্তাৰ কৰি কাৰাৰুদ্ধ কৰিছিল। পাটিদাৰ সম্প্ৰদায়ক অ'বিচি হিচাপে সংবিধানত স্বীকৃতি দিবলৈ আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শাখাত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাইছিল। তেতিয়া পাটিদাৰ সম্প্ৰদায়ৰ বাবে বিজেপি দল আৰু চৰকাৰ প্ৰধান শত্ৰু বুলি হাৰ্ডিক পেটেলে উচ্চ শিৰে অভিযোগ উত্থাপন কৰিছিল। সেই সময়ত পাটিডাৰ আন্দোলনকাৰীক সন্তুষ্ট কৰিবৰ বাবেই মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিবলৈ বাধ্য হৈছিল সম্প্ৰদায়টোৰ নেত্ৰী আনন্দিবিন পেটেলেক। কিন্তু সমস্যা সমাধানত ব্যৰ্থ আনন্দি বিন পেটেলে ২০১৬ চনত মুখ্যমন্ত্ৰীৰ পদৰ পৰা ইস্তফা দিছিল। আনহাতে ২০১৯ চনৰ লোকসভাৰ নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি ৰাহুল গান্ধীৰ উপস্থিতিত হাৰ্ডিক পেটেলে কংগ্ৰেছ দলত যোগদান কৰিছিল। তেওঁক গুজৰাটৰ ৰাজ্যিক কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিৰ পদত নিযুক্ত কৰিছিল। হাৰ্ডিক পেটেলৰ নেতৃত্বই লোকসভাৰ নিৰ্বাচনত কংগ্ৰেছক সহায় কৰিবলৈ সক্ষম নহ'ল। তেতিয়াৰ পৰাই কংগ্ৰেছে একপ্ৰকাৰ এলাগী কৰি ৰাখিছিল যুৱনেতাজনক। চলিত বৰ্ষৰ ১৯ মে' তাৰিখে কংগ্ৰেছৰ পৰা আনুষ্ঠানিকভাৱে পদত্যাগ কৰিছিল আৰু কংগ্ৰেছ দলে বিগত তিনি বছৰে তেওঁক নানা ধৰণে ব্যৱহাৰ কৰা বুলি গুৰুতৰ অভিযোগ আনিছিল। গুজৰাট কংগ্ৰেছৰ একাংশ নেতাই ৰাইজৰ কাষলৈ যোৱাৰ পৰিৱৰ্তে হোটেলত বহি চিকেন চেণ্ডুইছৰ সোৱাদ লৈ মছগুল হৈ থকা বুলি দল ত্যাগৰ সময়তে গুৰুতৰ অভিযোগ আনিছিল। প্ৰকৃত সমস্যাৰ পৰা দূৰত অৱস্থান কৰা কংগ্ৰেছে গুজৰাটৰ সাধাৰণ ৰাইজৰ কথা শুনিবলৈ সদায় অনিচ্ছুক হৈ অহা বুলি গুৰুতৰ অভিযোগ আনিছিল। এনেকৈয়ে ৰাজনীতিৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰা হাৰ্ডিক পেটেলে প্ৰথম দিনাই অন্যান্যসকলৰ দৰে মোদীৰ প্ৰশংসাৰে নিজৰ জয়যাত্ৰা আৰম্ভ কৰাৰ প্ৰক্ৰিয়া সূচনা কৰাটো দৃষ্টিগোচৰ হ'ল। উল্লেখ্য যে কংগ্ৰেছৰ মজিয়াৰ পৰা ইজনৰ পিছত সিজনকৈ যুৱ নেতাৰ প্ৰস্থান আৰু শীৰ্ষ নেতৃত্বৰ প্ৰতি প্ৰকাশ কৰা বিষোদগাৰে এতিয়া অন্যান্যসকলক বিভ্ৰান্ত আৰু অস্থিৰ কৰি তুলিছে। ইয়াৰ সুবিধা ল'বলৈ আগবাঢ়ি আহিছে বিজেপি তথা অন্যান্য শাসকীয় পক্ষ।

# ইজৰাইলত নিৰাপত্তাৰক্ষীৰে সংঘৰ্ষ নিহত এগৰাকী মহিলা, আহত ৬

**ৰামাল্লা, ২ জুন ঃ** ইজৰাইলৰ উত্তৰ পশ্চিম অঞ্চলত অৱস্থিত জেনিন নামৰ চহৰখনত একাংশ শিবিৰাৰ্থী



আৰু নিৰাপত্তা বাহিনীৰ মাজত ভয়ংকৰ সংঘৰ্ষৰ সূত্ৰপাত হয়। বুধবাৰে বিয়লি হোৱা এই সংঘৰ্ষৰ ফলত এগৰাকী ২৯ বছৰীয়া পেলেষ্টাইনী মহিলাৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। এটা তালাচী চকীত নিৰাপত্তাৰক্ষীয়ে সোধাপোছা কৰাৰ সময়তে মহিলাগৰাকীক গুলীয়াই হত্যা কৰা বুলি অভিযোগ উঠিছে। ফলত লগে লগে শিবিৰত থকা অন্যান্য পেলেষ্টাইনৰ লোকসকলে নিৰাপত্তাৰক্ষীৰ বিৰুদ্ধে গৰজি উঠে। তেওঁলোকে আগুৱাই আহি উক্ত তালাচী চকীত অগ্নি সংযোগ কৰে বুলি প্ৰকাশ পাইছে। উপস্থিত থকা নিৰাপত্তাৰক্ষীলৈ লক্ষ্য কৰি ইটা, লাঠী, শিল আদি নিক্ষেপ কৰে। যাৰ বাবে কেবাজনো নিৰাপত্তাৰক্ষী গুৰুতৰভাৱে জখম হৈছে। এই ঘটনা নিয়ন্ত্ৰণ কৰিবলৈ নিৰাপত্তাৰক্ষীয়ে গুলীচালনা কৰা বুলি প্ৰকাশ পাইছে। ইফালে নিৰাপত্তাৰক্ষীৰ গুলীত ছজন লোক গুৰুতৰভাৱে জখম হোৱা বুলিও কোৱা হৈছে। মৃত মহিলাগৰাকীৰ নাম ঘোফ্ৰান আৱাস্নেহ বুলিও দেশখনৰ স্বাস্থ্যমন্ত্ৰীয়ে এক প্ৰেছ বাৰ্তাৰ জৰিয়তে প্ৰকাশ কৰিছে। আনহাতে পেলেষ্টাইনৰ স্বাস্থ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰিছে যে ইৰজাইলী সেনাই বিলাল খাবাহা নামৰ এজন প্ৰতিবাদকাৰী যুৱকক গুলীয়াই হত্যা কৰিছে। ভুৱা অভিযোগৰ ভিত্তিত এইসকল পেলেষ্টাইনী লোকক গুলীচালনা কৰি হত্যা কৰা বুলিও ব্যক্ত কৰিছে। প্ৰত্যক্ষদৰ্শীয়ে কয় যে ইজৰাইল সেনাই শান্তিপ্ৰিয় পেলেষ্টাইনৰ শিবিৰত প্ৰৱেশ কৰি অত্যাচাৰ চলাইছে। তেওঁলোকৰ আশ্ৰয়গৃহটো ভাঙি পেলোৱা হৈছে। ইজৰাইলী সেনাৰ তালাচীৰ সময়ত গাওবাসীক আবদ্ধ কৰি অত্যাচাৰ চলোৱা বুলি অভিযোগ কৰা হৈছে। কিন্তু ইজৰাইল সেনাৰ মুখপাত্ৰই প্ৰকাশ কৰিছে যে নিয়মীয়া তালাচীৰ সময়ত সহযোগ নকৰা আৰু ওলোটাই নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰাৰ বাবেই এই ঘটনা সংঘটিত হৈছে। ইফালে যিসকলে ইজৰাইল সেনাক আক্ৰমণ কৰিছিল তেওঁলোকৰ তেলআভিভত থকা বাসগৃহসমূহ ভাঙি দিয়া হৈছে। এনেকৈয়ে ইজৰাইল ভূমিত এতিয়া পেলেষ্টাইন লোকৰ বিৰুদ্ধে নিৰাপত্তাৰক্ষীয়ে আক্ৰমণ, নিৰ্যাতন, হত্যা আদিৰ লগতে বাসগৃহ ভাঙি নিৰ্যাতন চলাই থকা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ জৰিয়তে মানৱ অধিকাৰ উলংঘা কৰা হৈছে বুলিও আঙুলিয়াই দিছে।



*অক্ষয় কুমাৰ অভিনীত 'সম্ৰাট পৃথ্বিৰাজ' নামৰ নতুন চলচ্চিত্ৰখনৰ প্ৰথম দৰ্শনী উপভোগ কৰিছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে। লোকভৱনত আয়োজন কৰা এই দৰ্শনীত সন্তুষ্ট হোৱা মুখ্যমন্ত্ৰীয়ে উত্তৰ প্ৰদেশত এইখন চলচ্চিত্ৰ প্ৰদৰ্শন কৰমুক্ত ঘোষণা কৰিছে। অক্ষয় কুমাৰৰ বিপৰীতে মানুসী ছিল্লাৰে অভিনয় কৰিছে আৰু চলচ্চিত্ৰখনৰ পৰিচালক হ'ল চন্দ্ৰ প্ৰকাশ দ্বিবেদী*

# মাণ্ডাৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছ প্ৰাৰ্থী শিল্পীনেহা তিৰ্কী

**ৰাচী, ২ জুন ঃ** ঝাৰখণ্ডৰ মাণ্ডাৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন সমাগত হৈ আছে। উক্ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে কংগ্ৰেছ দলে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে শিল্পীনেহা তিৰ্কী নামৰ যুৱতী প্ৰাৰ্থী এগৰাকীক। উল্লেখ্য যে যোৱা ২৮ মাৰ্চ তাৰিখে ৰাজ্যখনৰ প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰী বন্ধু তিৰ্কীক দুৰ্নীতিৰ গোচৰত তিনি বছৰৰ কাৰাদণ্ড বিহিছিল চিবিআইৰ আদালতে। আনহাতে এইজন বিধায়কক ঝাৰখণ্ড বিধানসভাৰ পৰা অযোগ্য ঘোষণা কৰা হৈছিল। তিনিবাৰকৈ নিৰ্বাচিত হোৱা নেতাজনৰ প্ৰভাৱৰ বাবেই উপ-নিৰ্বাচনত নিজ কন্যাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীয়ে শিল্পীনেহাৰ নাম অনুমোদন জনাইছে আৰু সাধাৰণ সম্পাদক মুকুল ৱাছনিকে প্ৰকাশ কৰা নিৰ্দেশনাত এই কথা সন্নিবিষ্ট কৰিছিল। উল্লেখ্য যে ২০১০ চনতে বন্ধু তিৰ্কীৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিছিল চিবিআইএ। আনহাতে সম্প্ৰতি কাৰাগাৰত থকা নেতাজনৰ কন্যাৰ জৰিয়তে সমষ্টিটো উদ্ধাৰ কৰিব খোজা হৈছে। অহা ২৩ জুন তাৰিখে ভোটগ্ৰহণ হ'ব লগা উপ-নিৰ্বাচনৰ ভোট গণনা হ'ব ২৬ জুনত।

## কপাহৰটাৰী-কমলপুৰত সৌৰচালিত আৰু বিদ্যুৎ চালিত অগভীৰ নলীনাদ আঁচনি উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ২ জুন ঃ** বৰপেটা জিলাৰ ৪৬ নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টি তথা বৰপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত কপাহৰটাৰী আৰু কমলপুৰত জলসিঞ্চন বিভাগৰ সৰুক্ষেত্ৰী চেত্ৰা সমেতগুল দ্বাৰা প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত নিৰ্মাণ কৰা দুটাকৈ অগভীৰ নলীনাদ আঁচনিৰ কালি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। উক্ত শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছৈন সিকদাৰ, ২০নং পাকাবেতবাৰী জিলা পৰিষদৰ সদস্যা আফিয়া আখতাৰ, জলসিঞ্চন বিভাগৰ বৰপেটা চক্ৰৰ অধীক্ষক অভিযন্তা কমল লোচন বায়ন, সৰুক্ষেত্ৰী চেত্ৰা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা মাণিক দত্ত, সহকাৰী কাৰ্যবাহী অভিযন্তা দীপমণি দাস, কনিষ্ঠ অভিযন্তা জলিল খান আদি কৰি বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় ব্যক্তিসকল। ইফালে উক্ত আঁচনি সন্দৰ্ভত কমলপুৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত অগভীৰ নলীনাদ আঁচনিৰ জৰিয়তে কৃষকসকলে কেনেকৈ সুফল লাভ কৰিব পাৰে সেই বিষয়ে বিতংকৈ আলোচনা কৰা হয়। উল্লেখ্য যে কপাহৰটাৰীৰ সৌৰচালিত অগভীৰ নলীনাদ আঁচনি আৰু কমলপুৰত বিদ্যুৎচালিত অগভীৰ নলীনাদ আঁচনিৰ জৰিয়তে কৃষকসকলে অতি কম খৰচতে অধিক শস্য উৎপাদন কৰিব বুলি ধাৰণা কৰা হৈছে।

### ব্যাপক দুৰ্নীতি-অনিয়মেৰে চলিছে বকোৰ মহিশখুঁটি মধ্য ইংৰাজী বিদ্যালয়

# শৈক্ষিক পৰিৱেশ বিনষ্ট, সপ্তম-অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে ক'ব নাজানে অসমীয়া



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২ জুন ঃ** তৃতীয় পৰ্যায়ৰ গুণোৎসৱ চলি থকাৰ সময়তে এখন চৰকাৰী বিদ্যালয়ৰ শৈক্ষিক বাতাবৰণে চকু কপালত তুলিছে ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ লগতে সচেতন মহলৰ। বকো সমষ্টিৰ মহিশখুঁটি মধ্য ইংৰাজী বিদ্যালয়খনত ব্যাপক দুৰ্নীতি-অনিয়ম, অব্যৱস্থাৰে চলিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক আব্দুল মালেকৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ চাউল, ইউনিফৰ্ম, আন্তঃগাঁথনি আদিত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। তদুপৰি বিদ্যালয়খনত নিয়মীয়াকৈ নচলে পাঠদান। ফলত শৈক্ষিক দিশতো যথেষ্ট পিছপৰা বিদ্যালয়খন। বিদ্যালয়খনৰ শৈক্ষিক দিশ ইমানেই দুৰ্বল যে বিদ্যালয়খনৰ সপ্তম-অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ ক'ব নাজানে অসমীয়া ভাষা। যাৰ বাবেই এতিয়া ক্ষোভিত হৈ পৰিছে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ লগতে অভিভাৱক তথা স্থানীয় ৰাইজ। বিদ্যালয়খনত দীৰ্ঘদিন ধৰি চলা প্ৰধান শিক্ষকৰ নৈৰাজ্যৰ সুযোগ লৈ বিদ্যালয়ৰ অইন শিক্ষকসকলেও পাঠদানত চৰম গাফিলতি কৰাত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হৈ পৰিছে। জানিব পৰা মতে বিদ্যালয়খনত ৪৬জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে নিয়োজিত ৭গৰাকী শিক্ষকেই পাঠদানত যথেষ্ট অনিয়মীয়া, অৱহেলা আৰু গুৰুত্বহীনতাৰ বাবেই কালি বসাতলে যাবলৈ ধৰিছে শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ। বিদ্যালয়খনত প্ৰধান শিক্ষকৰ দুৰ্নীতিৰ লগতে বাকী শিক্ষকসকলৰ অৱহেলাৰ বাবে শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ তুলি একাংশ অভিভাৱকে ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক লিখিত অভিযোগ দাখিল কৰাত কালি ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিত্য প্ৰসাদ মহন্তৰ লগতে কেবাজন বিষয়া বিদ্যালয়খনত তদন্তৰ বাবে উপস্থিত হয়। বিভাগীয় তদন্তত বিদ্যালয়খনত চলি থকা দুৰ্নীতি-অনিয়মৰ তথ্য পোহৰলৈ আহে। খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই জনোৱা মতে বিদ্যালয়খনৰ শিক্ষাৰ পৰিৱেশ একেবাৰে পুতৌলগা। একাংশ অভিভাৱকে অভিযোগ কৰা মতে বিদ্যালয়খনত কৰ্মৰত শিক্ষকসকলৰ ল'ৰা-ছোৱালী বিভিন্ন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুৱাই বিদ্যালয়খনলৈ নামমাত্ৰ আহি পালমৰা ধৰণে শিক্ষকতা কৰাৰ বাবেই কালি বিদ্যালয়খনৰ এনে দুৰৱস্থা হৈছে। অঞ্চলটোৰ সচেতন মহলে বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্ত, জিলা প্ৰাথমিক শিক্ষা বিষয়াক দাবী জনাইছে।

## ঢকুৱাখনাৰ ৩৪০খন বিদ্যালয়ত গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২ জুন ঃ** লখিমপুৰ জিলাকে ধৰি ৰাজ্যৰ ১৭খন জিলাত কালিৰে আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ দ্বিতীয় দিনা বিদ্যালয়বোৰত প্ৰাতঃসভাৰ পিছতে হয় ছাত্ৰ-ছাত্ৰীসকলৰ লিখন, পঠনৰ মূল্যায়ন। এই মূল্যায়নত ভাগ লয় অসম চৰকাৰৰ শিক্ষা বিভাগে নিয়োজিত কৰা বিভিন্ন বিভাগৰ বিষয়া আৰু প্ৰশাসনিক বিষয়াসকলে। কালি লখিমপুৰ জিলাৰ ঢকুৱাখনা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনত ৩৪০খন বিদ্যালয়তো প্ৰশাসনিক বিষয়া, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া, মহাবিদ্যালয়ৰ শিক্ষক আদিয়ে মূল্যায়নত অংশগ্ৰহণ কৰে। কালি তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ দ্বিতীয় দিনটোত ঢকুৱাখনা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত গখিয়া মিচিং প্ৰাথমিক বিদ্যালয়ত পুৱাই উপস্থিত হৈ গুণোৎসৱৰ মূল্যায়নত অংশগ্ৰহণ কৰে অতিৰিক্ত উপায়ুক্ত তথা ঢকুৱাখনাৰ মহকুমাধিপতি অৰিন্দম বৰুৱাই। প্ৰশাসনিক বিষয়াগৰাকীয়ে শিক্ষাৰ্থীসকলৰ লিখন, পঠন, কথন, শ্ৰৱণ আদি দক্ষতাৰ মূল্যায়ন কৰাৰ লগতে বিদ্যালয়খনৰ মধ্যাহ্ন ভোজন, আন্তঃগাঁথনি আৰু অন্যান্য আভ্যন্তৰীণ বিষয়বোৰো বুজ লয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা। ইফালে ঢকুৱাখনাৰ বহুকেইটা অঞ্চলৰ এখন বিদ্যালয়তে ঢকুৱাখনাৰ চক্ৰ বিষয়া বাহুল দলেই গুণোৎসৱৰ মূল্যায়নত অংশগ্ৰহণ কৰে।

## চামগুৰিৰ পুৰণা শালনাত জোঁৱায়েকৰ হাতত শহুৰৰ মৃত্যু

### অপৰাধীক জে'ল-হাজোতলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২ জুন ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত পুৰণা শালনা অঞ্চলত নিজ শহুৰক জোঁৱায়েকে মৰিয়াই হত্যা কৰাৰ ঘটনা পোহৰলৈ আহিছে। জানিব পৰা মতে শালনা আৰক্ষী চকীৰ অন্তৰ্গত পুৰণা শালনা অঞ্চলৰ বিজু ভূমিজৰ পুত্ৰ ধীৰেন ভূমিজ (২০) নামৰ যুৱকজনে একে গাঁৱৰ চক্ৰ ভূমিজ নামৰ লোকজনৰ কন্যাক বিয়া কৰাইছিল। আৰক্ষীয়ে জানিবলৈ দিয়া মতে কিছুদিনৰ পৰা ধীৰেন ভূমিজ নামৰ যুৱকজনে নিশা হ'লে মদ খাই আহি পত্নীক মাৰধৰ কৰাত চক্ৰ ভূমিজে কন্যাক কেইদিনমান পূৰ্বে নিজ ঘৰলৈ লৈ গৈছিল। যোৱা মঙ্গলবাৰে সন্ধিয়া সময়ত ধীৰেন ভূমিজে শহুৰ চক্ৰ ভূমিজৰ ঘৰলৈ গৈ পত্নীক পুনৰ নিজ ঘৰলৈ ওভতাই আনিবলৈ যায়। সেই সময়ত শহুৰ চক্ৰ ভূমিজৰ লগত ধীৰেন ভূমিজৰ কাজিয়াৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত ধীৰেন ভূমিজে শহুৰ চক্ৰ ভূমিজৰ মূৰত এডাল গোটা বাঁহেৰে মাৰি গুৰুতৰভাৱে আহত কৰে সেই স্থানৰ পৰা পলায়ন কৰে। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে গুৰুতৰভাৱে আহত হোৱা চক্ৰ ভূমিজক চিকিৎসাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও কালি চিকিৎসাধীন অৱস্থাত চক্ৰ ভূমিজৰ মৃত্যু হয়। আনহাতে কালি উক্ত লোকজনৰ মৃত্যু হোৱাত শালনা আৰক্ষী চকীৰ আৰক্ষীয়ে উক্ত হত্যাকাণ্ড সংঘটিত কৰা ধীৰেন ভূমিজক আটক কৰি কলিয়াবৰ আদালতত হাজিৰ কৰাই জে'ল-হাজোতলৈ প্ৰেৰণ কৰা হৈছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

## মৰাণ-হিংৰিজান পথত পাইপ ফাটি তেল নিৰ্গত, ভয়ংকৰ বিপদৰ আশংকা



### অইল কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২ জুন ঃ** চৰাইদেউ জিলাৰ মৰাণ-হিংৰিজান পথত চেঁচাপুখুৰী অইল ইণ্ডিয়াৰ মাৰ্ড প্লেনৰ সন্মুখত অইলৰ পাইপ ফাটি কালি ভয়ংকৰভাৱে তেল-গেছ নিৰ্গত হয়। কালি পুৱাৰে পৰা নিৰ্গত হৈ থকা তেলসমূহ পথৰ কাষত জমা হৈ থকাত ভয়ংকৰ বিপদৰ আশংকা কৰা হৈছে। অইল কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। সাংবাদিককো কেমেৰা কৰাত বাধা প্ৰদান কৰে অইলৰ একাংশ দায়িত্বহীন বিষয়াই। নিৰ্গত হৈ থকা তেলসমূহ অইলৰ কৰ্মচাৰীয়ে ড্ৰামত ভৰাই উঠাই লৈ যায়। বিয়লিলৈ ফটা পাইপ মেৰামতি কৰাৰ নামত বালি মাটি দি পুতি দায়িত্ব সামৰে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। যাক লৈ স্থানীয় ৰাইজ এতিয়া আতংকিত হৈ আছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি অইল কৰ্তৃপক্ষই পাইপসমূহ দকৈ নোপোতাৰ বাবে আৰু পাইপসমূহ পুৰণা হৈ মামৰে ধৰাৰ ফলত এনেধৰণৰ ঘটনাসমূহ ঘটিবলৈ ধৰিছে। উল্লেখযোগ্য যে বাঘজান কাণ্ডৰ পৰা কোনো শিক্ষা নোলোৱা অইলে নিজৰ হেমাহিৰ বাবেই বাৰে বাৰে এনেধৰণৰ ভুলসমূহ কৰি ৰাইজক আতংকিত কৰি তোলে। উল্লেখ্য যে ইয়াৰ পূৰ্বে মৰাণ হিংৰীজানত অ'এনজিচিৰ গেছ পাইপ ফুটি জীৱন্তে অগ্নিদগ্ধ হৈ ৭জন লোকৰ মৃত্যু হৈছিল।

## ধূলাৰ মাগুৰমাৰীত তিনি সপ্তাহ ধৰি নিৰুদ্দেশ যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২ জুন ঃ** দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত ২ নং মাগুৰমাৰী (শনিৰ চৰ) গাঁৱৰ মৃত কৰমত জামালৰ পুত্ৰ আছগৰ আলী (২৭) নামৰ এজন যুৱক নিৰুদ্দেশ হৈ আছে। তিনি সপ্তাহ ধৰি নিৰুদ্দেশ হৈ আছে সামান্য মানসিক বিকাৰগ্ৰস্ত যুৱকজন। যোৱা মে' মাহৰ ১৩ তাৰিখে পুৱা ১০ বজাত ২ নং মাগুৰমাৰীৰ নিজ ঘৰৰ পৰা ওলাই গৈ পুনৰ ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰি কোনো সন্ধান নোপোৱাত দুদিন পিছতে ধূলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। দৰং জিলাৰ লগতে পাৰ্শ্বৱৰ্তী মৰিগাঁও জিলাৰ জাগীৰোড, হাঁহচৰা, লাহৰীঘাট, মায়ং আদি ঠাইত বিচাৰ-খোঁচাৰ কৰিও আছগৰ আলীৰ সন্ধান উলিয়াব পৰা নাই। উল্লেখযোগ্য যে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে যুৱকজন সামান্য মানসিকভাৱে বিকাৰগ্ৰস্ত হৈ পৰে। ঘৰখনৰ সৰু পুত্ৰ আছগৰ আলীৰ বাবে চকুলো টুকিছে বৃদ্ধ মাতৃয়ে। গাৰ বৰণ বগা, ওখ ৫.৬ ইঞ্চি, স্পোৰ্টিং আৰু লুঙী পৰিহিত যুৱকজনৰ বাঁও হাতত ক'লা দাগ আছে। সদাশয় ৰাইজে আছগৰ আলীক দেখা পালে উল্লেখিত যোগাযোগ কৰিবলৈ বা স্থানীয় থানাত চমজাই দিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

## লাহৰীঘাটৰ কাঠনিত নিশা মাৰপিটৰ ঘটনাত গুৰুতৰভাৱে আহত ৰুফুল আমিন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত কাঠনিত (গৰম বজাৰ) নিশা সংঘটিত হয় এক মাৰপিটৰ ঘটনা। এই ঘটনাত কাঠনি বিলপাৰৰ ৰুফুল আমিন (৩০) নামৰ লোকক হানি-খুঁচি গুৰুতৰভাৱে আঘাত কৰে কাঠনি বিলপাৰৰ গাজিবুৰ ৰহমানৰ লগতে শ্বহিদুল ইছলাম, ৰফিকুল ইছলাম, ৰাব্বুল ইছলাম আৰু ফাইজুৰ ৰহমানে বুলি ৰুহুল আমিনৰ পত্নীয়ে এজাহাৰত উল্লেখ কৰে। এজাহাৰত উল্লেখ কৰা মতে পুৰণি কন্দলৰ আঁত ধৰি কালিৰ এই মাৰপিটৰ ঘটনা ঘটে। সম্প্ৰতি এজাহাৰৰ ওপৰত ভিত্তি কৰি আৰক্ষীয়ে তদন্তত হয়তো ওলাব আচল কাহিনী। সম্প্ৰতি আহত হোৱা ৰুহুল আমিনক উন্নত চিকিৎসাৰ বাবে লাহৰীঘাট মডেল হস্পিটেলৰ পৰা মৰিগাঁৱলৈ স্থানান্তৰ কৰিছে বুলি পৰিয়ালৰ লোকে জনাইছে।

## বিধ্বস্ত কলীয়াপানী-চেলেংহাট সংযোগী পথ, মেৰামতিৰ দাবীত আছুৰ স্মাৰকপত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২ জুন ঃ** যোৰহাটৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কলীয়াপানী-চেলেংহাট সংযোগী পথছোৱা বছৰ বছৰ জৰাজীৰ্ণ অৱস্থাত থকাৰ লগতে বাৰিষা সময়ছোৱাত পানী হৈ যোৱাত ৰাইজে জীয়াতু ভুগিব লগা হৈছে। যাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী, ৰোগী, স্থানীয় ৰাইজ, ইয়াৰ উপৰি ব্যৱসায়ীসকল অহা-যোৱাত সমস্যাৰ সন্মুখীন হৈ আহিছে। যাতায়াতৰ সুবিধা হোৱাকৈ সম্পূৰ্ণ পথটো মেৰামতি কৰাৰ দাবীৰে কালি টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পাপু কলিতা আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল দত্ত স্বাক্ষৰিত এখনি স্মাৰকপত্ৰ টীয়ক ৰাজহ চক্ৰ বিষয়াৰ যোগেদি যোৰহাটৰ উপায়ুক্তলৈ প্ৰেৰণ কৰিছে। পথছোৱা মেৰামতিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে টীয়ক আঞ্চলিক ছাত্ৰ সন্থা আৰু কলীয়াপানী শাখা ছাত্ৰ সন্থাই। এক বিবৃতিত টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ৰন্টু ভূঞা আৰু প্ৰীতমজ্যোতি শইকীয়াই অত্যন্ত ক্ষোভেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে উন্নয়নৰ ঢাক-ঢোল বজাই থকা অসম চৰকাৰখনে আজি পৰ্যন্ত মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথছোৱা বছৰ বছৰ জৰাজীৰ্ণ অৱস্থাত থকাৰ পাছতো চকুত নপৰাটো লজ্জাৰ বিষয়। তাৎক্ষণিকভাৱে যদি লোকনিৰ্মাণ বিভাগে পথছোৱাৰ মেৰামতিৰ ব্যৱস্থা নকৰে তেন্তে ৰাইজৰ সহযোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আমি বাধ্য হ'ম বুলি আছু নেতাদ্বয়ে ক্ষোভেৰে কয়।

## বেচৰকাৰী সন্থা 'আমাৰ প্ৰয়াস গোষ্ঠী'ৰ উদ্যোগত টুপামাৰীত নিচামুক্ত ভাৰত অভিযানৰ সজাগতা সভা




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২ জুন ঃ** নিচামুক্ত ভাৰত অভিযানৰ অংশ ৰূপে বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা 'আমাৰ প্ৰয়াস গোষ্ঠী'য়ে কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত আগশাৰীৰ শিক্ষানুষ্ঠানসমূহত সজাগতা সভা, আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদিৰ আয়োজন কৰিছে। কালি সংগঠনটোৱে ৰঙ্গেশ্বৰী টুপামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত নিচামুক্ত ভাৰত অভিযানৰ এক সজাগতা সভা অনুষ্ঠিত কৰে। গোষ্ঠীৰ ক্ষেত্ৰকৰ্মী ছফিকুল আলীয়ে আঁত ধৰা সজাগতা সভাখনত ৰঙ্গেশ্বৰী টুপামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল বাৰিক আহমেদ, ৰঙ্গেশ্বৰী টুপামাৰী উঃ মাঃ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক আয়নাল হক, ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰফিকুল ইছলাম, দক্ষিণ কামৰূপ জিলা সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি আলী আজগৰ, টুপামাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তপন কলিতা আদি উপস্থিত থাকি ভাষণ দিয়ে। আৰক্ষী বিষয়া তপন কলিতাই তেওঁৰ ভাষণত কয় যে নিচা এক সামাজিক ব্যাধি, নিচাযুক্ত দ্ৰব্যই মানুহৰ শাৰীৰিক-মানসিক ক্ষতি কৰে, সেয়ে নৱপ্ৰজন্মই এইবোৰৰ পৰা বিৰত থাকিব লাগিব। সাৱধানতা অৱলম্বন নকৰিলে নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত সমাজত অপৰাধজনিত ঘটনা বৃদ্ধি পাব বুলিও তেওঁ উল্লেখ কৰে। সভাত আমাৰ প্ৰয়াস গোষ্ঠীৰ পৰিচালন সঞ্চালক আনোৱাৰ হুছেইনে ভাষণত কয় যে 'চিগাৰেটৰ এটা মূৰত জুঁই আৰু আনটো মূৰত মূৰ্খ', ড্ৰাগ্‌ছৰ ভয়াৱহতা, নৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ কবলৰ পৰা ৰক্ষা কৰা, এখন নিচামুক্ত সমাজ গঢ়া, নিচাৰ পৰা হাত সাৰিবলৈ কি কৰা উচিত সেই বিষয়েও তেওঁ ব্যাখ্যা কৰে। সজাগতা সভাত উপস্থিত থকা সকলোৱে নিজৰ লগতে পৰিয়াল আৰু শিক্ষানুষ্ঠানসমূহক সদায় নিচামুক্ত কৰি ৰখাৰ সংকল্প গ্ৰহণ কৰে।

## বকো জে এন কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জিৰা শৰ্মাৰ দুখনকৈ গ্ৰন্থ উন্মোচন




**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুন ঃ** কামৰূপ জিলাৰ বকোৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত কালি অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জিৰা শৰ্মাৰ দুখনকৈ গ্ৰন্থ উন্মোচনী অনুষ্ঠান আৰু 'লিংগ সমতা, সামাজিক সংস্কাৰ আৰু ভাৰতীয় আইন' শীৰ্ষক এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ প্ৰেক্ষাগৃহত সহকাৰী অধ্যাপক অলিম্পা বৰুৱা ভূঞা আৰু গায়ত্ৰী খাৰঘৰীয়াই আঁত ধৰা অনুষ্ঠানটোত উদ্বোধনী বক্তব্য আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ তপন দত্তই। উল্লেখ্য, মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জিৰা শৰ্মাই প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰি উলিওৱা 'শংকৰদেৱ-মাধৱদেৱ সৃষ্টি আৰু দৃষ্টি' আৰু 'সাহিত্য প্ৰসংঙ্গ' নামৰ গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে বিশিষ্টা অনুবাদক তথা অভিনেত্ৰী কবিতা দত্ত গোস্বামী আৰু দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাই। ইফালে, গ্ৰন্থ দুখন উন্মোচন কৰিবলৈ পাই আজি দুটা সন্তান প্ৰসৱেৰে মাতৃত্বৰ গৌৰৱ অনুভৱ কৰা বুলি গ্ৰন্থ প্ৰণেতা মঞ্জিৰা শৰ্মাই উল্লেখ কৰি গ্ৰন্থ দুখনৰ বাবে স্বামীয়ে আগবঢ়োৱা উৎসাহ ও মহাবিদ্যালয়ৰ অধ্যক্ষৰ সহযোগিতাৰ কথাও ব্যক্ত কৰে। আনহাতে এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ লগত সংগতি ৰাখি 'লিংগ সমতা, সামাজিক সংস্কাৰ আৰু ভাৰতীয় আইন' শীৰ্ষক এখনি বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হয়। নতুনকৈ নামকৰণ কৰা বকো কলেজৰ 'লিংগ অধ্যয়ন কেন্দ্ৰ'ৰ সহযোগত আৰু মহাবিদ্যালয়ৰ 'মহিলা কোষ'ৰ উদ্যোগত অনুষ্ঠিত হোৱা এই বক্তৃতানুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাবে বক্তৃতা প্ৰদান কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তাপস কুমাৰ মিশ্ৰই। অধিবক্তাগৰাকীয়ে নিজৰ বক্তব্যত পুৰণিৰ পিতৃপ্ৰধান সমাজৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ সমাজলৈ চলি অহা লিংগ বৈষম্য, ভাৰতৰ নিচিনা কল্যাণকামী ৰাষ্ট্ৰই লিংগ সমতাৰ বাবে মহিলা আৰু শিশুৰ বাবে গ্ৰহণ কৰা আইনী ব্যৱস্থা, মানৱ সৰবৰাহ প্ৰতিৰোধী আইন, যৌতুকজনিত বিষয়, ল'ৰা-ছোৱালীৰ সম অধিকাৰ, মহিলাৰ শালীনতা ভংগ ও ধৰ্ষণ কাণ্ডৰ কঠোৰ আইনী ব্যৱস্থা, পস্ক' আইন, ডাইনী হত্যা আদি বিভিন্ন দিশৰ ওপৰত মূল্যবান বক্তব্য দাঙি ধৰি আইন প্ৰণয়নৰ ক্ষেত্ৰত তদন্তকাৰী আৰক্ষীৰ ভূমিকা অতিকে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। অতিথি বক্তাগৰাকীয়ে আইনী দিশৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিজয়া ডেকা, পৰিচালনা সমিতিৰ সভাপতি লক্ষীকান্ত শৰ্মা, প্ৰাক্তন অধ্যক্ষ ডঃ নৃপেন গোস্বামী, বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতাৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## ছেৰফাংগুৰী মহাম্মদীয়া দ্বীনি মোক্তাবৰ ছাদ ঢালাইৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২ জুন ঃ** ধৰ্মশিক্ষাই নৈতিক শিক্ষা প্ৰদান কৰে। ধৰ্মশিক্ষাৰ প্ৰয়োজন আছে। তাৰ লগতে জেনেৰেল শিক্ষা গ্ৰহণ কৰিব লাগিব। দ্বীনি মোক্তাবৰ শিক্ষা গ্ৰহণ কৰাৰ লগতে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিব লাগিব। দ্বীনি মোক্তাবত ধৰ্মীয় শিক্ষাৰ জ্ঞান আহৰণ কৰাৰ লগতে জেনেৰেল শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষা লভিব লাগিব। অকল ধৰ্মীয় শিক্ষা গ্ৰহণ কৰি প্ৰকৃত শিক্ষিত হোৱা নাযায়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মীয় শিক্ষাৰ আদি পাঠ গ্ৰহণ কৰাৰ লগতে স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ শিক্ষা লোৱাৰ মনোবাঞ্চা ল'ব লাগিব। --এই ভাষ্য শ্ৰীৰামপুৰ সমষ্টিৰ এম চি এল এ সজল কুমাৰ সিংহৰ। ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ অন্তৰ্গত ছেৰফাংগুৰী মহাম্মদীয়া দ্বীনি মোক্তাবৰ কালি ছাদ ঢালাইৰ শুভ উদ্বোধন অনুষ্ঠানত অংশ গ্ৰহণ কৰি এম চি এল এ সজল সিংহই আৰু কয় যে কণ কণ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা দ্বীনি মোক্তাবখন ৰাইজৰ দান-বৰঙনিৰে চলাই কণ কণ ল'ৰা-ছোৱালীক ধৰ্মীয় শিক্ষাৰ বাট মুকলি কৰি দিয়াটো হৈছে সমাজৰ এক মহান কাম। এম চি এল এ সজল সিংহই আৰু কয় যে মই এজন হিন্দু সম্প্ৰদায়ৰ লোক হ'লেও আপোনালোকে মোক ইমান মৰম-স্নেহ দিছে, সেয়ে মই উপলব্ধি কৰিব পাৰিছো আপোনালোকৰ ধৰ্মীয় অনুষ্ঠানত আমন্ত্ৰণ জনাই বৰপীৰা দিয়াটোৱে। ৰাইজৰ দান-বৰঙনিৰে চলা দ্বীনি মোক্তাবখনৰ ছাদ ঢাইলৰ কামৰ বাবে এম চি এল এ সিংহই ব্যক্তিগতভাৱে ধন আগবঢ়ায়। ছেৰফাংগুৰী দ্বীনি মোক্তাবৰ সভাপতি ছালাম শ্বেখে ছাদ ঢালাই অনুষ্ঠানত উপস্থিত থকা অতিথিসকলৰ পৰিচয় পৰ্বৰ আঁত ধৰাৰ লগতে সাধাৰণ সম্পাদক জহিৰুল ইছলামে দ্বীনি মোক্তাবৰ ইতিহাসৰ থূলমূল আভাস দাঙি ধৰে। মৌলনা নাওশাদুল শ্বেখে দোৱা কৰে। ছাদ ঢালাই অনুষ্ঠানত গোসাইগাঁৱৰ জামে মছজিদৰ ইমাম মুফতি ছায়াদ আলী উপস্থিত থাকি কোৰান হাদীছৰ ব্যাখ্যা আগবঢ়ায়।

## চিৰাং জিলা প্ৰেছ ক্লাবৰ উপদেষ্টা অমৃত নাৰায়ণ পাটগিৰি দুৰ্ঘটনাত আহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজলগাঁও, ২ জুন ঃ** চিৰাং জিলা প্ৰেছ ক্লাবৰ উপদেষ্টা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, সাহিত্য সেৱী, বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উপাধক্ষ্য হিচাপে অৱসৰ গ্ৰহণ কৰা অমৃত নাৰায়ণ পাটগিৰি দুৰ্ঘটনাত পতিত হৈ বাওঁভৰি ভাঙি সম্প্ৰতি শৰ্য্যাগত অৱস্থাত আছে। জানিব পৰামতে কালি ৰাতিপুৱা নিজ ঘৰতে ছেয়াৰৰ ওপৰত উঠি ছাফাই কাম কৰি আছিল। হঠাতে ছেয়াৰৰ পৰা পিছলি পৰি বাওঁ ভৰি খন ভাঙি যায়। লগে লগে বঙাইগাঁও লৰাৰ আসাম নাৰ্চিং হোমত লৈ যোৱা হয়। তাতে চিকিৎসা কৰি ঔষধ-পাতি দি নিজ ঘৰলৈ পঠিয়াই দিয়ে চিকিৎসকে। ঘৰত আহি হাৰ ভঙা, মছকা চিকিৎসা কৰা কৰিৰাজৰ দ্বাৰা সম্প্ৰতি চিকিৎসা কৰি আছে।

**RE E-TENDER NOTICE**

The Superintending Engineer, PWD Jorhat Building Circle, Jorhat Assam on behalf of the Governor of Assam invites bids for the following works under P.W.D. (Bldg) Assam from registered contractor having requisite experience in similar nature of works. Details may be seen at e-procurement portal website. ie-www.assamtenders.gov.in

| Sl No | Name of work | Approx value of the work (Rs. In Lakh) | Time of completion | Bid security(2% for general and 1% for Reserved Category) to be drawn in favour of | Cost of bid (Rs.) |
|---|---|---|---|---|---|
| 1 | 117 Tea Garden Schools and The Development of their Infrastructure (Additional Infrastructure like Addl. Classrooms. Laboratories etc.) at various places of Assam (7 nos at Jorhat Dist and 8 nos at Golaghat Dist) At Group-1 (i) Naginijan Tea Estate Jorhat (ii) Saraipani Tea Estate Jorhat | Rs.95,23,830.00 | 12 (Twelve) Months | 1.Internet Banking of State Bank or any other bank Multi Option Payment System (SBMOPS)/ on http.assamtenders.gov.in 2. NEFT/RTGS in case of offline payment from any bank | Rs.1900.00 |

Note:- 1. The work will be allotted only after receiving of the Govt. approval.
2. The bidders must be enrolled in www.assamtenders.gov.in

Sd/-
Superintending Engineer, PWD
Jorhat Building Circle, Jorhat

Janasanyog /C/3623/22

## প্ৰাক্তন শিক্ষা বিষয়া আনোৱাৰ হুছেইনৰ গ্ৰেপ্তাৰৰ পিছতেই আতংকিত হৈ পৰিছে কাৰ্যকালত নিযুক্তি লাভ কৰা একাংশ শিক্ষক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ জুন ঃ** শিৱসাগৰ জিলাৰ প্ৰাক্তন শিক্ষা বিষয়া আনোৱাৰ হুছেইনৰ দিনত অবিভক্ত শিৱসাগৰ জিলাখনত হোৱা শিক্ষক নিযুক্তিক লৈ ইতিমধ্যে এটা সংগঠনৰ অভিযোগৰ ভিত্তিত প্ৰাক্তন শিক্ষা বিষয়াগৰাকীক শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। প্ৰাক্তন শিক্ষা বিষয়াগৰাকীক গ্ৰেপ্তাৰৰ পিছতে সমগ্ৰ অবিভক্ত শিৱসাগৰ জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ উপৰি মন্ত্ৰী-বিধায়ক আৰু বিধায়কভগ্নীৰ ফৰমাইচত যিসকলে অবিভক্ত শিৱসাগৰ জিলাখনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল তেওঁলোকৰ চকুত এতিয়া টোপনি নাইকিয়া হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে নিদ্ৰা হৰণ হৈছে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা আৰু মহকুমা শিক্ষা বিষয়াৰ কাৰ্যালয়ত তেতিয়াৰ পৰা বৰ্তমানলৈকে চাকৰি কৰি থকা এচাম দুৰ্নীতিপৰায়ণ বিষয়াৰ। আমাৰ হাতত পৰা তথ্যানুযায়ী ইতিমধ্যে প্ৰয়াত মন্ত্ৰী অঞ্জন দত্তৰ ফৰমাইচত অবিভক্ত শিৱসাগৰ জিলাখনৰ অনুপযুক্ত বহুজনে শিক্ষকৰ চাকৰি লাভ কৰিবলৈ সক্ষম হৈছিল। অঞ্জন দত্তৰ উপৰি থাওৰা সমষ্টিৰ সেই সময়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰয়াত দেৱানন্দ কোঁৱৰৰ তালিকাতো সমষ্টিটোৰ বহুখিনিয়ে শিক্ষকৰ চাকৰি লাভ কৰিছিল। একেদৰে বৰ্তমানৰ আমগুৰি সমষ্টিৰ অগপৰ বিধায়ক প্ৰদীপ হাজৰিকা, মাহমৰা সমষ্টিৰ তেতিয়াৰ অগপ নেতা হিৰণ্য কোঁৱৰ, প্ৰাক্তন মন্ত্ৰী শৰৎ বৰকটকী, প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ভাতৃ ৰোহিতেশ্বৰ শইকীয়া আদিৰ তালিকা আৰু ফৰমাইচত ইতিমধ্যে বহুতেই জিলাখনৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল। আনহাতে কেঁচু খান্দোতে সাপ ওলোৱাৰ দৰে এতিয়া জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত আন এক গুৰুতৰ অভিযোগ পোৱা গৈছে। যিহেতু কালিৰ পৰা কেইবা বছৰৰ পূৰ্বে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ যোগেদি অ' বি বি শিক্ষকৰ নিযুক্তি হৈছিল, এই শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পিছতেই নিযুক্তি প্ৰক্ৰিয়াৰ কাম চলাই গৈছিল শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা পৰিদৰ্শকৰ কাৰ্যালয়ৰ এচাম কৰ্মচাৰীয়ে। চূড়ান্ত অনিয়মৰ মাজেদি অ' বি বি শিক্ষকসকলক নিযুক্তি প্ৰদান কৰা হৈছিল বুলি আজিও অভিযোগ আছে যদিও ইয়াৰ তদন্ত নহ'ল। সেই সময়ত এই নিযুক্তি প্ৰক্ৰিয়াত অঘোষিত পৰিদৰ্শক আৰু শিক্ষা বিষয়াৰ দৰে কাৰ্যনিৰ্বাহ সম্পন্ন কৰা বিভাগটোৰ কেইবাগৰাকী কৰ্মচাৰীৰ নাম সঘনাই উচ্চাৰণ হৈছিল। সেই সময়ছোৱাত এইকেইগৰাকী কৰ্মচাৰীয়ে বাতৰিকাকতৰ সংবাদ শিৰোনামো দখল কৰিবলৈ সক্ষম হৈছিল। এইসকলৰ ভিতৰত এতিয়াও শিৱসাগৰস্থ পৰিদৰ্শক তথা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত বৰ্তমান নিয়োজিত হৈ থকা যামিনী নাথ, প্ৰয়াত হীৰেন দত্তৰ লগতে বৰ্তমান অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰজিতা শইকীয়া। এইসকল কৰ্মচাৰীৰ দিনত নিযুক্তি প্ৰক্ৰিয়াত বহু অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে বৰ্তমান কাৰাগাৰত থকা প্ৰাক্তন শিক্ষা বিষয়া আনোৱাৰ হুছেইনৰ পত্নী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী চিলভীয়া চালমা মুৰ্তাজা বেগমে শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম সংঘটিত হোৱাৰ বহু গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ইয়াৰ লগতে তেওঁ নিযুক্তি প্ৰক্ৰিয়াত বহু ৰাজনৈতিক নেতা-পালিনেতাৰ হস্তক্ষেপৰ কথা প্ৰকাশ কৰিছে। এই প্ৰতিবেদকৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ কয় যে মন্ত্ৰী-বিধায়কে তেওঁলোকৰ প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিবৰ বাবে একোখনকৈ তালিকা পৰ্যন্ত প্ৰেৰণ কৰিছিল। মন্ত্ৰী-বিধায়কসকলৰ তালিকা মতে নিযুক্তি নিদিলে পৰৱৰ্তী সময়ত তেওঁৰ স্বামীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰো হুংকাৰ পৰ্যন্ত দিছিল বুলি অভিযোগ কৰে। ইয়াৰ লগতে মুৰ্তাজা বেগমে অ' বি বি শিক্ষক নিযুক্তি প্ৰক্ৰিয়াক লৈ প্ৰকাশ কৰে যে বৰ্তমান শিৱসাগৰ জিলা প্ৰাথমিক বিষয়াৰ কাৰ্যালয়ত নিয়োজিত হৈ থকা একাংশ কৰ্মচাৰীৰ আয়-ব্যয় আৰু সম্পত্তিৰ তালিকাক লৈ যদি এক উচ্চ পৰ্যায়ৰ তদন্ত আৰম্ভ হয়, তেন্তে নিশ্চিতভাৱে জোলোঙাৰ মেকুৰী ওলাই পৰিব, ইয়াৰ লগতে অ' বি বি শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত তেওঁলোকে কেনেদৰে অনিয়ম সংঘটিত কৰিছিল সেয়াও পৰিষ্কাৰ হৈ পৰিব বুলি দাবী কৰে বেগমে।

# নলবাৰী কুংফু স্প'ৰ্টছ এছ'চিয়েচনৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২ জুন ঃ** গোলাঘাট কুংফু স্প'ৰ্টছ এছ'চিয়েচনৰ উদ্যোগত আৰু অসম কুংফু স্প'ৰ্টছ এছ'চিয়েচনৰ অধীনত গোলাঘাট চহৰত অনুষ্ঠিত হোৱা দশম বাৰ্ষিক ৰাজ্যিক ভিত্তিত কুংফু প্ৰতিযোগিতা-২০২২ যোৱা ২৭, ২৮ আৰু ২৯ মে'ত ল'ৰা-ছোৱালী উভয়ৰে ছাব-জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত প্ৰতিযোগিতখন অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত নলবাৰী জিলা কুংফু স্প'ৰ্টছ এছ'চিয়েচনৰ পৰা ২৩ জনীয়া এটি দলে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত নলবাৰীৰ দলটোৱে ৯টা সোণৰ পদক, ৬টা ৰূপৰ পদক আৰু ৬ টা ব্ৰঞ্জৰ পদক লাভ কৰি মুঠ ২১টা পদক লাভ কৰি দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে জিলাখনলৈ সুনাম কঢ়িয়াই আনে । সোণৰ পদক লাভ কৰা খেলুৱৈসকল হ'ল অন্নিশা ভৰদ্বাজ, দৰিষ্ঠা বৰ্মন, ৰিহান জাফৰি, চাহিল কুমাৰ ঠাকুৰ, অনিল হক চৌধুৰী, চয়নিকা দেৱী, সুজিত শইকীয়া আৰু নিবিৰ নিজান শৰ্মা। ৰূপৰ পদক লাভ কৰা খেলুৱৈসকল হ'ল ৰিষ্টিয়ানা ৰিয়ান, চাকিল আহমেদ, জাফ্ৰিন যেন আখতাৰ আৰু নিলাংশু কলিতা। আনহাতে, ব্ৰঞ্জৰ পদক লাভ কৰা খেলুৱৈসকল হ'ল অভ্ৰজিৎ সুভাষ ডেকা, হাৰ্দিক তালুকদাৰ, হৃত্বিক লহকৰ আৰু কৃষাণু লহকৰ। উল্লেখ্য যে টাওলু ইভেণ্টততো অংশগ্ৰহণ কৰি খেলুৱৈসকলে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। সোণৰ পদক লাভ কৰে দৰিষ্ঠা বৰ্মনে। ৰূপৰ পদক লাভ কৰে ৰিহান জাফৰি, হাৰ্দিক তালুকদাৰ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে অন্নিশা ভৰদ্বাজে।

# ৰাষ্ট্ৰীয় যুৱ টেবুল টেনিছত অসমৰ প্ৰিয়ানুজৰ সোণ লাভ

## ১০ বছৰ পাছত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হ'ল অসমৰ পেডলাৰে

**গুৱাহাটী, ২ জুন ঃ** অসমৰ প্ৰতিভা সম্পন্ন পেডলাৰ প্ৰিয়ানুজ ভট্টাচাৰ্যই গৌৰৱময় সফলতা লাভ কৰি নতুন ৰাষ্ট্ৰীয় চেম্পিয়ন হিচাপে ৰাজ্যলৈ আশাৰ বাতৰি লৈ আনিছে। উল্লেখ্য যে সুদীৰ্ঘ ১০ বছৰৰ পাছত অসমৰ প্ৰথমগৰাকী পেডলাৰ হিচাপে আজি তেওঁ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ টেবুল টেনিছ প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ইন্দোৰত অনুষ্ঠিত ৮৩ সংখ্যক কেডেট আৰু ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ ল'ৰা শাখাৰ ১৫ বছৰ অনূৰ্দ্ধ শাখাত প্ৰিয়ানুজে এই চমকপ্ৰদ সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। আজি অনুষ্ঠিত হোৱা ফাইনেলত গুৱাহাটীৰ উদীয়মান খেলুৱৈগৰাকীয়ে হিমাচল প্ৰদেশৰ নমন ভাটনগৰক ৪-২ ৰ ব্যৱধানত হৰুৱাই নতুন ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান অৰ্জন কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে অসমৰ অন্তিমগৰাকী ৰাষ্ট্ৰীয় চেম্পিয়ন আছিল বাৰ্ডি বড়ো। তেওঁ ২০১২ ত ছাব-জুনিয়ৰ শাখাত ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল। এটা দশকৰ অপেক্ষাৰ অন্তত আজি প্ৰিয়ানুজ ভট্টাচাৰ্যই ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলি অসমৰ ক্ৰীড়াক্ষেত্ৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ এই সাফল্যই অসমৰ উদীয়মান পেডলাৰসকলক স্বাভাৱিকতেই প্ৰেৰণা দিব লগতে অসম টেবুল টেনিছৰ সোণালী দিন পুনৰ মুকলি হোৱাৰ আশা সজীৱ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে যোৱা মাহত ভাৰতীয় দলৰ হৈ খেলি দক্ষিণ এছিয়া জুনিয়ৰ-কেডেট টেবুল টেনিছত সোণৰ পদক লাভ কৰিছিল অসম সন্তান প্ৰিয়ানুজে। মালদ্বীপত ন মে'ৰ পৰা ১১ মে'লৈ অনুষ্ঠিত হয় দক্ষিণ এছিয়া জুনিয়ৰ আৰু কেডেট টেবুল টেনিছ প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখনতে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ প্ৰতিভা সম্পন্ন পেডলাৰ প্ৰিয়ানুজ ভট্টাচাৰ্যই কেৰিয়াৰৰ প্ৰথমটো আন্তৰ্জাতিক পদক লাভ কৰাৰ সফলতা অৰ্জন কৰে। প্ৰিয়ানুজসহ ভাৰতীয় দলটোৱে দক্ষিণ এছিয়া জুনিয়ৰ-কেডেট টেবুল টেনিছত পাকিস্তান, নেপাল আৰু বাংলাদেশক হৰুৱাইছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বে বিশ্ব টেবুল টেনিছ য়ুথ কনটেণ্ডাৰৰ বাবে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল অসম সন্তান প্ৰিয়ানুজে। অষ্ট্ৰিয়াৰ লিঞ্জত যোৱা ২৭ এপ্ৰিলৰ পৰা ছয় মে'লৈ অনুষ্ঠিত হয় এই টুৰ্ণামেণ্টখন। ইফালে, প্ৰিয়ানুজক সোণৰ পদক লাভ কৰাৰ বাবে অসম টেবুল টেনিছ সন্থাৰ সভাপতি পীযূষ হাজৰিকা, সম্পাদক ত্ৰিদীপ দুৱৰাকে ধৰি সন্থাৰ বিষয়ববীয়াসকলে অভিনন্দন জনাইছে । বৰ্তমান দিল্লীত নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা প্ৰিয়ানুজ হ'ল গুৱাহাটীৰ বাস্কেটবল প্ৰশিক্ষক ভৱজ্যোতি ভট্টাচাৰ্য আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় বাস্কেটবল খেলুৱৈ দীপশিখা দত্ত ভট্টাচাৰ্যৰ পুত্ৰ।



### ফ্ৰেন্স অ'পেনৰ পুৰুষৰ ডাবলছ শাখা

## ছেমি ফাইনেলত পৰাস্ত হৈ বিদায় ৰোহন বোপান্না যুটিৰ

**পেৰিছ, ২ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনত ভাৰতৰ প্ৰত্যাহ্বান সমাপ্ত হৈছে। ছানিয়া মিৰ্জাৰ বিদায়ৰ পাছত আজি পুৰুষৰ ডাবলছ শাখাৰ ছেমিফাইনেলত পৰাজয় বৰণ কৰি বিদায় লয় ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ সংগী মিডেলকুপ। মাৰ্চেলো আৰেভালো আৰু জিন-জুলিয়েন ৰ'জাৰৰ হাতত ছেমিফাইনেলত পৰাজয়ৰ লগে লগে ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ ডাচ সংগী মেটৱে মিডেলকুপৰ সপোনৰ দৌৰৰ অন্ত পৰে। উল্লেখ্য যে ১৬ নং বাছনিপ্ৰাপ্ত বপান্না আৰু মিডেলকুপে এল ছালভাডৰ আৰু নেদাৰলেণ্ডৰ ১২ নং বাছনিপ্ৰাপ্ত যুটিৰ হাতত ৬-৪, ৩-৬, ৬-৭ ত পৰাস্ত হয়। পুৰুষৰ ডাবলছ শাখাৰ ছেমিফাইনেল মেচখন দুঘণ্টা সাত মিনিট ধৰি চলিছিল। উল্লেখ্য যে ২০১৩ ত লিয়েণ্ডাৰ পেছে ইউ এছ অ'পেনত জয়লাভ কৰাৰ পিছত কোনো ভাৰতীয়ই গ্ৰেণ্ড শ্লেম পুৰুষৰ ডাবলছ ফাইনেলত খেলা নাছিল। এইবাৰ বোপান্নাই ন বছৰৰ পাছত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমজন ভাৰতীয় হোৱাৰ দিশে অগ্ৰসৰ হৈছিল যদিও সপোন অপূৰ্ণ হৈ থাকিল। উল্লেখ্য যে বেপান্নাই প্ৰথম আৰু শেষবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ ফাইনেলত অংশগ্ৰহণ কৰিছিল ২০১০ ত পাকিস্তানৰ সংগী আইছাম-উল-হক কুৰেৰেছিৰ লগত। কিন্তু ফাইনেলত কিংবদন্তি ব্ৰায়ান ভাতৃদ্বয় বব আৰু মাইকৰ হাতত পৰাস্ত হৈছিল ভাৰত-পাকিস্তান যুটীতো। ইয়াৰপূৰ্বে ভাৰতৰ ছানিয়া মিৰ্জাও চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ মহিলাৰ ডাবলছ শাখাৰ পৰা বিদায়ৰ লৈছিল।

# ফ্ৰেন্স অপেনৰ ফাইনেলত পোলেণ্ডৰ ইগা



**পেৰিছ, ২ জুন ঃ** বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে ইগা ছুয়াটেকে তিনি বছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেন খিতাপ দখলৰ দিশত খোজ অব্যাহত ৰাখিছে। আজি তেওঁ ছেমিফাইনেলত ৰাছিয়াৰ ডাৰিয়া কাছাটকিনাক ৬-২, ৬-১ ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, নিজৰ মেচ জয়ৰ ধাৰাটো ৩৪লৈ বৃদ্ধি কৰে। স্মৰ্তব্য যে ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে যোৱা ফেব্ৰুৱাৰীৰ পৰা পৰাস্ত হোৱা নাই আৰু ২০১৩ ত ছেৰেনা উইলিয়ামছৰ ক্ৰমাগত ৩৪ খন মেচ জয়ৰ অভিলেখক স্পৰ্শ কৰিলে। অহা শনিবাৰৰ খিতাপৰ যুঁজত ইগা আমেৰিকাৰ কিশোৰী কোকো গাউফক আৰু ইটালীৰ মাৰ্টিনা ট্ৰেভিছানৰ বিজয়ীৰ বিৰুদ্ধে খেলিব। ইয়াৰপূৰ্বে আমেৰিকাৰ জেচিকা পেগুলাৰ বিৰুদ্ধে কোৱাৰ্টাৰত সহজ জয়লাভ কৰি ইগাই ফ্ৰেন্স অ'পেনৰ অন্তিম চাৰিত প্ৰৱেশ কৰিছিল। ৬-৩, ৬-২ ত জয়ী হৈছিল পোলেণ্ডৰ তাৰকাগৰাকী। বিপৰীতে অন্য এখন কোৱাৰ্টাৰত দেশৰ সতীৰ্থ ৰাছিয়ান ভেৰ'নিকা কুডাৰমেট'ভাক ৬-৪, ৭-৬ ত পৰাস্ত কৰি ডাৰিয়া কাছাটকিনাই প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আজি তেওঁৰ সপোন যাত্ৰা সমাপ্ত হ'ল। উল্লেখ্য যে ইয়াৰপূৰ্বে কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। এতিয়া ২৮ বছৰীয়া ৰিয়ানে ফাইনেলত স্থান লাভৰ বাবে মুখামুখি হ'ব কোকো গাউফৰ। আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হয়।

# ৰাজ্যিক মাষ্টাৰ্ছ এথলেটিক্‌ছৰ সফল সামৰণি

**গুৱাহাটী, ২ জুন ঃ** অসম এথলেটিক্‌ছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত দুদিনীয়াকৈ অনুষ্ঠিত প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিক্‌ছ প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ ঊৰ্ধ্বৰ ৰাজ্যখনৰ এথলীটসকলৰ অংশগ্ৰহণে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তোলে। এই ৰাজ্যিক প্ৰতিযোগিতাখনত বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদৰাত ভাৰতীয় এথলেটিক্‌ছ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনত প্ৰায় ৪০০তকৈও অধিক ইভেণ্ট অনুষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে আয়োজিত প্ৰতিযোগিতাখনত ৮০ ঊৰ্ধ্বৰ খেলুৱৈসকলৰ অংশগ্ৰহণে দৰ্শক হিচাপে উপস্থিত থকা যুৱ-প্ৰজন্মৰ খেলুৱৈসকলক উৎসাহিত কৰি তোলে। বিশেষকৈ খেলত অংশগ্ৰহণ কৰি 'আমাৰ খেল চাই আমাৰ নাতি-নাতিনী খেলিবলৈ ওলাই আহক বুলি ৮০ ঊৰ্ধ্বৰ এথলীট এগৰাকীয়ে মন্তব্য প্ৰকাশ কৰে। অসম এথলেটিক্‌ছ সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা প্ৰতিযোগিতাৰ প্ৰতিটো পদক্ষেপক প্ৰসংশা কৰি ভিন্ন জিলাৰ পৰা অহা এথলীটসকলে লগতে প্ৰকাশ কৰে যে 'খেল খেলি প্ৰথমবাৰৰ বাবে ইভেণ্ট সমাপ্তিৰ পিছতে মেডেল লাভ কৰিবলৈ সক্ষম হোৱাটো এক ইতিহাসস্বৰূপ বুলি মন্তব্য কৰে এথলীটসকলে।

# বক্সাৰ অভিজিতক সহযোগিতাৰ আশ্বাস ক্ৰীড়ামন্ত্ৰী বিমল বৰাৰ



**গুৱাহাটী, ২ জুন ঃ** বিশ্ব বক্সিং কাউন্সিল আৰু এচিয়ান বক্সিং কাউঞ্চিলৰ অধীনত নতুন দিল্লী আৰু উত্তৰ প্ৰদেশত অনুষ্ঠিত প্ৰফেচনেল বক্সিঙৰ দুখনকৈ খেলত বিজয় সাব্যস্ত কৰি আফ্ৰিকাৰ টাঞ্জানিয়াত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় পেছাদাৰী বক্সিঙত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰা যোৰহাট তথা অসমৰ গৌৰৱ অভিজিত বৰুৱাই আজি যোৰহাট আৰৰ্ত্ত ভৱনত অসমৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ক্ৰীড়া মন্ত্ৰী বিমল বৰাই বক্সাৰ অভিজিত বৰুৱাক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ উপৰি বিদেশত অনুষ্ঠিত হ'বলগা আগন্তুক খেলখনৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মন্ত্ৰীজনে আগন্তুক খেলৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি সুন্দৰ খেল প্ৰদৰ্শন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ আহ্বান জনায়। উল্লেখ্য যে টাঞ্জানিয়াত অনুষ্ঠিত হ'ব লগা পৰৱৰ্তী খেলত অংশগ্ৰহণ কৰিবলৈ খেলুৱৈজনক যথেষ্ট অৰ্থৰ প্ৰয়োজন। কিন্তু সম্পূৰ্ণ ব্যক্তিগত প্ৰচেষ্টাৰে পেছাদাৰী বক্সিঙত প্ৰথমবাৰৰ বাবে অসমৰ নাম খোদিত কৰিবলৈ আগবাঢ়ি যোৱা উদীয়মান বক্সাৰজনৰ সেই খৰচ বহন কৰাৰ বাবে আগবাঢ়ি আহিছে যোৰহাটৰ বিশিষ্ট উদ্যোগপতি তথা কাজিৰঙা বিশ্ববিদ্যালয়ৰ স্বত্বাধিকাৰ বসন্ত খৈটান। ইপিনে, আজি সাক্ষাৎ কালত ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰীজনে সহায়ৰ আশ্বাস প্ৰদান কৰাত উৎফুল্লিত হৈ পৰিছে অভিজিত।

# আন্তঃ বিদ্যালয় ফুটবল প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ২ জুন ঃ** চৰাইদেউ জিলাৰ মৰাণ ক্ৰীড়া সন্থাৰ উদ্বোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত আজিৰ পৰা একাদশ বাৰ্ষিক জিয়াউৰ ৰহমান সোঁৱৰণী মৰাণ আন্তঃ বিদ্যালয় ফুটবল প্ৰতিযোগিতা খন অনুষ্ঠিত হৈছে । আজি উদ্বোধনী খেল খনত শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ে স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক ৫-০ গলত পৰাজিত কৰি পৰৱৰ্তী পৰ্যায়ত প্ৰৱেশ কৰিছে । বিজয়ী দলটোৰ হৈ গল দিয়ে অভিজ্ঞান বৰুৱা, পাচুৰ্য গগৈ আৰু দুৰ্লভ ফুকনে ।খেল খন পৰিচালনা কৰে জুন বৰগোহাঁয়ে । লাইনত সহায় কৰে কৌস্তুভ গগৈ আৰু দিগন্ত সোণোৱালে । চতুৰ্থ ৰেফাৰী ত্ৰিদীপ ফুকন । খেলৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে মৰাণ ক্ৰীড়া সন্থাৰ সভাপতি অজয় মহনে । উদ্বোধন কৰে শিৱসাগৰ জিলাৰ অৱসৰ প্ৰাপ্ত বিদ্যালয় পৰিদৰ্শক আব্দুল জেলিলে।

# ৪ জুনৰ পৰা চতুৰ্থ খেলো ইণ্ডিয়া গেমছ

**পাঞ্চকুলা, ২ জুন ঃ** অহা চাৰি জুনৰ পৰা আৰম্ভ হ'বলগীয়া খেলো ইণ্ডিয়া ইউথ গেমছ খেলুৱৈৰ অংশগ্ৰহণৰ দৃষ্টিৰে শ্ৰেষ্ঠ হ'ব। উল্লেখ্য যে এইবাৰৰ খেলো ইণ্ডিয়া ইউথ গেমছত ২২৬২ গৰাকী ছোৱালীকে ধৰি প্ৰায় ৪৭০০ খেলুৱৈ আৰু তেওঁলোকৰ সহায়ক কৰ্মচাৰীৰ বাবে ৰেড কাৰ্পেট প্ৰস্তুত কৰিছে আয়োজক হাৰিয়ানাই। ইফালে, মুকলি অনুষ্ঠানৰ বাবে হাৰিয়ানাৰ পাঞ্চকুলাৰ তাউ দেৱী লাল কমপ্লেক্স ন-কইনাৰ দৰে সজাই তোলা হৈছে। উল্লেখ্য যে এইবাৰ গেমছৰ জনপ্ৰিয় খেলসমূহৰ ভিতৰত আছে এথলেটিকছ, ফুটবল, বেডমিণ্টন, টেবুল টেনিছ, কাবদী, হেণ্ডবল, ৰেছলিং, ভলীবল, বক্সিং আৰু পাঁচবিধ পৰাম্পৰাগত খেল। প্ৰথমবাৰৰ বাবে ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে খেলো ইণ্ডিয়া যুৱ গেমছৰ এই সংস্কৰণত অংশগ্ৰহণ কৰিছে। আয়োজক হাৰিয়ানাই ৩৯৮ গৰাকী খেলুৱৈৰ সৰ্ববৃহৎ দলটোক সাজু কৰাৰ বিপৰীতে আন্দমান এণ্ড নিকোবাৰে ছজনীয়া আটাইতকৈ সৰু দলটো। হাৰিয়ানাৰ ক্ৰীড়া বিভাগৰ উপ-সঞ্চালক সত্যদেৱ মালিকে চতুৰ্থ খেলো ইণ্ডিয়া ইউথ গেমছ আয়োজন সন্দৰ্ভত কয় যে হাৰিয়ানা এখন ক্ৰীড়া ৰাজ্য আৰু গেমছত এক ঐতিহসিক পৰিৱেশ সৃষ্টি কৰিবলৈ আগ্ৰহী যিটো সকলোৰে চিৰদিনলৈ মনত ৰাখিব।

# খেলো ইণ্ডিয়াৰ ভাৰোত্তোলনত অসমৰ পদক লাভৰ আশা

**গুৱাহাটী, ২ জুন ঃ** হাৰিয়ানাত হ'বলগা চতুৰ্থ খেলো ইণ্ডিয়া য়ুথ গেমছৰ বাবে অসম ভাৰোত্তোলন দলে অনুশীলন কৰে দিছপুৰত। শিবিৰত প্ৰশিক্ষন দিয়ে দুই এন আই এছ প্ৰশিক্ষক অনুপ কোঁৱৰ আৰু পাৰ্বতী তামাঙে । দলৰ প্ৰস্তুতিত সন্তুষ্ট প্ৰশিক্ষকদ্বয়। উল্লেখ্য যে হাৰিয়ানাৰ পঞ্চকুলাত অহা চাৰি জুনৰ পৰা আৰম্ভ হ'ব চতুৰ্থ খেলো ইণ্ডিয়া য়ুথ গেমছ। এই প্ৰতিযোগিতাৰ বাবে অসমক প্ৰতিনিধিত্ব কৰিবলগা বিভিন্ন ক্ৰীড়া ইভেণ্টৰ দলবোৰক প্ৰস্তুত কৰি তোলা হৈছে । দল প্ৰস্তুতিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰিছে। দিছপুৰৰ ভোগেশ্বৰী ফুকননী ইনড'ৰ হলত প্ৰস্তুতি চলোৱা হৈছে অসম ভাৰোত্তোলন দলৰ। অসম দলৰ প্ৰস্তুতিত প্ৰশিক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰিছে এন আই এছ প্ৰশিক্ষকদ্বয় অনুপ কোঁৱৰ আৰু পাৰ্বতী তামাঙে। পূৰ্বতে ভাৰতীয় যুৱ ভাৰোত্তোলন দলৰ প্ৰশিক্ষক হিচাপে অভিজ্ঞতা থকা অনুপ কোঁৱৰে এই প্ৰশিক্ষণ শিবিৰটো ফলদায়ক হ'ব বুলি কয়। উল্লেখ্য যে বিগত গুৱাহাটীত অনুষ্ঠিত তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছত অসমৰ ভাৰোত্তোলকসকলে স্বৰ্ণসহ কেইবাটাও পদক অৰ্জন কৰিছিল। সেই দিশৰ পৰা হাৰিয়ানাত অসমৰ খেলুৱৈসকলে পদক লাভ কৰিব বুলি আশা কৰা হৈছে।

# ফ্ৰেন্স অ'পেনত মিক্সড ডাবলছৰ খিতাপ লাভ এনা-ৰেছলীৰ



**পেৰিছ, ২ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনত মিক্সড ডাবলছৰ খিতাপ লাভ কৰিছে নেদাৰলেণ্ডৰ ৰেছলী কুলহফ আৰু জাপানৰ এনা শ্বিবাহাৰাই। উল্লেখ্য যে ফাইনেলত নৰৱেৰ উলৰিকে আইকেৰী আৰু জোৱান ভঞ্জলিগেনৰ যুটিক ৭-৬, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি নেদাৰলেণ্ড-জাপানৰ মিক্সড ডাবলছৰ যুটিটোৱে প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ খিতাপ দখল কৰে। উল্লেখ্য যে প্ৰথম ছেটৰ আৰম্ভণিতে শ্বিবাহাৰা আৰু ক'লহফে পইণ্ট ব্ৰেক বেক কৰে। মাথোঁ আইকেৰী আৰু ভঞ্জলিগেনে ৪-৫ ত ব্ৰেক বেক কৰি টাইব্ৰেকত ছেটটো নিৰ্ণয় কৰাৰ পূৰ্বে শ্বিবাহাৰাই নেটত শেষ কৰি দ্বিতীয় বাছনিৰ যুটিটোৱে অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়।

# সদৌ অসম আন্তঃ ক্লাব টাইকোৱান-ড'

**গুৱাহাটী, ২ জুন ঃ** নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফুকন হলত অনুষ্ঠিত প্ৰথম সদৌ অসম আন্তঃ ক্লাব টাইকোৱান-ড' প্ৰতিযোগিতাত যোৰহাট জিলা টাইকোৱানডো সন্থা এটি ৮০জনীয়া দলে অংশ গ্ৰহণ কৰে। উন্নত মানৰ কলা প্ৰদৰ্শনেৰে উক্ত প্ৰতাযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে যোৰহাট দলে। সমগ্ৰ অসমৰ প্ৰায় ১২০০ প্ৰতিযোগীৰ সমাৱেশ ঘটা এই প্ৰতিযোগিতাত শোণিতপুৰ জিলাই শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

# কামৰূপ জিলা উশ্বু চেম্পিয়নশ্বিপ ২০২২ৰ খেল বকোত আৰম্ভ

দৈনন্দিন বাৰ্তা সেৱা, বকো ২ জুন - ক্ৰীড়া প্ৰতিভাৰ যোগেদি নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে সু স্বাস্থ্যৰ গৰাকী হোৱাৰ লক্ষ্যৰে কামৰূপ জিলা উশ্বু এচোছিয়েচনে আয়োজন কৰি আহিছে চেম্পিয়নশ্বিপ প্ৰতিযোগিতা। বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকোত আয়োজন কৰা হৈছে জিলা পৰ্য্যায়ৰ ২০২২ বৰ্ষৰ খেল খন। উল্লেখ্য যে ; আজিৰ পৰা বকোস্থিত বিষুও ৰাভা প্ৰেক্ষাগৃহত দুইদিনীয়াকৈ আয়োজন কৰা হৈছে প্ৰতিযোগিতা খন। কামৰূপ জিলা উশ্বু এচোছিয়েশ্যনৰ সভাপতি তথা ক্ৰীড়া সংগঠক নিত্যানন্দ বিয়োগী আৰু সম্পাদক দূৰ্গেশ্বৰ ৰাভাই জনোৱা মতে কামৰূপ জিলা উশ্বু এচোছিয়েশ্যনৰ উদ্যোগত এই বেলি পোন্ধৰ সংখ্যক বৰ্ষৰ চাৰ জুনিয়ৰ ; জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ খেল



অনুস্থিত কৰা হৈছে। ইফালে আজি আবেলিৰ ভাগত সভাপতি নিত্যানন্দ বিয়োগীয়ে পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰা খেল খন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফনিন্দ্ৰ চন্দ্ৰ নাথে। জানিব পৰা মতে জিলা খনৰ বহু স্থানৰ খেলুৱৈয়ে আহি অংশগ্ৰহণ কৰা খেলৰ আজি ডেমো প্ৰদৰ্শন কৰা হয় আৰু কাইলৈ পুৱাৰে পৰা প্ৰতিদ্বন্দ্বিতা মুলক প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হ'ব। যুৱ প্ৰতিভাৰ খেলুৱৈৰ ভৱিষ্যত উজ্বল কামণা কৰি আয়োজন কৰা খেলত ক্ৰীড়া প্ৰেমী সমাজৰ সহযোগ কামনা কৰিছে উদ্যোক্তা মণ্ডলীয়ে।


**NOTICE INVITING TENDER/QUOTATION**

Seal tender/quotation affixing court fee stamp with Rs. 8.25 (Rupees Eight & twenty-five paisa) hereby invited by the undersigned from supplier for supply of Fish Seed & Formulated Fish Feed of Dhemaji District. The following items to be supplied to the **beneficiary under RKVY-RAFTAAR, 2020-21.** The tender/quotation will be received up to 1.00 p.m. on 15/06/2022 and will be open on the same day at 1.30 p.m. in presence of tendcrer/quotationer or their representative. The tender committee reserved the right to accept or reject any or whole of the quotation without assigning any reason thereof. The detail terms and condition may be seen in the undersigned offices during office hours.

**TERMS AND CONDITIONS:**

1. The tenderer/quotationer should have upto date GST clearance certificate, if applicable. They should submit releva supporting documents (like supply order, successful completion certificate, performance certificate etc.) as proof. Ih should also submit their complete address, phone number, email address etc along with the tender/quotation.
2. Tenderer/quotationer for fish seed should be registered in the Fishery Department, Assam as Fish Seed Producer/Fish See Grower/Stockiest/Supplier etc. as per provision of Assam Fish Seed Act 2005. (Copy of up-to-date registration certificate to be enclosed)
3. Tenderer/quotationer of fish seed is to supply live and healthy seed to the beneficiaries in a single installment within stipulated time from the date of issue of the supply order at the project site in presence of concerned DFDO or his authorized representatives.
4. Fish Seed supplied are to be packed/delivered indicating species combination (equal quantity in each pack) as per convenience, pack-wise details of which must be properly documented in a sheet indicating species-wise quantity & si/e range. This document duly signed with seal by the supplier is to be submitted to the DFDO/his representatives at the time of delivery of seed.
5. Tenderer/quotationer of fish feed should be a registered fish feed manufacturer/authorized dealer/agent/supplier by the competent authority. (Supporting documents of registration/trade license as applicable to be furnished)
6. Tenderer/quotationer of fish feed should submit genuine certificate on quality of the feed quoted for including proximate composition of feed. The feeds should conform to ISO/ISI certification or authorization of original manufacture with quality certification preferably from ICAR institute/(State/Central) Agriculture Universities/recognized institutes.
7. The Tenderer/quotationer for fish feed should agree to arranged quality test of the feed sample in any ICAR institute/(State/Central) Agricultural Universities/recognized instates, if required, as asked by the department at an\ time of supply at their own cost. Department shall not bear any cost towards sample testing, if required.
8. Packaging of feed should be in equal quality in each pack/bag (preferably in 50 kg pack or as per original packing of the manufacturer). Feed composition, date of manufacturing, expiry date etc. should be mentioned in each pack/bag.
9. Transportation of materials to the delivery site is the sole responsible of the bider.
10. Preference may be given to owner of the hatcheries/fish feed mills constructed through support under different schemes of fishery department. Preference may also be given to the seed/feed produced within the jurisdiction of Assam.
I I. Tenderer/quotationer should have transportation license for fish seed and fish feed transportation, as applicable.
12. Item during/after supply, if not found conforming as per specification will be summarily rejected.
13. 2% Earnest money for General and 1% for ST, SC and others in the form of Bank draft of any nationalized Bank in favour of District Fishery Development Officer, Dhemaji is to be attached against bid value along with the quotations.
14. Duties, taxes, levies payable etc. if any are included in the contract amount and Government will not entertain any claim whatsoever in respect of the same.
15. In the event of failure to supply the same in time, this order will be treated as cancelled and the undersigned without prejudice to any other right or remedy shall be at liberty to for felt the earnest money/performance security deposited for the purpose. The payment will be made as per provision.
16. On completion of the supply, you are directed to submit the bill in triplicate to the undersigned along with the following for necessary payment.

➢ Copies of challan and Record of beneficiary wise details of quantity supplied with signature of the supplier and official FDOs responsible, countersigned by the DFDO concerned (on all pages) as per format given along with supply order.

➢ Beneficiary wise photographic evidence all duly signed by the concerned officer of concern block and countersigned by DFDO concerned.

| Sl. No. | Name of Schemes | Items | Quantity | Govt. Rate/Unit | Total Amount |
|---|---|---|---|---|---|
| | Cuchia Culture | Cuchia Seed(7-10mg) | 9600 Nos. | 10/- | 96000/- |
| | | Rice (For preparation boil rice) | 1800kg | 20/- | 16000/- |
| | | Fish Meal (Dry Fish) | 320kg | 120/- | 38400/- |
| | | Mustrard Oil cake | 320kg | 30/- | 9600/- |
| | Water-logg area converted to CT | Fish Seed (4" - 5") | 16000Nos | 4/- | 64000/- |
| | | Formulated Fish Feed (atleast 22% protein) | 7000kg | 26/- | 86086/- |

Janasanyog /C/3682/22

**District Fishery Dev. Office**
**Dhemaji**

### বিভিন্ন সমস্যাৰে জৰ্জৰিত পল্টন বজাৰ

## মধ্য গুৱাহাটী উন্নয়ন সমিতিয়ে স্মাৰকপত্ৰ প্ৰদান কৰিলে মেয়ৰ মৃগেন শৰণীয়াক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** মহানগৰীৰ পল্টন বজাৰৰ বিভিন্ন সমস্যা সমধানৰ দাবীত মধ্য গুৱাহাটী উন্নয়ন সমিতিয়ে আজি মেয়ৰ মৃগেন শৰণীয়াক এক স্মাৰকপত্ৰ প্ৰদান কৰে। পথচাৰীৰ বাবে ফুটপাথৰ অহা-যোৱা সুবিধা, ৰাজহুৱা শৌচালয় নিৰ্মাণ, বিনামূলীয়া খোৱাপানীৰ ব্যৱস্থা গ্ৰহণ কৰা, আধুনিক প্ৰযুক্তি গ্ৰহণ কৰি গুৱাহাটী চহৰৰ সৌন্দৰ্য বৰ্ধন কৰা, দেশ-বিদেশৰ পৰা গুৱাহাটীলৈ অহা যাত্ৰীসকলে পল্টন বজাৰৰ বিভিন্ন হোটেল আৰু ল'জত থাকিবলৈ লয়। যাত্ৰীসকলে গুৱাহাটীৰ বিষয়ে সুন্দৰ ধাৰণা যাতে লাভ কৰিব পাৰে, ইয়াৰ বাবে এটি গেট নিৰ্মাণৰ দাবী জনাই স্মাৰকপত্ৰ প্ৰদান কৰে মেয়ৰ মৃগেন শৰণীয়াৰ হাতত। মধ্য গুৱাহাটী উন্নয়ন সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ দাসে জানিবলৈ দিয়া অনুসৰি আজি গুৱাহাটী পৌৰ নিগমৰ উজান বজাৰৰ কাৰ্যালয়ত মেয়ৰ মৃগেন শৰণীয়া আৰু উপমেয়ৰ স্মিতা ৰয়ক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য, সমিতিৰ কাৰ্যকৰী সভাপতি দেৱাশীষ সেনগুপ্তা, সাধাৰণ সম্পাদক ক্ৰমে ৰাজীৱ দাস, শংকৰ চক্ৰৱৰ্তী, সদস্য মল্লিক নৱাজ, আহমেদ



হুছেইন, ন্যায়সীতা দত্ত, দীপজ্যোতি মিশ্ৰ, যুৱৰাজ শৰ্মাৰ উপস্থিতিত অতিশীঘ্ৰেই বৃহত্তৰ পল্টন বজাৰৰ সমস্যা সমাধানৰ দাবীত স্মাৰকপত্ৰ প্ৰদান কৰা হয়। এই ক্ষেত্ৰত স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহ পৰ্যায়ক্ৰমে সমাধানৰ আশ্বাস প্ৰদান কৰে মেয়ৰগৰাকীয়ে।

### মিজোৰাম হৈ উত্তৰ-পূবত প্ৰৱেশ দক্ষিণ-পশ্চিম মৌচুমী বায়ু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২ জুন ঃ** ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পূৰ্বতে সদৰী কৰা অনুসৰি কেৰালাত ২৯ মে'ত প্ৰৱেশ কৰিছিল দক্ষিণ-পশ্চিম মৌচুমী বায়ু । তাৰ পাছত কেবাখনো ৰাজ্যৰ ওপৰেৰে গতি কৰি মৌচুমী বায়ু আজি সন্ধিয়াৰ ভাগত উত্তৰ-পূবত প্ৰৱেশ কৰিছে । ইফালে বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰা অনুসৰি আজি পুৱা বাংলাদেশৰ ওপৰেৰে মিজোৰামত প্ৰৱেশ কৰে । তাৰ পাছত মণিপুৰ আৰু নাগালেণ্ডত প্ৰৱেশ কৰাৰ পাছত দক্ষিণ অসম আৰু উজনি অসমৰ দিশে গতি কৰিছে মৌচুমী বায়ু । আনহাতে মৌচুমী বায়ুৰ প্ৰভাৱত অহা দুদিনৰ ভিতৰত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ উপৰি ছিকিম আৰু পশ্চিমবঙ্গত প্ৰৱেশ কৰিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰিছে । যাৰ বাবে অহা তিনিদিনত উত্তৰ-পূবৰ আন কেবাখনো ৰাজ্যৰ লগতে অসমৰ বেছিভাগ ঠাইতে পাতলীয়া বৰষুণ হ'ব যদিও ঠাইবিশেষে গাজনি-ঢেৰেকনিৰ সৈতে প্ৰবল বৃষ্টিপাত হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰিছে।

## কামৰূপৰ কৃষি বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে কৃষিমন্ত্ৰী অতুল বৰাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২ জুন ঃ** কামৰূপ জিলা সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি কৃষিমন্ত্ৰী অতুল বৰাই কৃষি বিভাগৰ আয়ুক্ত ডাঃ ওম প্ৰকাশ, সঞ্চালক অনন্ত লাল জ্ঞানী, জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনৰ উপস্থিতিত জিলাখনৰ চক্ৰ বিষয়াসকল আৰু কৃষি বিভাগৰ বিষয়াসকলৰ সৈতে কৃষি বিভাগৰ বিভিন্ন কাম-কাজ তথা আঁচনিৰ পৰ্যালোচনা কৰে। বৈঠকত মূলতঃ জিলাখনত ৰূপায়ণ হৈ থকা 'প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি' আঁচনিখনৰ বৰ্তমানলৈকে ৰূপায়ণৰ স্থিতি তথা অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ এই কল্যাণকামী আঁচনিখনৰ সুবিধা লাভৰ পৰা যাতে কোনো যোগ্য কৃষক বঞ্চিত হ'বলগীয়া নহয়, তাৰ বাবে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত যুদ্ধকালীন ক্ষিপ্ৰতাৰে সকলো কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ লগতে এইক্ষেত্ৰত সহায়ক হোৱাকৈ গাঁও পঞ্চায়তসমূহকো সহযোগী হিচাপে লৈ কাম কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। বৈঠকত কৃষকৰ পৰা ধান ক্ৰয়ৰ স্থিতি, সাৰৰ উপলব্ধতা আৰু বিতৰণ তথা কৃষকক ৰাইচ মিল, পাম্প ছেট, কম্বাইণ্ড হাৰ্ভেষ্টৰ, পাৱাৰ টিলাৰ, ৰিপাৰ আদি কৃষি যন্ত্ৰ বিতৰণ ইত্যাদিৰো তেওঁ বুজ লয় বুলি জানিব পৰা গৈছে।

## হাজোত একেদিনাই কেইবাটাও উন্নয়নমুখী আঁচনিৰ আধাৰশিলা স্থাপন ছুপাৰ এক্টিভ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২ জুন ঃ** হাজোত ছুপাৰ এক্টিভ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ তৎপৰতাত উন্নয়নৰ নতুন দিগন্তৰ সূত্ৰপাত। আজি হাজোৰ কেইবাটাও অঞ্চলত উপস্থিত হৈ কেইবাটাও কামৰ শুভাৰম্ভ কৰে বিধায়িকা সুমন হৰিপ্ৰিয়াই। জানিব পৰা মতে, পোন প্ৰথমতে বিধায়িকা সুমন হৰিপ্ৰিয়াই উখুৰাৰ কেতেকীবাৰীস্থিত পশু চিকিৎসা উপকেন্দ্ৰটিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময়েৰে উক্ত অঞ্চলত এটি দুগ্ধ সমবায় কেন্দ্ৰ স্থাপন কৰিব বুলি জানিবলৈ দিয়ে । তাৰ পিছতে হাজোৰ বিষ্ণুপুৰত 'শ্যামা প্ৰসাদ মুখাৰ্জী ৰুৰবান মিছন' আঁচনিৰ অধীনত এটি সজাত মীন পালন প্ৰকল্পৰ শুভাৰম্ভণি কৰে। ইয়াৰ পিছতে হাজোৰ ৪ নং বাগটাৰ সাতদলাত পুনৰ 'শ্যামা প্ৰসাদ মুখাৰ্জী ৰুৰবান মিছন আঁচনি'ৰ অধীনত 'মাছ পোনা উৎপাদন কেন্দ্ৰ', 'অলংকৃত মাছ উৎপাদন কেন্দ্ৰ' আৰু সংমিশ্ৰিত মীন পালন আঁচনিৰ অধীনত পুখুৰীৰ পাৰত ফুল খেতি আঁচনিৰ শুভাৰম্ভ কৰি মীন বিপ্লৱেৰে নিবনুৱাসকলৰ মাজত আশাৰ ৰেঙনি কঢ়িয়াই আনিবলৈ প্ৰয়াস কৰা হয় । নিশ্চিতভাৱে মীন বিপ্লৱৰ জৰিয়তে হাজোত এক অভিলাষী উন্নয়নৰ সূত্ৰপাত হৈছে বুলি উল্লেখ কৰি বিধায়িকাৰ পদক্ষেপক একমুখে শলাগ লয় স্থানীয় ৰাইজে। উক্ত অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কাকতি, খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া, ৰঞ্জিত শৰ্মা, নগেন মালাকৰ, ১নং হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী টুটুমণি দাস, ২ নং হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধি, বিজেপি নেতা ভাস্কৰ ভৰালী, ব্ৰজেন্দ্ৰ ভৰালী, কিশোৰ ডেকা, অপূৰ্ব মজুমদাৰকে প্ৰমুখ্য কৰি প্ৰায়সংখ্যক লোক ও স্থানীয় ৰাইজ।

### অসম মহিলা উদ্যোগী বঁটা-২০২২ ঘোষণা

## বিহালীৰ নৱনীতা বৰালৈ শ্ৰেষ্ঠ গাঁৱলীয়া উদ্যোগ বঁটা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২ জুন ঃ** নিজকে আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তোলাৰ লগতে আন দহগৰাকী মহিলাকো সংস্থাপনৰ বাট দেখুওৱা বিশ্বনাথৰ বিহালী উচ্চ শিক্ষিত মহিলা নৱনীতা বৰালৈ 'মন পখিলা' নামৰ প্ৰতিভাৱান সংস্থাটোৱে অসমৰ উদ্যোগী



মহিলাসকললৈ পোন প্ৰথমবাৰৰ বাবে অসম মহিলা উদ্যোগী-২০২২ বঁটা ঘোষণা কৰিছে উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাগৰাকী প্ৰতিভাৱান উদ্যোগী মহিলালৈ। ইয়াৰ ভিতৰত বিশ্বনাথ চাৰিআলিৰ বিহালী সমষ্টিৰ নিজ বিহালীৰ নৱনীতা বৰালৈ সংস্থাটোৱে আগবঢ়াইছে ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ গাঁৱলীয়া উদ্যোগী বঁটা। উল্লেখযোগ্য যে ষ্টাৰ্টআপ ভেঞ্চাৰৰ আৰ্হিত মালবিকা শইকীয়াই মন পখিলা নামেৰে প্ৰতিভাৱান মহিলা এটা গোট যোৱা ২০১৯ চনতে জন্ম দি বিভিন্ন প্ৰতিভাক কৰ্মক্ষম কৰিবলৈ গৱেষণা কামত সহায় কৰি আহিছে, লগতে কিশ্ম ভেঞ্চাৰ প্ৰা: লিঃ সংগঠনৰ অধীনত মনস্তাত্ত্বিক তথা মানৱ সম্পদৰ অধীনত মালবিকা শইকীয়াই মন পখিলা নামৰ সংস্থাটোৰ জৰিয়তে সুলভ মডেলৰ বাবেও কাম কৰি আহিছে যোৱা ৩ টা বছৰে। এই সময়ছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগী প্ৰতিভাৱান মহিলাসকলক আত্মনিয়োগ আৰু স্বনিয়োজক একোটা প্ৰতিভাৰ সৃষ্টি কৰাৰ লগতে মন পখিলাৰ জৰিয়তে মহিলাসকলক বিভিন্ন প্ৰতিভাৰে নিজৰ উদ্যম গঠন কৰাৰ ক্ষেত্ৰতো সহায় কৰি আহিছে। উদ্দেশ্য নিজকে আত্মনিৰ্ভৰশীল হিচাপে গঢ়ি তোলাৰ লগতে আন দহ গৰাকী মহিলাক আত্মনিৰ্ভৰশীল কৰি আগুৱাই নিয়াৰ বাবে প্ৰতিভাৱান মহিলাসকলক অধিক উৎসাহ দিবলৈ সংস্থাটোৱে পোন প্ৰথমবাৰৰ বাবে চাৰিটা শাখাত বঁটা ঘোষণা কৰিছে। ইয়াৰ শ্ৰেষ্ঠ গাঁৱলীয়া উদ্যোগ অসম মহিলা বঁটা এই বৰ্ষৰ বিশ্বনাথৰ নিজ বিহালীৰ নৱনীতা বৰাক প্ৰদান কৰিব বুলি ঘোষণা কৰিছে । এই বঁটা অহা ১১ জুন তাৰিখে গুৱাহাটীৰ প্ৰেছ ক্লাবত প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে মন পখিলাৰ প্ৰতিষ্ঠাপিকা মালবিকা শইকীয়াই। আনহাতে বুধবাৰে অসম মহিলা উদ্যোগী বঁটা পাবলৈ সক্ষম হোৱা নৱনীতা বৰাৰ বাসগৃত উখল-মাখল পৰিৱেশ। টেলেঙ্গীয়া দুই সচেতন যুৱক মানস জ্যোতি দাস আৰু প্ৰাণজিৎ দাসে নৱনীতাৰ বাসগৃহত উপস্থিত হৈ শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে নৱনীতা বৰাই ইয়াৰ পূৰ্বে যোৱা ২২ মে'ত প্ৰজ্ঞাৰ সাধনা বঁটাও লাভ কৰিবলৈ সক্ষম হৈছে।

### আমগুৰিৰ 'বেম্ব' টী' অসমৰ বজাৰ দখল কৰিবলৈ সাজু

## শিক্ষিত ব্যক্তি প্ৰহ্লাদ খনিকৰৰ ব্যতিক্ৰমী চিন্তা ঃ নৱপ্ৰজন্মৰ বাবে আদৰ্শ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২ জুন ঃ** অসমীয়াৰ এবিধ অন্যতম প্ৰিয় পানীয় চাহ। গ্ৰীন টীৰ পিছত এইবাৰ বজাৰ দখল কৰিবলৈ সাজু হৈছে বেম্ব' টী। অসমৰ চাহ বহি:দেশলৈ ৰপ্তানি হোৱাৰ সমান্তৰালকৈ অসমত গ্ৰীন টীয়ে বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। পুনৰ থলুৱা আৰু জৈৱিক পদ্ধতিৰে প্ৰস্তুত কৰা বেম্ব' টী সাজু হৈছে অসমৰ বজাৰ দখল কৰিবলৈ। শিৱসাগৰ জিলাৰ আমগুৰি ৰতনপুৰীয়া গাঁৱৰ প্ৰহ্লাদ খনিকৰে প্ৰস্তুত কৰিছে এই বিশেষ 'বেম্ব' টী'। ব্যতিক্ৰমী সোৱাদেৰে চাহৰ বজাৰ দখলৰ বাবে সাজু হৈছে আমগুৰিৰ বেম্ব' টী। গাঁৱৰ এগৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক প্ৰহ্লাদ খনিকৰে নিজৰ চাহ বাগানৰ চাহপাতেৰে ঘৰতে তৈয়াৰ কৰি উলিয়াইছে এই বিশেষ চাহবিধ। নিজৰ ক্ষুদ্ৰ চাহ বাগিচাখনক জৈৱিক পদ্ধতিৰে গঢ় দি এটি কলি দুটি পাতেৰে প্ৰস্তুত কৰিছে এই বিশেষ পানীয়বিধ। বাঁহৰ চুঙাত বিশেষ পদ্ধতিৰে চাহপাতৰ কলি সুমুৱাই এমাহৰ পৰা ডেৰমাহ পৰ্যন্ত জুইৰ উত্তাপত ৰাখি প্ৰস্তুত কৰিছে এই বিশেষ বেম্ব' টী। 'গ্ৰীন টী'ৰ পিছত 'বেম্ব' টী'ৰ বজাৰ দখল কৰিবৰ কাৰণে সাজু হোৱা চাহ খেতিয়ক প্ৰহ্লাদ খনিকৰে এটা চুঙাৰ দাম ১,৫০০ টকাকৈ বিক্ৰী কৰি আহিছে। অসমৰ বজাৰ দখল কৰিব পৰাকৈ এইগৰাকী ক্ষুদ্ৰ চাহ খতিয়কে দেখুৱাইছে আদৰ্শৰ বাট। যি সময়ত কেঁচা চাহপাত ক্ষুদ্ৰ চাহ খেতিয়কে অতি নিম্নতম মূল্যত বিক্ৰী কৰিছে তেনে সময়তে এইজন প্ৰহ্লদ খনিকৰে ঘৰতে বেম্ব' টী প্ৰস্তুত কৰি আদৰ্শৰ বাট দেখুৱাবলৈ সক্ষম হৈছে। উল্লেখ্য যে প্ৰহ্লাদ খনিকৰে বেম্ব' টীৰ লগতে 'হোৱাইট টী অথবা চিলভাৰ টী' প্ৰস্তুত কৰিছে । ভাৰতত এই টীৰ দৰ নাই যদিও আন্ত:ৰাষ্ট্ৰীয় বজাৰত 'হোৱাইট টী অথবা চিলভাৰ টী'ৰ বিশেষ দৰ আছে। আনহাতে বেম্ব' টী অসমত সহজলভ্য নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ নাগালেণ্ড, অৰুণাচল প্ৰদেশত বেম্ব' টীৰ প্ৰচলন দেখা পোৱা যায়। বৰ্তমান অসমত দুই এজনে বেম্ব' টী প্ৰস্তুত কৰিছে যদিও বজাৰ দখল কৰিব পৰাকৈ উৎপাদন কৰিব পৰা নাই। বিশেষকৈ বেম্ব' টী প্ৰস্তুত কৰোতে এমাহৰ পৰা ডেৰমাহ পৰ্যন্ত সময়ৰ প্ৰয়োজন হয়। গ্ৰীন টীতকৈ বেম্ব' টী প্ৰস্তুত কৰা কঠিন। বেম্ব' টী প্ৰস্তুত কৰিবলৈ এটি কলি দুটি পাতৰ প্ৰয়োজন। এটি কলি দুটি কুঁহিপাতৰ আগ ছিঙি ঠাণ্ডা ঠাইত ৰাখি লেৰেলিবলৈ দিয়া হয়। ইয়াৰ পিছত বিশেষ পদ্ধতিৰে কুঁহিপাতৰ আগবিলাক বাঁহৰ চুঙাত সুমুওৱা হয়। সাধাৰণতে বাঁহৰ চুঙা পাহাৰীয়া হ'লে ভাল যদিও পাহাৰীয়া বাঁহ সহজতে লাভ কৰাত অসুবিধা হোৱা হেতু থলুৱা বাঁহ ব্যৱহাৰ কৰা হয়। বাঁহৰ চুঙাত কুঁহিপাতৰ আগবিলাক সুমুওৱাৰ পিছত মুখখন বন্ধ কৰি নিৰ্দিষ্ট দূৰত্বত জুইৰ উত্তাপ আৰু ধোঁৱা দিয়া হয়। এনেদৰে প্ৰায় এমাহৰ পৰা ডেৰমাহ পৰ্যন্ত জুইৰ উত্তাপ আৰু ধোঁৱা দিবলগীয়া হয়। উল্লেখ্য যে গ্ৰীন টীৰ দৰে বেম্ব' টীয়ে অসমৰ বজাৰ দখল কৰিব পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। অসমৰ গ্ৰামাঞ্চলত থকা ক্ষুদ্ৰ চাহ বাগানবিলাক জৈৱিকভাৱে উৎপাদনৰ ব্যৱস্থা কৰি বেম্ব' টীৰ বাবে অনুকূল কৰি ল'ব লাগিব। ৰাসায়নিক সাৰ প্ৰয়োগৰ পৰা বিৰত থাকি কেঁচুসাৰ প্ৰয়োগেৰে চাহপাত উৎপাদন কৰি ঘৰতেই ক্ষুদ্ৰ চাহ খেতিয়কে বেম্ব' টী প্ৰস্তুত কৰিব পাৰে। এই বেম্ব' টী অসমৰ বজাৰৰ লগতে বহি:ৰাজ্য আৰু অন্য দেশলৈও ৰপ্তানি হ'ব পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। বিশেষকৈ বেম্ব' টী সেৱন কৰিলে শৰীৰৰ কোনো অপকাৰ নহয়। বৰঞ্চ হাইপ্ৰেছাৰ, ছুগাৰ, হাৰ্টৰ প্ৰব্লেমৰ পৰা উপশম পাব পাৰি। বেম্ব' টীৰ এনে ঔষধি গুণ থকাৰ লক্ষ্য কৰি বজাৰ দখলত কোনো অসুবিধা নহ'ব। আমগুৰিৰ প্ৰহ্লাদ খনিকৰ নামৰ ব্যক্তিজনৰ এনে কৰ্ম অনুসৰণ কৰি অসমৰ শিক্ষিত যুৱকসকলে বেম্ব' টীৰ এখন বজাৰ সৃষ্টি কৰিলে আৰ্থিকভাৱে উপকৃত হোৱাৰ সমান্তৰালকৈ অসমত এক সুকীয়া স্থান দখল কৰিব। বেম্ব' টীৰ ক্ষেত্ৰত জানিব বিচাৰিলে প্ৰহ্লাদ খনিকৰৰ ৯৯৫৪০-৭৯৬৯৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## ধুবুৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত ৮৫ বেগ অবৈধ ইউৰিয়া, ১খন নাও জব্দ ঃ ৩জনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২ জুন ঃ** ধুবুৰী জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত ৪৯ নং সীমান্ত সুৰক্ষা বাহিনীৰ দলে অভিযান চলাই নাও এখনৰ পৰা অবৈধভাৱে ৰখা ৮৫ বস্তা ইউৰিয়া জব্দ কৰাৰ লগতে ৩জন চোৰাং সাৰ ব্যৱসায়ীক আটক কৰা হয়।



ধৃত তিনিজন যথাক্ৰমে শ্বাহ আলম, চান মিঞা, আব্দুল সালাম। এই সম্পৰ্কে বি এছ এফৰ সূত্ৰ মতে জব্দকৃত ইউৰিয়া কঢ়িয়াই অনা নাওখন ভাষাণী চৰৰ পৰা দ: শালমাৰালৈ গৈ আছিল। ধৃত তিনিজনক ধুবুৰী সদৰ থানাৰ আৰক্ষীৰ হাতত গতাই দিয়া হয়। ধৃত তিনিজনক সদৰ থানাত জেৰা চলাই থকা হৈছে।




### তামুলপুৰ জিলা বিজেপিৰ সংবাদ মেল

## বিজেপি চৰকাৰে গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিসমূহ ৰাইজক অৱগত কৰিবলৈ ঘৰে ঘৰে যাব বিজেপিৰ কাৰ্যকৰ্তাসকল

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২ জুন ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ ৮ বছৰ পূৰ্তি উপলক্ষে আজি তামুলপুৰ জিলা সদৰৰ গয়বাৰী মণ্ডল বিজেপি কাৰ্যালয়ত এক সংবাদ মেলৰ আয়োজন কৰা হয়। সংবাদ মেল সম্বোধি তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাসে বিজেপি নেতৃত্বাধীন কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰৰ আঠবছৰীয়া কাৰ্যকালৰ উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে ব্যাখ্যা কৰে। বিজেপিৰ জিলা সভাপতিগৰাকীয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ এখন বিশেষ এখন আঁচনি হৈছে অন্ত্যোদয়া। এই অন্ত্যোদয়া আঁচনিকে মূলমন্ত্ৰ হিচাবে লৈ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰ আৰু ৰাজ্যৰ ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দিনে-নিশাই কাম কৰি আহিছে। বিশেষকৈ সমাজৰ পিছপৰা দুখীয়া শ্ৰেণী আৰু মহিলা সবলীকৰণৰ কাৰণে চৰকাৰৰ কাম-কাজ লক্ষণীয়। কেন্দ্ৰীয় চৰকাৰৰ গৰীব কল্যাণ আঁচনি, কৃষকৰ ফচল বীমা যোজনা, অন্ত্যোদয়া আঁচনি, মহিলাসকলৰ কাৰণে আগবঢ়োৱা উজ্জ্বলা আঁচনিকে ধৰি প্ৰত্যেকখন আঁচনিৰ বিষয়ে অৱগত কৰি বিজেপি চৰকাৰখনে দুখীয়া জনসাধাৰণৰ স্বাৰ্থত কাম কৰাৰ কথা সদৰী কৰে। তেওঁ কয়-- প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰ নিৰ্মাণৰ কাৰণে চৰকাৰে ১৩০ লাখ টকা আবন্টন দিছে কিন্তু ইয়াৰ বিনিময়ত কোনেও এটকাও কাকো দিবলগীয়া হোৱা নাই। সংবাদমেলত উপস্থিত থাকি বিটিআৰৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসে কয়- প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ দেশ আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনৰ যথেষ্টখিনি উন্নয়ন হৈছে । তদুপৰি উত্তৰ-পূবক মোদী ডাঙৰীয়াই বিশেষ দৃষ্টি প্ৰদান কৰি উন্নয়নৰ ধাৰা অব্যাহত ৰাখিছে বুলিও সংবাদমেলত তেওঁ জানিবলৈ দিয়ে। দৰাচলতে ১৯৯৯ চনত কেন্দ্ৰত অটল বিহাৰী বাজপেয়ী চৰকাৰৰ দিনত উত্তৰ-পূবক সুদৃষ্টি প্ৰদান কৰি উত্তৰ-পূবক সামৰি ডোনাৰ মন্ত্ৰণালয় স্থাপন কৰি উন্নয়নমূলক কাম-কাজ আৰম্ভ কৰিছিল। তাৰ উপৰি ইষ্ট-ৱেষ্ট কৰিড'ৰ হিচাপে ফ'ৰলেন হাইৱেৰ দৰে পথ নিৰ্মাণ কৰি উত্তৰ-পূবক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। শেহতীয়াভাৱে বিজেপি চৰকাৰখনে বিটিআৰ চুক্তি সম্পাদন কৰি বড়োলেণ্ডৰ পূৰ্বৰ উগ্ৰপন্থী সমস্যাৰ সমাধান কৰিবলৈ সক্ষম হৈছিল। যাৰ বাবে বিটিআৰত শান্তি-সম্প্ৰীতি পুনৰ ঘূৰি অহাই নহয়, সকলো জাতি-জনগোষ্ঠীৰ মাজত এক সমন্বয়ৰ বাট মুকলি হৈছে। আনহাতে আজিৰ সংবাদমেলত উপস্থিত থাকি বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰখনে গৰীব কল্যাণ আঁচনিৰে সমাজৰ সকলো দুখীয়া ৰাইজকে সামৰি ল'বলৈ আগ্ৰহ প্ৰকাশ কৰিছে । কোনো লোকে যাতে থকা ঘৰৰ অভাৱত থাকিব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখি নৰেন্দ্ৰ মোদীয়ে অসমক একৈশ লাখ গৃহ প্ৰদান কৰিছে । আগন্তুক পোন্ধৰ দিনত বিজেপি চৰকাৰে দুখীয়াৰ কাৰণে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে বিজেপি দলৰ কাৰ্যকৰ্তাসকলে ঘৰে ঘৰে গৈ ৰাইজক অৱগত কৰিব বুলিও তেওঁ সংবাদ মেলত সদৰী কৰে। আজিৰ সংবাদ মেলত তামুলপুৰ জিলা বিজেপি আৰু গয়বাৰী মণ্ডল বিজেপিৰ বহুকেইগৰাকী কাৰ্যকৰ্তাও উপস্থিত থাকি সহযোগ কৰে।

### ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত তিনিখনকৈ গ্ৰন্থ উন্মোচন

## জৈৱিক পদ্ধতিৰে প্ৰস্তুত কৰা মহাবিদ্যালয়ৰ 'গ্ৰীন টী' গ্ৰাহকৰ বাবে মুকলি কৰে বিধায়ক পদ্ম হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২ জুন ঃ** জীয়াভৰলীপৰীয়া ৰাইজৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিওৱা তথা মহাবিদ্যালয়ৰখনৰ প্ৰবক্তা ডঃ ৰাস্না ৰাজখোৱাৰ সম্পাদনাত প্ৰকাশিত 'ভিন্ন প্ৰসংগ নদুৱাৰৰ জলঙাৰে', 'কিতাবত মঞ্জৰি' নামৰ গ্ৰন্থ দুখনিৰ লগতে 'হাতী পুথি' নামৰ আন এখন গ্ৰন্থৰ আজি শুভ উন্মোচন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ হৰকান্ত গগৈৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ বিপুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিত গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা আৰু লোকনায়ক অমিয় কুমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুখদেৱ অধিকাৰীয়ে। মহাবিদ্যালয়খনৰ প্ৰবক্তা ডঃ সুমন্ত ৰাজবংশীয়ে আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ অজিত হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত গ্ৰন্থ উন্মোচন কৰি স্থানীয় বিধায়ক পদ্ম হাজৰিকাই মহাবিদ্যালয়ৰ নিজা প্ৰকাশন পৰিষদৰ ফালৰ পৰা বছৰি এইদৰে গ্ৰন্থ প্ৰকাশ কৰাটো অতিকৈ শুভ আৰু ভাল লক্ষণ বুলি উল্লেখ কৰি গ্ৰন্থ দুখনে পঢ়ুৱৈ সমাজক উপকৃত কৰিব পাৰিব বুলি উল্লেখ কৰে। ইফালে ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক দিশৰ উপৰি অৰ্থনৈতিক দিশ তথা কৰ্মসংস্কৃতিৰ ওপৰত গুৰুত্ব দি মহাবিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ ভিতৰত জৈৱিক পদ্ধতিৰে উৎপাদন কৰা চাহখেতিৰ পৰা প্ৰস্তুত কৰা 'গ্ৰীন টী'ৰ পেকেটিং' বিধায়কগৰাকীৰ হাতীৰে আজি বজাৰলৈ মুকলি কৰে মহাবিদ্যালয় কৰ্তৃপক্ষই। উল্লেখ্য যে বৃহত্তৰ জামুগুৰিহাট অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৰ্মসংস্কৃতিৰ মনোভাব গঢ়ি তোলাৰ বাবে মহাবিদ্যালয়ৰ চৌহদত চাহ, কল, নেমু, জলকীয়াকে ধৰি কৃষি কৰ্ম কৰি আহিছে। আৰু এই কৃষি কৰ্মৰ পৰা উপাৰ্জন হোৱা ধনেৰে মহাবিদ্যালয়ত অধ্যয়নৰত দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰকাৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সহায় কৰি আহিছে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আবাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি